# ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ
# 2020ৰ 31 মাৰ্চত সমাপ্ত বৰ্ষটোৰ বাবে
# ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ
# ওপৰত প্ৰতিবেদন

लोकहितार्थ सत्यनिष्ठा

Dedicated to Truth in Public Interest

## অসম চৰকাৰ

*(2022 বৰ্ষৰ প্ৰতিবেদন নং 3)*

# ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ

# 2020 ৰ 31 মাৰ্চত সমাপ্ত বৰ্ষটোৰ বাবে

# ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ

# ওপৰত প্ৰতিবেদন

## অসম চৰকাৰ

***(2022 বৰ্ষৰ প্ৰতিবেদন নং 3)***

# সূচীপত্ৰ


| বিৱৰণ | দ্ৰষ্টব্য | |
|---|---|---|
| | দফা (সমূহ) | পৃষ্ঠা (সমূহ) |
| **পাতনি** | | **iii** |
| **দৃষ্টিপাত** | | **v - xi** |
| **অধ্যায়-I: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাৰ্যকলাপ** | | |
| **খণ্ড 1: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ অৱলোকন** | | |
| সাধাৰণ | 1.1.1 - 1.1.2 | 1 |
| দায়বদ্ধতাৰ গাঁথনি | 1.1.3 - 1.1.6 | 2 |
| ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহত বিনিয়োগ | 1.1.7 - 1.1.10 | 4 |
| **খণ্ড 2: শক্তি খণ্ডৰ ৰাজহুৱা খণ্ডৰ প্ৰতিস্থানসমূহৰ কাৰ্যকলাপ** | | |
| পৰিচয় | 1.2.1 - 1.2.2 | 7 |
| শক্তিখণ্ডৰ পি এছ ইউ সমূহত বিনিয়োগ | 1.2.3 | 8 |
| অসম চৰকাৰৰ বিত্তীয় হিচাপৰ সৈতে সমিলমিলকৰণ | 1.2.4 | 8 |
| অসম চৰকাৰৰ বাজেট ব্যয় | 1.2.5 | 9 |
| হিচাপ দাখিল | 1.2.6 - 1.2.7 | 10 |
| পি এছ ইউ সমূহৰ কাৰ্যকৰী কাৰ্যসম্পাদন | 1.2.8 - 1.2.11 | 11 |
| বিনিয়োগৰ বৰ্তমান মূল্যৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ দ্বাৰা বিনিয়োগৰ ওপৰত লাভ | 1.2.12 | 14 |
| পি এছ ইউৰ দীৰ্ঘম্যাদী ঋণৰ বিশ্লেষণ | 1.2.13 - 1.2.15 | 14 |
| পি এছ ইউ ৰ বাৰ্ষিক হিচাপৰ হিচাপ পৰীক্ষাৰ মন্তব্যৰ প্ৰভাৱ | 1.2.16 | 16 |
| শক্তি খণ্ডৰ পি এছ ইউ সমূহৰ প্ৰদৰ্শন | 1.2.17 | 17 |
| নিৰ্বিনিয়োগ, পুনৰ্গঠন আৰু ব্যক্তিগতকৰণ | 1.2.18 | 20 |
| হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত অনুসৰণ কাৰ্য | 1.2.19 – 1.2.20 | 20 |
| **শাখা 3: ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাৰ্যকলাপ (শক্তি খণ্ডৰ বাহিৰে)** | | |
| পৰিচয় | 1.3.1 | 23 |
| পি এছ ইউ ত বিনিয়োগ (শক্তি খণ্ডৰ বাহিৰে) | 1.3.2 | 23 |
| অসম চৰকাৰৰ বিত্তীয় হিচাপৰ সৈতে সমিলমিলকৰণ | 1.3.3 | 24 |
| অসম চৰকাৰৰ বাজেট ব্যয় | 1.3.4 | 25 |
| হিচাপ দাখিল | 1.3.5 - 1.3.8 | 25 |
| পি এছ ইউৰ কাৰ্যকৰী পাৰদৰ্শীতা | 1.3.9 - 1.3.13 | 29 |
| বিনিয়োগৰ বৰ্তমান মূল্যৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ দ্বাৰা বিনিয়োগৰ ওপৰত লাভ | 1.3.14 | 33 |
| পি এচ ইউৰ দীৰ্ঘম্যাদী ঋণৰ বিশ্লেষণ | 1.3.15 - 1.3.17 | 33 |
| পি এছ ইউৰ বাৰ্ষিক হিচাপৰ ওপৰত হিচাপ পৰীক্ষাৰ মন্তব্যৰ প্ৰভাৱ | 1.3.18 - 1.3.20 | 35 |
| নিৰ্বিনিয়োগ, পুনৰ্গঠন আৰু ব্যক্তিগতকৰণ | 1.3.21 | 37 |
| অ-কাৰ্যকৰী পি এচ ইউসমূহ বন্ধ কৰা | 1.3.22 | 37 |
| হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত অনুসৰণ কাৰ্য | 1.3.23 - 1.3.24 | 38 |

| বিৱৰণ | দ্ৰষ্টব্য | |
|---|---|---|
| | দফা (সমূহ) | পৃষ্ঠা (সমূহ) |
| **অধ্যায় II: পি এছ ইউ সম্পৰ্কীয় কাৰ্যসম্পাদন হিচাপ পৰীক্ষা** | | |
| **শাখা 4: শক্তি খণ্ডৰ পি এছ ইউ সম্পৰ্কীয় কাৰ্যসম্পাদন হিচাপ পৰীক্ষা** | | |
| অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ দ্বাৰা দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই)/সৌভাগ্য আঁচনি ৰূপায়ণৰ ওপৰত কাৰ্যসম্পাদন হিচাপ পৰীক্ষা | 2.1 - 2.19.9 | 41 |
| **অধ্যায় III: পি এছ ইউ সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ দফা সমূহ** | | |
| **শাখা 5: শক্তি খণ্ডৰ পি এছ ইউ সম্পৰ্কীয় হিচাপ পৰীক্ষাৰ দফাসমূহ** | | |
| **অসম শক্তি বিতৰণ কোম্পানী লিমিটেড** | | |
| অপ্ৰাপ্য লাভালাভ | 3.5.1 | 67 |
| **অসম বিদ্যুৎ সংবহন নিগম লিমিটেড** | | |
| ৰাহি হোৱা পুঁজিৰ বিনিয়োগ নীতিৰ অভাৱ | 3.5.2 | 69 |
| **শাখা 6: পি এছ ইউ সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ অনুচ্ছেদ (শক্তি খণ্ডৰ বাহিৰে)** | | |
| **অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড** | | |
| অপ্ৰাপ্য লাভালাভ | 3.6.1 | 72 |
| ***পৰিশিষ্ট*** | | 79 |

# *পাতনি*

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ 31 মাৰ্চ 2020 ত সমাপ্ত বৰ্ষটোৰ বাবে এই প্ৰতিবেদনখন ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 151 ৰ অধীনত ৰাজ্যিক বিধান মণ্ডলত উপস্থাপন কৰিবলৈ ৰাজ্যপালৰ ওচৰত দাখিল কৰিবৰ বাবে প্ৰস্তুত কৰা হৈছে।

এই প্ৰতিবেদনত 31 মাৰ্চ 2020 তাৰিখে সমাপ্ত হোৱা বছৰটোৰ বাবে চৰকাৰী কোম্পানী আৰু বিধিবদ্ধ নিগমসমূহৰ হিচাপ পৰীক্ষাৰ ফলাফল সমূহে সন্নিবিষ্ট কৰা হৈছে।

কোম্পানী আইন, 2013 ৰ অনুচ্ছেদ 143 ৰ বিধান অনুসৰি চি এণ্ড এ জি ৰ দ্বাৰা চৰকাৰী কোম্পানীসমূহৰ হিচাপৰ হিচাপ পৰীক্ষা কৰা হয়। কোম্পানী আইনৰ অধীনত চি এণ্ড এ জি ৰ দ্বাৰা নিয়োজিত বিধিবদ্ধ হিচাপ পৰীক্ষকৰ (চনদপ্ৰাপ্ত গাণনিকসকল) দ্বাৰা প্ৰমাণিকৃত হিচাপসমূহ চি এণ্ড এ জি বিষয়াসকলে পৰিপূৰক হিচাপ পৰীক্ষা কৰিব লাগে আৰু চি এণ্ড এ জি য়ে বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ ওপৰত মন্তব্য কৰে বা সংযোজন কৰে। ইয়াৰ উপৰিও চৰকাৰী কোম্পানীসমূহ চি এণ্ড এ জি ৰ দ্বাৰা বাচনিমূলক হিচাপ পৰীক্ষাৰো অধীন। বিধিবদ্ধ নিগমসমূহৰ হিচাপ পৰীক্ষা সংশ্লিষ্ট বিধানমণ্ডলৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। এটা বিধিবদ্ধ নিগম অৰ্থাৎ অসম ৰাজ্যিক পৰিবহণৰ ক্ষেত্ৰত চি এণ্ড এ জি হৈছে একমাত্ৰ হিচাপ পৰীক্ষক। তদুপৰি, অসম বিদ্যুৎ নিয়ামক আয়োগৰ ক্ষেত্ৰতো চি এণ্ড এ জি হৈছে একমাত্ৰ হিচাপ পৰীক্ষক।

চি এণ্ড এ জি (কৰ্তব্য, ক্ষমতা আৰু সেৱাৰ চৰ্তাৱলী)ৰ আইন, 1971 ৰ অনুচ্ছেদ 19-A ৰঅধীনত অসমৰ ৰাজ্যিক বিধানমণ্ডলত উপস্থাপন কৰাৰ বাবে চি এণ্ড এ জি দ্বাৰা চৰকাৰী কোম্পানী বা নিগমৰ হিচাপৰ সন্দৰ্ভত প্ৰতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰা হয়।

এই পতিবেদনত উল্লেখ কৰা বিষয়সমূহ হৈছে, যিসমূহ এপ্ৰিল 2019 ৰ পৰা মাৰ্চ 2020 সময়ছোৱাত বাচনিভিত্তিক হিচাপ পৰীক্ষাত লক্ষ্য কৰা হৈছিল আৰু যিসমূহ পূৰ্বৰ বছৰসমূহত দষ্টিগোচৰ হৈছিল কিন্তু পূৰ্বৰ হিচাপ পৰীক্ষা প্ৰতিবেদনত উল্লেখ কৰিব পৰা নগ'ল। মাৰ্চ 2020 ৰ পৰৱৰ্ত্তী সময়ৰ বিষয়সমূহো  প্ৰয়োজন সাপেক্ষে অন্তৰ্ভুক্ত কৰা হৈছে।

চি এণ্ড এ জি-এ জাৰী কৰা হিচাপ পৰীক্ষাৰ মাপকাঠিৰ সৈতে সমঞ্জস্য ৰাখি হিচাপ পৰীক্ষা পৰিচালনা কৰা হৈছে। "Report of the Comptroller and Auditor General of India on Public Sector Undertakings for the year ended 31 March 2020"ৰ অসমীয়ালৈ ভাষান্তৰ কৰি এই প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে।

অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটো প্ৰামাণিক বুলি বিবেচিত হ'ব।

# দৃষ্টিপাত

# দৃষ্টিপাত

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ ওপৰত 31 মাৰ্চ 2020 ত সমাপ্ত বৰ্ষটোৰ বাবে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ প্ৰতিবেদন খন (অসম চৰকাৰ) তিনিটা অধ্যায়ত প্ৰকাশিত হৈছে।

**অধ্যায়-I ত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ (পি এচ ইউ)** সন্দৰ্ভত তলত দিয়াৰ দৰে তিনিটা শাখাত সন্নিৱিষ্ট আছে:

**শাখা 2** য়ে শক্তি খণ্ডৰ পি এছ ইউ সমূহৰ কাম-কাজৰ ওপৰত দৃষ্টিপাত আগবঢ়াইছে।

**শাখা 3** য়ে পি এছ ইউ সমূহৰ (শক্তি খণ্ডক বাদ দি) কাম-কাজৰ ওপৰত দৃষ্টিপাত আগবঢ়াইছে।

**অধ্যায়-II ত পি এছ ইউ সমূহৰ কাৰ্যসম্পাদন হিচাপ পৰীক্ষাৰ** সন্দৰ্ভত তলত দিয়াৰ দৰে এটা শাখা আছে:

**শাখা 4** ত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ (এ পি ডি চি এল) দ্বাৰা দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা/সৌভাগ্য আঁচনি ৰূপায়ণৰ ওপৰত এক কাৰ্যসম্পাদন হিচাপ পৰীক্ষা অন্তৰ্ভুক্ত কৰা হৈছে।

**অধ্যায়-III ত পি এছ ইউসমূহৰ ওপৰত অনুপালন হিচাপ পৰীক্ষাৰ দফা সমূহৰ** সন্দৰ্ভত তলত দিয়াৰ দৰে দুটা শাখা আছে:

**শাখা 5** ত শক্তি খণ্ডৰ পি এছ ইউ সমূহৰ অনুপালন হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা দুটা অনুপালন হিচাপ পৰীক্ষাৰ দফা সন্নিৱিষ্ট কৰা হৈছে।

**শাখা 6** ত পি এছ ইউ (শক্তি খণ্ডক বাদ দি)সমূহৰ অনুপালনৰ হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা এটা অনুপালন হিচাপ পৰীক্ষাৰ দফা সন্নিৱিষ্ট কৰা হৈছে।

হিচাপ পৰীক্ষাৰ প্ৰতিবেদনখনৰ উল্লেখযোগ্য উদ্‌ঘাটনসমূহ নিম্নলিখিত ধৰণৰ:

## অধ্যায়-I: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ

### শাখা 1: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কাম-কাজ

31 মাৰ্চ 2020 পৰ্যন্ত অসমত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰধান মহাগাণনিকৰ পৰিসৰৰ ভিতৰত 51 টা পি এছ ইউ (16 টা অ-কাৰ্যকৰী পি এছ ইউ সহ) আৰু এখন ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগ আছিল। এই 51 টা পি এছ ইউত তিনিটা শক্তি খণ্ডৰ পি এছ ইউ (সকলো কাৰ্যকৰী চৰকাৰী কোম্পানী) আৰু শক্তিখণ্ডৰ বাহিৰে 48 টা পি এছ ইউৰ (তিনিটা কাৰ্যকৰী বিধিবদ্ধ নিগম সহ) অন্তৰ্ভুক্ত আছিল। 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ, শক্তিখণ্ডৰ পি এছ ইউ সমূহত অসম চৰকাৰৰ বিনিয়োগ 2,967.38 কোটি টকা (2015-16) ৰ পৰা 7.06 শতাংশ বৃদ্ধি হৈ 3,176.75 কোটি টকা লৈ (2019-20) বৃদ্ধি পাইছে।

***(দফা 1.1.1 আৰু 1.1.9)***

31 মাৰ্চ 2020 পৰ্যন্ত, 19 টা পি এছ ইউৰ অসম চৰকাৰক দিবলগীয়া ঋণৰ দায়বদ্ধতা আছিল 2,785.33 কোটি টকা। 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ, অসম চৰকাৰৰ বকেয়া ঋণ থকা 19 টা পি এছ ইউৰ ভিতৰত

তিনিটা পি এছ ইউয়ে 26.97 কোটি টকা পৰিমাণৰ ঋণৰ কিস্তি পৰিশোধ কৰিছিল। অসম চৰকাৰে উজ্বল ডিচকম এছ্যুৰেন্স যোজন (উদয়) আঁচনিৰ অধীনত, 1,132.53 কোটি টকাৰ ঋণক অনুদান (849.40 কোটি টকা) আৰু ইকুইটী (283.13 কোটি টকা) লৈ ৰূপান্তৰিত কৰিছিল। অসম চৰকাৰে পুনৰ 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ অসম চৰকাৰৰ ঋণৰ বিপৰীতে এ পি ডি চি এল ৰ দ্বাৰা পৰিশোধ কৰিবলগা 554 কোটি টকাৰ সুত ৰেহাই দিছিল।

***(দফা 1.1.10)***

## **শাখা 2: শক্তি খণ্ডৰ ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ কাম-কাজ**

31 মাৰ্চ 2020 পৰ্যন্ত তিনিটা পি এছ ইউত মুঠ বিনিয়োগ (ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণ) আছিল 4,266.12 কোটি টকা। বিনিয়োগটো ইকুইটিত 25.56 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 74.44 শতাংশৰে গঠিত। তদুপৰি, অসম চৰকাৰৰ দ্বাৰা বিনিয়োগ হৈছে ইকুইটিৰ বাবে 34.32 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 65.68 শতাংশ।

***(দফা 1.2.3)***

2019-20 বৰ্ষত, অসম চৰকাৰে ইকুইটি (283.13 কোটি টকা), দীৰ্ঘম্যাদী ঋণ (285.11 কোটি টকা) আৰু অনুদান/ৰাজসাহাৰ্য (1,962.66 কোটি টকা)ৰ ৰূপত শক্তিখণ্ডৰ তিনিটা পি এছ ইউক 2,530.90 কোটি টকাৰ বাজেটীয় সমৰ্থন প্ৰদান কৰিছে। অসম চৰকাৰৰ দ্বাৰা এ পি ডি চি এলক মোকলাই দিয়া অনুদান/ৰাজসাহাৰ্যত (1,962.66 কোটি টকা) বিদ্যুৎ ক্ৰয় দায়বদ্ধতা (238.95 কোটি টকা) পৰিশোধৰ বাবে, উদয় আঁচনিত সন্মত হোৱা বিত্তীয় সমৰ্থন (1,231.43 কোটি টকা) আৰু শুল্কৰ (477 কোটি টকা) বাবদ গ্ৰহকসকলৰ বাবে লক্ষ্য নিৰ্দ্ধাৰিত ৰাজসাহাৰ্যকে আদি কৰি 1,947.38 কোটি টকা (99.22 শতাংশ) আছিল। চৰকাৰৰ ঋণক ইকুইটীলৈ ৰূপান্তৰণৰ দ্বাৰা এ পি ডি চি এল ক ইকুইটী বিনিয়োগ (288.13 কোটি টকা) প্ৰদান কৰা হৈছিল।

***(দফা 1.2.5)***

শক্তি খণ্ডৰ তিনিটা পি এছ ইউ ৰ ভিতৰত দুটাই 2019-20 বিত্তীয় বৰ্ষলৈকে তেওঁলোকৰ হিচাপ চূড়ান্ত কৰিছিল। বাকী এটা পি এছ ইউ যেনে এ পি ডি চি এল ৰ 30 ছেপ্তেম্বৰ 2020 তাৰিখলৈ এটা হিচাপ (2019-20) বকেয়া আছিল।

***(দফা 1.2.6)***

30 ছেপ্তেম্বৰ 2020 তাৰিখলৈকে পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি তিনিটা পি এছ ইউ ৰ টাৰ্ণঅভাৰ আছিল 6,000.55 কোটি টকা আৰু তেওঁলোকে 2019-20 বৰ্ষত সামগ্ৰীকভাৱে 156.31 কোটি টকাৰ লোকচান বহন কৰিছিল। তিনিটা পি এছ ইউ ৰ ভিতৰত দুটাৰ সঞ্চিত লোকচানে (3,333.45 কোটি টকা) তেওঁলোকৰ পৰিশোধিত মূলধনৰ 262.70 কোটি টকা সম্পূৰ্ণৰূপে হ্ৰাস কৰিছিল।

***(দফা 1.2.2, 1.2.8 আৰু 1.2.9)***

2017-18 বৰ্ষত  পি এছ ইউৰ সূত আৰু কৰৰ পূৰ্বে উপাৰ্জন (ই বি আই টি) ধনাত্মক (650.11 কোটি টকা) হৈছিল মূখ্যত দুটা  পি এছ ইউ ৰ দ্বাৰা উপাৰ্জন কৰা 374.60 কোটি টকা লাভৰ বাবে। 2019-2020 বৰ্ষৰ,  পি এছ ইউৰ আৰ অ' চি ই 2018-19 বৰ্ষত (+) 33.21 শতাংশলৈ হ্ৰাস পাইছে মূখ্যত মূলধন নিয়োজিত 860.60 কোটি টকা বৃদ্ধি আৰু পূৰ্বৰ বছৰৰ (2017-18) তুলনাত 2018-19 বৰ্ষত ই বি আই টি-ত 175.46 কোটি টকা হ্ৰাস হোৱাৰ বাবে।

***(দফা 1.2.10)***

## শাখা 3: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ (শক্তিখণ্ডৰ বাহিৰে) কাম-কাজ

পি এছ ইউ (শক্তিখণ্ডৰ বাহিৰে) সমূহৰ 32 টা কাৰ্যকৰী পি এছ ইড (29 টা কোম্পানী আৰু তিনিটা বিধিবদ্ধ নিগম) আৰু 16 টা অ-কাৰ্য্যকৰী পি এছ ইড (সকলো কোম্পানী)ৰ দ্বাৰা গঠিত। এই পি এছ ইড সমূহত অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগ আছিল মুঠ বিনিয়োগৰ 55.71 শতাংশ। অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগৰ ভিতৰত আছে ইকুইটীত 689.81 কোটি টকা (51.54 শতাংশ) আৰু দীৰ্ঘম্যাদী ঋণত 698.95 কোটি টকা (60.53 শতাংশ)। তদুপৰি, অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগ হৈছে ইকুইটী মূলধনৰ বাবে 49.67 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 50.33 শতাংশ।

***(দফা 1.3.1 আৰু 1.3.2)***

2019-2020 বৰ্ষত ৰাজ্য চৰকাৰে ইকুইটী মূলধন (20 কোটি টকা), দীৰ্ঘম্যাদী ঋণ (27.75 কোটি টকা) আৰু অনুদান / ৰাজসাহাৰ্য (241.20 কোটি টকা)ৰ ৰূপত 11 টা পি এছ ইউ ক 288.95 কোটি টকাৰ বাজেটীয় সমৰ্থন প্ৰদান কৰিছে। ইয়াত চাৰিটা পি এছ ইউ অৰ্থাৎ অসম চাহ নিগম লিমিটেড, অসম ৰাজ্যিক পৰিবহন নিগম, অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড আৰু অসম পেট্ৰোকেমিকেলছ্ লিমিটেডক প্ৰদান কৰা 254.72 কোটি টকা (88.23 শতাংশ) বাজেটীয় সমৰ্থন অন্তৰ্ভুক্ত আছিল।

***(দফা 1.3.4)***

30 ছেপ্তেম্বৰ 2020 তাৰিখলৈকে, 28 টা কাৰ্যকৰী পি এছ ইউৰ মুঠ হিচাপ একৰ পৰা 27 বছৰলৈকে বকেয়া আছিল। তদুপৰি, অসম চৰকাৰে সাতটা পি এছ ইউক 391.80 কোটি টকাৰ বিত্তীয় সমৰ্থন আগবঢ়াইছিল, যি সমূহে বিগত পাঁচ বা ততোধিক বছৰধৰি তেওঁলোকৰ হিচাপ দাখিল কৰা নাছিল।

***(দফা 1.3.5)***

30 ছেপ্টেম্বৰ 2020 তাৰিখলৈকে পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি, 2019-2020 বৰ্ষত 32 টা কাৰ্যকৰী পি এছ ইউৰ টাৰ্ণঅভাৰ আছিল 857.79 কোটি টকা। 2019-2020 বৰ্ষত 32 টা কাৰ্যকৰী পি এছ ইউৰ ভিতৰত 14 টা পি এছ ইউয়ে 161.86 কোটি টকা লাভ অৰ্জন কৰিছিল, আনহাতে 18 টা পি এছ ইউয়ে তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি 130.56 কোটি টকাৰ লোকচান বহন কৰিছিল। 2019-2020 বৰ্ষত পি এছ ইউৰ মুঠ সম্পত্তি 50.40 কোটি টকা (2017-18) ৰ পৰা 660.38 কোটি টকালৈ (2019-2020) মুঠ 609.98 কোটি টকা বৃদ্ধি পাইছিল, মুখ্যত অসম পেট্ৰোকেমিকেলচ্ লিমিটেডৰ পৰিশোধিত মূলধনত হোৱা 488.04 কোটি টকা (অসম চৰকাৰ: 177 কোটি টকা; অন্যান্য: 311.04 কোটি টকা) বৃদ্ধিৰ বাবে। অৱশ্যে 13 টা কাৰ্যকৰী পি এছ ইউৰ সঞ্চিত লোকচানে (1,509.44 কোটি টকা) তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি তেওঁলোকৰ পৰিশোধিত মূলধন (235.54 কোটি টকা) সম্পূৰ্ণৰূপে হ্ৰাস কৰিছিল।

***(দফা 1.3.1, 1.3.9 আৰু 1.3.12)***

2018-19 বৰ্ষত 3.04 শতাংশৰ পৰা 2019-20 বৰ্ষত 5.66 শতাংশলৈ আৰ অ' চি ই বৃদ্ধি পাইছিল। আৰ অ' চি ই বৃদ্ধিৰ কাৰণ আছিল ই বি আই টি বৃদ্ধি, যাৰ মুখ্য কাৰণ আছিল এটা পি এছ ইউ যেনে অসম গেছ কোম্পানী লিমিটেডৰ লাভ 27.90 কোটি টকাৰ (2018-19) পৰা 82.55 কোটি টকা লৈ (2019-20) হোৱা বৃদ্ধি।

***(দফা 1.3.13)***

***পৰামৰ্শ***

- *ৰাজ্য চৰকাৰে বকেয়া নিষ্পত্তি কৰাৰ বাবে এক বিশেষ কোষ স্থাপন কৰিব পাৰে আৰু প্ৰত্যেকটো পি এছ ইউ ৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিব পাৰে, যাক কোষটোৱে নিৰীক্ষণ কৰিব পাৰে;*
- *প্ৰশাসনিক বিভাগে নিশ্চিত কৰিব পাৰে যে পি এছ ইউ ৰ একাউণ্ট বিভাগত বিদ্যমান খালী পদসমূহ সময়মতে পূৰণ কৰা হয় আৰু ডমেইন দক্ষতা আৰু অভিজ্ঞতা থকা ব্যক্তিসকলৰ দ্বাৰা পূৰণ কৰা হয় আৰু হিচাপৰ বকেয়া নিষ্পত্তি কৰা হয়;*
- *হিচাপসমূহ যথাসম্ভৱ সাম্প্ৰতিক নোহোৱালৈকে, চৰকাৰে এনে কোম্পানীসমূহক অধিক বিত্তীয় সাহাৰ্য নিদিয়াৰ কথা বিবেচনা কৰিব পাৰে।*

# অধ্যায়-II: পি এছ ইউ সম্পৰ্কীয় কাৰ্যসম্পাদন হিচাপ পৰীক্ষা

**শাখা 4: এপ্ৰিল 2014 ৰ পৰা মাৰ্চ 2020 লৈকে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ দ্বাৰা দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই)/সৌভাগ্য আঁচনি ৰূপায়ণৰ সন্দৰ্ভত কাৰ্যসম্পাদন হিচাপ পৰীক্ষা।**

ভাৰত চৰকাৰে (জি অ' আই) গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই) আঁচনি আৰম্ভ কৰিছিল (ডিচেম্বৰ 2014)। গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে নিৰ্দ্ধাৰিত পূৰ্বৰ ৰাজীৱ গান্ধী গামীণ বৈদ্যুতিকৰণ যোজনা (আৰ জি জি ভি ৱাই) আঁচনিখন ডি ডি ইউ জি জে ৱাই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। গ্ৰাম্য আৰু নগৰাঞ্চলৰ সকলো পৰিয়ালক (এইছ এইছ) 'অন্তিম মাইল সংযোগ' আৰু বিদ্যুৎ সংযোগ প্ৰদান কৰি দেশত সাৰ্বজনীন ঘৰুৱা বৈদ্যুতিকৰণ প্ৰাপ্ত কৰাৰ বাবে অসম চৰকাৰে প্ৰধানমন্ত্ৰী সহজ বিজুলী হৰ ঘৰ যোজনা (সৌভাগ্য) আঁচনি আৰম্ভ কৰিছিল। অসমত, শক্তি মন্ত্ৰালয়, ভাৰত চৰকাৰ (এম অ' পি, জি অ' আই) আৰু অসম চৰকাৰৰ পৰা প্ৰাপ্ত বিত্তীয় সাহাৰ্যৰ সহায়ত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে (এ পি ডি চি এল) আঁচনি সমূহ ৰূপায়ণ কৰিছিল। আঁচনিসমূহৰ মৌলিক উদ্দেশ্যবোৰ আছিল (i) গ্ৰাম্য অঞ্চলৰ কৃষি আৰু অনা-কৃষি গ্ৰাহকসকলক বিদ্যুৎ যোগানৰ ন্যায়সঙ্গত ৰোষ্টাৰিং সহজ কৰাৰ বাবে কৃষি আৰু অনা-কৃষি ফিডাৰ সমূহ পৃথক কৰা; (ii) গ্ৰাম্য অঞ্চলত উপ-সৰবৰাহ আৰু বিতৰণ আন্তঃগাথনি শক্তিশালী আৰু বৃদ্ধি কৰা, যাৰ ভিতৰত আছে বিতৰণ ট্ৰেন্সফৰ্মাৰ/ফিডাৰ/গ্ৰাহকৰ মিটাৰিং আৰু (iii) গ্ৰিড আৰু সৌৰ ফটো ভল্টেইক আধাৰিত একক প্ৰণালীৰ জৰিয়তে বাকী থকা সকলো অৰ্থনৈতিক ভাৱে দৰিদ্ৰ বিদ্যুৎবিহীন পৰিয়ালৰ সৈতে বিনামূলীয়া সংযোগ সহ অন্তিম মাইল সংযোগ আৰু বিদ্যুৎ সংযোগ প্ৰদান কৰা। 2014-15 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ অসমত আঁচনি ৰূপায়ণৰ ওপৰত কৰা কাৰ্যসম্পাদন হিচাপপৰীক্ষাৰ গুৰুত্বপূৰ্ণ ফলাফল নিম্নলিখিত ধৰণৰ।

**কায়িক অগ্ৰগতি**

আঁচনিৰ (ডি ডি ইউ জি জে ৱাই, আৰ জি জি ভি ৱাই-XII পৰিকল্পনা আৰু ডি ডি জি) অধীনত অনুমোদিত 2,339 খন বিদ্যুৎ বিহীন (ইউ ই) আৰু 16,716 খন আংশিকভাৱে বৈদ্যুতিকৃত (পি ই) গাঁওৰ বিপৰীতে, কোম্পানীটোৱে 996 খন ইউ ই গাঁও (আৰ জি জি ভি ৱাই-II পৰিকল্পনাৰ অধীনত 281 খন গাঁও, ডি ডি ইউ জি জে ৱাইৰ অধীনত 302 খন গাঁও আৰু ডি ডি জি অফ গ্ৰিড আঁচনিৰ অধীনত 413 খন গাঁও) আৰু 14,898 খন পি ই গাঁওত বৈদ্যুতিকৰণ কৰিছিল। আঁচনিখনৰ অধীনত অনুমোদিত বাকী 1,343 খন ইউ ই গাঁও আঁচনিৰ কাম সম্পাদন কৰাৰ সময়ত পি ই গাঁও বুলি পোৱা গৈছিল।

তদুপৰি সৌভাগ্যৰ অধীনত অধীনত অনুমোদিত মুঠ 19,36,555 টা পৰিয়ালৰ ভিতৰত, কোম্পানীটোৱে 31 মাৰ্চ 2021 লৈকে 13,99,688 টা পৰিয়ালক (72 শতাংশ) বিদ্যুৎ প্ৰদান কৰিব পাৰিছিল। আঁচনিখনত সামৰি লোৱা 5,36,867 টা পৰিয়াল ঘাটি হোৱাৰ মুখ্য কাৰণ আছিল অনুমোদিত (1,493.57 কোটি টকা) পৰিমাণতকৈ আন্তঃগাথনি সৃষ্টিৰ বাবে হোৱা অতিৰিক্ত (1,811.17 কোটি টকা) ব্যয়ৰ বাবে। এই ঘাটি পূৰণ কৰিবলৈ কোম্পানীয়ে বিদ্যুৎ বিহীন পৰিয়াল সমূহৰ পুনৰ জৰীপ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি 4,83,361 টা পৰিয়ালৰ বৈদ্যুতিকৰণৰ বিপৰীতে (অতিৰিক্ত আন্তঃগাঁথনি সৃষ্টি সহ) 1,815.36 কোটি টকা অতিৰিক্ত অনুমোদনৰ বাবে আৰ ই চিক অনুৰোধ (মে আৰু জুন 2021) কৰিছিল। অসম চৰকাৰে অৱশ্যে (জুলাই 2021) 4,80,249 টা বিদ্যুতিকৰণ নকৰা পৰিয়ালৰ বৈদ্যুতিকৰণৰ বাবে 1,718.18 কোটি টকা অনুমোদন জনাইছিল, যাৰ বিপৰীতে কোম্পানীটোৱে 3,81,507 টা পৰিয়ালক বিদ্যুৎ প্ৰদান কৰিছে (ফেব্ৰুৱাৰী 2022 লৈকে)।

***(দফা 2.9)***

**বিত্তীয় অগ্ৰগতি**

অসম চৰকাৰে ডি ডি ইউ জি জে ৱাইৰ অধীনত 3,156.34 কোটি টকা মঞ্জুৰ কৰিছে (আৰ জি জি ভি ৱাই-XII পৰিকল্পনা আৰু ডি ডি জি সহ)। পুঁজিৰ আৰ্হি অনুসৰি, কোম্পানীটোৱে অসম চৰকাৰৰ পৰা অনুদান হিচাপে 2,682.89 কোটি টকা (8 শতাংশ) ৰ পৰা ঋণ হিচাপে 315.63 কোটি টকা (10 শতাংশ) আৰু অসম চৰকাৰৰ পৰা অনুদান হিচাপে বাকী 157.82 কোটি টকা লাভ কৰিব লাগিছিল। ইয়াৰ বিপৰীতে, কোম্পানীটোৱে অসম চৰকাৰৰ পৰা অনুদান হিচাপে 2,930.69 কোটি টকা (অসম চৰকাৰৰ পৰা অনুদান হিচাপে 2,402.18 কোটি টকা, আৰ ই চিৰ পৰা ঋণ হিচাপে 267.49 কোটি টকা আৰু অনুদান হিচাপে অসম চৰকাৰৰ পৰা (ৰাজ্যিক কৰ সহ) 261.02 কোটি টকা) লাভ কৰিছিল। যদিও, আৰ ই চিৰ পৰা অনুদান/ঋণ সম্পূৰ্ণ ৰূপে ব্যৱহাৰ কৰা হৈছে, কোম্পানীটোৱে এতিয়াও অসম চৰকাৰৰ পৰা অনুদান হিচাপে প্ৰাপ্ত 169.09 কোটি টকা ব্যৱহাৰ কৰা নাই।

সৌভাগ্য আঁচনিৰ অধীনত, আৰ ই চিয়ে (নৱেম্বৰ 2021) সমাপ্তিৰ ব্যয় 2,476.07 কোটি টকা অনুমোদন জনাইছিল। মুঠ সমাপ্তি ব্যয়ৰ বিপৰীতে কোম্পানীটোৱে ভাৰত চৰকাৰৰ ৰাজসাহাৰ্য/অনুদান হিচাপে 1,876.08 কোটি টকা, আৰ ই চিৰ পৰা ঋণ হিচাপে 225.72 কোটি টকা আৰু অসম চৰকাৰৰ পৰা অৱদান হিচাপে 196.23 কোটি টকা লাভ কৰিছিল। কোম্পানী এতিয়াও আৰ ই চিৰ পৰা 61.20 কোটি টকা আৰু অসম চৰকাৰৰ পৰা 96.33 কোটি টকাৰ অনুদান/ৰাজসাহাৰ্য্য এতিয়াও পাবলৈ বাকী আছে। আৰ ই চিৰ দ্বাৰা 61.20 কোটি টকা মোকলাই নিদিয়াৰ মুখ্য কাৰণটো হৈছে আঁচনিটোৰ সমাপ্তি প্ৰস্তাৱ দাখিল কৰাত হোৱা বিলম্ব। কোম্পানীটোৱে মুঠ প্ৰাপ্ত পুঁজিৰ 2,282.43 কোটি আঁচনিৰ কামৰ বাবে ব্যয় কৰিছিল। ফেব্ৰুৱাৰী 2022 পৰ্যন্ত কোম্পানীৰ ওচৰত 15.60 কোটি টকা আঁচনিৰ পুঁজি ব্যয় নোহোৱাকৈ আছিল।

***(দফা 2.10)***

**হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণ সমূহ:**

**পৰিকল্পনা**

কোম্পানীয়ে প্ৰস্তুত কৰা আৰু আৰ ই চিৰ দ্বাৰা সত্যাপিত প্ৰয়োজনীন মূল্যাংকন দস্তাবেজৰ কোনো বিৱৰণ হিচাপ পৰীক্ষাৰ বাবে উপলব্ধ কৰোৱা হোৱা নাছিল। আঁচনিৰ অধীনত উপলব্ধিসমূহৰ মানদণ্ড নিৰ্ধাৰণ কৰিবলৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল ভিত্তিক কোনো তথ্য, কৃষি আৰু অনা-কৃষি গ্ৰাহকৰ সংখ্যা, পৃথকীকৰণ

প্ৰয়োজনীয় উমৈহতীয়া কাৰ্যবাহী ব্যৱস্থাৰ তথ্য, এ টি চি লোকচান, লোড শ্বেডিং আদিৰ তথ্য কোম্পানীয়ে উপলব্ধ কৰোৱা নাছিল।

***(দফা 2.13.1)***

কৃষি আৰু অনা-কৃষি গ্ৰাহকৰ মাজত শক্তিৰ সৰ্বোত্তম ৰোষ্টাৰিঙৰ কাৰণে কোম্পানীয়ে পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণৰ কাম হাতত লোৱা নাছিল।

***(দফা 2.13.3)***

**প্ৰকল্প ৰূপায়ণ**

বাচনি ভিত্তিত পৰামৰ্শদাতাৰ অনুপযোগী নিযুক্তি, একেই ধৰণৰ কামৰ ভিন্ন হাৰৰ অনুমতি দি ঠিকাদাৰক অযথা লাভালাভ, নিম্ন মানদণ্ডৰ বস্তু ক্ৰয়, আঁচনিৰ অধীনত সৃষ্টি কৰা সম্পদৰ কাৰ্যকাৰী তত্ত্বাৱধানত ব্যৰ্থতা আদি কেইবাটাও অনিয়মত প্ৰকল্প ব্যৱস্থাপনা ব্যৰ্থ হৈছিল।

***(দফা 2.14.1, 2.14.2, 2.15.1, 2.15.2.D আৰু 2.17.2)***

**নিৰীক্ষণ**

আৰ ই চিৰ দ্বাৰা অনুমোদনৰ বাবে ডি পি আৰ সমূহৰ দাখিলকৰণৰ বাবে কোম্পানীয়ে এছ এল এছ চি ৰ পৰামৰ্শ লোৱা নাছিল। তাৰোপৰি ফেব্ৰুৱাৰী 2014 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ এছ এল এছ চি ৰ কোনো বৈঠক অনুষ্ঠিত হোৱা নাছিল। যদিও প্ৰকল্পসমূহ সম্পূৰ্ণ কৰত বিলম্ব হৈছিল, সমস্যাসমূহ সমাধান কৰিবলৈ কোম্পানীয়ে এছ এল এছ চি ৰ পৰা প্ৰয়োজনীয় পৰামৰ্শ লোৱা নাছিল।

***(দফা 2.16.1)***

## অধ্যায়-III: পি এছ ইউ সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ দফা সমূহ

এই অধ্যায়টোত অন্তৰ্ভুক্ত অনুপালন হিচাপ পৰীক্ষাৰ দফা সমূহে পি এছ ইউ ব্যৱস্থাপনাত থকা ত্ৰুটি সমূহত আলোকপাত কৰিছে।

### শাখা 5: শক্তিখণ্ড সম্পৰ্কীয় পি এছ ইউ সমূহৰ অনুপালন হিচাপ পৰীক্ষাৰ দফা সমূহ

এই অধ্যায়টোত অন্তৰ্ভুক্ত অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহে শক্তি খণ্ডৰ পি এছ ইউ ব্যৱস্থাপনাত থকা ত্ৰুটিসমূহত আলোকপাত কৰিছে। হিচাপ পৰীক্ষাৰ মুখ্য পৰ্যবেক্ষণসমূহৰ বিৱৰণীৰ সাৰাংশ তলত দিয়া হৈছে:

**অসম শক্তি বিতৰণ কোম্পানী লিমিটেড**

***অপ্ৰাপ্য লাভালাভ***

কোম্পানীটোৱে বিতৰণ নকৰা সামগ্ৰীৰ বিপৰীতে পৰিশোধ (0.60 কোটি টকা) কৰি আৰু কাম সম্পূৰ্ণ কৰাত পলম হোৱা স্বত্তেও এল ডিৰ পৰিমাণ (1.27 কোটি টকা) মুকলি কৰি ঠিকাদাৰক 1.87 কোটি টকাৰ অপ্ৰাপ্য লাভালাভ প্ৰদান কৰিছিল ।

***পৰামৰ্শ***

*কোম্পানীয়ে কামটো সম্পূৰ্ণ কৰিবলৈ আৰু ত্ৰুটিৰ দায়িত্ব নিৰ্ধাৰণ কৰিবলৈ ঠিকাদাৰৰ বিৰুদ্ধে প্ৰয়োজনীয়পদক্ষেপ ল'ব পাৰে আৰু এনে অনিয়মৰ পুনৰাবৃত্তি পৰিহাৰ কৰিবলৈ নিৰ্দেশনা অনুসৰি আঁচনি ৰূপায়ণৰ কাৰ্যকৰী নিৰীক্ষণ নিশ্চিত কৰিব পাৰে।*

***(দফা 3.5.1)***

**অসম ইলেকট্ৰিচিটি গ্ৰিড কৰ্পোৰেচন লিমিটেড**

নিৰ্ধাৰিত বিনিয়োগ নীতিৰ অনুপস্থিতিত, কোম্পানীয়ে বেংকে আগবঢ়োৱা বিভিন্ন সূতৰ হাৰ বিশ্লেষণ নকৰাকৈ এছ টি ডি আৰ সমূহত ইয়াৰ অতিৰিক্ত পুঁজি বিনিয়োগ কৰিছিল আৰু ইয়াৰ ফলত 0.48 কোটি টকাৰ সম্ভাব্য অতিৰিক্ত ৰাজহ হেৰুৱাইছিল ।

***পৰামৰ্শ***

*কোম্পানীৰ হাতত থকা বৃহৎ পৰিমাণৰ অতিৰিক্ত পুঁজিৰ কথা বিবেচনা কৰি, কোম্পানীয়ে নিশ্চিত কৰিব লাগে যে অতিৰিক্ত পুঁজিৰ বিনিয়োগৰ ওপৰত সৰ্বাধিক লাভ ৰখাৰ বাবে এক সুনিৰ্ধাৰিত বিনিয়োগ নীতি আৰু বিনিয়োগৰ ওপৰত সিদ্ধান্ত লোৱাৰ বাবে এখন সমিতি স্থাপন কৰা হয়।*

***(দফা 3.5.2)***

**শাখা 6: পি এছ ইউ (শক্তি খণ্ডৰ বাহিৰে) সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহ**

এই শাখাটোত অন্তৰ্ভুক্ত অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহে পি এছ ইউ ৰ (শক্তি খণ্ডৰ বাহিৰে) ব্যৱস্থাপনাত থকা ত্ৰুটি সমূহত আলোকপাত কৰিছে। হিচাপ পৰীক্ষাৰ মুখ্য পৰ্যবেক্ষণসমূহৰ বিৱৰণীৰ সাৰাংশ তলত দিয়া হৈছে :

**অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড**

ই অ' ডি বি প্ৰকল্পৰ নিবিদা প্ৰক্ৰিয়াত আৰু চুক্তি ব্যৱস্থাপনাত ত্ৰুটিৰ বাবে ঠিকাদাৰে 2 কোটি টকাৰ মূল কাৰ্য আদেশৰ বিপৰীতে 43.73 কোটি টকাৰ চালান দাখিল কৰিব পাৰিছিল আৰু কামৰ হাৰ আৰু দাবীৰ যুক্তিসঙ্গতাত প্ৰশ্ন উঠা স্বত্বেও 18.51 কোটি টকা ইতিমধ্যে পৰিশোধ কৰা হৈছে।

***পৰামৰ্শ***

*অসম চৰকাৰৰে ই অ' ডি বি একক উইণ্ডো ক্লিয়াৰেন্স প্ৰণালী প্ৰকল্পৰ এনে দুৰ্বল ব্যৱস্থাপনাৰ বাবে দায়বদ্ধতা নিৰ্ধাৰণ কৰাৰ বিষয়ে বিবেচনা কৰিব পাৰে, যি প্ৰায় ইচ্ছাকৃত প্ৰকৃতিৰ যেন লাগে, আৰু ৰাজহুৱা কোষাগাৰৰ মূল্যত বিক্ৰেতাক লাভান্বিত কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে।।*

***(দফা 3.6.1)***

# অধ্যায় I
# ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ

# অধ্যায়-I:
# ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাৰ্যকলাপ

## খণ্ড I: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ অৱলোকন

### 1.1 সাধাৰণ

**1.1.1** ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ (পি এছ ইউ) অসম চৰকাৰৰ অধীনত ৰাজ্য চৰকাৰৰ কোম্পানী আৰু বিধিবদ্ধ নিগমৰ দ্বাৰা গঠিত। বাণিজ্যিক প্ৰকৃতিৰ কাৰ্যকলাপ সম্পাদন কৰিবলৈ, জনসাধাৰণৰ কল্যানত সহায় কৰিবলৈ আৰু ৰাজ্যৰ অৰ্থনীতিত অৰিহনা যোগাবাৰ বাবে পি এছ ইউ স্থাপন কৰা হৈছিল। 31 মাৰ্চ 2020 তাৰিখলৈকে, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ (চি এ জি) হিচাপ পৰীক্ষা অধিকাৰ ক্ষেত্ৰৰ অধীনত 51 টা পি এছ ইউ আৰু এটা ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগ আছিল। এই পি এছ ইউ সমূহৰ ভিতৰত আছে 48 টা চৰকাৰী কোম্পানী (বিভিন্ন ৰাজ্য চৰকাৰৰ কোম্পানীৰ অধীনত 10 টা সহায়ক[1] কোম্পানী আৰু দুটা[2] চৰকাৰ নিয়ন্ত্ৰিত কোম্পানী সহ) আৰু তিনিটা বিধিবদ্ধ নিগম। 51 টা পি এছ ইউ ৰ ভিতৰত, 35 টা কাৰ্যকৰী পি এছ ইউ আৰু 16 টা অকাৰ্যক্ষম পি এছ ইউ[3] (সকলো চৰকাৰী কোম্পানী) আছিল। এই চৰকাৰী কোম্পানীসমূহৰ এটাও ষ্টক এক্সচেঞ্জত তালিকাভুক্ত কৰা হোৱা নাছিল।

**1.1.2** 30 ছেপ্টেম্বৰ 2020 তাৰিখে শেহতীয়া হিচাপ চূড়ান্ত কৰণৰ আধাৰত পি এছ ইউ সমূহৰ বিত্তীয় কাৰ্যসম্পাদন এই প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা হৈছে। পি এছ ইউ ৰ প্ৰকৃতি আৰু হিচাপৰ স্থিতি তলৰ ***সাৰণী 1.1.1*** ত দেখুওৱা হৈছে:

**সাৰণী 1.1.1: পি এছ ইউ ৰ প্ৰকৃতি আৰু হিচাপৰ স্থিতি**

| ক্ৰ. নং. | পি এছ ইউ ৰ প্ৰকৃতি | পি এছ ইউ ৰ সংখ্যা | পি এছ ইউ যাৰ হিচাপৰ প্ৰতিবেদন সময়ত প্ৰাপ্ত কৰা হৈছিল[4] | পি এছ ইউ যাৰ হিচাপৰ প্ৰতিবেদন ছেপ্টেম্বৰ 2020 তাৰিখলৈকে শেহতীয়া | পি এছ ইউ যাৰ হিচাপৰ প্ৰতিবেদন ছেপ্টেম্বৰ 2020 তাৰিখলৈকে বকেয়া আছে | হিচাপৰ প্ৰতিবেদন বকেয়া থকা মুঠ সংখ্যা |
|---|---|---|---|---|---|---|
| 1. | কাৰ্যকৰী চৰকাৰী কোম্পানী সমূহ[5] | 32 | 18 | 6 | 26 | 185 |
| 2. | অ-কাৰ্যকৰী চৰকাৰী কোম্পানী সমূহ | 16 | 2 | 1 | 15 | 198 |
| 3. | বিধিবদ্ধ নিগম | **3** | **1** | **0** | **3** | 7 |
| **মুঠ কাৰ্যকৰী পি এছ ইউ (1+3)** | | **35** | **19** | **6** | **29** | **192** |
| **মুঠ পি এছ ইউ (2+4)** | | **51** | **21** | **7** | **44** | **390** |

*উৎস: হিচাপ পৰীক্ষাৰ সৈতে পি এছ ইউৰ নথিপত্ৰ*

51 টা পি এছ ইউ ৰ ভিতৰত, সাতটা পি এছ ইউ য়ে (এটা অ-কাৰ্যকৰী) 30 চেপ্তেম্বৰ 2020 ৰ ভিতৰত তেওঁলোকৰ শেহতীয়া হিচাপ (2019-20) চূড়ান্ত কৰিছিল। বাকী 44 টা পি এছ ইউ ৰ (15 টা অ-কাৰ্যকৰী পি এছ ইউ সহ) 1 ৰ পৰা 37 বছৰৰ ভিতৰত হিচাপৰ বকেয়া আছিল। পি এছ ইউ সমূহে 31 মাৰ্চ 2020 ৰ

[1] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B25, B26, B31, D7, D9, D11, D12, D13, D15 আৰু D16 ৰ পি এছ ইউসমূহ

[2] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B22 আৰু B32 ৰ পি এছ ইউসমূহ

[3] অ-কাৰ্যকৰী পি এছ ইউসমূহ হৈছে যিসমূহ পি এছ ইউয়ে কাম কাজ সম্পাদন কৰাটো বন্ধ কৰিছে

[4] অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ

[5] চৰকাৰী কোম্পানী সমূহৰ ভিতৰত আছে কোম্পানী আইন, 2013-ৰ ধাৰা 139 (5) আৰু 139 (7) ত উল্লেখ কৰা 'অন্যান্য কোম্পানীসমূহ'

শেষত 35,969 জন কৰ্মচাৰী নিয়োগ কৰিছিল। 35 টা কাৰ্যকৰী পি এছ ইউ য়ে 6,858.34 কোটি টকাৰ লেনদেন পঞ্জীয়ন কৰিছে। এই টাৰ্ণঅ'ভাৰ 2019-20 বৰ্ষৰ বাবে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (জি এচ ডি পি) 2.05 শতাংশৰ সমান আছিল 3,35,238 কোটি টকাৰ[6] বৰ্তমানৰ মূল্যত। 30 চেপ্তেম্বৰ 2019 ৰ ভিতৰত তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি উপাৰ্জন কৰা 171.32 কোটি টকাৰ মুঠ লাভৰ তুলনাত 30 ছেপ্টেম্বৰ 2020 ৰ ভিতৰত তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি, কাৰ্যকৰী পি এছ ইউ সমূহে 125.01 কোটি টকা মুঠ লোকচান বহন কৰিছিল। ইয়াৰ মুখ্য কাৰণ আছিল 2018-19 বৰ্ষত 145.94 কোটি টকা লাভৰ তুলনাত 2019-20 বৰ্ষত অসম বিদ্যুৎ সংবহন নিগম লিমিটেডে বহন কৰা 181.60 কোটি টকা লোকচান।

## দায়বদ্ধতাৰ গাঁথনি

**1.1.3** 1 এপ্ৰিল 2014 তাৰিখে বা তাৰ পিছত আৰম্ভ হোৱা বিত্তীয় বৰ্ষ সন্দৰ্ভত চৰকাৰী কোম্পানীসমূহৰ বিত্তীয় বিৱৰণৰ হিচাপ পৰীক্ষা কোম্পানী আইন 2013 ৰ 139 ধাৰা আৰু 143 ৰ বিধানৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। 1 এপ্ৰিল 2014 ৰ আগত বিত্তীয় বৰ্ষ সমূহৰ সন্দৰ্ভত কোম্পানী এটাৰ হিচাপ পৰীক্ষা, কোম্পানী আইন 1956 ৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ আছে। কোম্পানী আইন, 2013 ৰ ধাৰা 2(45) অনুসৰি চৰকাৰী কোম্পানী এটাৰ অৰ্থ হৈছে যিকোনো কোম্পানী য'ত পৰিশোধ কৰা মূলধনৰ 51 শতাংশতকৈ কম কেন্দ্ৰীয় চৰকাৰ আৰু/ বা যিকোনো ৰাজ্য চৰকাৰৰ দ্বাৰা গাঁথনিমূলক বা যুটীয়াভাৱে অনুষ্ঠিত নহয় আৰু লগতে চৰকাৰী কোম্পানী এটাৰ সহায়ক কোম্পানীও অন্তৰ্ভুক্ত থাকে। নতুন আইনখনে বৰ্ধিত নিয়ামক পৰিকাঠামো, বহল ব্যৱস্থাপনা দায়বদ্ধতা আৰু উচ্চ পেছাদাৰী দায়বদ্ধতা আনিছে।

ইয়াৰ উপৰিও, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বা যিকোনো ৰাজ্য চৰকাৰৰ দ্বাৰা বা আংশিকভাৱে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰু আংশিকভাৱে এক বা একাধিক ৰাজ্য চৰকাৰৰ মালিকানাধীন বা নিয়ন্ত্ৰিত আন যিকোনো কোম্পানীক[7] চৰকাৰ নিয়ন্ত্ৰিত আন কোম্পানী বুলি এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

### *বিধিবদ্ধ হিচাপ পৰীক্ষা/ পৰিপূৰক হিচাপ পৰীক্ষা*

**1.1.4** ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ (চি এ জি) দ্বাৰা নিযুক্ত বিধিবদ্ধ হিচাপ পৰীক্ষক সকলে চৰকাৰী কোম্পানী এটাৰ বিত্তীয় বিৱৰণ হিচাপ পৰীক্ষা কৰে। ইয়াৰ উপৰিও, চি এণ্ড এ জিয়ে আইনখনৰ ধাৰা 143 (6) অধীনত এই বিত্তীয় বিৱৰণসমূহৰ পৰিপূৰক হিচাপ পৰীক্ষা কৰে।

বিধিবদ্ধ নিগমসমূহৰ হিচাপ পৰীক্ষা তেওঁলোকৰ নিজ নিজ আইনৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। তিনিটা বিধিবদ্ধ নিগমৰ ভিতৰত, চি এণ্ড এজি হৈছে অসম ৰাজ্যিক পৰিবহন নিগমৰ একমাত্ৰ হিচাপ পৰীক্ষক। অসম ৰাজ্যিক পণ্যাগাৰ নিগম আৰু অসম বিত্তীয় নিগমৰ সন্দৰ্ভত, চনদপ্ৰাপ্ত গাননিক (সমূহ) ৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হয় আৰু চি এ জি হৈছে পৰিপূৰক হিচাপ পৰীক্ষক। ইয়াৰ উপৰিও, অসম বিদ্যুৎ নিয়ামক আয়োগৰ (নিয়ামক আয়োগ) বাবে চি এণ্ড এ জি হৈছে পৰিপূৰক হিচাপ পৰীক্ষক। বিধিবদ্ধ নিগম আৰু নিয়ামক আয়োগৰ হিচাপ পৰীক্ষা ব্যৱস্থাসমূহ ***সাৰণী 1.1.2*** ত দেখুওৱা হ'ল:

---

[6] অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ে প্ৰদান কৰা তথ্য অনুসৰি ৰাজ্যৰ জি ডি পি (অস্থায়ী আক্কলন)

[7] কোম্পানী সমূহৰ (অসুবিধা আঁতৰোৱা) সপ্তম আদেশ, 4 ছেপ্টেম্বৰ 2014 তাৰিখৰ ৰাজপত্ৰিত অধিসূচনা

**সাৰণী 1.1.2: বিধিবদ্ধ নিগম আৰু নিয়ামক কৰ্তৃপক্ষৰ বিৱৰণ**

| ক্ৰ. নং. | নিগম/ নিয়ামক কৰ্তৃপক্ষৰ নাম | চি এ জি ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ বাবে কতৃ্ত্ব | হিচাপ পৰীক্ষা পৰিচালনা |
|---|---|---|---|
| 1. | অসম ৰাজ্যিক পৰিবহন নিগম | পথ পৰিবহন নিগম আইন, 1950 ৰ ধাৰা 33(2) | ডি পি চি আইন 1971 ৰ ধাৰা 19(2) ৰ অধীনত চি এ জি ৰ দ্বাৰা মুখ্য হিচাপ পৰীক্ষা |
| 2. | অসম বিত্তীয় নিগম | ৰাজ্যিক বিত্তীয় নিগম আইন, 1951 ৰ ধাৰা 37(6) | চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা কৰা হিচাপ পৰীক্ষা আৰু ডি পি চি আইন 1971 ৰ ধাৰা 19(2) ৰ অধীনত চি এণ্ড এজিৰ ৰ দ্বাৰা পৰিপূৰক হিচাপ পৰীক্ষা |
| 3. | অসম ৰাজ্যিক পণ্যাগাৰ নিগম | ৰাজ্যিক পণ্যাগাৰ নিগম আইন, 1962 ৰ ধাৰা 31(8) | চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা কৰা হিচাপ পৰীক্ষা আৰু ডি পি চি আইন 1971 ৰ ধাৰা 19(2) ৰ অধীনত চি এণ্ড এজিৰ ৰ দ্বাৰা পৰিপূৰক হিচাপ পৰীক্ষা |
| 4. | অসম বিদ্যুৎ নিয়ামক আয়োগ | বিদ্যুৎ আইন, 2003 ৰ ধাৰা 104(2) | ডি পি চি আইন 1971 ৰ ধাৰা 19(2) ৰ অধীনত চি এণ্ড এজি ৰ দ্বাৰা মুখ্য হিচাপ পৰীক্ষা |

### *বাৰ্ষিক হিচাপসমূহ সময়মতে চূড়ান্ত কৰা আৰু দাখিল কৰাৰ প্ৰয়োজনীয়তা*

**1.1.5** কোম্পানী আইন, 2013 ৰ ধাৰা 394 আৰু 395 অনুসৰি, চৰকাৰী কোম্পানী এটাৰ কাম-কাজ আৰু বিষয়ৰ বাৰ্ষিক প্ৰতিবেদন ইয়াৰ বাৰ্ষিক সাধাৰণ সভাৰ (এ জি এম) তিনিমাহৰ ভিতৰত প্ৰস্তুত কৰিব লাগে। এনে প্ৰস্তুতিৰ পিছত অতিশীঘ্ৰে বাৰ্ষিক প্ৰতিবেদনখন সদন বা ৰাজ্যিক বিধানসভাৰ দুয়োখন সদনৰ মজিয়াত, একেলগে বিধিবদ্ধ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰতিলিপি চি এ জি ৰ দ্বাৰা কৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত বা পৰিপূৰকৰ যিকোনো মন্তব্যৰ সৈতে উপস্থাপন কৰা হ'ব। বিধিবদ্ধ নিগমসমূহক নিয়ন্ত্ৰণ কৰা সংশ্লিষ্ট আইনত প্ৰায় একে ধৰণৰ ব্যৱস্থা বিদ্যমান। এই প্ৰণালীয়ে ৰাজ্যখনৰ একত্ৰিত পুঁজিৰ পৰা কোম্পানী আৰু বিধিবদ্ধ নিগমসমূহত বিনিয়োগ কৰা ৰাজহুৱা পুঁজিৰ ব্যৱহাৰৰ ওপৰত প্ৰয়োজনীয় আইনী নিয়ন্ত্ৰণ প্ৰদান কৰে।

কোম্পানী আইন, 2013 ৰ ধাৰা 96 ত প্ৰতিটো কোম্পানীয়ে প্ৰতিটো কেলেণ্ডাৰ বৰ্ষত এবাৰকৈ অংশীদাৰ সকলৰ এ জি এম অনুষ্ঠিত কৰিব লাগিব। এইটোও কোৱা হৈছে যে এখন এ জি এম ৰ তাৰিখ আৰু পৰৱৰ্তী এ জি এম ৰ মাজত 15 মাহতকৈ বেছি সময় অতিবাহিত হ'ব নালাগিব। লগতে, কোম্পানী আইন, 2013 ৰ ধাৰা 129 ত উল্লেখ কৰা হৈছে যে সদস্যসকলৰ বিবেচনাৰ বাবে বিত্তীয় বৰ্ষৰ বাবে হিচাপ পৰীক্ষা কৰা বিত্তীয় বিৱৰণসমূহ উক্ত এ জি এম ত উত্থাপন কৰিব লাগে। কোম্পানী আইন, 2013 ৰ ধাৰা 129(7)ত কোম্পানী আইন, 2013ৰ ধাৰা 129ৰ অনুপালন নকৰাৰ বাবে দায়বদ্ধ কোম্পানীৰ সঞ্চালকসহ ব্যক্তিসকলৰ ওপৰত কাৰাবাস বা জৰিমনা আৰোপ কৰাৰ ব্যৱস্থা কৰা হৈছে।

### *ৰাজ্যিক পি এছ ইউ ৰ সন্দৰ্ভত চৰকাৰ আৰু বিধানসভাৰ ভূমিকা*

**1.1.6** ৰাজ্য চৰকাৰে ইয়াৰ প্ৰশাসনিক বিভাগৰ জৰিয়তে পি এছ ইউ সমূহৰ বিষয়সমূহৰ সন্দৰ্ভত নিয়ন্ত্ৰণ সাব্যস্ত কৰে। চৰকাৰে এই পি এছ ইউ সমূহৰ পৰিষদত মুখ্য কাৰ্যবাহী আৰু সঞ্চালক নিয়োগ কৰে।

ৰাজ্যিক বিধানসভাই পি এছ ইউ ত চৰকাৰী বিনিয়োগৰ হিচাপ আৰু ব্যৱহাৰ নিৰীক্ষণ কৰে। এই উদ্দেশ্যৰ বাবে, ৰাজ্য চৰকাৰৰ কোম্পানীসমূহৰ বাৰ্ষিক প্ৰতিবেদন আৰু বিধিবদ্ধ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন আৰু ইয়াৰ ওপৰত চি এণ্ড এ জি ৰ মন্তব্যসমূহ কোম্পানী আইন, 2013 ৰ ধাৰা 394 ৰ অধীনত বিধানসভাৰ মজিয়াত উত্থাপন কৰিব লাগিব। একেদৰে, বিধিবদ্ধ নিগমসমূহৰ বাৰ্ষিক প্ৰতিবেদন আৰু চি এ জি ৰ পৃথক

হিচাপ পৰীক্ষাৰ প্ৰতিবেদনসমূহ তেওঁলোকৰ নিজ নিজ নিয়ন্ত্ৰক আইনৰ অধীনত কৰা চৰ্তাৱলী অনুসৰি বিধান সভাৰ মজিয়াত উত্থাপন কৰিব লাগিব। চি এ জি ৰ ডিপিচি আইন, 1971 ৰ ধাৰা 19A ৰ অধীনত চি এ জি ৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰা হয়।

## ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহত বিনিয়োগ

**1.1.7** পি এছ ইউ ত অসম চৰকাৰৰ গুৰুত্বপূৰ্ণ বিত্তীয় অংশ আছে। এই অংশটো মুখ্যতঃ তিনি প্ৰকাৰৰ:

- **শ্বেয়াৰ মূলধন আৰু ঋণ** - শ্বেয়াৰ কেপিটেল অৱদানৰ উপৰিও, ৰাজ্য চৰকাৰে সময়ে সময়ে পি এছ ইউ সমূহক ঋণ প্ৰদান কৰি বিত্তীয় সাহায্য প্ৰদান কৰে।
- **বিশেষ বিত্তীয় সমৰ্থন** - ৰাজ্য চৰকাৰে প্ৰয়োজন অনুসৰি পি এছ ইউ সমূহক অনুদান আৰু ৰাজ সাহায্যৰ দ্বাৰা বাজেটীয় সমৰ্থন প্ৰদান কৰে।
- **প্ৰত্যাভূতি** - ৰাজ্য চৰকাৰে বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা পি এছ ইউ ৰ দ্বাৰা প্ৰাপ্ত সূতৰ সৈতে ঋণ পৰিশোধৰ নিশ্চয়তাও দিয়ে।

**1.1.8** 31 মাৰ্চ 2020 তাৰিখলৈকে ইকুইটি অৱদান আৰু দীৰ্ঘম্যাদী ঋণৰ (বহন কৰা সকলো সূত) জৰিয়তে পি এচ ইউ ত অসম চৰকাৰৰ দ্বাৰা সংগ্ৰহ কৰা বিনিয়োগৰ খণ্ড অনুসৰি সাৰাংশ ***সাৰণী 1.1.3*** ত দিয়া হ'ল।

**সাৰণী 1.1.3:পি এছ ইউ সমূহত অসম চৰকাৰৰ খণ্ড-অনুসৰি বিনিয়োগ**

| খণ্ডৰ নাম | চৰকাৰী কোম্পানীসমূহ | | বিধিবদ্ধ নিগম সমূহ | মুঠ | বিনিয়োগ (কোটি টকাত)[8] | | |
|---|---|---|---|---|---|---|---|
| | কাৰ্যকৰী | অ-কাৰ্যকৰী | কাৰ্যকৰী | | ইকুইটি | (দীৰ্ঘম্যাদী ঋণ)[9] | মুঠ |
| শক্তি | 3 | 0 | 0 | 3 | 1,090.37 | 2,086.38 | 3,176.75 |
| কৃষি আৰু সহযোগী | 6 | 2 | 0 | 8 | 68.30 | 459.86 | 528.16 |
| বিত্ত | 5 | 0 | 1 | 6 | 40.55 | 54.04 | 94.59 |
| আন্তঃগাঁঠনি | 7 | 2 | 0 | 9 | 177.81 | 131.71 | 309.52 |
| নিৰ্মাণ | 5 | 12 | 0 | 17 | 217.22 | 49.09 | 266.31 |
| সেৱা | 1 | 0 | 2 | 3 | 165.86 | 4.25 | 170.11 |
| অন্যান্য[10] | 5 | 0 | 0 | 5 | 20.07 | 0.00 | 20.07 |
| **মুঠ** | **32** | **16** | **3** | **51** | **1,780.18** | **2,785.33** | **4,565.51** |

*উৎস: পি এছ ইউ ৰ দ্বাৰা প্ৰদান কৰা তথ্য*

**1.1.9** 2015-16 আৰু 2019-20 বৰ্ষলৈ চাৰিটা মুখ্য খণ্ডত অসম চৰকাৰৰ বিনিয়োগৰ (ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণ) তুলনামূলক পৰিসংখ্যা ***চিত্ৰ তালিকা 1.1.1*** ত দেখুওৱা হৈছে

[8] বিনিয়োগৰ পৰিসংখ্যা সমূহ অস্থায়ী আৰু পি এছ ইউৰ দ্বাৰা প্ৰদান কৰা অনুসৰি সাতটা পি এছ ইউ (***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং A1, A2, B22, B30, B31, B32 আৰু D4) ৰ বাহিৰে যিয়ে 2019-20 বৰ্ষৰ বাবে তেওঁলোকৰ হিচাপ চূড়ান্ত কৰিছে

[9] দীৰ্ঘম্যাদী ঋণ হৈছে সকলো সুত বহনকাৰী ঋণ

[10] 'বিবিধ খণ্ডৰ' অধীনৰ পি এছ ইউ সমূহৰ ভিতৰত আছে অসম গেছ কোম্পানী লিমিটেড, ডি এন পি লিমিটেড, অসম চৰকাৰী বিপণণ নিগম লিমিটেড, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড আৰু পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড

**চিত্ৰ তালিকা 1.1.1: পি এছ ইউসমূহত খণ্ড অনুযায়ী বিনিয়োগ**

*(কোটি টকাত)*




| | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|
| শক্তি | 2967.38 | 3159.78 | 3584.07 | 3715.12 | 3176.75 |
| কৃষি আৰু কৃষি সম্বন্ধীয় | 307.51 | 347.99 | 382.99 | 506.15 | 528.16 |
| আন্তঃগাঠনি | 284.07 | 288.42 | 306.51 | 308.66 | 309.52 |
| নিৰ্মাণ | 82.23 | 69.49 | 201.05 | 260.64 | 266.31 |

■ শক্তি ■ কৃষি আৰু কৃষি সম্বন্ধীয় ■ আন্তঃগাঠনি ■ নিৰ্মাণ

***চিত্ৰ তালিকা 1.1.1*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ অসম চৰকাৰৰ বিনিয়োগৰ গুৰুত্ব আছিল শক্তি খণ্ডৰ পি এছ ইউ সমূহত, যিটো 2,967.38 কোটি টকা (2015-16) ৰ পৰা 3,176.75 কোটি টকালৈ (2019-20) 7.06 শতাংশ বৃদ্ধি পাইছে।

### *ৰাজ্য চৰকাৰে পি এছ ইউ সমূহক দিয়া ঋণ*

**1.1.10** অসম চৰকাৰৰ দ্বাৰা জাৰী কৰা (মাৰ্চ 2006) অধিসূচনা আৰু সময়ে সময়ে পুনৰাবৃত্তি কৰা অনুসৰি, 10 বছৰৰ অধিক সময়ৰ বাবে অসম চৰকাৰৰ পৰা কোনো ঋণ পি এছ ইউ ক প্ৰদান কৰিব নালাগে, কেৱল বিত্ত বিভাগ, অসম চৰকাৰৰ পৰা বিচৰা সম্প্ৰসাৰণৰ বাহিৰে আৰু পুনৰুদ্ধাৰ মূলধন আৰু সূতৰ বাৰ্ষিক সমান কিস্তিত প্ৰভাৱিত হ'ব লাগিব।

অসম চৰকাৰৰ পৰা 19 টা পি এছ ইউৰ দ্বাৰা প্ৰাপ্ত দীৰ্ঘম্যাদী ঋণ আৰু 2019-20 বৰ্ষলৈকে বকেয়া ঋণ আছিল 2,785.33 কোটি টকা। 2,086.38 কোটি টকা (74.91 কোটি টকা) পৰিমানৰ এই ঋণসমূহৰ মুখ্য অংশটো শক্তি খণ্ডৰ পি এছ ইউৰ সৈতে সম্পৰ্কিত, আনহাতে আন পাঁচটা খণ্ডত[11] পি এছ ইউৰ সৈতে সম্পৰ্কিত 698.95 কোটি টকা (25.09 শতাংশ) ঋণ। 2019-20 বৰ্ষলৈ বকেয়া থকা অসম চৰকাৰৰ ঋণৰ পৰিসংখ্যাৰ খণ্ড আৰু বয়স অনুসৰি বিশ্লেষণ ***সাৰণী 1.1.4*** ত দিয়া হৈছে।

**সাৰণী 1.1.4: খণ্ড অনুসৰি দীৰ্ঘকালীন ঋণ বকেয়া দেখুওৱা প্ৰৱিবৰণ**

*(কোটি টকাত)*

| খণ্ড | ঋণৰ সৈতে সম্পৰ্কিত | | | | | 31 মাৰ্চ 2015 তাৰিখ পৰ্যন্ত ঋণৰ বকেয়া | 2015-2016 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ পৰিবৰ্তন/পৰিশোধ |
|---|---|---|---|---|---|---|---|
| | 5 বছৰলৈ | 6 ৰ পৰা 10 বছৰলৈ | 11 ৰপৰা 20 বছৰলৈ | 20 বছৰতকৈ অধিক | 31 মাৰ্চ 2020 তাৰিখ পৰ্যন্ত ঋণৰ বকেয়া | | |
| শক্তি | 1,334.29 | 449.60 | 302.49 | - | 2,086.38 | 1,884.62 | 1,132.53 |
| কৃষি আৰু সহযোগী | 249.77 | 160.82 | 29.84 | 19.43 | 459.86 | 210.09 | 0.37 |
| আন্তঃগাঁথনি | 77.26 | 20.40 | 10.77 | 23.28 | 131.71 | 54.45 | - |
| নিৰ্মাণ | 20.63 | 4.73 | 11.92 | 11.81 | 49.09 | 41.78 | 13.22 |
| বিত্ত | 14.00 | 40.00 | - | 0.04 | 54.04 | 48.44 | 13.40 |
| সেৱা সমূহ | - | 4.25 | - | - | 4.25 | 4.25 | - |
| **মুঠ** | **1,695.95** | **679.80** | **355.02** | **54.56** | **2,785.33** | **2,243.63** | **1,159.52** |

*উৎসঃ পি এছ ইউ সমূহৰ দ্বাৰা যোগান ধৰা তথ্য*

[11] বিবিধ খণ্ডক বাদ দি য'ত কোনো ঋণ বকেয়া নাছিল

***সাৰণী 1.1.4*** ৰ পৰা দেখা যায় যে অসম চৰকাৰে 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ মুঠ ঋণৰ 60.89 শতাংশ (1,695.95 কোটি টকা) প্ৰদান কৰিছিল, যাৰ ভিতৰত, শক্তি খণ্ড আছিল মুখ্য প্ৰাপ্তকৰ্তা (1,334.29 কোটি টকা) আৰু তাৰ পিছত আছিল কৃষি আৰু সহযোগী খণ্ড (249.77 কোটি টকা)।

2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ, বকেয়া অসম চৰকাৰৰ ঋণ থকা 19 টা পি এছ ইউ ৰ ভিতৰত, তিনিটা পি এছ ইউয়ে[12] অসম চৰকাৰক 26.97 কোটি টকা পৰিমাণৰ ঋণৰ কিস্তি পৰিশোধ কৰিছিল। এই পৰিশোধৰ উপৰিও, অসম চৰকাৰে উজ্বাল ডিচকম এছ্যুৰেন্স যোজনা (উদয়)[13] আঁচনিৰ অধীনত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ (এপিডিচিএল) ঋণ 1,132.53 কোটি টকা অনুদান (849.40 কোটি টকা) আৰু ইকুইটি (283.13 কোটি টকা) লৈ ৰূপান্তৰ কৰে। 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ, অসম চৰকাৰ ঋণৰ বিপৰীতে এ পি ডি চি এল ৰ দ্বাৰা পৰিশোধ কৰিবলগা 554 কোটি টকাৰ সূতৰ পৰিমাণো ৰেহাই দিছিল।

ঋণৰ কিস্তি পৰিশোধ নকৰা বাকী 15 টা পি এছ ইউ ৰ ভিতৰত, 8 টা পি এছ ইউ য়ে[14] বিত্ত বিভাগ, অসম চৰকাৰৰ নিৰ্দ্দেশনা পালন নকৰা স্বত্তেও 2015-2020 বৰ্ষত অসম চৰকাৰৰ পৰা 801.89 কোটি টকা পৰিমাণৰ ঋণ পাই আছিল। এই সময়ছোৱাত ই মুঠ ঋণ বিতৰণৰ (1,695.95 কোটি টকা) 47.28 শতাংশৰ সমান আছিল।

শক্তি খণ্ডত উচ্চ স্তৰৰ বিনিয়োগৰ প্ৰতি লক্ষ্য ৰাখি, আমি এই প্ৰতিদেনৰ খণ্ড 2 (শক্তি খণ্ডৰ পি এছ ইউৰ কাৰ্যকাৰীতা), খণ্ড 4 (শক্তি খণ্ডৰ পি এছ ইউ সম্পৰ্কীয় কাৰ্যসম্পাদন হিচাপ পৰীক্ষা) আৰু খণ্ড 5 (শক্তি খণ্ডৰ পি এছ ইউৰ সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষা পৰ্যবেক্ষণ)ৰ অধীনত আৰু বাকী থকা 48 টা পি এছ ইউৰ (শক্তি খণ্ডৰ বাহিৰে) হিচাপ পৰীক্ষাৰ ফলাফল খণ্ড 3 (শক্তি খণ্ডৰ বাহিৰে অন্যান্য কাৰ্যকৰী পি এছ ইউ) আৰু খণ্ড 6 (শক্তি খণ্ডৰ বাহিৰে পি এছ ইউৰ পি ৰ সৈতে সম্পৰ্কিত অনুপালন হিচাপ পৰীক্ষা পৰ্যবেক্ষণ) উপস্থাপন কৰিছো।

[12] অসম বিত্তীয় নিগম: 13.40 কোটি টকা, অশোক কাগজ কল (অসম) লিমিটেড: 13.33 কোটি টকা আৰু অসম চাহ নিগম লিমিটেড: 0.24 কোটি টকা

[13] ৰাজ্যিক শক্তি বিতৰণ উপযোগিতা সমূহৰ কাৰ্যকৰী আৰু বিত্তীয় দক্ষতা উন্নত কৰাৰ উদ্দেশ্যৰে ভাৰত চৰকাৰে উদয় আঁচনিখন অনুমোদন জনাইছিল

[14] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং A1, A2, B15, B16, B17, B18, D5 আৰু D6

# খণ্ড 2: শক্তি খণ্ডৰ ৰাজহুৱা খণ্ডৰ প্ৰতিস্থানসমূহৰ কাৰ্যকলাপ

## শক্তিখণ্ডৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কাৰ্যকলাপ

## 1.2 পৰিচয়

*শক্তিখণ্ডৰ পি এছ ইউসমূহৰ গঠন*

**1.2.1** বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ অংশ হিচাপে, পূৰ্বৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক (এ এছ ই বি) অসম চৰকাৰে (অক্টোবৰ 2003) বিদ্যুৎ উৎপাদন (অসম শক্তি উৎপাদন নিগম লিমিটেড), সংবহন (অসম বিদ্যুৎ সংবহন নিগম লিমিটেড) আৰু বিতৰণ (নামনি অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড, কেন্দ্ৰীয় অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড, উজনি অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড) পাঁচটা উত্তৰাধিকাৰী পি এছ ইউ ত[15] (অক্টোবৰ 2003) বিভক্ত কৰিছিল। পৰৱৰ্ত্তী সময়ত, তিনিটা বিতৰণ পি এছ ইউ 1 এপ্ৰিল 2009 তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ এটা কোম্পানীত একত্ৰিত কৰা হয় আৰু ইয়াৰ নাম সলনি কৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এ পি ডি চি এল) ৰখা হয়। এই তিনিটা পি এছ ইউৰ ৰাজ্যখনত বিদ্যুৎ ক্ৰয়, বিক্ৰী আৰু যোগান সম্পৰ্কে বিদ্যুৎ আইন, 2003 জৰিয়তে গঠিত হোৱা অসম বিদ্যুৎ নিয়ামক আয়োগে (এ ই আৰ চি) নিয়ন্ত্ৰণ কৰে। এ ই আৰ চি য়ে ৰাজ্যখনত বিদ্যুৎ উৎপাদন, সৰবৰাহ আৰু বিতৰণৰ বাবে শুল্কও নিৰ্ধাৰণ কৰে।

*ৰাজ্যিক অৰ্থনীতিত অৱদান*

**1.2.2** শক্তি খণ্ডৰ পি এছ ইউ য়ে ৰাজ্যখনৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যখনৰ অৰ্থনীতিৰ বিকাশৰ বাবে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰদান কৰাৰ উপৰিও, খণ্ডটোৱে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত (জি এছ ডি পি) গুৰুত্বপূৰ্ণ অবদান দিয়ে। জি এছ ডি পি ৰ সৈতে পি এছ ইউৰ টাৰ্ণঅ'ভাৰৰ অনুপাতে ৰাজ্যৰ অৰ্থনীতিত পি এছ ইউৰ কাৰ্যকলাপৰ পৰিমাণ দেখুৱায়।

***সাৰণী 1.2.1*** এ 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ জি এছ ডি পি ৰ সৈতে তিনিটা শক্তি খণ্ডৰ পি এছ ইউৰ (সকলো কোম্পানী) টাৰ্ণঅ'ভাৰৰ বিৱৰণ প্ৰদান কৰে।

**সাৰণী 1.2.1: জি এচ ডি পি ৰ তুলনাত পি এছ ইউৰ টাৰ্ণঅ'ভাৰৰ বিৱৰণ**

***(কোটি টকাত)***

| বিৱৰণসমূহ | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|
| টাৰ্ণঅ'ভাৰ[16] | 4,332.42 | 4,900.03 | 5,899.50 | 6,907.65 | 6,000.55 |
| মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন | 2,27,959 | 2,54,382 | 2,83,165 | 3,15,881 | 3,35,238 |
| ৰাজ্যিক জি ডি পি লৈ টাৰ্ণঅ'ভাৰৰ শতাংশ | 1.90 | 1.93 | 2.08 | 2.19 | 1.79 |

***উৎস:*** *পি এচ ইউ ৰ পৰা প্ৰাপ্ত হিচাপ আৰু অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ ৰ দ্বাৰা প্ৰদান কৰা তথ্য। 2019-20 বৰ্ষৰ সৈতে সম্পৰ্কিত জি এছ ডি পি পৰিসংখ্যা হৈছে অস্থায়ী আকলন।*

***সাৰণী 1.2.1*** ৰ পৰা দেখা যায়, তিনিটা পি এছ ইউৰ টাৰ্ণঅ'ভাৰে 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ সামগ্ৰিকভাৱে 38.50 শতাংশ (1,668.13 কোটি টকা) বৃদ্ধি কৰি 4,332.42 কোটি টকাৰ (2015-16) পৰা

[15] যদিও তিনিটা পি এছ ইউয়ে আনুষ্ঠানিকভাৱে 23 অক্টোবৰ 2003 তাৰিখে অন্তৰ্ভুক্ত কৰা হৈছিল, এই পি এছ ইউ সমূহে 2005-06 চনৰ পৰা কাম আৰম্ভ কৰিছিল, যেতিয়া তেওঁলোকে তেওঁলোকৰ প্ৰথম বাৰ্ষিক হিচাপ প্ৰস্তুত কৰিছিল

[16] সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰলৈকে শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি টাৰ্ণ-অভাৰ

6,000.50 কোটি টকালৈ (2019-20) পঞ্জীয়ন কৰিছে। ইয়াৰ মুখ্য কাৰণ আছিল উপভোক্তা আধাৰ বৃদ্ধি, সময়ে সময়ে শুল্ক সংশোধন, বিলিং দক্ষতা বৃদ্ধি[17] আদিৰ দৰে কেইবাটাও কাৰকৰ বাবে ৰাজ্যিক শক্তি বিতৰণ উপযোগিতাৰ[18] টাৰ্ণঅ'ভাৰ 3,190.18[19] কোটি টকাৰ (2015-16) পৰা 5,223.97 কোটি টকালৈ[20] (2019-20) হোৱা বৃদ্ধি। অৱশ্যে, 2019-20 বৰ্ষত, 2018-19 বৰ্ষৰ তুলনাত তিনিটা, পি এছ ইউ মুঠ টাৰ্ণঅ'ভাৰ 907.10 কোটি (13.13 শতাংশ) হ্ৰাস পাইছে, মুখ্যত অসম বিদ্যুৎ সংবহন নিগম লিমিটেড ৰ (এ ই জি চি এল) টাৰ্ণঅ'ভাৰ 1,151.58 কোটি টকাৰ (2018-19) ৰ পৰা 272.60 কোটি টকা হ্ৰাস হোৱাৰ বাবে। এই হ্ৰাসৰ মুখ্য কাৰণ আছিল যে 2018-19 বৰ্ষলৈকে, এ আই জি চি এল এ পাৱাৰ গ্ৰীড কৰ্পোৰেচন অৱ ইণ্ডিয়া লিমিটেডক (পি জি চি আই এল) পৰিশোধ কৰিব লগা সংবহন মাচুলৰ বাবে এ পি ডি চি এল ৰ ওপৰত বিল উত্থাপন কৰিছিল। এ পি ডি চি এল ৰ দ্বাৰা পোনপোটীয়াকৈ পি জি ডি চি আই এল ৰ বিল পৰিশোধ কৰাৰ বাবে এ ই আৰ চি ৰ নিৰ্দেশনাৰ (19 মাৰ্চ 2018) ওপৰত ভিত্তি কৰি, এ ই জি চি এল এ 2019-2020 বৰ্ষৰ পৰা এই নিয়মটো বন্ধ কৰি দিছিল। ইয়াৰ ফলত কাৰ্যকৰী ব্যয়ৰ লগতে এ আই জি চি এলৰ বাৰ্ষিক টাৰ্ণঅ'ভাৰ 1,151.58 কোটি টকাৰ (2018-19) পৰা 272.60 কোটি টকালৈ (2019-20) হ্ৰাসৰ ক্ষেত্ৰত প্ৰভাৱ পৰিছিল।

## শক্তিখণ্ডৰ পি এছ ইউ সমূহত বিনিয়োগ

**1.2.3** ***সাৰণী 1.2.2*** ত তিনিটা পি এচ ইউত মুঠ বিনিয়োগ দেখুওৱা হৈছে।

**সাৰণী 1.2.2: পি এছ ইউ সমূহত মুঠ বিনিয়োগৰ বিৱৰণ**

*(কোটি টকাত)*

| বিৱৰণ | ভাৰত চৰকাৰ | অন্যান্য | মুঠ |
|---|---|---|---|
| ইকুইটী | 1,090.37 | - | 1,090.37 |
| দীৰ্ঘকালীন ঋণ | 2,086.38 | 1,089.37 | 3,175.75 |
| **মুঠ বিনিয়োগ** | **3,176.75** | **1,089.37** | **4,266.12** |

*('অন্যান্য' সমূহৰ ভিতৰত আছে কেন্দ্ৰীয় চৰকাৰ, বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান)*

***সাৰণী 1.2.2*** ৰ পৰা লক্ষ্য কৰিব পাৰি যে 31 মাৰ্চ 2020 তাৰিখলৈ তিনিটা পি এছ ইউ ত মুঠ বিনিয়োগ (ইকুইটিত আৰু দীৰ্ঘম্যাদী ঋণ) 4,266.12 কোটি টকা ***(পৰিশিষ্ট 2)*** আছিল। বিনিয়োগটো ইকুইটিত 25.56 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 74.44 শতাংশৰে গঠিত। লগতে, অসম চৰকাৰৰ দ্বাৰা বিনিয়োগ হৈছে ইকুইটিৰ বাবে 34.32 শতাংশ আৰু দীৰ্ঘকালীন ঋণত 65.68 শতাংশ।

## অসম চৰকাৰৰ বিত্তীয় হিচাপৰ সৈতে সমিলমিলকৰণ

**1.2.4** অসম চৰকাৰৰ দ্বাৰা সম্প্ৰসাৰিত ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণৰ সন্দৰ্ভত আৰু পি এছ ইউ য়ে প্ৰদান কৰা ৰেকৰ্ড অনুসৰি বকেয়া থকা পৰিসংখ্যাসমূহ ৰাজ্যৰ বিত্তীয় হিচাপ সমূহত প্ৰকাশিত পৰিসংখ্যাৰ সৈতে মিল থাকিব লাগে। যদি পৰিসংখ্যাসমূহ অমিল হয়, সংশ্লিষ্ট পি এছ ইউ আৰু বিত্ত বিভাগে পৰিসংখ্যাৰ পাৰ্থক্যৰ সমিলমিল কৰিব লাগিব।

[17] অসম শক্তি বিতৰণ কোম্পানীৰ যোগান ধৰা শক্তিৰ বিলিং দক্ষতা 79 শতাংশ (2018-19) ৰ পৰা 80.94 শতাংশ (2019-20) লৈ বৃদ্ধি পাইছে

[18] অসম শক্তি বিতৰণ কোম্পানী লিমিটেড

[19] 2015-16 প্ৰতিবেদন বৰ্ষৰ বাবে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ শেহতীয়া চূড়ান্ত হিচাপ (2014-15) অনুসৰি

[20] 2019-20 প্ৰতিবেদন বৰ্ষৰ বাবে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ শেহতীয়া চূড়ান্ত হিচাপ (2018-19) অনুসৰি

31 মাৰ্চ 2019 তাৰিখলৈকে তিনিটা পি এছ ইউৰ এই সন্দৰ্ভত স্থিতি ***সাৰণী 1.2.3*** ত সংক্ষিপ্ত কৰা হৈছে।

**সাৰণী 1.2.3: পি এছ ইউ ৰ ৰেকৰ্ডৰ তুলনাত ৰাজ্যিক বিত্তীয় হিচাপ অনুসৰি বকেয়া ইকুইটী আৰু ঋণ**

***(কোটি টকাত)***

| যি সন্দৰ্ভত বাকী আছিল | বিত্তীয় হিচাপ অনুসৰি টকাৰ পৰিমান | পি এছ ইউৰ তথ্য অনুসৰি পৰিমাণ | পাৰ্থক্য |
|---|---|---|---|
| ইকুইটী | 1,681.88[21] | 1,090.37 | 591.51 |
| ঋণ | 4,777.72 | 2,086.38 | 2,691.34 |

*উৎস ঃ পি এছ ইউ সমূহে দাখিল কৰা তথ্য আৰু বিত্তীয় হিচাপ*

এইটো লক্ষ্য কৰিব পাৰি যে দুই প্ৰকাৰৰ ৰেকৰ্ড অনুসৰি ইকুইটি আৰু ঋণৰ পৰিমাণ সমূহত উল্লেখযোগ্য সমিলমিলকৰণৰ পাৰ্থক্য আছিল। ৰাজ্যিক বিত্তীয় হিচাপ 2019-20 ত, ***সাৰণী 1.2.3*** ৰ দ্বিতীয় স্তম্ভৰ অধীনত দেখুওৱা সমগ্ৰ ইকুইটি সংখ্যাটো পূৰ্বৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নামত লিপিবদ্ধ কৰা হৈছে, যিটো 31 মাৰ্চ 2013 ৰ পৰা কাৰ্যকৰী হোৱাকৈ বন্ধ হৈ গৈছিল। একেদৰে, শক্তি খণ্ডৰ বিপৰীতে বকেয়া 4,777.72 কোটি টকা মুঠ ঋণৰ ভিতৰত, মাত্ৰ 285.11 কোটি টকা ৰাজ্যিক বিত্তীয় হিচাপ 2019-20 ত তেওঁলোকৰ চলিত বৰ্ষৰ ঋণ হিচাপে তিনিটা পি এছ ইউ লিপিবদ্ধ কৰা হৈছে।

*যিহেতু বকেয়া বিনিয়োগৰ সমিলমিলকৰণৰ পাৰ্থক্য উল্লেখনীয়, অসম চৰকাৰ আৰু সংশ্লিষ্ট পি এছ ইউ সমূহ এটা সময়সীমাৰ ভিতৰত পাৰ্থক্যসমূহ মিলাবলৈ দৃঢ় পদক্ষেপ ল'ব লাগিব।*

## অসম চৰকাৰৰ বাজেট ব্যয়

**1.2.5** অসম চৰকাৰে বাৰ্ষিক বাজেটৰ জৰিয়তে তিনিটা পি এছ ইউ ক বিভিন্ন ৰূপত বিত্তীয় সমৰ্থন প্ৰদান কৰিছিল। 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ তিনিটা পি এছ ইউ ৰ ক্ষেত্ৰত ইকুইটী, ঋণ আৰু অনুদানৰ বাবে বছৰ অনুযায়ী বাজেট ব্যয়ৰ সবিশেষ ***সাৰণী 1.2.4*** ত দিয়া হৈছে।

**সাৰণী 1.2.4: পি এছ ইউ সমূহলৈ অসম চৰকাৰৰ দ্বাৰা বছৰ অনুযায়ী বাজেট সমৰ্থন**

***(কোটি টকাত)***

| ক্ৰ. নং. | বিৱৰণ | 2015-16 | | 2016-17 | | 2017-18 | | 2018-19 | | 2019-20 | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান |
| 1. | বাজেটৰ পৰা ইকুইটি ব্যয় | 0 | 0.00 | 0 | 0.00 | 0 | 0.00 | 0 | 0.00 | 1 | 283.13[22] |
| 2. | বাজেটৰ[23] পৰা দিয়া ঋণ | 3 | 275.52 | 3 | 192.40 | 3 | 424.29 | 3 | 131.05 | 3 | 285.11 |
| 3. | বাজেটৰ পৰা অনুদান[24]/ ৰাজসাহায্য | 2 | 437.19 | 3 | 929.37 | 2 | 2,276.98 | 3 | 1,279.52 | 3 | 1,962.66 |
| **4.** | **মুঠ ব্যয়[25]** | **3** | **712.71** | **3** | **1,121.77** | **3** | **2,701.27** | **3** | **1,410.57** | **3** | **2,530.90** |

*উৎস: পি এছ ইউ সমূহৰ দ্বাৰা যোগান ধৰা তথ্য*

[21] উদয় আঁচনিৰ অধীনত অসম চৰকাৰৰ ঋণক ইকুইটিলৈ ৰূপান্তৰণৰ দ্বাৰা এ পি ডি চি এলক প্ৰদান কৰা 283.13 কোটি টকাৰ ইকুইটি অন্তৰ্ভুক্ত কৰে

[22] উদয় আঁচনিৰ অধীনত এ পি ডি চি এলৰ ঋণ ইকুইটিলৈ ৰূপান্তৰ কৰা হৈছে

[23] এইবোৰ সুত বহন কৰা ঋণ

[24] ইয়াত মূলধন আৰু ৰাজহ অনুদান দুয়োটা অন্তৰ্ভুক্ত হৈ আছে। উদয় আঁচনিৰ অধীনত প্ৰাপ্ত হোৱা অনুদানত150 কোটি টকা (2016-17), 1,020.96 কোটি টকা (2017-18), 330.30 কোটি টকা (2018-19) আৰু 1,231.43 কোটি টকা (2019-20) অন্তৰ্ভুক্ত আছে

[25] অসম চৰকাৰৰ পৰা ইকুইটি, ঋণ, অনুদান / ৰাজ সাহাৰ্য্য লাভ কৰা পি এছ ইউ সমূহৰ প্ৰকৃত সংখ্যা

***সাৰণী 1.2.4*** ৰ পৰা এইটো লক্ষ্য কৰিব পাৰি যে 2015-20 সময়ছোৱাত তিনিটা পি এছ ইউ লৈ ইকুইটী, ঋণ, অনুদান ইত্যাদি ৰূপত বছৰ অনুযায়ী বাজেট ব্যয় 2015-16 ৰ সময়ছোৱাত সৰ্বনিম্ন (712.71 কোটি টকা) আছিল। 2017-18 সময়ছোৱাত বাজেট ব্যয় উল্লেখযোগ্য ভাৱে 2,701.27 কোটি টকালৈ বৃদ্ধি হৈছিল, যিটো 2018-19 ত ই আকৌ হ্ৰাস হৈ 1,410.57 কোটি টকা হৈছিল। তাৰ পিছত, 2019-20 বৰ্ষত বাজেট ব্যয় পুনৰ 2,530.90 কোটি টকালৈ বৃদ্ধি হৈছিল।

2019-20 বৰ্ষত অসম চৰকাৰে মুকলি কৰা অনুদান/ৰাজসাহায্যত (1,962.66 কোটি টকা) অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক (এ পি ডি চি এল) প্ৰদান কৰা 1,947.38 কোটি টকা (99.22 শতাংশ) অন্তৰ্ভুক্ত আছিল, বিদ্যুৎ ক্ৰয় দায়বদ্ধতা পৰিশোধৰ বাবে (238.95 কোটি টকা), উদয় আঁচনিৰ অধীনত সন্মত হোৱা বিত্তীয় সমৰ্থন (1,231.43 কোটি টকা) আৰু শুল্কৰ বাবে গ্ৰাহকসকলৰ লক্ষ্যযুক্ত ৰাজসাহায্য (477 কোটি টকা)। ইকুইটি বিনিয়োগ (283.13 কোটি টকা) অসম চৰকাৰ ৰ দ্বাৰা এ পি ডি চি এলক ঋণৰ ইকুইটিলৈ ৰূপান্তৰ কৰাৰ দ্বাৰা ইকুইটি প্ৰদান কৰিছিল। 2019-20 বৰ্ষত অসম চৰকাৰে অসম বিদ্যুৎ সংবহন নিগম লিমিটেড ক (এ ই জি চি এল) 43.66 কোটি টকা (ৰাজসাহায্যঃ 12.50 আৰু ঋণঃ 31.61 কোটি টকা) মুকলি কৰিছিল। এইটো লক্ষ্য কৰা হৈছিল যে 2019-20 বৰ্ষত অসম চৰকাৰ-ৰ পৰা বিত্তীয় সমৰ্থন প্ৰাপ্ত কৰা শক্তি খণ্ডৰ পি এছ ইউ (এ পি ডি চি এল আৰু এ ই জি চি এল) দুয়োটাৰে শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি মুঠ মূল্য ঋণাত্মক আছিল।

## হিচাপ দাখিল

### *শক্তি খণ্ডৰ পি এছ ইউৰ দ্বাৰা হিচাপ দাখিল*

**1.2.6** প্ৰতিটো বিত্তীয় বৰ্ষৰ বাবে পি এছ ইউৰ বিত্তীয় বিৱৰণ প্ৰাসঙ্গিক বিত্তীয় বৰ্ষৰ শেষৰ পৰা ছয় মাহৰ ভিতৰত অৰ্থাৎ 30 ছেপ্তেম্বৰৰ ভিতৰত কোম্পানী আইন, 2013 (আইন)ৰ ধাৰা 129(2)ৰ সৈতে পঢ়া ধাৰাৰ 96(1) বিধান অনুসৰি চূড়ান্ত কৰিব লাগিব। এনে কৰিবলৈ ব্যৰ্থ হ'লে আইনখনৰ ধাৰা 99 ৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। আইন অনুসৰি, পি এছ ইউ আৰু নিয়ম ভংগকাৰী পি এছ ইউৰ প্ৰতিজন বিষয়াক জৰিমনা বিহা হ'ব যি 1 লাখ লৈকে বৃদ্ধি হ'ব পাৰে আৰু অব্যাহত নিয়ম ভংগৰ ক্ষেত্ৰত আৰু অধিক জৰিমনা হ'ব পাৰে যিটো প্ৰতিদিনে 5,000 টকা লৈকে বৃদ্ধি হ'ব পাৰে য'ত এনে নিয়মভংগ কৰাটো অব্যাহত থাকে।

তিনিটা পি এছ ইউৰ ভিতৰত দুটাই 2019-20 বিত্তীয় বৰ্ষলৈকে তেওঁলোকৰ হিচাপ চূড়ান্ত কৰিছিল। বাকী এটা পি এছ ইউ যেনে এ পি ডি চি এল ৰ ***সাৰণী 1.2.5*** ত বিৱৰণ অনুসৰি 30 ছেপ্তেম্বৰ 2020 তাৰিখলৈকে এটা হিচাপৰ (2019-20) বকেয়া আছিল।

**সাৰণী 1.2.5: পি এছ ইউৰ হিচাপ দাখিল চূড়ান্ত কৰাৰ সৈতে সম্পৰ্কিত স্থিতি**

| ক্ৰমিক নং | বিৱৰণ | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|---|
| 1 | পি এছ ইউ ৰ সংখ্যা | 3 | 3 | 3 | 3 | 3 |
| 2 | বছৰটোত চূড়ান্ত কৰা হিচাপৰ সংখ্যা | 3 | 2 | 4 | 5 | 2 |
| 3 | চলিত বৰ্ষত চূড়ান্ত হোৱা পূৰ্ববৰ্তী বছৰৰ হিচাপৰ সংখ্যা | 2 | 2 | 3 | 2 | 0 |
| 4 | বকেয়া থকা মুঠ হিচাপৰ সংখ্যা | 2 | 3 | 2 | 0 | 1 |
| 5 | হিচাপৰ বকেয়া থকা পি এছ ইউ ৰ সংখ্যা | 2 | 3 | 2 | 0 | 1 |
| 6 | বকেয়াৰ পৰিমাণ | এবছৰ | এবছৰ | এবছৰ | নাই | এবছৰ |

*উৎস: অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ প্ৰাপ্ত পিএছইউৰ হিচাপ দাখিলৰ ওপৰত আধাৰিত কৰি সংকলিত*

### *অসম বিদ্যুৎ নিয়ামক আয়োগৰ দ্বাৰা হিচাপ দাখিল*

**1.2.7** অসম বিদ্যুৎ নিয়ামক আয়োগৰ (এ ই আৰ চি) হিচাপৰ হিচাপ পৰীক্ষা বিদ্যুৎ আইন 2003-ৰ ধাৰা 104(2)ৰ সৈতে পথিতব্য চিএণ্ড এজি (ডি পি চি) আইন, 1971[26]-ৰ ধাৰা 19(2)ৰ অধীনত সম্পন্ন কৰা হৈছে। আইনখনৰ ধাৰা 104(2) ত উল্লেখ কৰা হৈছে যে ৰাজ্যিক আয়োগৰ হিচাপসমূহ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ দ্বাৰা এনে ব্যৱধানত হিচাপ পৰীক্ষা কৰা হ'ব যিটো তেওঁ নিৰ্ধাৰিত কৰিব পাৰে। ওপৰোক্ত আইনৰ ধাৰা 104(4) ত এইটোও কোৱা হৈছে যে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক বা তেওঁৰ দ্বাৰা নিযুক্ত আন যিকোনো ব্যক্তিৰ দ্বাৰা প্ৰমাণিত ৰাজ্যিক আয়োগৰ হিচাপসমূহ, ইয়াৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে বছৰি অসম চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব আৰু অসম চৰকাৰে ইয়াক প্ৰাপ্ত কৰাৰ লগে লগে, ৰাজ্যিক বিধান সভাৰ মজিয়াত সেইসমূহ উপস্থাপন কৰিব লাগিব।

ছেপ্তেম্বৰ 2020 লৈকে চূড়ান্তকৰণ আৰু হিচাপৰ বাবে এ ই আৰ চি ৰ দুটা বকেয়া হিচাপ আছিল (অৰ্থাৎ 2018-19 আৰু 2019-20)।

### পি এছ ইউসমূহৰ কাৰ্যকৰী কাৰ্যসম্পাদন

**1.2.8** 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ তিনিটা পি এছ ইউ য়ে অৰ্জন কৰা/বহন কৰা লাভ/লোকচানৰ[27] সামগ্ৰিক স্থিতি ***চিত্ৰ তালিকা 1.2.1***ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা 1.2.1 ঃ পি এছ ইউ- ৰ দ্বাৰা অৰ্জন/বহন কৰা লাভ/লোকচান**




*উৎস: 30 ছেপ্টেম্বৰ 2020 লৈ পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ*

***চিত্ৰ তালিকা 1.2.1***-ৰ পৰা লক্ষ্য কৰিব পাৰি, 2015-17 বৰ্ষত, পি এছ ইউসমূহে 657.12 কোটি টকা (2015-16) আৰু 302.71 কোটি টকাৰ (2016-17) সামগ্ৰিক কাৰ্যকৰী লোকচান বহন কৰিছিল। 2018-19 বৰ্ষত, তিনিটা পি এছ ইউয়ে 2017-18 বৰ্ষত উপাৰ্জন কৰা 340.62 কোটি টকাৰ মুঠ লাভৰ তুলনাত 189.45 কোটি টকা সামগ্ৰিক লাভ অৰ্জন কৰিছিল। 2019-20 বৰ্ষত, তিনিটা পি এছ ইউয়ে 156.31 কোটি

[26] নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ (কৰ্তব্য, ক্ষমতা আৰু সেৱাৰ চৰ্তাৱলী) আইন, 1971

[27] পৰিসংখ্যা সমূহ সংশ্লিষ্ট বছৰ সমূহৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি

টকা[28] সামগ্ৰিক কাৰ্যকৰী লোকচান বহন কৰিছিল ***(পৰিশিষ্ট 3)***। ইয়াৰ মুখ্য কাৰণ আছিল অসম বিদ্যুৎ সঞ্চহন নিগম লিমিটেড ৰ দ্বাৰা হোৱা 181.60 কোটি টকাৰ মুঠ লোকচান।

### *মুঠ মূল্যৰ খহনীয়া*

**1.2.9** নেট ৱৰ্থ বা শ্বেয়াৰ হোল্ডাৰ পুঁজিৰ অৰ্থ হৈছে 'পৰিশোধ কৰা মূলধন' আৰু 'মুক্ত সংৰক্ষিত পুঁজি আৰু ৰাহি' বিয়োগ জমা হোৱা লোকচান আৰু বিলম্বিত ৰাজহ ব্যয়ৰ যোগফল। মূলত, এয়া হৈছে মালিকসকলৰ বাবে এটা সত্তাৰ মূল্যৰ এক পৰিমাপ। এটা ঋণাত্মক নেট ৱৰ্থে সূচায় যে মালিকসকলৰ সমগ্ৰ বিনিয়োগ সঞ্চিত লোকচান আৰু বিলম্বিত ৰাজহ ব্যয়ৰ দ্বাৰা মচি পেলোৱা হৈছে।

ৰিটাৰ্ণ অন ইকুইটি[29] (আৰ অ' ই) হৈছে লাভ সৃষ্টি কৰিবলৈ মেনেজমেণ্টে কিমান কাৰ্যকৰীভাৱে শ্বেয়াৰহোল্ডাৰ পুঁজি ব্যৱহাৰ কৰি আহিছে সেইটো মূল্যাংকন কৰিবলৈ বিত্তীয় পাৰদৰ্শীতাৰ এক পৰিমাপ। আৰ অ' ই-ক শ্বেযাৰহোল্ডাৰ পুঁজিৰ শতাংশ হিচাপে কোম্পানী এটাৰ দ্বাৰা উপাৰ্জন কৰা কৰৰ পিছৰ লাভ (পি এ টি) সন্দৰ্ভত প্ৰকাশ কৰা হয় আৰু সেয়েহে, আৰ অ' ই কেৱল তেতিয়াহে কাৰ্যকৰী হয় যদি শ্বেয়াৰহোল্ডাৰৰ পুঁজি ইতিবাচক হয়।

2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ তিনিটা পি এছ ইউৰ মুঠ মূল্যৰ সংক্ষিপ্ত বিৱৰণ তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি ***সাৰণী 1.2.6*** ত দিয়া হৈছে।

**সাৰণী 1.2.6: পি এছ ইউৰ মুঠ মূল্য**

***(কোটি টকাত)***

| বছৰ | বছৰটোৰ শেষত আদায়কৃত মূলধন | বছৰটোৰ শেষত পুঞ্জীভূত লোকচান(-) | মুক্ত সঞ্চিত আৰু ৰাহি | প্ৰকৃতমূল্য/অংশীদাৰ সকলৰ পুঁজি | বছৰটোৰ[30] বাবে প্ৰকৃত/আয় মুঠ উপাৰ্জন | আৰ অ' ই (শতাংশ) |
|---|---|---|---|---|---|---|
| | **i** | **ii** | **iii** | **iv = (i +ii+iii)** | **v** | **vi = (v/iv)** |
| 2015-16 | 718.56 | (-) 3,400.76 | 0.00 | -2,682.20 | -657.12 | নিৰ্ণয় কৰিব পৰা নগ'ল |
| 2016-17 | 718.56 | (-) 3,684.40 | 0.00 | -2,965.84 | -302.71 | নিৰ্ণয় কৰিব পৰা নগ'ল |
| 2017-18 | 718.56 | (-) 3,743.00 | 0.00 | -3,024.44 | 340.62 | নিৰ্ণয় কৰিব পৰা নগ'ল |
| 2018-19 | 718.56 | (-) 3,301.58 | 18.54 | -2,564.48 | 189.45 | নিৰ্ণয় কৰিব পৰা নগ'ল |
| 2019-20 | 718.56 | (-) 3,459.58 | 18.54 | -2,722.48 | -156.31 | নিৰ্ণয় কৰিব পৰা নগ'ল |

***উৎস: অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ প্ৰাপ্ত পি এছ ইউৰ বাৰ্ষিক হিচাপ***

***সাৰণী 1.2.6*** ৰ পৰা লক্ষ্য কৰিব পাৰি, এই পি এছ ইউসমূহৰ উচ্চ সঞ্চিত লোকচানৰ বাবে 2015-20 বৰ্ষত পি এছ ইউসমূহৰ সামগ্ৰিক মুঠ মূল্য ঋণাত্মক আছিল। যদিও 2017-18 আৰু 2018-19 বৰ্ষত পি এছ ইউসমূহৰ কাৰ্যকৰী ফলাফল ইতিবাচক হৈ পৰিছিল, এই পি এছ ইউসমূহৰ সঞ্চিত লোকচান মচি পেলাবলৈ উপাৰ্জন কৰা লাভ পৰ্যাপ্ত নাছিল। বিনিয়োগৰ বিশ্লেষণ আৰু তিনিটা পি এছ ইউৰ সঞ্চিত লোকচানে আৰু প্ৰকাশ কৰিছে যে তিনিটা পি এছ ইউৰ ভিতৰত দুটাৰ[31] সঞ্চিত লোকচানে (3,333.45 কোটি টকা) তেওঁলোকৰ পৰিশোধিত মূলধন 262.70 কোটি টকা সম্পূৰ্ণৰূপে হ্ৰাস কৰিছে। যিহেতু পাঁচবছৰৰ বাবে পি

---

[28] এই সমূহ ভিতৰত আছে অসম শক্তি উৎপাদন নিগম লিমিটেড: 4.28 কোটি টকা, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড: 21.01 কোটি টকা আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেড: 181.60 কোটি টকাৰ মুঠ লোকচান

[29] ইকুইটিৰ ওপৰত ৰিটাৰ্ণঃ কৰৰ কম অগ্ৰাধিকাৰ লাভ্যাংশৰ পিছত মুঠ লাভঃ অংশীদাৰীৰ পুঁজি/ইকুইটি। য'ত অংশীদাৰৰ পুঁজি/ইৰকুইটি 'পেইড আপ ইকুইটি' অংশ মূলধন যোগ মুক্ত সংৰক্ষিত পুঁজি আৰু ৰাহি বিয়োগ সঞ্চিত লোকচান বিয়োগ বিলম্বিত ৰাজহ ব্যয় প্ৰতিনিধিত্ব কৰে

[30] সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰত পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি পি এ টি

[31] ***পৰিশিষ্ট 3*** ক্ৰমিক নং A2 আৰু A3 ৰ দুটা পি এছ ইউ সঞ্চিত লোকচান (মুক্ত সংৰক্ষিত পুঁজি মিলাই মুঠ)

এছ ইউ-ৰ শ্বেয়াৰহোল্ডাৰৰ পুঁজি ঋণাত্মক আছিল আৰু সেয়েহে, আৰ অ' ই কাৰ্যকৰী নাছিল। এই পি এছ ইউ সমূহৰ দ্বাৰা বৃহৎ লোকচান হোৱাৰ ফলত ৰাজহুৱা সম্পদ হ্ৰাস পাইছিল, যি এক গুৰুতৰ চিন্তাৰ বিষয়।

### *নিয়োজিত মূলধনৰ ওপৰত উপাৰ্জন*

**1.2.10** ৰিটাৰ্ণ অন কেপিটেল এমপ্লয়ড (আৰ অ' চি ই) হৈছে এক লাভজনক মেট্ৰিক যি মুঠ উপলব্ধ মূলধনৰ কাৰ্যকৰী ব্যৱহাৰত কোম্পানী এটাৰ দীৰ্ঘম্যাদী লাভজনকতা আৰু দক্ষতা পৰিমাপ কৰে (যেনে শ্বেয়াৰহোল্ডাৰৰ পুঁজি আৰু দীৰ্ঘম্যাদী ঋণ)। দাৰ্ঘম্যাদী ঋণদাতাৰ বাবে আৰ অ' চি ই হৈছে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত মেট্ৰিক। আৰ অ' চি ই ৰ তাৎপৰ্য স্পষ্ট হৈ পৰে যেতিয়া ইয়াক ৰিটাৰ্ণ অন ইকুইটি (আৰ অ' ই)ৰ বিপৰীতে প্ৰয়োগ কৰা হয়, যি কোম্পানী এটাৰ সম্পত্তিসমূহ কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰি ইয়াৰ শ্বেয়াৰহোল্ডাৰৰ (মালিক) বাবে লাভ সৃষ্টি কৰাৰ দক্ষতা পৰিমাপ কৰে। আৰ অ' চি ই ক নিয়োজিত মূলধনৰ[32] দ্বাৰা কোম্পানী এটাৰ সূত আৰু কৰৰ আগৰ উপাৰ্জন (ই বি আই টি) বিভাজন কৰি গণনা কৰা হয়।

2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ তিনিটা পি এছ ইউৰ আৰ অ' চি ই-ৰ বিৱৰণ তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি সংশ্লিষ্ট বছৰৰ 30 ছেপ্তেম্বৰত ***সাৰণী 1.2.7***ত দিয়া হৈছে।

**সাৰণী 1.2.7: নিয়োজিত মূলধনৰ ওপৰত উপাৰ্জন**

| বছৰ | ই বি আই টি(কোটি টকাত) | নিয়োজিত মূলধন (কোটি টকাত) | আৰ অ' চি ই (শতাংশ) |
|---|---|---|---|
| 2015-16 | (-) 467.48 | 138.19 | (-) 338.29 |
| 2016-17 | (-) 101.14 | 95.34 | (-) 106.08 |
| 2017-18 | 650.11 | 568.56 | (+) 114.34 |
| 2018-19 | 474.65 | 1,429.16 | (+) 33.21 |
| 2019-20 | 103.51 | 1319.42 | (+) 7.85 |

*উৎস: 30 চেপ্তেম্বৰ 2020 পৰ্যন্ত পি এছ ইউ সমূহৰ শেহতীয়া চূড়ান্ত হিচাপসমূহ*

***সাৰণী 1.2.7*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 2015-17 বৰ্ষত তিনিটা পি এছ ইউৰ আৰ অ' চি ই ঋণাত্মক আছিল। লগতে, বিশ্লেষণে প্ৰকাশ কৰিছে যে:

(i) 2017-18 বৰ্ষত পি এছ ইউৰ ই বি আই টি ধণাত্মক (650.11 কোটি টকা) হৈ পৰিছিল, মুখ্যতঃ দুটা পি এছ ইউৰ[33] দ্বাৰা উপাৰ্জন কৰা 374.60কোটি টকা লাভৰ বাবে। ফলস্বৰূপে, 2017-18 বৰ্ষত আৰ অ' চি ই (-) 106.08 শতাংশ (2016-17) ৰ পৰা (+) 114.34 শতাংশলৈ ধণাত্মক হৈ পৰিছিল।

(ii) 2018-19 বৰ্ষত পি এছ ইউৰ আৰ অ' চি ই (+) 33.21 শতাংশলৈ হ্ৰাস পাইছে, মুখ্যতঃ মূলধন নিয়োজিত 860.60 কোটি টকা বৃদ্ধি আৰু পূৰ্বৰ বছৰ (2017-18)ৰ তুলনাত 2018-19 বৰ্ষত ই বি আই টিত 175.46 কোটি টকা হ্ৰাস হোৱাৰ বাবে।

(iii) 2019-20 বৰ্ষত পি এছ ইউৰ নিয়োজিত মূলধন হ্ৰাস পাইছে, মুখ্যত এ ই জি চি এলৰ সঞ্চিত লোকচান 232.42 কোটি টকা (2018-19) ৰ পৰা 395.98 কোটি টকালৈ (2019-20) বৃদ্ধি হোৱাৰ বাবে।

[32] নিয়োজিত মূলধনে 'পৰিশোধ কৰা মূলধন' আৰু 'মুক্ত সংৰক্ষিত পুঁজি আৰু ৰাহি' আৰু দীৰ্ঘম্যাদী ঋণ ('দীৰ্ঘম্যাদী ঋণৰ বৰ্তমান অংশ'সহ) বিয়োগ সঞ্চিত লোকচান/বিলম্বিত ৰাজহ ব্যয় প্ৰতিনিধিত্ব কৰে

[33] অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (357.39 কোটি টকা ) আৰু অসম শক্তি উৎপাদন নিগম লিমিটেড (17.21 কোটি টকা)

### *লভ্যাংশ পৰিশোধ*

**1.2.11** ৰাজহুৱা উদ্যোগ নীতি, 2019 অনুসৰি, পি এছ ইউ ৰ কোনো সঞ্চিত লোকচান নথকা আৰু সঞ্চালন লাভ থকা পি এছ ইউ-যে আগৰ বিত্তীয় বৰ্ষত পি এছ ইউ-ৰ দ্বাৰা পৰিশোধযোগ্য কৰ পৰিশোধ কৰাৰ পিছত অৰ্জন কৰা লাভৰ পৰা ইয়াৰ অংশীদাৰসকলক নিম্নতম লভ্যাংশ পৰিশোধ কৰিব যদিহে এনে ব্যৱস্থা পি এছ ইউ-ৰ এছ'চিয়েচন/অনুচ্ছেদ অন্তৰ্ভুক্তিৰ অনুচ্ছেদত নিৰ্ধাৰণ কৰা হয়।

2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ, তিনিটা পি এছ ইউয়ে[34] 569.26 কোটি টকা লাভ অৰ্জন কৰিছিল, যি তেওঁলোকৰ 31 মাৰ্চ 2020 তাৰিখলৈকে 3,459.58 কোটি টকা সঞ্চিত লোকচান মচি পেলাবলৈ পৰ্যাপ্ত নাছিল। ওপৰোক্ত সময়ছোৱাত তিনিটা পি এছ ইউৰ কোনোৱে কোনো লভ্যাংশ পৰিশোধ কৰা নাছিল।

## বিনিয়োগৰ বৰ্তমান মূল্যৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ দ্বাৰা বিনিয়োগৰ ওপৰত লাভ

**1.2.12** প্ৰকৃত আয়ৰ নিৰিখ (আৰ অ' আৰ আৰ) সেইসমূহ সময় মূল্যৰ বাবে মিলাই লোৱাৰ পিছত, ইকুইটি আৰু একে ধৰণৰ অনা-সূত ধাৰক মূলধন নিয়োগ কৰা লাভজনকতা আৰু দক্ষতা পৰিমাপ কৰে। বিনিয়োগৰ ওপৰত আৰ অ' আৰ আৰ নিৰ্ধাৰণ কৰিবলৈ, ৰাজ্য চৰকাৰে[35] কাৰ্যকৰী আৰু ব্যৱস্থাপনা ব্যয়ৰ বাবে প্ৰদান কৰা ইকুইটি, সূতমুক্ত ঋণ আৰু অনুদান/ৰাজসাহায্যৰ ৰূপত ৰাজ্য চৰকাৰৰ বিনিয়োগ (যদি থাকে) তেওঁলোকৰ বৰ্তমান মূল্যত (পি ভি) বিবেচনা আৰু সূচীবদ্ধ কৰা হৈছে আৰু সংক্ষিপ্ত কৰা হৈছে। তাৰ পিছত চৰকাৰী বিনিয়োগৰ পিভিৰ যোগফলৰ দ্বাৰা পি এ টি বিভাজন কৰি আৰ অ' আৰ আৰ গণনা কৰা হয়।

অসম চৰকাৰে তিনিটা শক্তি খণ্ডৰ পি এছ ইউ-ত ইকুইটি, ঋণ (সকলো সূত সামৰি) আৰু ৰাজহ অনুদান/ৰাজসাহায্যৰ ৰূপত পুঁজি যোগান ধৰিছিল কিন্তু কোনো সূত মুক্তঋণ প্ৰদান কৰা নাছিল। 2019-20 বৰ্ষত, শক্তি খণ্ডত তিনিটা পি এছ ইউয়ে 156.31 কোটি টকা সামগ্ৰিক লোকচান বহন কৰিছিল ***(পৰিশিষ্ট 3)***। বিনিয়োগৰ ঐতিহাসিক মূল্যৰ আধাৰত, 2019-20 বৰ্ষত অসম চৰকাৰে বিনিয়োগৰ লাভ আছিল (-) 2.90 শতাংশ। আনহাতে, যেতিয়া বিনিয়োগৰ বৰ্তমান মূল্য বিবেচনা কৰা হয়, 2019-20 বৰ্ষত অসম চৰকাৰে বিনিয়োগৰ ওপৰত প্ৰকৃত আয়ৰ নিৰিখ ***পৰিশিষ্ট 4A*** ত দেখুওৱাৰ দৰে (-)1.94 শতাংশ আছিল। অসম চৰকাৰে বিনিয়োগৰ লাভৰ শতাংশৰ এই পাৰ্থক্যটো ধনৰ সময় মূল্যৰ বাবে বিনিয়োগৰ পৰিমাণত কৰা সালসলনিৰ বাবে আছিল।

## পি এছ ইউ ৰ দীৰ্ঘম্যাদী ঋণৰ বিশ্লেষণ

**1.2.13** 2015-16 ৰ পৰা 2019-20 বৰ্ষলৈ লাভ কৰা পি এছ ইউসমূহৰ দীৰ্ঘম্যাদী ঋণসমূহ অসম চৰকাৰে বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ (এফ আই) ওচৰত পৰিশোধ কৰা তেওঁলোকৰ ঋণ পৰিশোধ কৰাৰ বাবে পি এছ ইউ-ৰ সামৰ্থ্য মূল্যাংকন কৰাৰ লক্ষ্যৰে বিশ্লেষণ কৰা হৈছিল। সামৰি লোৱা সুতৰ অনুপাত আৰু ঋণৰ টাৰ্ণ অভাৰ অনুপাতৰ জাৰিয়তে ইয়াক মূল্যায়ন কৰা হৈছিল।

[34] এটা পি এছ ইউয়ে (***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং A1) 0.93 কোটি টকা (2016-17) আৰু 17.21 কোটি টকা (2017-18) ৰ লাভ অৰ্জন কৰিছে আৰু আন এটা পি এছ ইুয়ে 2017-18 বৰ্ষত 357.39 কোটি টকা (***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং A1) লাভ অৰ্জন কৰিছে। তিনিটা পি এছ ইউৰ (***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং A1, A2 আৰু A3) আটাইকেইটাই সামগ্ৰিক ভাৱে 189.45 কোটি টকা লাভ অৰ্জন কৰিছে আৰু এটা পি এছ ইউয়ে 4.28 কোটি টকা লাভ অৰ্জন কৰিছে

[35] পি এছ ইড সমূহৰ তথ্য অনুসৰি

### *সামৰি লোৱা সূতৰ অনুপাত*

**1.2.14** বকেয়া ঋণৰ ওপৰত সুত পৰিশোধ কৰাৰ কোম্পানী এটাৰ সামৰ্থ্য নিৰ্ধাৰণ কৰিবলৈ সামৰি লোৱা সুতৰ অনুপাত ব্যৱহাৰ কৰা হয় আৰু একে সময়ৰ সূত ব্যয়ৰ দ্বাৰা কোম্পানী এটাৰ ইবিআইটি বিভাজন কৰি গণনা কৰা হয়। অনুপাত যিমানে কম হয় কোম্পানীৰ ঋণৰ সুত পৰিশোধ কৰাৰ সামৰ্থ্য সিমানে কম হয়। একৰ তলৰ এটা সামৰি লোৱা সূতৰ অনুপাতে সূচায় যে কোম্পানীটোৱে সুতৰ ক্ষেত্ৰত ইয়াৰ ব্যয়সমূহ পূৰণ কৰিবলৈ পৰ্যাপ্ত ৰাজহ সৃষ্টি কৰা নাই। 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ তিনিটা পি এছ ইউৰ (তিনিওটা পি এছ ইউৰ সূতৰ বোজা আছিল) সন্দৰ্ভত সামৰি লোৱা সূতৰ অনুপাতৰ বিৱৰণ ***সাৰণী 1.2.8***ত দিয়া হৈছে।

**সাৰণী 1.2.8: সামৰি লোৱা সুতৰ অনুপাত**

| বছৰ | সুদ (কোটি টকাত) | ই বি আই টি (কোটি টকাত) | চৰকাৰ, বেংক আৰু আন বিত্তীয় প্ৰতিষ্ঠান সমূহৰ পৰা ঋণৰ দেনা থকা পি এছ ইউ ৰ সংখ্যা | 1 তকৈ অধিক সুদ সামৰণ অনুপাত থকা পি এছ ইউ ৰ সংখ্যা | 1 তকৈ কম সুদ সামৰণ অনুপাত থকা পি এছ ইউ ৰ সংখ্যা |
|---|---|---|---|---|---|
| 2015-16 | 189.40 | (-) 467.48 | 3 | 1 | 2 |
| 2016-17 | 201.35 | (-) 101.14 | 3 | 1 | 2 |
| 2017-18 | 210.02 | 650.11 | 3 | 2 | 1 |
| 2018-19 | 251.56 | 474.65 | 3 | 3 | 0 |
| 2019-20 | 259.82 | 103.51 | 3 | 2 | 1 |

*উৎস: অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ প্ৰাপ্ত পি এছ ইউৰ বাৰ্ষিক হিচাপ*

***সাৰণী 1.2.8*** ৰ পৰা এইটো লক্ষ্য কৰিব পাৰি যে যোৱা বছৰ (2018-19) তিনিওটা পি এছ ইউৰ সামৰি লোৱা সূতৰ অনুপাত আছিল 'একতকৈ অধিক', যি এক ইতিবাচক ইংগিত আছিল। অৱশ্যে, 2019-20 বৰ্ষত এটা পি এছ ইউ যেনে এই ই জি চি এল ৰ সামৰি লোৱা সূতৰ অনুপাত 'একৰ তলত' আছিল যিয়ে এই পি এছ ইউ-ৰ দীৰ্ঘম্যাদী ঋণ পৰিসেৱা কৰাত অসুবিধা সূচিত কৰে।

হিচাপ পৰীক্ষা বিশ্লেষণে আৰু প্ৰকাশ কৰিছে যে 2015-20 বৰ্ষত পি এছ ইউসমূহৰ সূতৰ বোজা 189.40 কোটি টকাৰ (2015-16) পৰা 259.82 কোটি টকালৈ (2019-20) 37.18 শতাংশ বৃদ্ধি হৈছে পি এছ ইউ-ৰ দীৰ্ঘম্যাদী ঋণ 2,820.39 কোটি টকা (2015-16) ৰ পৰা 4,041.90 কোটি টকা (2019-20) লৈ ক্ৰমান্বয়ে বৃদ্ধি হোৱাৰ বাবে দায়ী। সূতৰ বোজা বৃদ্ধিয়ে সেই অনুসৰি তিনিটা পি এছ ইউৰ লাভৰ ওপৰত চাপ বৃদ্ধি কৰিছে।

### *ঋণ-টাৰ্ণঅ'ভাৰ অনুপাত*

**1.2.15** নিম্ন ঋণৰ পৰা টাৰ্ণঅ'ভাৰ অনুপাতে (ডি টি আৰ) ঋণ আৰু উপাৰ্জনৰ মাজত এক ভাল ভাৰসাম্যতা প্ৰদৰ্শন কৰে। ইয়াৰ বিপৰীতে, উচ্চ ডি টি আৰ-এ মূল কাৰ্যকলাপৰ পৰা পি এছ ইউ-য়ে অৰ্জন কৰা উপাৰ্জনৰ সৈতে সম্পৰ্কিত অত্যাধিক ঋণ থকাৰ সংকেত দিব পাৰে। সেয়েহে, ডি টি আৰ হ্ৰাস হোৱা পি এছ ইউ সমূহে তেওঁলোকৰ ঋণ পৰিশোধ আৰু পৰিশোধ সুচাৰুৰূপে পৰিচালনা কৰাৰ সম্ভাৱনা অধিক।

সম্পৃক্ত বছৰৰ বাবে ঋণ টাৰ্ণঅ'ভাৰ অনুপাতৰ তুলনাত তেওঁলোকৰ চূড়ান্ত হিচাপ অনুসৰি 2015-16 ৰ পৰা 2019-20 বৰ্ষলৈ তিনিটা পি এছ ইউৰ ঋণ আৰু টাৰ্ণঅ'ভাৰ সাৰাংশ ***সাৰণী 1.2.9*** ত দিয়া হৈছে।

**সাৰণী 1.2.9: পি এছ ইউ সম্পৰ্কীয় ঋণ টাৰ্ণঅ'ভাৰ অনুপাত**

***(কোটি টকাত)***

| বিৱৰণ | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|
| পিএছ ইউ ঋণ (দীৰ্ঘম্যাদী) | 2,820.39 | 3,061.18 | 3,593.00 | 3,993.64 | 4,041.90 |
| টাৰ্ণ অ'ভাৰ | 4,332.42 | 4,900.03 | 5,899.50 | 6,907.65 | 6,000.55 |
| ঋণ টাৰ্ণ অ'ভাৰ অনুপাত | 0.65:1 | 0.62:1 | 0.61:1 | 0.58:1 | 0.67:1 |

*উৎস: অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ প্ৰাপ্ত পি এছ ইউৰ বাৰ্ষিক হিচাপ*

***সাৰণী 1.2.9*** ৰ পৰা দেখা যায়, 2015-16 বৰ্ষত ডি টি আৰ 0.65:1 ত আছিল কিন্তু তাৰ পিছত 2018-19 বৰ্ষত 0.58:1 লৈ উন্নীত হৈছিল। তাৰ পিছত, 2019-20 বৰ্ষত ডি টি আৰৰ অৱনতি 0.67:1 হয়, যি তিনিটা পি এছ ইউৰ তেওঁলোকৰ দীৰ্ঘম্যাদী ঋণ পৰিশোধ কৰাৰ স্থিতি বিগত বছৰবোৰৰ তুলনাত হ্ৰাস হোৱাৰ ইঙ্গিত দিয়ে। ডি টি আৰ হ্ৰাসৰ মুখ্য কাৰণ আছিল আগৰ বছৰৰ (2018-19) তুলনাত 2019-20 বৰ্ষত পি এছ ইউ-টাৰ্ণঅ'ভাৰৰ 13.13 শতাংশ হ্ৰাস হোৱাটো।

## পি এছ ইউ ৰ বাৰ্ষিক হিচাপৰ হিচাপ পৰীক্ষাৰ মন্তব্যৰ প্ৰভাৱ

**1.2.16** অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ, দুটা পি এছ ইউয়ে তেওঁলোকৰ দুটা হিচাপ প্ৰধান মহাগাণনিকলৈ প্ৰেৰণ কৰিছিল। দুয়োটা পি এছ ইউৰ এই সকলোবোৰ একাউণ্ট পৰিপূৰক হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। চি এণ্ড এ জিৰ দ্বাৰা নিযুক্ত বিধিবদ্ধ হিচাপ পৰীক্ষকৰ হিচাপ পৰীক্ষা প্ৰতিবেদন আৰু চি এ জিৰ পৰিপূৰক হিচাপ পৰীক্ষাৰ মন্তব্যসমূহে বিত্তীয় বিবৃতিসমূহৰ ওপৰত গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণৰ ওপৰত আলোকপাত কৰিছিল। এই হিচাপ পৰীক্ষা পৰ্যবেক্ষণসমূহে ফলস্বৰূপে, পি এছ ইউ ৰ কাৰ্যকৰী ফলাফল (মুঠ লাভ বা মুঠ লোকচান) যিবোৰ তেওঁলোকৰ বিত্তীয় বিবৃতিত দেখুওৱা হৈছে, কম বা অতিৰিক্ত কৰা দেখা গৈছিল। লগতে, উক্ত পৰ্যবেক্ষণবোৰে বাস্তৱিক তথ্য আৰু শ্ৰেণী বিভাজনৰ ত্ৰুটিবোৰ প্ৰকাশ নকৰাৰ ওপৰতো আলোকপাত কৰে। বিধিবদ্ধ হিচাপ পৰীক্ষকৰ আৰু চি এ জিৰ উক্ত পৰ্যবেক্ষণে সূচায় যে হিচাপৰ তত্বাৱধানৰ মানদণ্ড উন্নত কৰাটো প্ৰয়োজন। 2017-18 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ যোৱা তিনি বছৰৰ বাবে বিধিবদ্ধ হিচাপ পৰীক্ষাৰ আৰু চি এ জিৰ মন্তব্যৰ মুঠ ধনমূল্যৰ বিৱৰণ ***সাৰণী 1.2.10***ত দিয়া হৈছে।

**সাৰণী 1.2.10: কাৰ্যকৰী পি এছ ইউৰ হিচাপত হিচাপ পৰীক্ষাৰ মন্তব্যৰ প্ৰভাৱ**

***(কোটি টকাত)***

| ক্ৰ.নং. | বিৱৰণ | 2017-18 | | 2018-19 | | 2019-20 | |
|---|---|---|---|---|---|---|---|
| | | একাউন্টৰ সংখ্যা | পৰিমান | একাউন্টৰ সংখ্যা | পৰিমান | একাউন্টৰ সংখ্যা | পৰিমান |
| 1. | লাভ হ্ৰাস | 1 | 16.59 | 4 | 308.48 | 1 | 9.80 |
| 2. | লোকচান বৃদ্ধি | 2 | 72.76 | 0 | 0.00 | 1 | 5.50 |
| 3. | বাস্তৱিক তথ্য প্ৰকাশ নকৰা | 1 | 7.43 | 0 | 0.00 | 2 | 49.53 |
| 4. | শ্ৰেণী বিভাজনৰ ত্ৰুটিসমূহ | 2 | 100.51 | 1 | 3.62 | 1 | 32.15 |

*উৎস: বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আৰু চি এণ্ড এ জিৰ মন্তব্য*

2019-20 বৰ্ষত, বিধিবদ্ধ হিচাপ পৰীক্ষকসকলে দুয়োটা পি এছ ইউৰ দ্বাৰা চূড়ান্ত কৰা দুয়োটা হিচাপৰ ওপৰত যোগ্য মতামত দিছিল। লগতে, বছৰটোত দুটা হিচাপত এ এছ/ইণ্ড এ এছ ক অনুপালন নকৰাৰ চাৰিটা উদাহৰণ আছিল। ই সূচায় যে এ এছ/ইণ্ড এ এছ ৰ অনুপালন নিশ্চিত কৰিবলৈ পি এছ ইউসমূহৰ বিত্তীয় বিৱৰণ উন্নত কৰাটো প্ৰয়োজন।

পি এছ ইউ ৰ হিচাপ সন্দৰ্ভত বিধিবদ্ধ হিচাপ পৰীক্ষাৰ আৰু চি এ জি ৰ কিছুমান গুৰুত্বপূৰ্ণ মন্তব্যৰ সাৰাংশ তলত দিয়া ধৰণৰ:

***অসম শক্তি উৎপাদন নিগম লিমিটেড (2019-20)***

***1. আনুপাতিক বাৰ্ষিক স্থিৰ ব্যয়ৰ ব্যৱস্থা নকৰাৰ বাবে এ পি ডি চি এল-ক ঘূৰাই দিবলগীয়া***

2019-20 বৰ্ষত, এ ই আৰ চি-য়ে নিম্নতম উপলব্ধতা সূচক প্ৰাপ্ত কৰা সাপেক্ষে কোম্পানীৰ নামৰূপ থাৰ্মাল পাৱাৰ ষ্টেচন (এন টি পি এছ)ৰ বাবে বাৰ্ষিক 22.50 কোটি টকাৰ স্থিৰ ব্যয়ৰ অস্থায়ী অনুমতি দিছিল। যদিও কোম্পানীটোৱে 2019-20 বৰ্ষত এন টি পি এছৰ বাবে 32.44 শতাংশ উপলব্ধতা সূচক প্ৰাপ্ত কৰিব পাৰিছিল, ই উপলব্ধতা সূচকৰ নিম্ন-প্ৰাপ্তিৰ বাবে এ পি ডি চি এলক ঘূৰাই দিয়াৰ বাবে আনুপাতিক বাৰ্ষিক স্থিৰ ব্যয়ৰ ব্যৱস্থা কৰা নাছিল। ইয়াৰ ফলত 'বছৰটোৰ বাবে লাভ'ৰ সংশ্লিষ্ট অতিৰিক্ত বিৱৰণৰ সৈতে 'নিয়মীয়াতা দায়বদ্ধতাৰ বাবে ব্যৱস্থা' 7.90 কোটি টকা হ্ৰাস কৰা হৈছে।

***2. বাস্তৱিক তথ্য প্ৰকাশ নকৰা***

কোম্পানীটোৱে যোগানকৰ্তাৰ ওপৰত জাৰী কৰা ডেবিট নোটৰ (মাৰ্চ 2020) ওপৰত ভিত্তি কৰি এপ্ৰিল 2019 ৰ পৰা ছেপ্টেম্বৰ 2019 লৈ যোগানকৰ্তাৰ (মেচাৰ্ছ অইল ইণ্ডিয়া লিমিটেড) দ্বাৰা বিল কৰা অতিৰিক্ত গেছৰ পৰিমাণৰ বিপৰীতে 'ইন্ধন সম্পৰ্কীয় প্ৰাপ্তি আৰু দাবী (অইল) অন্যান্য বৰ্তমানৰ সম্পত্তি'ৰ (নোট-7) অধীনত 13.94 কোটি টকা লিপিবদ্ধ কৰিছিল। কোম্পানীৰ দাবীটো যোগান কৰ্তাই নিশ্চিত/ গ্ৰহণ কৰা নাই আনহাতে কোম্পানীৰ ওচৰত 'ষ্টেচন অনুসৰি' বকেয়া উদ্বৃত্ত (31 মাৰ্চ 2020 তাৰিখলৈকে) দাখিল কৰা হৈছে, যিটো কোনো প্ৰতিবাদ অবিহনে পিছৰটো (কোম্পানী)য়েও গ্ৰহণ কৰিছিল। 'নোট অন একাউণ্ট'ৰ অধীনত উপযুক্ত প্ৰকাশৰ বাবে ডেবিট নোটটো গ্ৰহণ কৰা হোৱা নাই।

## 1.2.17 শক্তি খণ্ডৰ পি এছ ইউ সমূহৰ প্ৰদৰ্শন

***উচ্চ সৰবৰাহ আৰু বিতৰণ লোকচান***

**1.2.17.1** তিনিটা পি এছ ইউৰ কাৰ্যকৰী কাৰ্যসম্পাদন বিশ্লেষণে আৰু প্ৰকাশ কৰিছে যে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এ পি ডি চি এল), যি পি এছ ইউৰ সঞ্চিত লোকচানত মুখ্য অৰদান কাৰী আছিল, যোৱা তিনি বছৰত লক্ষ্যযুক্ত সৰবৰাহ আৰু বিতৰণ (টি এণ্ড ডি) লোকচান প্ৰাপ্ত কৰিব নোৱাৰিলে। সেয়েহে, এ পি ডি চি এল ৰ উচ্চ টি এণ্ড ডি লোকচান ইয়াৰ উচ্চ লোকচানৰ এক মুখ্য কাৰক আছিল।

যোৱা তিনি বছৰৰ বাবে নিৰ্ধাৰিত 17.10 শতাংশ (2017-18), 16.85 শতাংশ (2018-19) আৰু 16.00 শতাংশৰ (2019-20) টি এণ্ড ডি লোকচানৰ লক্ষ্যৰ বিপৰীতে, কোম্পানীটোৰ প্ৰকৃত টি এণ্ড ডি লোকচান ক্ৰমান্বয়ে 17.64 শতাংশ (2017-18), 19.70 শতাংশ (2018-19) আৰু 19.06 শতাংশ (2019-20) আছিল। 2017-18 বৰ্ষৰ পিছত টি-ডি লোকচান বৃদ্ধিৰ মুখ্য কাৰণ আছিল দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ অধীনত নিম্ন প্ৰাৱল্য (এল টি) নেটৱৰ্ক বৃদ্ধি কৰা, পৰ্যাপ্ত উচ্চ প্ৰাৱল্য (এইচ টি) আন্তঃগাঁথনি অবিহনে ভাৰত চৰকাৰৰ আঁচনি আৰু লগতে ভাৰত চৰকাৰৰ ফ্লেগশ্বিপ সৌভাগ্য আঁচনিৰ অধীনত কৰা বৃহৎ ঘৰুৱা বৈদ্যুতিকৰণৰ কাৰ্যকৰীকৰণ।

### *নিম্ন প্ৰকল্প লোড ফেক্টৰ*

**1.2.17.2** প্ৰকল্প লোড ফেক্টৰ (পি এল এফ) হৈছে শক্তি উৎপাদন গোটি এটাৰ গড় ক্ষমতা ব্যৱহাৰৰ এক পৰিমাপ আৰু ইয়াক প্ৰকৃত উৎপাদনৰ শতাংশ হিচাপত স্থাপন কৰা ক্ষমতাৰ সৈতে প্ৰকাশ কৰা হয়। সেয়েহে, এটা উৎপাদনকাৰী কোম্পানীৰ পি এল এফ শক্তি উৎপাদন উপযোগিতাৰ উৎপাদন দক্ষতাৰ সৈতে ইতিবাচকভাৱে সম্পৰ্কিত।

অসম শক্তি উৎপাদন নিগম লিমিটেড (এ পি জি চি এল), অসমত ৰাজ্যিক মালিকানাধীন বিদ্যুৎ উৎপাদন উপযোগিতাত 345.20 মেগাৱাট সংযোগ ক্ষমতা সম্পন্ন পাঁচটা উৎপাদন কেন্দ্ৰ আছিল। যোৱা তিনি বছৰ ধৰি এ পি ডি চি এলৰ উৎপাদন কেন্দ্ৰসমূহৰ পি এল এফৰ বিশ্লেষণে প্ৰকাশ কৰিছিল যে 2017-20 বৰ্ষত পাঁচটা উৎপাদন কেন্দ্ৰৰ ভিতৰত চাৰিটাত (লাকোৱা প্ৰতিস্থাপন শক্তি প্ৰকল্পৰ বাহিৰে) পি এল এফৰ সামগ্ৰিক হ্ৰাস হৈছে, যি 4.56 শতাংশ (নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰ) আৰু 14.10 শতাংশৰ (লাকোৱা থাৰ্মেল পাৱাৰ ষ্টেচন) ভিতৰত আছিল, যিটো গুৰুত্বপূৰ্ণ আছিল। 2018-19 বৰ্ষত আৰম্ভ কৰা পঞ্চম শক্তি প্ৰকল্পৰ (লাকোৱা ৰিপ্লেচমেণ্ট পাৱাৰ প্ৰকল্প) পি এল এফ অৱশ্যে 2018-20 বৰ্ষত 6.86 শতাংশ বৃদ্ধি পাইছে। যদিও এ পি জি চি এল এ 2019-20 বৰ্ষত 4.28 কোটি টকা নামমাত্ৰ লাভ অৰ্জন কৰিছে, 31 মাৰ্চ 2020 ত সমাপ্ত হোৱা বছৰটোৰ বাবে ইয়াৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি ইয়াৰ 107.59 কোটি টকা গুৰুত্বপূৰ্ণ লোকচান হৈছিল।

এ পি জি চি এল এ অনাগত বছৰবোৰত ইয়াৰ কাৰ্যকৰী প্ৰদৰ্শন আৰু বিত্তীয় স্থিতি উন্নত কৰিবলৈ ইয়াৰ উৎপাদন কেন্দ্ৰসমূহৰ নিম্ন পিএলএফৰ সমস্যাটো সঠিকভাৱে সমাধান কৰিব লাগিব।

## উজ্বল ডিচকম এছ্যুৰেন্স যোজনা (উদয়) ৰূপায়ণ

**1.2.17.3** ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ে ৰাজ্যিক মালিকানাধীন বিদ্যুৎ বিতৰণ কোম্পানী সমূহৰ (ডিচকম) কাৰ্যকৰী আৰু বিত্তীয় পৰিৱৰ্তনৰ বাবে (20 নৱেম্বৰ 2015) উজ্বল ডিচকম এছ্যুৰেন্স যোজনা (উদয়) আৰম্ভ কৰিছে। উদয় আঁচনিৰ ব্যৱস্থা অনুসৰি ৰাজ্যসমূহে ডিচকমৰ কাৰ্যকৰী আৰু বিত্তীয় পৰিৱৰ্তনৰ বাবে নিম্নলিখিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

### *কাৰ্যকৰী দক্ষতা উন্নত কৰাৰ বাবে আঁচনি*

ৰাজ্যসমূহে কাৰ্যকৰী দক্ষতা উন্নত কৰাৰ বাবে বিভিন্ন লক্ষ্যযুক্ত কাৰ্যকলাপ হাতত লোৱাটো প্ৰয়োজনীয় আছিল। এই কাৰ্যকলাপবোৰৰ ভিতৰত আছিল ফিডাৰ আৰু ডিষ্ট্ৰিবিউচন ট্ৰেন্সফৰ্মাৰ (ডি টি)ৰ বাধ্যতামূলক মিটাৰিং, উপভোক্তা সূচীকৰণ আৰু লোকচানৰ জি আই এছ মেপিং, ট্ৰেন্সফৰ্মাৰ আৰু মিটাৰ উন্নীত বা পৰিৱৰ্তন কৰা, প্ৰতি মাহে 200 ইউনিটৰ ওপৰত ব্যৱহাৰ কৰা সকলো গ্ৰাহকৰ স্মাৰ্ট মিটাৰিং, শক্তি দক্ষ সঁজুলিৰ জৰিয়তে ডিমাণ্ড চাইড মেনেজমেণ্ট (ডি এছ এম), শুল্কৰ ত্ৰৈমাসিক সংশোধন, বিদ্যুৎ চুৰি পৰীক্ষা কৰা, মুঠ কাৰিকৰী আৰু বাণিজ্যিক (এ টি এণ্ড চি) লোকচান কম বা হ্ৰাস হোৱা এলেকাসমূহত বৰ্দ্ধিত বিদ্যুৎ যোগান নিশ্চিত কৰা ইত্যাদি। এই লক্ষ্যযুক্ত কাৰ্যকলাপৰ বাবে নিৰ্ধাৰিত সময়সীমাও অনুসৰণ কৰিব লাগিব যাতে আকাংক্ষিত লাভালাভবোৰ প্ৰাপ্ত কৰা হয় যেনে ফিডাৰ আৰু ডি টি স্তৰত লোকচান অনুসৰণ কৰাৰ সামৰ্থ্য, লোকচান হোৱা হ্ৰাস কৰা আৰু বিভ্ৰাট হ্ৰাস কৰা, বিদ্যুৎ চুৰি হ্ৰাস কৰা, চুৰি হ্ৰাস কৰাৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰা, সৰ্বাধিক বোজা আৰু শক্তি ব্যৱহাৰ ইত্যাদি। কাৰ্যকৰী উন্নয়নৰ ফলাফল নিৰ্ধাৰিত সূচকৰ জৰিয়তে পৰিমাপ কৰা হ'ব লাগিব যেনে এম অ' পি আৰু ৰাজ্যবোৰে চূড়ান্ত কৰা লোকচান

হ্ৰাসৰ গতিপথ অনুসৰি 2019-20 বৰ্ষলৈ এ টি এণ্ড চি লোকচান 15 শতাংশলৈ হ্ৰাস কৰা, 2019-20 বৰ্ষলৈ ব্যৱধান (যোগানৰ গড় ব্যয় আৰু গড় ৰাজহৰ মাজত) শূণ্যলৈ হ্ৰাস কৰা।

31 মাৰ্চ 2020 তাৰিখলৈকে এ পি ডি চি এলৰ প্ৰাপ্তিৰ তুলনাত বিভিন্ন কাৰ্যকৰী মাপকাঠিৰ বিপৰীতে উদয় আঁচনিৰ অধীনত নিৰ্ধাৰিত লক্ষ্যৰ বিৱৰণ ***সাৰণী 1.2.11*** ত দিয়া হৈছে।

**সাৰণী 1.2.11: উদয় আঁচনিৰ অধীনত নিৰ্ধাৰিত কাৰ্যকৰী লক্ষ্যৰ বিপৰীতে 31 মাৰ্চ 2020 তাৰিখলৈকে এ পি ডি চি এলৰ মাপকাঠি অনুসৰি প্ৰাপ্তি**

| ক্ৰ. নং. | উদয় আঁচনিৰ মাপকাঠী | বুজাবুজি চুক্তি[36] অনুসৰি উদয় আঁচনিৰ অধীনত লক্ষ্য | উদয় আঁচনিৰ অধীনত অগ্ৰগতি | সাফল্য প্ৰাপ্তি (শতাংশ) |
|---|---|---|---|---|
| 1 | ফিডাৰ মিটাৰিং(সংখ্যাত) | 1,600 | 1,443 | 90.19 |
| 2 | ডিষ্ট্ৰিবিউশন ট্ৰেন্সফৰ্মাৰ মিটাৰিং (সংখ্যাত) | 4,700 | 2,765 | 58.83 |
| 3 | ফিডাৰ পৃথকীকৰণ (সংখ্যাত) | 878 | 197 | 22.44 |
| 4 | গ্ৰাম্য ফিডাৰ হিচাপ পৰীক্ষা (সংখ্যাত) | 1,051 | 1,402 | লাভ কৰা |
| 5 | সংযোগ নথকা পৰিয়াললৈ বিদ্যুৎ (লাখৰ সংখ্যাত) | 21.74 | 26.66 | লাভ কৰা |
| 6 | স্মাৰ্ট মিটাৰিং (সংখ্যাত) | 1,81,000 | 14,008 | 7.74 |
| 7 | এল ই ডি উজ্জ্বলাৰ বিতৰণ (লাখৰ সংখ্যাত) | 11.50 | 112.71 | লাভ কৰা |
| 8 | এ টি এণ্ড চি লোকচান (শতাংশত) | 15 | 22.29 | নেতিবাচক |
| 9 | এ চি এচ-এ আৰ আৰ[37] ব্যৱধান (টকা প্ৰতি ইউনিত) | (-) 0.05[38] | 0.20[39] | নেতিবাচক |
| 10 | ৰাজ সাহাজ্য[40] সামৰি প্ৰকৃত আয় (কোটি টকাত) | 51.04 | 202.69 | লাভ কৰা |

***উৎস: এ পি ডি চি এলৰ দ্বাৰা প্ৰদান কৰা তথ্য***

যিহেতু ইয়াক ***সাৰণী 1.2.11*** ৰ পৰা দেখা গৈছিল, 31 মাৰ্চ 2020 তাৰিখলৈকে, 2019-20 বৰ্ষলৈ এই 15 শতাংশ লোকচানৰ লক্ষ্য হ্ৰাসৰ তুলনাত এ পি ডি চি এলৰ মুঠ কাৰিকৰী আৰু বাণিজ্যিক লোকচানৰ (এ টি এণ্ড চি) স্তৰ 22.29 শতাংশ আছিল। এ টি এণ্ড চি লোকচানৰ লক্ষ্যস্তৰ প্ৰাপ্ত কৰাৰ ক্ষেত্ৰত এই অভাৱ (7.29 শতাংশ) মুখ্যত বিলিং আৰু সংগ্ৰহ দক্ষতাত 17 শতাংশ হ্ৰাস হোৱাৰ বাবে হৈছিল (উদয়ৰ অধীনত নিৰ্দ্ধাৰিত লক্ষ্য 99 শতাংশৰ বিপৰীতে 2019-20 বৰ্ষত 82.36 শতাংশ)। বিলিং আৰু সংগ্ৰহ দক্ষতা হ্ৰাসৰ কাৰণসমূহ আছিল গ্ৰাম্য বৈদুতিকৰণৰ তীব্ৰতা বৃদ্ধি কৰা আৰু সৌভাগ্য আঁচনি[41] ৰূপায়ণৰ পিছত এল টি গ্ৰাহকৰ সংখ্যা বৃদ্ধি কৰা, যাৰ বিলিং আৰু সংগ্ৰহ দক্ষতাৰ সৈতে নেতিবাচক সম্পৰ্ক আছিল। লগতে, 2019-20 বৰ্ষলৈ প্ৰতি ইউনিটত 0.05 টকাৰ লক্ষ্য ব্যৱধান (লাভজনকতা)ৰ বিপৰীতে যোগানৰ গড় ব্যয় আৰু গড় ৰাজহ বাস্তৱায়িত হোৱাৰ মাজত প্ৰতি ইউনিটত 0.20 টকাৰ ব্যৱধান (লোকচান) আছিল। এ পি ডি চি এল-য়ে স্মাৰ্ট মিটাৰিং আৰু ফিডাৰ পৃথকীকৰণৰ ক্ষেত্ৰতো দুৰ্বলতা প্ৰদৰ্শন কৰিছে, আনহাতে বিতৰণ ট্ৰেন্সফৰ্মাৰ মিটাৰিং, ফিডাৰ মিটাৰিং, সংযোগ বিহীন পৰিয়ালসমূহক বিদ্যুৎ প্ৰদান কৰা আৰু এল ই ডি বিতৰণৰ ক্ষেত্ৰত প্ৰদৰ্শন উন্নত আছিল।

---

[36] ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু অসম শক্তি বিতৰণ কোম্পানীৰ মাজত (4 জানুৱাৰী 2017) বুজাবুজি চুক্তি সম্পন্ন কৰা হৈছে

[37] এ চি এচ য়ে "যোগানৰ গড় মূল্য" প্ৰতিনিধিত্ব কৰে য'ত এ আৰ আৰ য়ে "গড় ৰাজহ প্ৰয়োজনীতা" বুজায়।

[38] এক ঋণাত্মক এ চি এছ এ আৰ আৰৰ ব্যৱধানে ডিচকমৰ লাভজনকতাক প্ৰতিফলিত কৰে, অৰ্থাৎ ইয়াৰ দ্বাৰা তেওঁলোকে লাভ অৰ্জন কৰিছে কিয়নো তেওঁলোকে ক্ৰয় ব্যয়তকৈ অধিক ৰাজহ আদায় কৰিছে

[39] 2020-21 বৰ্ষৰ দ্বিতীয় ত্ৰৈমাসিকলৈকে অস্থায়ী পৰিসংখ্যা

[40] 2019-20 বৰ্ষৰ বাবে এ পি ডি চি এলৰ বাৰ্ষিক হিচাপ চূড়ান্ত কৰাৰ বাবে 2018-19 বৰ্ষৰ বাবে এই উৎপাদনৰ বিপৰীতে লক্ষ্য আৰু প্ৰাপ্তি গ্ৰহণ কৰা হৈছে

[41] ভাৰত চৰকাৰৰ দ্বাৰা আৰম্ভ কৰা (ছেপ্টেম্বৰ 2017) সৌভাগ্য আঁচনিৰ উদ্দেশ্য হৈছে গ্ৰামাঞ্চলৰ সকলো পৰিয়াল (দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু দৰিদ্ৰ পৰিয়াল উভয়ৰে) আৰু নগৰাঞ্চল দৰিদ্ৰ পৰিয়াল সমূহক বিনামূলীয়া বিদ্যুৎ সংযোগ প্ৰদান কৰে

*বিত্তীয় পৰিৱৰ্তনৰ ৰূপায়ণ*

উদয় আঁচনিৰ অধীনত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু এ পি ডি চি এলৰ মাজত বুজাবুজিৰ চুক্তি (4 জানুৱাৰী 2017) সম্পন্ন হৈছিল। বুজাবুজি চুক্তি অনুসৰি, অসম চৰকাৰ 30 ছেপ্টেম্বৰ 2015 তাৰিখে ঋণৰ 1,510.04 কোটি টকাৰ ভিতৰত 1,132.53 কোটি টকা (75 শতাংশ) ইকুইটি আৰু অনুদানৰ ৰূপত এ পি ডি চি এলক নিৰ্ধাৰিত পুঁজি প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আছিল। বুজাবুজি চুক্তিৰ অধীনত কৰা প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ অসম চৰকাৰে পুঁজি সংগ্ৰহৰ বাবে প্ৰয়োজন হ'লে বণ্ড জাৰী কৰিব পাৰে।

ওপৰোক্ত প্ৰতিশ্ৰুতিসমূহ পালন কৰিবলৈ, অসম চৰকাৰে ওপৰোক্ত ঋণৰ বিপৰীতে অপৰিশোধিত সূত ৰেহাইৰ বাবে 554 কোটি টকা পৰিমাণৰ বিত্তীয় অনুমোদন জাৰী কৰিছিল (নৱেম্বৰ 2019)। পৰৱৰ্তী সময়ত, অসম চৰকাৰে তথ্য সংশোধনৰ দ্বাৰা ঋণ (1,132.53 কোটি টকা) অনুদান (849.40 কোটি টকা) আৰু ইকুইটিলৈ (283.13 কোটি টকা) ৰূপান্তৰৰ বাবে আদেশ জাৰি (ফেব্ৰুৱাৰী 2020) কৰিছিল।

তদুপৰি, বুজাবুজি চুক্তি অনুসৰি, অসম চৰকাৰে বিত্তীয় পৰিৱৰ্তন প্ৰাপ্ত নকৰালৈকে এ পি ডি চি এলক কাৰ্যকৰী পুঁজিৰ প্ৰয়োজনীয়তা (অ' এফ আৰ) সমৰ্থন প্ৰদান কৰিব লাগিছিল। অসম চৰকাৰৰ দ্বাৰা প্ৰতিশ্ৰুতিবদ্ধ অ' এফ আৰৰ সমৰ্থনত 31 মাৰ্চ 2015 তাৰিখলৈকে এ পি ডি চি এলৰ বকেয়া বিদ্যুৎ ক্ৰয় দায়বদ্ধতা (1,207.35 কোটি টকা) পৰিশোধ কৰাৰ বাবে প্ৰয়োজনীয় পুঁজিও অন্তৰ্ভুক্ত আছিল। এই প্ৰতিশ্ৰুতিৰ বিপৰীতে, এ পি ডি চি এল এ 2016-20 বৰ্ষত অনুদানৰ ৰূপত 1,883.29 কোটি টকা লাভ কৰিছিল (শক্তিশালী আৰু উন্নীতকৰণ, স্মাৰ্ট মিটাৰ স্থাপন, জি আই এছ মেপিং, এল ই ডি বিতৰণ আদিৰ বাবে 872.41 কোটি টকা আৰু অপৰিশোধিত বিদ্যুৎ ক্ৰয়ৰ বিপৰীতে 1,010.88 কোটি টকা।

অসম চৰকাৰৰ পৰা ওপৰোক্ত বিত্তীয় সহায়েৰে, এ পি ডি চি এল-এ ইয়াৰ বিদ্যুৎ ক্ৰয় দায়বদ্ধতা 1,221.30 কোটি টকাৰ (2015-16) পৰা 430.20 কোটি টকালৈ (2019-20) হ্ৰাস কৰিব পাৰিছিল। ফলস্বৰূপে বিদ্যুৎ ক্ৰয় বিল পৰিশোধত পলম হোৱাৰ বাবে এ পি ডি চি এল এ পৰিশোধ উপকৰ 23.38 কোটি টকাৰ (2015-16) পৰা 4.83 কোটি টকালৈ (2019-20) যথেষ্ট হ্ৰাস কৰিছিল। বিত্তীয় সাহায্যই এ পি ডি চি এলৰ বিত্তীয় পৰিৱৰ্তনত সহায় কৰিছিল কিয়নো ই 2015-16 বৰ্ষত 103.90 কোটি টকা কাৰ্যকৰী লোকচানৰ তুলনাত 2019-20 বৰ্ষত 202.69 কোটি টকা কাৰ্যকৰী লাভ অৰ্জন কৰিছিল।

## নিৰ্বিনিয়োগ, পুনৰ্গঠন আৰু ব্যক্তিগতকৰণ

**1.2.18** 2019-20 বৰ্ষত, শক্তি খণ্ডত অসম চৰকাৰৰ দ্বাৰা কোনো নিবিনিয়োগ, পুৰ্নগঠন বা ব্যক্তিগতকৰণ কৰা হোৱা নাছিল।

## হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত অনুসৰণ কাৰ্য

*বাখ্যামূলক টোকা প্ৰাপ্ত কৰা হোৱা নাই*

**1.2.19** চি এ এজিৰ হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহে বিভিন্ন পি এছ ইউৰ দ্বাৰা পৰিপালন কৰা হিচাপ আৰু তথ্যৰ প্ৰাৰম্ভিক পৰিদৰ্শনৰ পৰা আৰম্ভ কৰি পৰীক্ষাৰ প্ৰক্ৰিয়াৰ সমাপ্তি প্ৰতিনিধিত্ব কৰে। সেয়েহে, হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহে কাৰ্যবাহীৰ পৰা উপযুক্ত আৰু সময়মতে সঁহাৰি প্ৰাপ্ত কৰাটো প্ৰয়োজনীয় আছিল। বিত্ত (হিচাপ আৰু পুঁজি) বিভাগ, অসম চৰকাৰে সংশ্লিষ্ট প্ৰশাসনিক বিভাগৰ দ্বাৰা 'কাৰ্য সম্পাদন হিচাপ পৰীক্ষা' আৰু 'অনুপালন হিচাপ পৰীক্ষা' দফাৰ সন্দৰ্ভত 'ব্যাখ্যামূলক টোকা' প্ৰস্তুত কৰাৰ বাবে (মে 1994) নিৰ্দেশনা জাৰী কৰিছিল।

উক্ত নিৰ্দেশনা অনুসৰি, সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহে উক্ত হিচাপ পৰীক্ষা প্ৰতিবেদন প্ৰাপ্তিৰ লগে লগে হিচাপ পৰীক্ষা প্ৰতিবেদনত অন্তৰ্ভুক্ত 'অনুপালন হিচাপ পৰীক্ষাৰ দফা' আৰু 'কাৰ্যসম্পাদন হিচাপ পৰীক্ষা'ৰ ওপৰত 'ব্যাখ্যামূলক টোকা' প্ৰস্তুত কৰিব লাগিব। প্ৰশাসনিক বিভাগসমূহে 'ব্যাখ্যামূলক টোকা'ত লোৱা বা প্ৰস্তাৱিত পদক্ষেপসমূহ সূচিত কৰিব লাগিছিল। হিচাপ পৰীক্ষা প্ৰতিবেদনত অন্তৰ্ভুক্ত কাৰ্যসম্পাদন হিচাপ পৰীক্ষা/হিচাপ পৰীক্ষা দফাত উল্লেখ কৰা অনুসৰি 'ব্যাখ্যামূলক টোকাসমূহত' চৰকাৰৰ প্ৰাপ্য যিকোনো পৰিমাণ পুনৰুদ্ধাৰৰ স্থিতিও অন্তৰ্ভূক্ত থাকিব। প্ৰশাসনিক বিভাগসমূহেও হিচাপ প্ৰতিবেদন প্ৰাপ্ত হোৱাৰ 20 দিনৰ ভিতৰত অসম বিধান সভাত এটা প্ৰতিলিপিৰ সৈতে 'ব্যাখ্যামূলক টোকা' দাখিল কৰিব লাগিব। অৱশ্যে, শক্তি বিভাগে 28 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 136 টা দফা থকা 28 টা হিচাপ পৰীক্ষা প্ৰতিবেদন (1991-90 ৰ পৰা 2017-18 লৈ) সন্দৰ্ভত ৰাজ্যিক বিধান সভাত কোনো 'ব্যাখ্যামূলক টোকা' দাখিল কৰা নাছিল।

### *চি অ' পি ইউ ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত আলোচনা*

**1.2.20** 31 মাৰ্চ 2020 তাৰিখলৈকে, তিনিটা পি এছ ইউ সম্পৰ্কীয় 19 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 136 টা হিচাপ পৰীক্ষাৰ দফা থকা 28 টা হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৰাজ্যিক বিধান সভাত উত্থাপন কৰা হৈছিল। ওপৰোক্ত সমূহৰ ভিতৰত 19 টা হিচাপ পৰীক্ষা প্ৰতিবেদন সম্পৰ্কীয় 13 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 95 টা অনুপালন হিচাপ পৰীক্ষাৰ দফা ৰাজহুৱা প্ৰতিষ্ঠান সমিতিয়ে (চি অ' পি ইউ) আলোচনা কৰিছিল। বাকী 6 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 11 টা হিচাপ পৰীক্ষা প্ৰতিবেদনসম্পৰ্কীয় 41 টা অনুপালন হিচাপ পৰীক্ষাৰ দফা চি অ' পি ইউ ৰ দ্বাৰা আলোচনা আৰু প্ৰয়োজনীয় পদক্ষেপৰ বাবে অমীমাংসিত আছিল।

চি অ' পি ইউ-ৰ দ্বাৰা আলোচনা কৰা 19 টা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ বিপৰীতে, 31 মাৰ্চ 2020 তাৰিখে 3 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 6 টা হিচাপ পৰীক্ষা প্ৰতিবেদনত দেখুওৱা 38 টা হিচাপ পৰীক্ষাৰ দফা সম্পৰ্কীয় চি অ' পি ইউ-ৰ 6 টা প্ৰতিবেদন ৰাজ্যিক বিধান সভাত উপস্থাপন কৰা হৈছিল। চি অ' পি ইউ-ৰ এই প্ৰতিবেদনসমূহত 3 টা কাৰ্য সম্পাদন হিচাপ পৰীক্ষা আৰু 36 টা অনুপালন হিচাপ পৰীক্ষা অনুচ্ছেদৰ সন্দৰ্ভত 61 টা পৰামৰ্শ (কাৰ্য সম্পাদন হিচাপ পৰীক্ষাৰ দফা: 17 টা আৰু অনুপালন হিচাপ পৰীক্ষাৰ দফা: 44 টা) অন্তৰ্ভূক্ত আছিল, যিসমূহ 1994-95 ৰ পৰা 2005-06 বৰ্ষৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনত প্ৰকাশিত হৈছিল। সংশ্লিষ্ট বিভাগ/ পি এছ ইউ-য়ে অৱশ্যে ***সাৰণী 1.2.12*** ত উল্লেখ কৰা 61 টা চি অ' পি ইউ পৰামৰ্শৰ যিকোনো এটাৰ ওপৰত কাৰ্য ব্যৱস্থা গ্ৰহণ নোট (এ টি এন) দাখিল কৰা নাই ।

**সাৰণী 1.2.12: চি অ' পি ইউ প্ৰতিবেদনৰ অনুপালন**

| চি অ' পি ইউ ৰ প্ৰতিবেদন বছৰ | চি অ' পি ইউ ৰ প্ৰতিবেদনৰ মুঠ সংখ্যা | চি অ' পি ইউ ৰ প্ৰতিবেদনত পৰামৰ্শ ৰ মুঠ সংখ্যা | পৰামৰ্শৰ সংখ্যা য'ত এটিএন সমূহ অমীমাংসিত আছিল |
|---|---|---|---|
| 2002-03 | 1 | 9 | 9 |
| 2003-04 | 1 | 8 | 8 |
| 2008-09 | 2 | 34 | 34 |
| 2010-11 | 1 | 6 | 6 |
| 2011-12 | 1 | 4 | 4 |
| **মুঠ** | **6** | **61** | **61** |

*উৎস ঃ হিচাপ পৰীক্ষাৰ সৈতে উপলব্ধ পি এছ ইউৰ তথ্যসমূহ*

***পৰামৰ্শ:** অসম চৰকাৰে হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ প্ৰতি সঁহাৰি দিয়াৰ প্ৰণালীটো সমীক্ষা আৰু পুনৰ গঠন কৰা উচিত। ই নিশ্চিত কৰিব পাৰে যে চি অ' পি ইউ ৰ পৰামৰ্শ অনুসৰি দফা / কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু এ টি এন ৰ ওপৰত ব্যাখ্যামূলক টোকা নিৰ্ধাৰিত সময়সূচী অনুসৰি প্ৰদান কৰা হয় আৰু ৰাজহুৱা বিত্তৰ বাবে দায়বদ্ধক্ষম কৰাৰ বাবে নিৰ্ধাৰিত ম্যাদৰ ভিতৰত পুনৰুদ্ধাৰ কৰা হিচাপ পৰীক্ষাত উল্লেখ কৰা লোকচান/বকেয়া অগ্ৰিম/অতিৰিক্ত পৰিশোধ কৰা হয়।*

# শাখা 3: ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাৰ্যকলাপ (শক্তি খণ্ডৰ বাহিৰে)

## 1.3 পৰিচয়

*ৰাজ্যিক অৰ্থনীতিত অৱদান*

**1.3.1** পি এছ ইউ ত (শক্তি খণ্ডৰ বাহিৰে) 32 টা কাৰ্যকৰী পি এছ ইউ (29 টা চৰকাৰী কোম্পানী আৰু 3 টা বিধিবদ্ধ নিগম) আৰু 16 টা অ-কাৰ্যকৰী পি এছ ইউ (সকলো কোম্পানী) অন্তৰ্ভুক্ত আছিল। কাৰ্যকৰী পি এছ ইউ সমূহে 30 ছেপ্তেম্বৰ 2020 তাৰিখে তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি 857.79 কোটি টকাৰ টাৰ্ণঅ'ভাৰ পঞ্জীয়ন কৰিছিল। এই টাৰ্ণঅ'ভাৰ 2018-19 বৰ্ষৰ বাবে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি) 3,35,238 কোটি টকা[42] 0.26 শতাংশৰ সমান আছিল। 2019-20 বৰ্ষত কাৰ্যকৰী পি এছ ইউসমূহে 2018-19 বৰ্ষত হোৱা 18.13 কোটি টকা সামগ্ৰিক লোকচানৰ তুলনাত 30 ছেপ্টেম্বৰ 2020 তাৰিখলৈকে তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি 31.30 কোটি টকাৰ সামগ্ৰিক লাভ অৰ্জন কৰিছিল। জি এছ ডি পি ৰ সৈতে পি এছ ইউ-টাৰ্ণঅ'ভাৰৰ অনুপাতে ৰাজ্যৰ অৰ্থনীতিত পি এছ ইউ-কাৰ্যকলাপৰ পৰিমাণ দেখুৱায়।

***সাৰণী 1.3.1*** এ 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ জি এছ ডি পিৰ বিপৰীতে পি এছ ইউ টাৰ্ণঅ'ভাৰৰ বিৱৰণ দেখুওৱাই।

**সাৰণী 1.3.1: ৰাজ্যৰ জি ডি পিৰ তুলনাত কাৰ্যকৰী পি এছৰ ইউ টাৰ্ণঅ'ভাৰৰ বিৱৰণ**

***(কোটি টকাত)***

| বিৱৰণ | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|
| টাৰ্ণ অভাৰ[43] | 730.70 | 707.81 | 738.30 | 877.99 | 857.79 |
| জি এচ ডি পি | 2,27,959 | 2,54,382 | 2,83,165 | 3,15,881 | 3,35,238 |
| জি এচ ডি পি অনুপাতে টাৰ্ণ অভাৰৰ শতাংশ | 0.32 | 0.28 | 0.26 | 0.28 | 0.26 |

*উৎস: পি এছ ইউ ৰ শেহতীয়া চূড়ান্ত হিচাপ আৰু অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰৰ দ্বাৰা প্ৰদান কৰা তথ্য। 2019-20 বৰ্ষৰ সৈতে সম্পৰ্কিত জি এছ ডি পি-ৰ পৰিসংখ্যা হৈছে অস্থায়ী আকলন।*

***তালিকা 1.3.1*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ কাৰ্যকৰী পি এছ ইউসমূহৰ টাৰ্ণঅ'ভাৰে এক মিশ্ৰিত ধাৰা দেখুৱাইছিল। 2019-20 বৰ্ষত, পিএছইউ-ৰ টাৰ্ণঅ'ভাৰ আগৰ বছৰৰ (2018-19) 877.99 টাৰ্ণঅ'ভাৰৰ তুলনাত 2.30 শতাংশ (20.20 কোটি) হ্ৰাস পাইছে। অৱশ্যে, কাৰ্যকৰী পি এছ ইউ-ৰ টাৰ্ণঅ'ভাৰ 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ সামগ্ৰিকভাৱে 17.39 শতাংশ বৃদ্ধি পাইছে। এই বৃদ্ধি একে সময়তে জি এছ ডি পিৰ বিকাশৰ হাৰৰ (47.06 শতাংশ) সৈতে সমঞ্জাস্যপূৰ্ণ নাছিল। ফলস্বৰূপে, জি এছ ডি পি-ত কাৰ্যকৰী পি এছ ইউৰ টাৰ্ণঅ'ভাৰৰ অৱদান 0.32 শতাংশৰ (2015-16) পৰা 0.26 শতাংশলৈ হ্ৰাস পাইছে (2019-20)।

## পি এছ ইউ ত বিনিয়োগ (শক্তি খণ্ডৰ বাহিৰে)

**1.3.2** ***সাৰণী 1.3.2*** ত পি এছ ইউ-ত মুঠ বিনিয়োগ দেখুওৱা হৈছে:

[42] অসম চৰকাৰৰ অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ দ্বাৰা দাখিল কৰা তথ্য অনুসৰি ৰাজ্যিক জি ডি পি (দ্ৰুত আকলন)

[43] সংশ্লিষ্ট বৰ্ষৰ 30 চেপ্তেম্বৰ পৰ্যন্ত শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি টাৰ্ণ-অভাৰ

**সাৰণী 1.3.2: পি এছ ইউত বিনিয়োগৰ বিৱৰণ**

***(কোটি টকাত)***

| বিৱৰণ | অসম চৰকাৰ | অন্যান্য | মুঠ |
|---|---|---|---|
| ইকুইটি | 689.81 | 648.52 | 1,338.33 |
| দীৰ্ঘম্যাদী ঋণসমূহ | 698.95 | 455.70 | 1,154.65 |
| **মুঠ বিনিয়োগ** | **1,388.76** | **1,104.22** | **2,492.98** |

*('অন্যান্যসমূহৰ' ভিতৰত আছে কেন্দ্ৰীয় চৰকাৰ, হোল্ডিং কোম্পানী, বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান)*

***সাৰণী 1.3.2*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 31 মাৰ্চ 2020 তাৰিখলৈকে পি এছ ইউ-ত মুঠ বিনিয়োগ (ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণ) 2,492.98 কোটি টকা ***(পৰিশিষ্ট 2)*** আছিল। বিনিয়োগটো ইকুইটিত 53.68 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 46.32 শতাংশৰে গঠিত।

লগতে, অসম চৰকাৰৰ বিনিয়োগত ইকুইটিৰ বাবে 49.67 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 50.33 শতাংশ অন্তৰ্ভূক্ত আছিল।

## অসম চৰকাৰৰ বিত্তীয় হিচাপৰ সৈতে সমিলমিলকৰণ

**1.3.3** অসম চৰকাৰৰ দ্বাৰা আগবঢ়োৱা ইকুইটি আৰু ঋণৰ সন্দৰ্ভত আৰু পি এছ ইউ-য়ে প্ৰদান কৰা তথ্য অনুসৰি বকেয়া থকা পৰিসংখ্যাসমূহ ৰাজ্যখনৰ বিত্তীয় হিচাপত প্ৰকাশিত পৰিসংখ্যাৰ সৈতে একে হ'ব লাগে। যদি পৰিসংখ্যাবোৰ একে নহয়, সংশ্লিষ্ট পি এছ ইউ আৰু বিত্ত বিভাগে পৰিসংখ্যাৰ পাৰ্থক্যৰ সমিলমিল কৰিব লাগিব। 31 মাৰ্চ 2020 তাৰিখলৈকে এই সন্দৰ্ভত স্থিতি ***সাৰণী 1.3.3*** ত সংক্ষিপ্ত কৰা হৈছে।

**সাৰণী 1.3.3: পি এছ ইউ-ৰ তথ্যৰ তুলনাত ৰাজ্যিক বিত্তীয় হিচাপ অনুসৰি বকেয়া ইকুইটি আৰু ঋণ**

*(কোটি টকাত)*

| যি ক্ষেত্ৰত বকেয়া আছিল | বিত্তীয় হিচাপ[44] অনুসৰি টকাৰ পৰিমাণ | পি এছ ইউ সমূহৰ তথ্য অনুসৰি পৰিমাণ | পাৰ্থক্য |
|---|---|---|---|
| ইকুইটি | 937.75 | 689.81 | 247.94 |
| ঋণ | 754.45 | 698.95 | 55.50 |

*উৎস: পি এছ ইউ আৰু বিত্তীয় হিচাপৰ দ্বাৰা প্ৰদান কৰা তথ্য*

এইটো লক্ষ্য কৰিব পাৰি যে তথ্যৰ দুটা ছেট অনুসৰি ইকুইটি আৰু ঋণৰ পৰিসংখ্যাত উল্লেখনীয় সমিলমিল নকৰাৰ পাৰ্থক্য আছিল। ইকুইটিৰ পৰিসংখ্যাৰ পাৰ্থক্য মুখ্যতঃ ৰাজ্যিক বিত্তীয় হিচাপত 37 টা পি এছ ইউ[45]ৰ ভিতৰত 9 টাৰ[46] ইকুইটি বিৱৰণ অস্তিত্বহীন হোৱাৰ বাবে আছিল যদিও এই 9 টা পি এছ ইউৰ তথ্যই অসম চৰকাৰৰ দ্বাৰা ইকুইটি নিবেশ দেখুৱাইছিল। ঋণৰ পৰিসংখ্যাৰ পাৰ্থক্যৰ বিশ্লেষণ কৰাটো অৱশ্যে কঠিন আছিল কিয়নো বিত্তীয় হিচাপ সমূহে অসম চৰকাৰৰ দ্বাৰা প্ৰদান কৰা ঋণৰ পি এছ ইউ অনুসৰি বিৱৰণ প্ৰদান কৰা নাছিল।

যিহেতু বকেয়া বিনিয়োগৰ অমীমাংসিত পাৰ্থক্য উল্লেখযোগ্য, অসম চৰকাৰ আৰু সংশ্লিষ্ট পি এছ ইউসমূহে সময় নিৰ্দ্ধাৰিত অনুযায়ী পাৰ্থক্যসমূহ মিলাবলৈ দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

---

[44] ৰাজ্যিক বিত্তীয় হিচাপ 2018-19 ৰ প্ৰবিৱৰণ 7,18 আৰু 19 ৰ পৰা সংকলিত পৰিসংখ্যা

[45] 11 টা পি এছ ইউ (***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B25, B26, B31, B32, D7, D9, D11, D12, D13 আৰু D16) বাদ দি য'ত অসম চৰকাৰৰ কোনো প্ৰত্যক্ষ ইকুইটি বিনিয়োগ নাই

[46] ***পৰিশিষ্ট 2*** ৰ ক্ৰমিক নং B6, B9, B12, B20, B21, B24, D2, D3 আৰু D5 ৰ পি এছ ইউ সমূহ

## অসম চৰকাৰৰ বাজেট ব্যয়

**1.3.4** অসম চৰকাৰে বাৰ্ষিক বাজেটৰ জৰিয়তে বিভিন্ন ৰূপত পি এছ ইউ-ক বিত্তীয় সমৰ্থন প্ৰদান কৰে। 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ পি এছ ইউ সন্দৰ্ভত ইকুইটি, ঋণ আৰু অনুদানৰ বাবে বছৰ অনুসৰি বাজেট ব্যয়ৰ বিৱৰণ ***সাৰণী 1.3.4*** ত দিয়া হৈছে।

**সাৰণী 1.3.4: পি এছ ইউ লৈ অসম চৰকাৰৰ দ্বাৰা বছৰ অনুসৰি বাজেটীয় সমৰ্থন**

*(কোটি টকাত)*

| ক্ৰ. নং. | বিৱৰণ | 2015-16 | | 2016-17 | | 2017-18 | | 2018-19 | | 2019-20 | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান | পি এছ ইউ ৰ সংখ্যা | পৰিমান |
| 1 | বাজেটৰ পৰা ইকুইটী ব্যয় | 0 | 0.00 | 0 | 0.00 | 2 | 111.20 | 4 | 73.29 | 1 | 20.00 |
| 2 | বাজেটৰ পৰা দিয়া ঋণ (সকলো সূত বহন কৰি) | 5 | 108.24 | 3 | 32.09 | 5 | 73.45 | 3 | 122.02 | 4 | 27.75 |
| 3 | বাজেটৰ পৰা অনুদান[47]/ ৰাজসাহৰ্য | 7 | 70.06 | 6 | 62.38 | 7 | 121.21 | 9 | 183.98 | 7 | 241.20 |
| | **মুঠ ব্যয়[48]** | **9** | **178.30** | **9** | **94.47** | **14** | **305.86** | **16** | **379.29** | **11** | **288.95** |

*উৎস: পি এছ ইউ ৰ দ্বাৰা প্ৰদান কৰা তথ্য*

***সাৰণী 1.3.4***-ৰ পৰা লক্ষ্য কৰিব পাৰি, ইকুইটি, ঋণ, অনুদান আদিৰ ৰূপত পি এছ ইউসমূহলৈ বাজেট ব্যয় 2016-17 বৰ্ষৰ পৰা 2018-19 বৰ্ষলৈ বৰ্ধিত ধাৰা দেখুৱাইছিল যেতিয়া বাজেটৰ ব্যয় 94.97 কোটি টকাৰ (2016-17) পৰা 379.29 কোটি টকালৈ (2018-19) বৃদ্ধি হৈছিল। অৱশ্যে 2019-20 বৰ্ষত বাজেটৰ সমৰ্থন 379.29 কোটি টকাৰ (2018-19) পৰা 288.95 কোটি টকালৈ (2019-20) হ্ৰাস পাইছিল। 2019-20 বৰ্ষত 254.72 কোটি টকা (88.23 শতাংশ) পৰিমাণৰ বাজেট সমৰ্থন প্ৰাপ্ত মুখ্য প্ৰাপ্তকৰ্তা আছিল, অসম ৰাজ্যিক পৰিবহন নিগম (অনুদান: 107.49 কোটি টকা), অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড (অনুদান: 80.07 কোটি টকা), অসম চাহ নিগম লিমিটেড (অনুদান: 24.99 কোটি টকা; ঋণ: 22.17 কোটি টকা) আৰু অসম পেট্ৰোকেমিকেলছ লিমিটেডত (ইকুইটি: 20.00 কোটি টকা)।

## হিচাপ দাখিল

### *কাৰ্যকৰী পি এছ ইউ সমূহৰ দ্বাৰা হিচাপ দাখিল*

**1.3.5** প্ৰতিটো বিত্তীয় বৰ্ষৰ বাবে পি এছ ইউৰ বিত্তীয় বিৱৰণ প্ৰাসঙ্গিক বিত্তীয় বৰ্ষৰ শেষৰ পৰা ছয় মাহৰ ভিতৰত চূড়ান্ত কৰিব লাগিব, অৰ্থাৎ ছেপ্টেম্বৰৰ শেষৰ ফালে কোম্পানী আইন, 2013 (আইন)ৰ ধাৰা 129(2) ৰ সৈতে পথিতব্য ধাৰা 96(1) ৰ বিধান অনুসৰি। এনে কৰিবলৈ ব্যৰ্থ হ'লে আইনখনৰ ধাৰা 99 ৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। আইনখনৰ উল্লিখিত বিধান অনুসৰি, পি এছ ইউ আৰু পি এছ ইউ ৰ প্ৰতিজন বিষয়া যিজন খিলাপী, তেওঁলোকক জৰিমনা বিহা হ'ব যিটো 1 লাখ টকা লৈকে বৃদ্ধি হ'ব পাৰে আৰু অব্যাহত খিলাপীৰ ক্ষেত্ৰত, আৰু অধিক জৰিমনা হ'ব পাৰে যি প্ৰতিদিনে 5,000 লৈকে বৃদ্ধি হ'ব পাৰে য'ত এনে খিলাপী অব্যাহত থাকে। একেদৰে, বিধিবদ্ধ নিগমৰ ক্ষেত্ৰত তেওঁলোকৰ হিচাপসমূহ

[47] মূলধন আৰু ৰাজহ অনুদানসহ

[48] অসম চৰকাৰৰ পৰা ইকুইটি, ঋণ, অনুদান/ৰাজ সাহাৰ্য্য লাভ কৰা পি এছ ইউ সমূহৰ প্ৰকৃত সংখ্যা

তেওঁলোকৰ নিজ নিজ নিয়ন্ত্ৰণ আইনৰ বিধান অনুসৰি চূড়ান্ত কৰা হয়, হিচাপ পৰীক্ষা কৰা হয় আৰু বিধান সভাত উপস্থাপন কৰা হয়।

***সাৰণী 1.3.5*** এ হিচাপ চূড়ান্ত কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী পি এছ ইউসমূহে কৰা প্ৰগতিৰ বিৱৰণ প্ৰদান কৰে (30 ছেপ্টেম্বৰ 2020 তাৰিখলৈকে)।

**সাৰণী 1.3.5: কাৰ্যকৰী পি এছ ইউৰ দ্বাৰা হিচাপ চূড়ান্ত কৰাৰ সৈতে সম্পৰ্কিত স্থিতি**

| ক্ৰ. নং. | বিৱৰণ | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|---|
| 1 | পি এছ ইউ ৰ সংখ্যা | 30 | 30 | 30 | 31 | 32[49] |
| 2 | দাখিল কৰা হিচাপৰ সংখ্যা | 71 | 23 | 23 | 36 | 23 |
| 3 | চলিত বছৰত চূড়ান্ত কৰা আগৰ বছৰৰ হিচাপৰ সংখ্যা | 65 | 18 | 19 | 32 | 19 |
| 4 | কাৰ্যকৰী পি এছ ইউ সমূহৰ হিচাপৰ বকেয়াৰ সংখ্যা | 24 | 25 | 26 | 27 | 28 |
| 5 | হিচাপৰ বকেয়াৰ সংখ্যা | 169 | 176 | 183 | 182 | 191 |
| 6 | বকেয়াৰ পৰিসৰ (বছৰ) | 1 ৰ পৰা 25 লৈ | 1 ৰ পৰা 24 লৈ | 1 ৰ পৰা 25 লৈ | 1 ৰ পৰা 26 লৈ | 1 ৰ পৰা 27 লৈ |

*উৎস: অক্টোবৰ আৰু ছেপ্টেম্বৰৰ ভিতৰত পি এছ ইউৰ দ্বাৰা দাখিল কৰা বাৰ্ষিক হিচাপৰ ওপৰত আধাৰিত কৰি সংকলিত*

***সাৰণী 1.3.5*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 32 টা কৰ্মৰত পি এছ ইউৰ ভিতৰত 28 টাত 30 ছেপ্টেম্বৰ 2020 তাৰিখলৈকে 191 টা হিচাপৰ বকেয়াত, 27 বছৰলৈকে বকেয়া ৰখাৰ ম্যাদ আছিল, যি এক গুৰুতৰ চিন্তাৰ বিষয়। হিচাপ পৰীক্ষাৰ বিশ্লেষণে আৰু প্ৰকাশ কৰিছে যে হিচাপৰ বকেয়া ৰখা 28 টা পি এছ ইউৰ ভিতৰত, অসম চৰকাৰে 391.80 কোটি টকাৰ বিত্তীয় সমৰ্থন সাতটা কাৰ্যকৰী পি এছ ইউলৈ[50] আগবঢ়াইছে, যিসমূহে ***পৰিশিষ্ট 1*** ত দেখুওৱা বিৱৰণ অনুসৰি ছয় বছৰ বা অধিক সময়ৰ বাবে তেওঁলোকৰ হিচাপ দাখিল কৰা নাই। এই সাতটা পি এছ ইউৰ ভিতৰত, সৰ্বাধিক বাজেটীয় সমৰ্থন তিনিটা পি এছ ইউ যেনে অসম চাহ নিগম লিমিটেড (দীৰ্ঘম্যাদী ঋণ: 261.73 কোটি টকা আৰু অনুদান: 25 কোটি টকা), অনুসূচীত জাতিৰ বাবে অসম ৰাজ্যিক উন্নয়ন নিগম লিমিটেড (অনুদান: 58.13 কোটি টকা আৰু ইকুইটি: 0.25 কোটি টকা) আৰু অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ নিগম লিমিটেড (দীৰ্ঘম্যাদী ঋণ: 29.25 কোটি টকা আৰু অনুদান: 1.64 কোটি টকা) প্ৰাপ্ত কৰিছিল। হিচাপৰ বৃহৎ বকেয়াৰ সৈতে পি এছ ইউ সমূহলৈ বিত্তীয় সমৰ্থনৰ অযথা সম্প্ৰসাৰণে ইংগিত দিছিল যে অসম চৰকাৰে তেওঁলোকক প্ৰদান কৰা সম্পদৰ সঠিক ব্যৱহাৰৰ বাবে এই পি এছ ইউসমূহক দায়বদ্ধ কৰা নাছিল।

প্ৰশাসনিক বিভাগসমূহে, যিসমূহে পি এছ ইউ ৰ কাৰ্যকলাপ তদাৰক কৰাৰ দায়িত্ব আছে, নিশ্চিত কৰিব লাগিব যে এই পি এছ ইউ সমূহে নিৰ্ধাৰিত ম্যাদৰ ভিতৰত তেওঁলোকৰ হিচাপ চড়ান্ত আৰু গ্ৰহণ কৰে। পি এছ ইউ ৰ দ্বাৰা হিচাপ চূড়ান্ত কৰাৰ বৃহৎ বকেয়াৰ পৰিপ্ৰেক্ষিতত, অসমৰ প্ৰধান মহাগাণনিকে (হিচাপ পৰীক্ষা), পি এছ ইউ ৰ হিচাপৰ বকেয়া পৰিমাণ দাখিল কৰাৰ বাবে অসম চৰকাৰ আৰু সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহৰ সৈতে নিয়মীয়াকৈ বিষয়টো উত্থাপন কৰি আহিছিল। অৱশ্যে, অসম চৰকাৰ আৰু সংশ্লিষ্ট পি এছ ইউ য়ে সময়সীমাৰ ভিতৰত পি এছ ইউ ৰ হিচাপৰ বকেয়া নিষ্পত্তি কৰাৰ সমস্যাটো সমাধান কৰিব নোৱাৰিলে।

---

[49] 2019-20 বৰ্ষত চি এন এ জিৰ হিচাপ পৰীক্ষাৰ আওতাৰ অধীনত এটা পি এছ ইউ (অৰ্থাৎ পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড) যোগ দিয়া হৈছিল

[50] ***পৰিশিষ্ট 1*** ৰ ক্ৰমিক নং B2, B3, B6, B7, B8, B9 আৰু B12 ৰ পি এছ ইউসমূহ

হিচাপসমূহ চূড়ান্ত কৰাত পলম হ'লে প্ৰাসঙ্গিক আইনৰ বিধান উলংঘন কৰাৰ উপৰিও ৰাজহুৱা ধনৰ প্ৰৱঞ্চনা আৰু অপব্যৱহাৰৰ আশংকা থাকে। ওপৰত উল্লেখ কৰা হিচাপৰ বকেয়া স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, 2019-20 বৰ্ষৰ বাবে জি এছ ডি পিলৈ পি এছ ইউৰ প্ৰকৃত অৱদান নিশ্চিত কৰিব পৰা নগ'ল আৰু ৰাজ্যিক কোষাগাৰত তেওঁলোকৰ অৱদান ৰাজ্যিক বিধান সভাত জনাব পৰা নগ'ল।

### *অ-কাৰ্যকৰী পি এছ ইউ সমূহৰ দ্বাৰা হিচাপ দাখিল*

**1.3.6** 31 মাৰ্চ 2020 তাৰিখলৈকে মুঠ 16 টা অ-কাৰ্যকৰী পি এছ ইউ (সকলো কোম্পানী) আছিল। এই 16 টা অ-কাৰ্যকৰী পি এছ ইউৰ ভিতৰত, তিনিটা পি এছ ইউ[51] সন্ধানহীন আছিল আৰু অসম চৰকাৰেও এই পি এছ ইউসমূহৰ অস্তিত্বৰ বিষয়ে কোনো তথ্য প্ৰদান কৰা নাছিল। বাকী 13 টা[52] অ-কাৰ্যকৰী পি এছ ইউ ৰ বাবে, অসম চৰকাৰে ***দফা 1.3.22*** ৰ অধীনত আলোচনা কৰা অনুসৰি সেইসমূহ বন্ধ কৰাৰ বাবে (ডিচেম্বৰ 2006 অক্টোবৰ 2008) অধিসূচনা জাৰী কৰিছিল। এই 13 টা অ-কাৰ্যকৰী পি এছ ইউ ৰ ভিতৰত 12 টা[53] হিচাপ 1 ৰ পৰা 26 বছৰলৈকে বকেয়া আছিল।

### বিধিবদ্ধ নিগমৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন উপস্থাপন

**1.3.7** ***সাৰণী 1.3.6*** ত দেখুওৱা স্থিতিয়ে ৰাজ্যিক বিধানসভাৰ বিধিবদ্ধ নিগমসমূহৰ হিচাপ চি এ জি ৰ দ্বাৰা জাৰী কৰা পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন (এছ এ আৰ) উপস্থাপনৰ স্থিতি দেখুৱায় (মাৰ্চ 2020 পৰ্যন্ত)।

**সাৰণী 1.3.6: পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ উপস্থাপনৰ স্থিতি**

| ক্ৰ. নং. | বিধিবদ্ধ নিগমৰ নাম | বিধান সভাত এছ এ আৰ-ক যি বছৰলৈকে উত্থাপন কৰা হৈছে | যি বছৰৰ বাবে এছ এ আৰবোৰ বিধানসভাত উপস্থাপন হোৱা নাই | |
|---|---|---|---|---|
| | | | এচ এ আৰৰ বছৰ | চৰকাৰক দিয়া তাৰিখ |
| 1 | অসম ৰাজ্যিক পৰিবহন নিগম | 2015-16 | 2016-17 | ডিচেম্বৰ 2019 |
| 2 | অসম বিত্তীয় নিগম | 2017-18 | 2018-19 | ফেব্ৰুৱাৰী 2020 |

***উৎস: নিগমসমূহৰ পৰা প্ৰাপ্ত তথ্য***

***সাৰণী 1.3.6*** ৰ পৰা লক্ষ্য কৰিব পাৰি, ডিচেম্বৰ 2019 আৰু ফেব্ৰুৱাৰী 2020 ৰ ভিতৰত অসম চৰকাৰক জাৰী কৰা দুটা এছ এ আৰ ৰাজ্যিক বিধান সভাত (মাৰ্চ 2020) উত্থাপনৰ বাবে বাকী আছিল। এছ এ আৰ উপস্থাপনত পলম হোৱাৰ কোনো কাৰণ হিচাপ পৰীক্ষাক অৱগত কৰা হোৱা নাছিল।

### *পৰামৰ্শসমূহ:*

***a. অসম চৰকাৰে বকেয়া পৰিশোধৰ তদাৰক কৰাৰ বাবে এক বিশেষ কোষ স্থাপন কৰিব পাৰে আৰু প্ৰত্যকটো পি এছ ইউ ৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰে, যাক কোষটোৱে নিৰীক্ষণ কৰিব পাৰে;***

***b. অসম চৰকাৰে নিশ্চিত কৰিব পাৰে যে পি এছ ইউ ৰ হিচাপ বিভাগত বিদ্যমান খালী পদসমূহ সময়মতে ডমেইন বিশেষজ্ঞ আৰু অভিজ্ঞতা থকা ব্যক্তিৰে পূৰণ কৰা হয়; আৰু***

---

[51] ***পৰিশিষ্ট 1*** ৰ ক্ৰমিক নং D 8, D11 আৰু D14

[52] এটা পি এছ ইউ (***পৰিশিষ্ট 1*** ৰ ক্ৰমিক নং D7) অন্তৰ্ভুক্ত কৰি, যাৰ বাবে অসম চৰকাৰে ইয়াৰ বন্ধ ৰখাৰ প্ৰক্ৰিয়া (নৱেম্বৰ 2018) আৰম্ভ কৰিছিল কিন্তু অধিসূচনা জাৰী কৰাটো স্থগিত ৰাখিছিল

[53] এটা পি এছ ইউ (***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং D4) বাদ দি যাৰ কোনো হিচাপৰ বকেয়া নাছিল

*c. পি এছ ইউয়ে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে ইকুইটি আৰু ঋণৰ পৰিসংখ্যা মিলাই ল'ব পাৰে আৰু বিভাগসমূহে নিশ্চিত কৰিব পাৰে যে তেওঁলোকৰ বাৰ্ষিক হিচাপত সঠিক পৰিসংখ্যা প্ৰতিফলিত হয়।*

### *হিচাপৰ বকেয়া থকা পি এছ ইউ ত অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগ*

**1.3.8** হিচাপ চূড়ান্ত কৰাত নিৰন্তৰ বিলম্বই কোম্পানী আইন, 2013 ৰ বিধান উলংঘনৰ উপৰিও প্ৰৱঞ্চনা আৰু ৰাজহুৱা ধন হৰলুকি হোৱাৰ আশংকাৰে পৰিপূৰ্ণ।

***পৰিশিষ্ট 1*** ত উল্লেখ কৰা অনুসৰি, অসম চৰকাৰে 18 টা পি এছ ইউ ত 764.26 কোটি টকা[54] বিনিয়োগ কৰিছিল, যিবছৰৰ বাবে তেওঁলোকৰ হিচাপ বকেয়া আছিল। ছটা পি এছ ইউৰ বিৱৰণ, যিসমূহ হিচাপৰ বকেয়া ৰখা সময়ছোৱাত 707.62 কোটি টকা অসম চৰকাৰৰ পুঁজিৰ মুখ্য প্ৰাপ্তকৰ্তা আছিল, ***সাৰণী 1.3.7*** ত দিয়া হৈছে।

**সাৰণী 1.3.7: হিচাপৰ বকেয়া থকা অসম চৰকাৰৰ পুঁজিৰ মুখ্য প্ৰাপ্তকৰ্তা পি এছ ইউ সমূহ**

*(কোটি টকাত)*

| ক্ৰ. নং. | পি এছ ইউ ৰ নাম | যি সময়লৈকে হিচাপ চূড়ান্ত কৰা হৈছে | বকেয়া থকা হিচাপৰ সংখ্যা | বকেয়া থকা সময়ছোৱাত অসম চৰকাৰৰ বিনিয়োজন | | |
|---|---|---|---|---|---|---|
| | | | | ইকুইটি | ঋণ | অনুদান |
| 1 | অসম চাহ নিগম লিমিটেড | 2013-14 | 6 | - | 261.73 | 25.00 |
| 2 | অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড | 2016-17 | 3 | - | - | 150.38 |
| 3 | অসম ৰাজ্যিক পৰিবহন নিগম | 2016-17 | 3 | - | - | 149.36 |
| 4 | অনুসূচীত জাতিৰ বাবে অসম ৰাজ্যিক উন্নয়ন নিগম লিমিটেড | 2009-10 | 10 | 0.25 | - | 58.13 |
| 5 | অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে অসম ৰাজ্যিক উন্নয়ন নিগম লিমিটেড | 2015-16 | 4 | 0.40 | - | 31.48 |
| 6 | অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড | 1998-99 | 21 | - | 29.25 | 1.64 |
| | **মুঠ** | | | **0.65** | **290.98** | **415.99** |

হিচাপ পৰীক্ষাৰ বিশ্লেষণে আৰু প্ৰকাশ কৰিছে যে, বিগত পাঁচ বছৰত (2015-20) হিচাপৰ বকেয়া থকা পাঁচটা পি এচ ইউ[55]ই তেওঁলোকৰ কৰ্মচাৰীসকলৰ দৰমহা সম্পৰ্কীয় ব্যয় পূৰণ কৰাৰ বাবে চৰকাৰী অনুদানৰ দ্বাৰা 328.11 কোটি টকাৰ বাজেট সমৰ্থন লাভ কৰিছিল, যিটো আছিল ৰাজ্যিক বাজেটৰ ওপৰত এক বোজা। হিচাপসমূহ আৰু সেইসমূহৰ পৰৱৰ্ত্তী হিচাপ পৰীক্ষাৰ অভাৱত, বিনিয়োগৰ বিপৰীতে কৰা ব্যয় সমূহ সঠিক ভাৱে হিচাপ কৰা হৈছিল নে নাই সেইটো পৰীক্ষা কৰিব পৰা নগ'ল।

***অসম চৰকাৰে পি এছ ইউ ৰ হিচাপৰ বকেয়া পৰিমাণৰ দ্ৰুত নিষ্পত্তিৰ তদাৰক কৰিবলৈ বিত্ত বিভাগৰ অধীনত এটা বিশেষ কোষ স্থাপন কৰাৰ কথা বিবেচনা কৰিব পাৰে। য'ত কৰ্মচাৰীৰ দক্ষতাৰ অভাৱ আছে, অসম চৰকাৰে হিচাপ প্ৰস্তুত কৰা সম্পৰ্কীয় কামসমূহ আউটচৰ্চ কৰাৰ কথা বিবেচনা কৰিব পাৰে আৰু হিচাপৰ বকেয়াৰ বাবে দায়বদ্ধ পি এছ ইউ ৰ পৰিচালনাৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'ব পাৰে। হিচাপসমূহে যিমান সম্ভৱ সাম্প্ৰতিক নোহোৱালৈকে, অসম চৰকাৰে এনে পি এছ ইউ ক অধিক বিত্তীয় সাহাৰ্য্য নিদিয়াৰ বিষয়ে বিবেচনা কৰিব পাৰে।***

[54] ইকুইটি: 4.15 কোটি টকা (4 টা পি এছ ইউ), ঋণ: 306.33 কোটি টকা (6 টা পি এছ ইউ) আৰু অনুদান: 453.78 কোটি টকা (14 টা পি এছ ইউ)

[55] ***পৰিশিষ্ট 1*** ৰ ক্ৰমিক নং B2 (2.40 কোটি টকা) B4 (39.25 কোটি টকা), B5 (17.88 কোটি টকা), B7 (23.40 কোটি টকা) আৰু C1 (245.18 কোটি টকা) ৰ পি এছ ইউ সমূহ

## পি এছ ইউ ৰ কাৰ্যকৰী পাৰদৰ্শীতা

**1.3.9** 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ 32 টা কাৰ্যকৰী পি এছ ইউয়ে বহন কৰা লাভ/লোকচান সম্পৰ্কীয় স্থিতি ***সাৰণী 1.3.8*** ত দিয়া হৈছে।

**সাৰণী 1.3.8: লাভ/লোকচান বহন কৰা কাৰ্যকৰী পি এছ ইউৰ বিৱৰণ**

| খণ্ডৰ নাম | পি এছ ইউৰ সংখ্যা যিয়ে বছৰটোত লাভ লোকচান অৰ্জন কৰিছিল | | | | |
|---|---|---|---|---|---|
| | **2015-16** | **2016-17** | **2017-18** | **2018-19** | **2019-20** |
| কৃষি আৰু কৃষি সম্বন্ধীয় | 1 (4) | 2 (3) | 1 (4) | 1 (5) | 1 (5) |
| বিত্ত | 3 (3) | 3 (3) | 3 (3) | 2 (4) | 2 (4) |
| আন্তঃগাঁথনি | 5 (2) | 5 (2) | 5 (2) | 4 (3) | 4 (3) |
| পণ্য উৎপাদনকাৰী | 2 (3) | 3 (2) | 3 (2) | 3 (2) | 2 (3) |
| সেৱা | 1(2) | 1 (2) | 2 (1) | 2 (1) | 2 (1) |
| বিবিধ[56] | 3 (1) | 3 (1) | 3 (1) | 4 (0) | 3 (2) |
| **মুঠ** | 15 (15) | 17 (13) | 17 (13) | 16 (15) | 14 (18) |
| **মুঠ লাভ (কোটি টকাত)** | 97.05 | 105.03 | 130.75 | 108.66 | 161.86 |
| **মুঠ লোকচান (কোটি টকাত)** | -101.98 | -80.97 | -98.59 | -126.79 | -130.56 |
| **প্ৰকৃত লাভ/ লোকচান (কোটি টকাত)** | -4.93 | 24.06 | 32.16 | -18.13 | 31.30 |

*উৎস: সংশ্লিষ্ট বছৰৰ 30 ছেপ্তেম্বৰত পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ*

***সাৰণী 1.3.8*** ৰ পৰা লক্ষ্য কৰিব পাৰি যে 2019-20 বৰ্ষত, 30 ছেপ্টেম্বৰ 2020 তাৰিখ পৰ্যন্ত 32 টা কাৰ্যকৰী পি এছ ইউৰ ভিতৰত 14 টা পি এছ ইউয়ে 161.86 কোটি টকাৰ লাভ অৰ্জন কৰিছিল, আনহাতে 18 টা পি এছ ইউয়ে তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি 130.56 কোটি টকা লোকচান কৰিছিল।

2019-20 বৰ্ষত কাৰ্যকৰী পি এছ ইউ ৰ সামগ্ৰীক লাভ আৰু লোকচানৰ মুখ্য অৱদানকাৰীৰ বিৱৰণ ***সাৰণী 1.3.9*** ত দিয়া হৈছে।

**সাৰণী 1.3.9: কাৰ্যকৰী পি এচ ইউ ৰ সামগ্ৰীক লাভ আৰু লোকচানৰ মুখ্য অৱদানকাৰী**

***(কোটি টকাত)***

| পি এছ ইউৰ নাম | শেহতীয়া বিত্তীয় হিচাপ | লাভ (+)/ লোকচান (-) |
|---|---|---|
| **লোকচানত বৰঙণি** | | |
| অসম ৰাজ্যিক পৰিবহন নিগম | 2016-17 | (-) 77.87 |
| অসম চাহ নিগম লিমিটেড | 2013-14 | (-) 17.98 |
| অসম পেট্ৰ'কেমিকেলচ লিমিটেড | 2019-20 | (-) 10.11 |
| **মুঠ** | | **(-) 105.96** |
| **লাভত বৰঙণি** | | |
| অসম গেছ কোম্পানী লিমিটেড | 2019-20 | (+) 82.55 |
| ডি এন পি লিমিটেড | 2019-20 | (+) 35.42 |
| অসম খনিজ উন্নয়ন নিগম লিমিটেড | 2017-18 | (+) 22.46 |
| **মুঠ** | | **(+) 140.43** |

### *লাভজনকতাৰ প্ৰৱণতা*

**1.3.10** ***সাৰণী 1.3.8*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 2017-18 বৰ্ষত পি এছ ইউস মূহৰ লাভ (32.16 কোটি

[56] 'বিবিধ খণ্ডৰ' অধীনৰ পি এছ ইউৰ সমূহৰ ভিতৰত আছে অসম গেছ কোম্পানী লিমিটেড, ডি এন পি লিমিটেড, অসম চৰকাৰী বিপণণ নিগম লিমিটেড আৰু অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন

টকা) সৰ্বাধিক আছিল, যি 2018-19 বৰ্ষত লোকচানলৈ (18.13 কোটি টকা)পৰিণত হৈছিল। অৱশ্যে, 2019-20 বৰ্ষত লোকচানৰ (18.13 কোটি টকা) পৰা 31.30 কোটি টকা সামগ্ৰিক লাভলৈ কাৰ্যকৰী পি এছ ইউসমূহৰ পাৰদৰ্শীতাৰ পৰিৱৰ্তন ঘটিছিল। ইয়াৰ মুখ্য কাৰণ আছিল অসম গেছ কোম্পানী লিমিটেডৰ লাভ 2019-20 বৰ্ষত 27.90 কোটি টকাৰ (2018-19) পৰা 82.55 কোটি টকালৈ বৃদ্ধি হোৱা।

### *লভ্যাংশ পৰিশোধ*

**1.3.11** ৰাজহুৱা উদ্যোগ নীতি, 2019 অনুসৰি পি এছ ইউ ৰ কোনো সঞ্চিত লোকচান নথকা আৰু সঞ্চালন লাভ থকা পি এছ ইউ য়ে আগৰ বিত্তীয় বৰ্ষত পি এছ ইউৰ দ্বাৰা পৰিশোধযোগ্য কৰ পৰিশোধ কৰাৰ পিছত অৰ্জন কৰা লাভৰ পৰা ইয়াৰ অংশীদাৰসকলক নিম্নতম লভ্যাংশ পৰিশোধ কৰিব যদিহে এনে ব্যৱস্থা পি এছ ইউৰ এছ'চিয়েচন/অনুচ্ছেদ অন্তৰ্ভুক্তিৰ অনুচ্ছেদত নিৰ্ধাৰণ কৰা হয়। 2015-20 বৰ্ষত 32 টা কৰ্মৰত পি এছ ইউ সম্পৰ্কীয় লভ্যাংশ পৰিশোধ, য'ত অসম চৰকাৰৰ পোনপোটীয়া ইকুইটি নিবেশ আছিল ***সাৰণী 1.3.10*** ত দেখুওৱা হৈছে।

**সাৰণী 1.3.10: অসম চৰকাৰলৈ কাৰ্যকৰী পি এছ ইউৰ দ্বাৰা লাভ্যাংশৰ পৰিশোধ**

*(কোটি টকাত)*

| বছৰ | অসম চৰকাৰৰ দ্বাৰা পি এছ ইউ সমূহৰ প্ৰত্যক্ষ ইকুইটী নিবেশ | অসম চৰকাৰৰ ইকুইটি | বছৰটোৰ সময়ছোৱাত লাভ অৰ্জন কৰা পি এছ ইউ সমূহ | অসম চৰকাৰৰ ইকুইটি | পি এছ ইউৰ সংখ্যা | পি এছ ইউৰ দ্বাৰা ঘোষিত/আদায় কৃত লাভাংশ | লাভ্যাংশ বিতৰণৰ অনুপাত (শতাংশ) |
|---|---|---|---|---|---|---|---|
| **i** | **ii** | **iii** | **iv** | **v** | **vi** | **vii** | **viii=vii ÷ v x 100** |
| 2015-16 | 26 | 442.97 | 13 | 219.40 | 1 | 1.69 | 0.77 |
| 2016-17 | 26 | 442.97 | 14 | 219.47 | 1 | 2.11 | 0.96 |
| 2017-18 | 27 | 554.17 | 15 | 338.60 | 2 | 3.87 | 1.14 |
| 2018-19 | 28 | 625.51 | 14 | 373.02 | 2 | 3.87 | 1.04 |
| 2019-20 | 28[57] | 645.51 | 12 | 213.86 | 2 | 5.56 | 2.60 |

*উৎস: 30 ছেপ্টেম্বৰ 2020 তাৰিখে পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপৰ ওপৰত আধাৰিত কৰি সংকলিত*

2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ অসম চৰকাৰৰ দ্বাৰা পোনপোটীয়া ইকুইটি নিবেশ থকা লাভজনক পি এছ ইউ-ৰ সংখ্যা 12 ৰ পৰা 15 ৰ ভিতৰত আছিল, যাৰ বিপৰীতে দুটা পি এছ ইউ য়ে (অসম গেছ কোম্পানী লিমিটেড আৰু অসম খনিজ উন্নয়ন নিগম লিমিটেড) অসম চৰকাৰক 5.56 কোটি টকা[58] লভ্যাংশ ঘোষণা/পৰিশোধ কৰিছিল। এই সময়ছোৱৰত পি এছ ইউৰ লভ্যাংশ পৰিশোধৰ অনুপাত 0.77 শতাংশৰ পৰা 2.60 শতাংশৰ ভিতৰত আছিল।

### *মুঠ মূল্যৰ খহনীয়া*

**1.3.12** মুঠ মূল্য বা শ্বেয়াৰহোল্ডাৰ পুঁজিৰ অৰ্থ হৈছে 'পৰিশোধ কৰা মূলধন' আৰু 'মুক্ত সংৰক্ষিত পুঁজি আৰু ৰাহি' বিয়োগ 'সঞ্চিত লোকচান' আৰু 'বিলম্বিত ৰাজহ ব্যয়'ৰ যোগফল। মূলত, এয়া হৈছে মালিকসকলৰ বাবে এটা সত্তাৰ মূল্যৰ এক পৰিমাপ। এটা ঋণাত্মক মুঠ মূল্যই সূচায় যে মালিকসকলৰ দ্বাৰা কৰা সমগ্ৰ বিনিয়োগ সঞ্চিত লোকচান আৰু বিলম্বিত ৰাজহ ব্যয়ৰ দ্বাৰা মচি পেলোৱা হৈছে।

***সাৰণী 1.3.11*** এ সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰ তাৰিখলৈ তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিাপ অনুসৰি 2015-16 ৰ পৰা 2019-20 বৰ্ষত পৰিশোধ কৰা মূলধন, জমা হোৱা লোকচান, মুক্ত সংৰক্ষিত পুঁজি আৰু অতিৰিক্ত আৰু 32 টা কাৰ্যকৰী পি এছ ইউ ৰ মুঠ মূল্যৰ একত্ৰিত স্থিতি সূচায়।

---

[57] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B25, B26, B31 আৰু B32 ৰ পি এছ ইউ সমূহৰ বাদে, য'ত ৰাজ্য চৰকাৰৰ দ্বাৰা ইকুইটিৰ অৱিহনা নাছিল

[58] অসম গেছ কোম্পানী লিমিটেড (5.07 কোটি টকা) আৰু অসম খনিজ উন্নয়ন নিগম লিমিটেড (0.49 কোটি টকা)

**সাৰণী 1.3.11: কাৰ্যকৰী পি এছ ইউৰ মুঠ মূল্য**

*(কোটি টকাত)*

| বছৰ | বছৰৰ শেষত পৰিশোধিত মূলধন | বছৰৰ শেষত সঞ্চিত লোকচান (-) | মুক্ত সংৰক্ষিত পুঁজি আৰু ৰাহি | প্ৰকৃত সম্পত্তি/ অংশীদাৰৰ পুঁজি | প্ৰকৃত আয় (কোটি টকা) | আৰ অ' ই (শতাংশত) |
|---|---|---|---|---|---|---|
| **i** | **ii** | **iii** | **iv** | **v = (ii + iii + iv)** | **vi** | **vii= (vi÷v) x 100** |
| 2015-16 | 645.34 | (-) 1,177.74 | 736.45 | 204.05 | (-) 4.93 | (-) 2.42 |
| 2016-17 | 645.34 | (-) 1,431.90 | 820.58 | 34.02 | 24.06 | 70.72 |
| 2017-18 | 645.67 | (-) 1,513.15 | 917.88 | 50.40 | 32.16 | 63.81 |
| 2018-19 | 1,090.13 | (-) 1,624.98 | 933.52 | 398.67 | (-) 18.13 | (-) 4.55 |
| 2019-20 | 1,263.71 | (-) 1,653.99 | 1,050.66 | 660.38 | 31.30 | 4.74 |

*উৎস: অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ প্ৰাপ্ত পি এছ ইউ ৰ বাৰ্ষিক হিচাপ*

***সাৰণী 1.3.11*** ৰ পৰা 2016-17 বৰ্ষত (34.02 কোটি টকা) আৰু 2017-18 (50.40 কোটি টকা) পি এছ ইউৰ মুঠ মূল্য সৰ্বনিম্ন স্তৰত আছিল, মুখ্যত পি এছ ইউ ৰ সঞ্চিত লোকচানৰ নিৰন্তৰ বৃদ্ধিৰ বাবে। 2017-18 বৰ্ষৰ পিছত পি এছ ইউ ৰ মুঠ মূল্য 50.40 কোটি টকা (2017-18) পৰা 660.38 কোটি টকা (2019-20) লৈ 609.98 কোটি টকা বৃদ্ধি পাইছে, মুখ্যত 488.04 কোটি টকা (অসম চৰকাৰ: 177.00 কোটি টকা; অন্যান্য: 311.04 কোটি টকা) অসম পেট্ৰো-কমিকেলছ লিমিটেডৰ পৰিশোধিত মূলধনত হোৱা বৃদ্ধিৰ বাবে।

24.06 কোটি টকা (2016-17) লাভ 4.93 কোটি টকা (2015-16) পি এছ ইউ ৰ লোকচান লৈ পৰিৱৰ্তন মুখ্যত আগৰ বছৰত (2015-16) হোৱা 22.19 কোটিৰ টকা লোকচানৰ তুলনাত অসম পেট্ৰো-কেমিকেলছ লিমিটেডে উপাৰ্জন কৰা 2.86 কোটি টকা (2016-17) লাভৰ বাবে ঘটিছিল। লগতে, 2018-19 বৰ্ষত অসম গেছ কোম্পানী লিমিটেডৰ লাভ 27.90 কোটি টকাৰ পৰা 2019-20 বৰ্ষত 82.55 কোটি টকা বৃদ্ধি হোৱাৰ ফলত 18.13 কোটি (2018-19) লোকচান 31.30 কোটি টকা লাভলৈ পৰিৱৰ্তন হৈছিল।

বিনিয়োগৰ বিশ্লেষণ আৰু এই পি এছ ইউ সমূহৰ সঞ্চিত লোকচানে আৰু প্ৰকাশ কৰিছে যে 13 টা কাৰ্যকৰী পিএচ ইউৰ[59] সঞ্চিত লোকচানে (1,509.44 কোটি টকা[60]) তেওঁলোকৰ পৰিশোধিত মূলধন (235.54 কোটি টকা) সম্পূৰ্ণৰূপে হ্ৰাস কৰিছে। ***সাৰণী 1.3.12*** ত উল্লেখ কৰা অনুসৰি পৰিশোধ কৰা মূলধনৰ প্ৰাথমিক খহনীয়া চাৰিটা পি এছ ইউৰ ক্ষেত্ৰত আছিল।

**সাৰণী 1.3.12: পৰিশোধ কৰা মূলধনৰ প্ৰাথমিক খহনীয়াৰ সৈতে পি এছ ইউ**

*(কোটি টকাত)*

| পি এছ ইউ ৰ সংখ্যা | শেহতীয়া বিত্তীয় হিচাপ | আদায়কৃত মূলধন | সঞ্চিত লোকচান |
|---|---|---|---|
| অসম ৰাজ্যিক পৰিবহন নিগম | 2016-17 | 167.73 | 948.04 |
| অসম চাহ নিগম লিমিটেড | 2013-14 | 27.54 | 323.75 |
| অশোক কাগজ কল (অসম) লিমিটেড | 2015-16 | 0.01 | 83.10 |
| অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড | 2018-19 | 2.95 | 41.71* |
| **মুঠ** | | **198.23** | **1,396.60** |

****মুক্ত সংৰক্ষিত পুঁজি মিলাই নেট (2.35 কোটি টকা)***

[59] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B4, B7, B8, B10, B11, B13, B15, B17, B23, B25, B26, B28 আৰু C2

[60] 'মুক্ত সংৰক্ষণ' সমাযোজনৰ পিছৰ প্ৰকৃত মূল্য

এই পি এছ ইউসমূহৰ দ্বাৰা বৃহৎ লোকচান জমা হোৱাৰ ফলত ৰাজহুৱা সম্পদ হ্ৰাস পাইছিল, যি এক উদ্বেগৰ কাৰণ আৰু অসম চৰকাৰে তেওঁলোকৰ লাভজনকতা উন্নত কৰিবলৈ বা তেওঁলোকৰ কাৰ্যকলাপ বন্ধ কৰিবলৈ পি এছ ইউ  সমূহৰ কাম-কাজ পুনৰীক্ষণ কৰিব লাগিব।

### *নিয়োজিত মূলধনৰ পৰা উপাৰ্জন*

**1.3.13** ৰিটাৰ্ণ অন কেপিটেল এমপ্লায়ড (আৰ অ' চি ই) হৈছে এক অনুপাত যি কোম্পানী এটাৰ লাভজনকতা আৰু ইয়াৰ মূলধন যি দক্ষতাৰে নিয়োজিত কৰা হয় তাক জোখে। নিয়োজিত মূলধন[61] দ্বাৰা সূত আৰু কৰৰ (ইবিআইটি) পূৰ্বে কোম্পানী এটাৰ উপাৰ্জন বিভাজন কৰি আৰ অ' চি ই গণনা কৰা হয়।

2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ 48 টা পি এছ ইউ ৰ[62] আটাইকেইটাৰে আৰ অ' চি ই-ৰ একত্ৰিত বিৱৰণ তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰত ***সাৰণী 1.3.13*** ত দিয়া হৈছে।

**সাৰণী 1.3.13: নিয়োজিত মূলধনৰ পৰা আয়**

| বছৰ | ই বি আই টি (কোটি টকাত) | নিয়োজিত মূলধন (কোটি টকাত) | আৰ অ' চি ই (শতাংশত) |
|---|---|---|---|
| 2015-16 | 64.79 | 532.30 | 12.17 |
| 2016-17 | 95.96 | 376.34 | 25.50 |
| 2017-18 | 103.69 | 354.53 | 29.25 |
| 2018-19 | 22.10 | 727.13 | 3.04 |
| 2019-20 | 76.80 | 1,357.87 | 5.66 |

*উৎসঃ 30 ছেপ্টেম্বৰ 2020 তাৰিখে পি.এছ.ইউ.ৰ শেহতীয়া চূড়ান্ত হিচাপ*

***সাৰণী 1.3.13*** ৰ পৰা লক্ষ্য কৰিব পাৰি, পি এচ ইউৰ আৰ ও চি ই-য়ে 2016-17 আৰু 2017-18 বৰ্ষত বৰ্ধিত প্ৰৱণতা দেখুৱাইছিল, মুখ্যতঃ 532.30 কোটি টকা (2015-16) পৰা 354.53 কোটি টকা (2017-18) লৈ কেপিটেল নিয়োজিত মূলধনত 177.77 কোটি টকা নিৰন্তৰ হ্ৰাস হোৱাৰ বাবে আৰু ই বি আই টিত 64.79 কোটি টকা (2015-16)ৰ পৰা 38.90 কোটি টকা বৃদ্ধি হৈ 103.69 কোটি টকা (2017-18) হৈছে। অৱশ্যে, ই বি আই টি ৰ 103.69 কোটি (2017-18) ৰ পৰা 76.88 কোটি (2019-20) লৈ হ্ৰাস আৰু নিয়োজিত মূলধন 354.53 কোটি টকা (2017-18)ৰ পৰা একেসময়তে বৃদ্ধি হৈছে 1,357.87 কোটি টকা (2019-20) সেই অনুযায়ী আৰ অ' চি ই 29.25 শতাংশ (2017-18)ৰ পৰা 5.66 শতাংশলৈ (2019-20) হ্ৰাস হৈছিল। অৱশ্যে, 2019-20 বৰ্ষত, আৰ অ' চি ই 3.04 শতাংশৰ (2018-19) পৰা 5.66 শতাংশলৈ (2019-20) বৃদ্ধি হৈছিল। আৰ অ' চি ই বৃদ্ধিৰ কাৰণ আছিল ই.বি.আই.টি বৃদ্ধি, যাৰ মুখ্য কাৰণ আছিল এটা পি এছ ইউ যেনে অসম গেছ কোম্পানী লিমিটেডৰ লাভ 27.90 কোটি টকা (2018-19)ৰ পৰা 82.55 কোটি টকা (2019-20) বৃদ্ধি হোৱাৰ বাবে। 2019-20 বৰ্ষত নিয়োজিত মূলধন 66.00 কোটি টকা বৃদ্ধি বৃদ্ধিৰ মুখ্য কাৰণ আছিল ইকুইটি মূলধনত (অসম চৰকাৰ: 20.00 কোটি টকা; অন্যান্য 46.00 কোটি টকা) দীৰ্ঘম্যাদী ঋণত 355.84 কোটি টকা (অসম চৰকাৰ: শূণ্য; অন্যান্য: 355.84 কোটি টকা) অসম পেট্ৰো-কেমিকেলছ লিমিটেড, অসম গেছ কোম্পানী লিমিটেডৰ সাধাৰণ সংৰক্ষণত 68.72 কোটি টকা বৃদ্ধি আৰু নতুন কোম্পানীৰ (অৰ্থাৎ পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড) মূলধন নিয়োজিত (97.86 কোটি টকা) অন্তৰ্ভুক্ত কৰা।

[61] নিয়োজিত মূলধন: পৰিশোধ কৰা মূলধন যোগ মুক্ত সংৰক্ষণ আৰু ৰাহি যোগ দীৰ্ঘম্যাদী ঋণ বিয়োগ সঞ্চিত লোকচান বিয়োগ বিলম্বিত ৰাজহ ব্যয়

[62] 16 টা অ-কাৰ্যকৰী পি এছ ইউসহ

## বিনিয়োগৰ বৰ্তমান মূল্যৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ দ্বাৰা বিনিয়োগৰ ওপৰত লাভ

**1.3.14** ৰিয়েল ৰিটাৰ্ণৰ হাৰে (আৰ অ' আৰ আৰ) সেইসমূহে সময় মূল্যৰ বাবে মিলাই লোৱাৰ পিছত, ইকুইটি আৰু একে ধৰণৰ অনা-সূত বহনকাৰী মূলধন নিয়োগ কৰা লাভজনকতা আৰু দক্ষতা পৰিমাপ কৰে। বিনিয়োগৰ ওপৰত আৰ অ' আৰ আৰ নিৰ্ধাৰণ কৰিবলৈ, ৰাজ্য চৰকাৰে কাৰ্যকৰী আৰু ব্যৱস্থাপনা ব্যয়ৰ বাবে প্ৰদান কৰা ইকুইটি, সূতমুক্ত ঋণ আৰু অনুদান/ৰাজসাহায্যৰ ৰূপত ৰাজ্য চৰকাৰৰ নিৰ্বিনিয়োগ (যদি থাকে) তেওঁলোকৰ বৰ্তমান মূল্যত (পি ভি) বিবেচনা আৰু সূচীবদ্ধ কৰা হৈছে আৰু সংক্ষিপ্ত কৰা হৈছে। তাৰ পিছত আৰ অ' আৰ আৰ ক চৰকাৰী বিনিয়োগৰ পি ভি ৰ যোগফলৰ দ্বাৰা 'কৰৰ পিছত লাভ' (পি এ টি) বিভক্ত কৰি গণনা কৰা হয়।

অসম চৰকাৰ য়ে 37 টা পি এছ ইউ[63] ত ইকুইটি আৰু ঋণ (সকলো সূত বহনকাৰী) আৰু সকলো 48 টা পি এছ ইউ ত ৰাজহ অনুদান/ৰাজসাহায্যৰ (32 টা কাৰ্যকৰী আৰু 16 টা অ-কাৰ্যকৰী) ৰূপত পুঁজি সঞ্চাৰিত কৰিছিল কিন্তু কোনো সূত মুক্ত ঋণ প্ৰদান কৰা নাছিল। 2019-20 বৰ্ষত, 32 টা কাৰ্যকৰী পি এছ ইউ য়ে 31.30 কোটি টকাৰ সামগ্ৰিক লাভ অৰ্জন কৰিছিল যাৰ ভিতৰত আছে 161.86 কোটি টকা (14 টা পি এছ ইউ) লাভ আৰু 130.56 কোটি টকাৰ লোকচান (18 টা পি এছ ইউ)। ইয়াৰ উপৰিও 16 টা অ-কাৰ্যকৰী পি এছ ইউয়ে তেওঁলোকৰ শেহতীয়া চূড়ান্ত হিচাপ (***পৰিশিষ্ট 3***) অনুসৰি 2.35 কোটি টকা লোকচান কৰিছে। বিনিয়োগৰ ঐতিহাসিক মূল্যৰ ওপৰত আধাৰিত কৰি, 2019-20 বৰ্ষত অসম চৰকাৰৰ বিনিয়োগৰ লাভ আছিল 2.07 শতাংশ। আনহাতে যেতিয়া বিনিয়োগৰ বৰ্তমান মূল্য বিবেচনা কৰা হয়, 2019-20 বৰ্ষত অসম চৰকাৰৰ দ্বাৰা বিনিয়োগৰ ওপৰত আৰ অ' আৰ আৰ ***পৰিশিষ্ট 4B*** ত দেখুওৱাৰ দৰে 0.77 শতাংশ আছিল। অসম চৰকাৰৰ দ্বাৰা বিনিয়োগৰ ওপৰত লাভৰ শতাংশ এই পাৰ্থক্যটো ধনৰ সময় মূল্যৰ বাবে বিনিয়োগৰ পৰিমাণত কৰা সালসলনিৰ বাবে আছিল।

## পি এছ ইউ ৰ দীৰ্ঘম্যাদী ঋণৰ বিশ্লেষণ

**1.3.15** 2015-16 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ লাভ কৰা পি এছ ইউসমূহৰ দীৰ্ঘম্যাদী ঋণসমূহে অসম চৰকাৰ, বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানক পৰিশোধ কৰাৰ বাবে পি এছ ইউ সমূহৰ সামৰ্থ্য মূল্যাঙ্কন কৰাৰ লক্ষ্যৰে বিশ্লেষণ কৰা হৈছিল। এইটো সামৰি লোৱা সূতৰ অনুপাত আৰু ঋণ টাৰ্ণঅভাৰ অনুপাতৰ জৰিয়তে মূল্যায়ন কৰা হৈছিল।

### সামৰি লোৱা সূতৰ অনুপাত

**1.3.16** বকেয়া ঋণৰ ওপৰত সূত পৰিশোধ কৰাৰ পি এছ ইউ ৰ সামৰ্থ্য নিৰ্ধাৰণ কৰিবলৈ সূত সামৰি লোৱা অনুপাত ব্যৱহাৰ কৰা হয় আৰু একে সময়ৰ সূত ব্যয়ৰ দ্বাৰা পি এছ ইউ ৰ ই বি আই টি বিভাজন কৰি গণনা কৰা হয়। অনুপাত যিমানে কম হয়, পি এছ ইউ ৰ ঋণৰ ওপৰত সূত পৰিশোধ কৰাৰ সামৰ্থ্য সিমানে কম হয়। একৰ তলৰ এটা সূত সামৰি লোৱা অনুপাতে সূচায় যে পি.এছ.ইউ.য়ে সূতৰ ওপৰত ইয়াৰ ব্যয় পূৰণ কৰিবলৈ পৰ্যাপ্ত ৰাজহ সৃষ্টি কৰা নাই।

---

[63] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B25, B26, B31, B32, D7, D9, D11, D12, D13, D15, D16 ৰ 11 টা পি এছ ইউ বাদ দি যিসমূহ অন্যান্য পি এছ ইউৰ সহায়ক আৰু অসম চৰকাৰৰ কোনো প্ৰত্যক্ষ ইকুইটি বিনিয়োগ নাছিল

***সাৰণী 1.3.14*** ত 2015-16 ৰ পৰা 2019-20 বৰ্ষলৈ দীৰ্ঘম্যাদী ঋণৰ বিপৰীতে সূতৰ বোজা থকা কাৰ্যকৰী পি এছ ইউ সমূহৰ সন্দৰ্ভত সামৰি লোৱা সূত অনুপাতৰ বিৰৰণ দেখুওৱা হৈছে।

**সাৰণী 1.3.14: সূতৰ বোজা থকা পি এছ ইউসন্দৰ্ভত সামৰি লোৱা সূতৰ অনুপাত**

| বছৰ | সূদ (কোটি টকাত) | ই বি আই টি (কোটি টকা) | সুদৰ ব্যয় থকা পি এছ ইউ সমূহ | একতকৈ সুদৰ অনুপাত সামৰিলোৱা পি এছ ইউ ৰ সংখ্যা | একতকৈ কম সুদৰ অনুপাত সামৰি লোৱা পি এছ ইউ ৰ সংখ্যা |
|---|---|---|---|---|---|
| 2015-16 | 16.80 | 15.09 | 8 | 3 | 5 |
| 2016-17 | 12.80 | 15.23 | 7 | 2 | 5 |
| 2017-18 | 8.49 | (-) 15.78 | 6 | 2 | 4 |
| 2018-19 | 8.95 | (-) 27.70 | 7 | 2 | 5 |
| 2019-20 | 8.73 | (-) 19.49 | 6[64] | 1 | 5 |

*উৎস: সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰত পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ*

***সাৰণী 1.3.14*** ৰ পৰা লক্ষ্য কৰিব পাৰি, 2015-16 ৰ পৰা 2019-20 বৰ্ষলৈ দীৰ্ঘম্যাদী ঋণৰ বিপৰীতে সূতৰ বোজা থকা ছয়ৰ পৰা আঠটা পি এছ ইউৰ ভিতৰত, একৰ পৰা তিনিটা পি এছ ইউৰ সংশ্লিষ্ট বছৰত একৰ অধিক সামৰি লোৱা সূত অনুপাত আছিল। ই সূচায় যে বেছিভাগ পি এছ ইউ তেওঁলোকৰ দীৰ্ঘম্যাদী ঋণ পৰিসেৱা কৰাৰ বাবে সুবিধাজনক স্থিতিত নাছিল। লগতে, দীৰ্ঘম্যাদী ঋণৰ বিপৰীতে সূতৰ দায়বদ্ধতা প্ৰতিশ্ৰুতি দিয়া ছয়টা পি এছ ইউৰ ভিতৰত এটা পি এছ ইউৰ[65] সামৰি লোৱা সূত অনুপাত একৰ অধিক আছিল। বাকী পাঁচটা পি এছ ইউৰ সামৰি লোৱা সূতৰ অনুপাত একৰ তলত আছিল, যি সূচায় যে এই পি এছ ইউসমূহে এই সময়ছোৱাত দীৰ্ঘম্যাদী ঋণৰ বিত্তীয় ব্যয় পূৰণ কৰিবলৈ পৰ্যাপ্ত ৰাজহ সৃষ্টি কৰিব পৰা নাছিল।

### *ঋণ- টাৰ্ণঅ'ভাৰৰ অনুপাত*

**1.3.17** এটা নিম্ন ঋণৰ টাৰ্ণঅ'ভাৰ অনুপাতে (ডি টি আৰ) ঋণ আৰু উপাৰ্জনৰ মাজত এক ভাল ভাৰসাম্যতা প্ৰদৰ্শন কৰে। ইয়াৰ বিপৰীতে, উচ্চ ডি টি আৰ এ মূল কাৰ্যকলাপৰ পৰা পি এছ ইউ ৰ উপাৰ্জনৰ বিপৰীতে অত্যাধিক ঋণৰ সংকেত দিব পাৰে। সেয়েহে, ডি টি আৰ হ্ৰাস হোৱা পি এছ ইউসমূহে তেওঁলোকৰ ঋণ পৰিশোধ আৰু পৰিশোধ সফলতাৰে পৰিচালনা কৰাৰ সম্ভৱনা অধিক।

***সাৰণী 1.3.15*** ত সংশ্লিষ্ট বছৰৰ বাবে ঋণ টাৰ্ণঅভাৰ অনুপাতৰ তুলনাত তেওঁলোকৰ চূড়ান্ত হিচাপ অনুসৰি 2015-16 ৰ পৰা 2019-20 বৰ্ষলৈ 48 টা পি এছ ইউৰ ঋণ আৰু টাৰ্ণঅ'ভাৰৰ সাৰাংশ দেখুওৱা হৈছে।

**সাৰণী 1.3.15: পি এছ ইউ সম্পৰ্কীয় ঋণ টাৰ্ণঅ'ভাৰৰ অনুপাত**

*(কোটি টকাত)*

| বিৱৰণ | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 |
|---|---|---|---|---|---|
| চৰকাৰ আৰু অন্যান্যৰ পৰা ঋণ (বেংক আৰু বিত্তীয় প্ৰতিস্থানসমূহ) | 462.38 | 478.39 | 453.00 | 516.26 | 885.37 |
| টাৰ্ণঅ'ভাৰ | 730.70 | 707.81 | 738.30 | 877.99 | 857.79 |
| ঋণ টাৰ্ণঅ'ভাৰৰ অনুপাত | 0.63:1 | 0.68:1 | 0.61:1 | 0.59:1 | 1.03:1 |

*উৎস: সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰত পি এছ ইউৰ শেহতীয়া চূড়ান্ত হিচাপ*

***সাৰণী 1.3.15*** ৰ পৰা দেখা যায়, 2019-20 বৰ্ষত পি এছ ইউৰ ডি টি আৰ আটাইতকৈ বেয়া (1.03:1) আছিল। 2015-16 ৰ পৰা 2019-20 বৰ্ষত, ডিটিআৰত 0.63:1 (2015-16)ৰ পৰা 1.03:1 (2019-20) লৈ সামগ্ৰিক অৱনতি ঘটিছিল, মুখ্যতঃ পি এছ ইউ ঋণ (91.48 শতাংশ) 462.38 কোটি টকা (2015-16)

[64] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং B7, B10, B13, B23, C1 আৰু C3 ৰ পি এছ ইউসমূহ

[65] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং C3 ৰ পি এছ ইউসমূহ

ৰ পৰা 885.37 কোটি টকালৈ (2019-20) বৃদ্ধিৰ তুলনাত 730.70 কোটি টকা (2015-16) পৰা 857.79 কোটি টকা (2019-20) লৈ আয় (17.39 শতাংশ) বৃদ্ধিৰ গতি হ্ৰাস হোৱাৰ বাবে।

## পি এছ ইউ ৰ বাৰ্ষিক হিচাপৰ ওপৰত হিচাপ পৰীক্ষাৰ মন্তব্যৰ প্ৰভাৱ

**1.3.18** অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ, 16 টা কাৰ্যকৰী পি এছ ইউ এ 20 টা হিচাপ অসমৰ প্ৰধান মহাগাননিক (হিচাপ পৰীক্ষা) লৈ প্ৰেৰণ কৰিছিল। ইয়াৰ ভিতৰত, 10 টা কোম্পানীৰ 14 টা হিচাপ পৰিপূৰক হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। ছয়টা কোম্পানীৰ বাকী ছটা[66] একাউণ্টৰ বাবে, অ-সমীক্ষা প্ৰমাণপত্ৰ জাৰী কৰা হৈছিল। চি এ জি ৰ দ্বাৰা নিযুক্ত বিধিবদ্ধ হিচাপ পৰীক্ষকৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন আৰু চি এ জি ৰ পৰিপূৰক হিচাপ পৰীক্ষাৰ মন্তব্যসমূহে বিত্তীয় বিবৃতিসমূহৰ ওপৰত গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণৰ আলোকপাত কৰিছিল। এই হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহৰ ফলস্বৰূপে কোম্পানীসমূহৰ বিত্তীয় বিৱৰণত দেখুওৱাৰ দৰে কাৰ্যকৰী ফলাফল (মুঠ লাভ বা মুঠ লোকচান) কম বা অতিৰিক্ত কৰা দেখা গৈছিল। লগতে, উক্ত পৰ্যবেক্ষণবোৰে বাস্তৱিক তথ্য আৰু শ্ৰেণীবিভাজনৰ ত্ৰুটিবোৰ প্ৰকাশ নকৰাৰ ওপৰতো আলোকপাত কৰে। সেয়েহে, বিধিবদ্ধ হিচাপ পৰীক্ষাৰ আৰু চি এজিৰ পৰ্যবেক্ষণে বিত্তীয় বিবৃত্তিৰ মানদণ্ড সূচিত কৰে আৰু ক্ষেত্ৰসমূহৰ ওপৰত আলোকপাত কৰে, যাৰ উন্নতিৰ প্ৰয়োজন। 2017-18 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ যোৱা তিনি বছৰৰ বাবে বিধিবদ্ধ হিচাপ পৰীক্ষাৰ আৰু চি এজিৰ মন্তব্যৰ মুঠ ধনমূল্যৰ বিৱৰণ ***সাৰণী 1.3.16*** ত দিয়া হৈছে।

**সাৰণী 1.3.16: কাৰ্যকৰী কোম্পানীসমূহৰ হিচাপৰ ওপৰত হিচাপ পৰীক্ষা মন্তব্যৰ প্ৰভাৱ**

*(কোটি টকাত)*

| ক্ৰ. নং. | বিৱৰণ | 2017-18 | | 2018-19 | | 2019-20 | |
|---|---|---|---|---|---|---|---|
| | | হিচাপৰ সংখ্যা | পৰিমাণ | হিচাপৰ সংখ্যা | পৰিমাণ | হিচাপৰ সংখ্যা | পৰিমাণ |
| 1 | লাভৰ হ্ৰাস | 3 | 10.59 | 5 | 11.07 | 2 | 1.04 |
| 2 | লোকচানৰ বৃদ্ধি | 2 | 12.05 | 7 | 17.82 | 4 | 27.71 |
| 3 | বাস্তৱিক সত্যতাৰ অব্যক্তকৰণ | 4 | 99.64 | 3 | 34.33 | 1 | 2.91 |
| 4 | ত্ৰুটি সম্পন্ন শ্ৰেণীবিভাজন | 6 | 4.58 | 3 | 3.16 | 0 | 0.00 |

*উৎস: বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আৰু চি এণ্ড এ জিৰ মন্তব্য*

বছৰটোত বিধিবদ্ধ হিচাপ পৰীক্ষকসকলে কোম্পানীসমূহে চূড়ান্ত কৰা সকলো হিচাপক যোগ্য প্ৰমাণপত্ৰ প্ৰদান কৰিছিল। একাউণ্টিং মানদণ্ড (এ এছ) থকা কোম্পানীসমূহৰ অনুপালন দুৰ্বল হৈ আছিল, কিয়নো বছৰটোত 2 টা হিচাপত এ এছক অনুপালন নকৰাৰ 12 টা উদাহৰণ আছিল। এইটোৱে ইংগিত দিছিল যে এ এছৰ অনুপালন নিশ্চিত কৰিবলৈ কোম্পানীসমূহৰ বিত্তীয় বিৱৰণ উন্নত কৰাটো প্ৰয়োজন।

**1.3.19** একেদৰে, তিনিটা কাৰ্যকৰী বিধিবদ্ধ নিগমৰ ভিতৰত, কেৱল এটা নিগমে (যেনে অসম ৰাজ্যিক পণ্যগাৰ নিগম) অক্টোবৰ 2019 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈ কেৱল তিনিটা হিচাপ অসমৰ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা) লৈ প্ৰেৰণ কৰিছিল। তিনিওটা হিচাপৰ আটাইকেইটাই চি এ জিৰ দ্বাৰা

[66] ছটা এছ পি এছ ইৰ ভিতৰত এটা এছ পি এছ ইয়ে দুটা হিচাপ (2015-16 আৰু 2016-17) প্ৰেৰণ কৰিছিল যাৰ 2015-16 বৰ্ষৰ বাবে এন আৰ চি জাৰী কৰা হৈছিল আৰু 2016-17 বৰ্ষটোৰ পৰিপূৰক হিচাপ পৰীক্ষা কৰা হৈছিল

পৰিপূৰক হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। তিনিওটা হিচাপে বিধিবদ্ধ হিচাপ পৰীক্ষকৰ যোগ্য[67] প্ৰতিবেদনও লাভ কৰিছিল। বিধিবদ্ধ হিচাপ পৰীক্ষকৰ হিচাপ পৰীক্ষা প্ৰতিবেদন আৰু চি এ জিৰ একমাত্ৰ/পৰিপূৰক হিচাপ পৰীক্ষাত বিত্তীয় বিৱৰণৰ ওপৰত গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণ উল্লেখ কৰা হৈছে। বিধিবদ্ধ হিচাপ পৰীক্ষকৰ আৰু চি এ জিৰ উক্ত পৰ্যবেক্ষণে সূচায় যে হিচাপৰ তত্বাৱধানৰ মানদণ্ড উন্নত কৰাটো প্ৰয়োজন। বিধিবদ্ধ হিচাপৰ আৰু চি এজিৰ মন্তব্যৰ মুঠ ধনমূল্যৰ বিৱৰণ ***সাৰণী 1.3.17*** -ত দিয়া হৈছে।

**সাৰণী 1.3.17: বিধিবদ্ধ নিগমৰ হিচাপৰ ওপৰত হিচাপ পৰীক্ষা মন্তব্যৰ প্ৰভাৱ**

*(কোটি টকাত)*

| ক্ৰ. নং. | বিৱৰণ | 2017-18 | | 2018-19 | | 2019-20 | |
|---|---|---|---|---|---|---|---|
| | | হিচাপৰ সংখ্যা | পৰিমাণ | হিচাপৰ সংখ্যা | পৰিমাণ | হিচাপৰ সংখ্যা | পৰিমাণ |
| 1 | লাভৰ হ্ৰাস | 4 | 1.19 | নাই | 0.00 | 2 | 0.32 |
| 2 | লোকচানৰ বৃদ্ধি | 1 | 24.96 | 2 | 20.56 | নাই | 0.00 |

*উৎস: বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আৰু চি এণ্ড এ জিৰ মন্তব্য*

2019-20 বৰ্ষত বিধিবদ্ধ হিচাপ পৰীক্ষক আৰু চি এজিৰ মন্তব্যৰ মুঠ ধনৰ মূল্য আগৰ বছৰত 20.56 কোটি টকাৰ বিপৰীতে 0.32 কোটি টকা আছিল।

**1.3.20** পি এছ ইউৰ হিচাপৰ সন্দৰ্ভত বিধিবদ্ধ হিচাপ পৰীক্ষা আৰু চি এ জিৰ কিছুমান গুৰুত্বপূৰ্ণ মন্তব্যৰ সাৰাংশ তলত দিয়া ধৰণৰ:

***অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড (2018-19)***

***1. সূতৰ দায়বদ্ধতাৰ বাবে ব্যৱস্থা নকৰা***

ঋণৰ বিপৰীতে পৰিশোধ কৰিব পৰা সূতৰ বাবে প্ৰাপ্ত 17.84 কোটি (মাৰ্চ 2019)ৰ দাবী জাননীৰ বিপৰীতে, কোম্পানীয়ে কেৱল 1.78 কোটি টকা প্ৰদান কৰিছিল (চলিত বৰ্ষ: 0.59 কোটি টকা; পূৰ্বৰ সময়ছোৱাৰ 1.19 কোটি টকা)। ইয়াৰ ফলত[6] 'সূতৰ দায়বদ্ধতাৰ বিৰুদ্ধে ব্যৱস্থা' আৰু 'বছৰটোৰ বাবে লোকচান' প্ৰতিটোত 16.06 কোটি টকাৰ অৱমূল্যায়ন হৈছিল।

***অসম ঔদ্যোগিক উন্নয়ন নিগম (2018-19)***

***2. ফৰেষ্ট ৰয়েলটিৰ কম উদ্ধাৰ***

বৰ্ধিত হাৰ অনুসৰি ঠিকাদাৰৰ পৰা 19.67 লাখ টকা পৰিমাণৰ ফৰেষ্ট ৰয়েলটি কমকৈ পুনৰুদ্ধাৰৰ ফলত সেই পৰিমাণলৈকে 'অন্যান্য চলিত দায়বদ্ধতা (বন বিভাগক পৰিশোধ যোগ্য)' আৰু 'অন্যান্য বৰ্তমানৰ সম্পদ' হ্ৰাস কৰা হৈছে।

***অসম ৰাজ্যিক পণ্যাগাৰ নিগম (2016-17)***

***3. বীমা প্ৰিমিয়ামৰ বাবে কম ব্যৱস্থা***

অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক পৰিশোধ কৰিবলগীয়া গ্ৰেচুইটিৰ বিপৰীতে দায়বদ্ধতা পূৰণ কৰাৰ বাবে পৰ্যাপ্ত গ্ৰেচুইটি আঁচনি পুঁজি বজাই ৰখাৰ বাবে বীমাকৰ্তাক (ভাৰতীয় জীৱন বীমা নিগম) পৰিশোধ কৰিবলগা

[67] হিচাপ পৰীক্ষকৰ এক 'যোগ্য প্ৰতিবেদনৰ' অৰ্থ হৈছে এক প্ৰতিবেদন যত হিচাপ পৰীক্ষক সকলে হিচাপৰ তত্বাৱধানৰ ওপৰত কিছুমান অৰ্হতা, সংৰক্ষণ বা বিৰূপ মন্তব্য আৰু লগতে বিত্তীয় বিবৃতিত অন্যান্য বিষয় অন্তৰ্ভুক্ত কৰিছে যাৰ ভিতৰত আছে 'সাধাৰণতে স্বীকৃত হিচাপৰ নীতি' অনুসৰণ নকৰা

প্ৰিমিয়ামৰ বাবে কম ব্যৱস্থা কৰাৰ বাবে নিগমৰ সঞ্চিত লোকচান 8.96 কোটি টকা হ্ৰাস কৰা হৈছিল। ইয়াৰ ফলত একে পৰিমাণে 'অন্যান্য বৰ্তমানৰ দায়বদ্ধতা' কম কৰা হৈছে।

## নিৰ্বিনিয়োগ, পুনৰ্গঠন আৰু ব্যক্তিগতকৰণ

**1.3.21** 2019-20 বৰ্ষত, পি এছ ইউত অসম চৰকাৰৰ দ্বাৰা কোনো নিৰ্বিনিয়োগ, পুনৰ্গঠন বা ব্যক্তিগতকৰণ কৰা হোৱা নাছিল।

## অ-কাৰ্যকৰী পি এচ ইউসমূহ বন্ধ কৰা

**1.3.22** 31 মাৰ্চ 2020 তাৰিখলৈকে, অসম চৰকাৰৰ 16 টা অ-কাৰ্যকৰী পি এছ ইউ (সকলো কোম্পানী) আছিল, যাৰ ভিতৰত 12 টা পি এছ ইউ 31 মাৰ্চ 2020, তাৰিখলৈকে 11 ৰ পৰা 13 বছৰ পৰ্যন্ত বন্ধ আছিল। অসম চৰকাৰে এই 12 টা পি এছ ইউ বন্ধ কৰাৰ বাবে জাননী জাৰী কৰিছিল (ডিচেম্বৰ 2006 ৰ পৰা অক্টোবৰ 2008) যিহেতু সেইসমূহে ৰাজ্যিক অৰ্থনীতিত অৰিহণা যোগোৱা নাছিল বা তেওঁলোকৰ গঠনৰ উদ্দেশ্য পূৰণ কৰা নাছিল। লগতে, অসম চৰকাৰৰ নিৰ্দেশনাৰ ওপৰত আধাৰিত কৰি (আগষ্ট 2010) প্ৰাগজ্যোতিষ সাৰ আৰু ৰাসায়নিক লিমিটেড বন্ধ কৰাৰ প্ৰক্ৰিয়া ইয়াৰ হোল্ডিং কোম্পানী (অসম পেট্ৰো-কেমিকেলছ লিমিটেড)ৰ দ্বাৰা (নৱেম্বৰ 2018) আৰম্ভ কৰা হৈছিল। বাকী তিনিটা[68] কাম নকৰা পি এছ ইউ অৱশ্যে সন্ধানহীন আছিল আৰু অসম চৰকাৰেও এই পি এছ ইউ সমূহৰ অস্তিত্বৰ বিষয়ে কোনো তথ্য প্ৰদান কৰা নাছিল। যিহেতু কোম্পানী আইন, 1956 (বৰ্তমান কোম্পানী আইন, 2013)ৰ অধীনত সকলো অ-কাৰ্যকৰী পি এছ ইউ পঞ্জীয়ন কৰা হৈছিল, কোম্পানী আইন, 2013 ৰ ধাৰা 270 ৰ পৰা 365 অনুসৰি এই কোম্পানীসমূহৰ পৰিসমাপ্তি/বন্ধ কৰিব লাগিব।

বন্ধ হৈ থকা পি এছ ইউ ৰ সম্পত্তি নিষ্পত্তিৰ বাবে, অসম চৰকাৰে ৰাজহুৱা উদ্যোগ বিভাগৰ অধীনত (জুলাই 2008) এটা টাস্ক ফ'ৰ্চ গঠন কৰিছিল। পৰৱৰ্তী সময়ত, বন্ধ পি এছ ইউসমূহৰ সম্পত্তিৰ সুৰক্ষিত জিম্মা নিশ্চিত কৰাৰ বাবে টাস্ক ফ'ৰ্চৰ তত্বাৱধানত (আগষ্ট 2008) এটা সম্পদ ব্যৱস্থাপনা কোষ (এ.এমচি) গঠন কৰা হৈছিল। এ এম চি -য়ে ভূমি[69] (68.42 কোটি টকা মূল্য), অট্টালিকা (29.10 কোটি টকা মূল্যৰ) আৰু স্থাৱৰ সম্পত্তিৰ (37.30 কোটি টকা মূল্য) সৈতে 12 টা বন্ধ পি এছ ইউ[70] ৰ সম্পত্তিৰ মূল্য নিৰ্ণয় কৰে। নটা পি এছ ইউ সম্পৰ্কীয় ভূমি[71] অসম চৰকাৰৰ মালিকানাধীন আন সংস্থালৈ স্থানান্তৰ কৰা হৈছিল আনহাতে দুটা পি এছ ইউৰ[72] স্থাৱৰ সম্পত্তি 5.88 কোটি টকা নিষ্পত্তি কৰা হৈছিল। 83.37 কোটি টকা মূল্যৰ বাকী থকা সম্পত্তি (17.23 কোটি টকা মূল্যৰ তিনিটা পি এচ ইউৰ[73] ভূমি, 29.10 কোটি টকা মূল্যৰ 12 পি এচ ইউ ৰ আটাইকেইটাৰে ভৱন আৰু 37.09 কোটি টকা মূল্যৰ ন টা পি এছ ইউৰ[74] স্থাৱৰ সম্পত্তি) নিষ্পত্তিৰ বাবে বাকী আছিল (মাৰ্চ 2020)। অ-কাৰ্যকৰী পি এছ ইউ ৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি নিষ্পত্তি কৰাৰ পলম হোৱাৰ ফলত এই পি এছ ইউ সমূহৰ পৰিশোধৰ প্ৰক্ৰিয়াত বাধা আহিছিল, যাক ইতিমধ্যে অসম

---

[68] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং D8, D11 আৰু D14

[69] 1,380 বিঘা আৰু 1 লেছা

[70] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং D1 ৰ পৰা D6 লৈ, D9, D10, D12, D13, D15, আৰু D16

[71] 1,339 বিঘা আৰু 1 লেছা

[72] অসম চৰকাৰী নিৰ্মাণ নিগম লিমিটেড (0.28 কোটি টকা) আৰু কাছাৰ চেনীকল লিমিটেড (5.60 কোটি টকা)

[73] অসম কৃষি উদ্যোগ উন্নয়ন নিগম লিমিটেড, অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম লিমিটেড, অসম পাৱাৰ লুম ডেভেলপমেন্ট নিগম লিমিটেড

[74] তিনিটা পি এছ ইউৰ যেনে কাছাৰ চেনীকল লিমিটেড আৰু অসম চৰকাৰী নিৰ্মাণ নিগম লিমিটেড (দুয়োটা পি এছ ইডৰ স্থাৱৰ সম্পত্তি বিক্ৰী কৰা হৈছিল আৰু ফাৰ্টিকেম্প (কোনো স্থাৱৰ সম্পত্তি নাই) বাদ দি

চৰকাৰৰ দ্বাৰা বন্ধ কৰাৰ বাবে (ডিচেম্বৰ 2006/অক্টোবৰ-2008) জাননী দিয়া হৈছিল। 2019-20 বৰ্ষত ছটা[75] অ-কাৰ্যকৰী পি এছ ইউ এ দৰমহা আৰু প্ৰতিষ্ঠান ব্যয় আদিৰ বাবে 0.73 কোটি টকা ব্যয় কৰিছিল। সংশ্লিষ্ট পি এছ ইউ সমূহে তেওঁলোকৰ নিজা উৎসৰ জৰিয়তে উক্ত ব্যয় যেনে স্থায়ী জমাৰ ওপৰত সূতৰ পৰা বিত্তৰ যোগান ধৰিছিল।

***যিহেতু অ-কাৰ্যকৰী পি এছ ইউসমূহে ৰাজ্যৰ অৰ্থনীতিত অৰিহনা যোগোৱা নাই বা অভিপ্ৰেত উদ্দেশ্যসমহো পূৰণ কৰা নাই, এই পি এছ ইউসমূহে বন্ধ কৰাৰ বাবে প্ৰক্ৰিয়া ত্বৰান্বিত কৰাটো প্ৰয়োজন।***

## হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত অনুসৰণ কাৰ্য

### *ব্যাখ্যামূলক টোকা প্ৰাপ্ত কৰা হোৱা নাই*

**1.3.23** চি এণ্ড এ জিৰ হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহে বিভিন্ন পি.এছ.ইউৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা হিচাপ আৰু তথ্যৰ প্ৰাৰম্ভিক পৰিদৰ্শনৰ পৰা আৰম্ভ কৰি পৰীক্ষাৰ প্ৰক্ৰিয়াৰ সমাপ্তি প্ৰতিনিধিত্ব কৰে। সেয়েহে হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহে কাৰ্যবাহীৰ পৰা উপযুক্ত আৰু সময়মতে সঁহাৰি প্ৰাপ্ত কৰাটো প্ৰয়োজনীয় আছিল। বিত্ত (হিচাপ পৰীক্ষা আৰু পুঁজি) বিভাগ, অসম চৰকাৰ-য়ে সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহৰ দ্বাৰা 'কাৰ্য সম্পাদন হিচাপ পৰীক্ষা' আৰু 'অনুপালন হিচাপ পৰীক্ষাৰ' দফা সন্দৰ্ভত ব্যাখ্যামূলক টোকা প্ৰস্তুত কৰাৰ বাবে (মে' 1994) নিৰ্দেশনা জাৰী কৰিছিল।

উক্ত নিৰ্দেশনা অনুসৰি, সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহে উক্ত হিচাপ পৰীক্ষা প্ৰতিবেদনপ্ৰাপ্ত কৰাৰ লগে লগে হিচাপ পৰীক্ষা প্ৰতিবেদনত অন্তৰ্ভুক্ত অনুচ্ছেদ আৰু কাৰ্যসম্পাদন হিচাপ পৰীক্ষাৰ ওপৰত 'ব্যাখ্যামূলক টোকা' প্ৰস্তুত কৰিব লাগিব। প্ৰশাসনিক বিভাগসমূহে 'ব্যাখ্যামূলক টোকা'ত লোৱা বা প্ৰস্তাৱিত পদক্ষেপসমূহ সূচিত কৰিব লাগিছিল। 'ব্যাখ্যা মূলক টোকা'সমূহত হিচাপ পৰীক্ষা প্ৰতিবেদনত অন্তৰ্ভুক্ত কাৰ্যসম্পাদন হিচাপ পৰীক্ষা/হিচাপ পৰীক্ষা দফাত উল্লেখ কৰা অনুসৰি চৰকাৰৰ প্ৰাপ্য যিকোনো পৰিমাণ পুনৰুদ্ধাৰৰ স্থিতিও অন্তৰ্ভুক্ত থাকিব। প্ৰশাসনিক বিভাগসমূহেও হিচাপ পৰীক্ষা প্ৰতিবেদন প্ৰাপ্ত কৰাৰ তাৰিখৰ পৰা 20 দিনৰ ভিতৰত অসমৰ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা) লৈ এটা প্ৰতিলিপিৰ সৈতে অসম বিধান সভাত উক্ত 'ব্যাখ্যামূলক টোকা' দাখিল কৰিব লাগিব।

অৱশ্যে সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহে 38 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 185 টা দফা থকা 28 টা হিচাপ পৰীক্ষা প্ৰতিবেদন (1990-91 ৰ পৰা 2017-18 লৈ) সন্দৰ্ভত ৰাজ্যিক বিধান সভাত কোনো ব্যাখ্যামূলক টোকা দাখিল কৰা নাছিল।

### *চি অ' পি ইউৰ দ্বাৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত আলোচনা*

**1.3.24** 31 মাৰ্চ 2020 তাৰিখলৈকে, 38 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু পি এছ ইউ সম্পৰ্কীয় 185 টা অনুপালন হিচাপ পৰীক্ষা দফা থকা 28 টা হিচাপ পৰীক্ষা প্ৰতিবেদন ৰাজ্যিক বিধান সভাত উত্থাপন কৰা হৈছিল। 31 মাৰ্চ 2020 তাৰিখে, 26 টা হিচাপ পৰীক্ষা প্ৰতিবেদন সম্পৰ্কীয় 20 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু 98 টা অনুপালন হিচাপ পৰীক্ষা দফা ৰাজহুৱা প্ৰতিষ্ঠান সমিতিয়ে (চি অ' পি ইউ) আলোচনা

[75] ***পৰিশিষ্ট 3*** ৰ ক্ৰমিক নং D1, D6, D7, D12, D13 আৰু D16 ৰ পি এছ ইউসমূহ

কৰিছিল। বাকী 18 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু পি এছ ইউৰ ওপৰত 28 টা হিচাপ পৰীক্ষা প্ৰতিবেদনসম্পৰ্কীয় 87 টা অনুপালন হিচাপ পৰীক্ষা অনুচ্ছেদ চি অ' পি ইউৰ আলোচনা আৰু প্ৰয়োজনীয় পদক্ষেপৰ বাবে অমীমাংসিত আছিল।

চি অ' পি ইউৰ দ্বাৰা আলোচনা কৰা 26 টা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ বিপৰীতে, 11 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা সম্পৰ্কীয় চি অ' পি ইউ ৰ 12 টা প্ৰতিবেদন আৰু 16 হিচাপ পৰীক্ষা প্ৰতিবেদনৰ সৈতে সম্পৰ্কিত 22 টা হিচাপ পৰীক্ষা দফা 31 মাৰ্চ 2020 তাৰিখে ৰাজ্যিক বিধান সভাত উপস্থাপন কৰা হৈছিল। চি অ' পি ইউ ৰ এই প্ৰতিবেদনবোৰত 6 টা কাৰ্যসম্পাদন হিচাপ পৰীক্ষা 17 টা হিচাপ পৰীক্ষা দফা সন্দৰ্ভত 58 টা পৰামৰ্শ (কাৰ্য সম্পাদন হিচাপ পৰীক্ষাৰ 36 আৰু অনুপালন হিচাপ পৰীক্ষাৰ দফা 22) আছিল, যিসমূহ 1991-92 চনৰ পৰা 2014-15 বৰ্ষলৈ ভাৰতৰ চি এ জিৰ হিচাপ পৰীক্ষা প্ৰতিবেদনত প্ৰকাশ পাইছিল। 36 টা পৰামৰ্শৰ ওপৰত কাৰ্য ব্যৱস্থাগ্ৰহণ টোকা (কাৰ্যসম্পাদন হিচাপ পৰীক্ষাৰ ওপৰত 26 টা আৰু হিচাপ পৰীক্ষা দফা 10) প্ৰাপ্ত কৰা হৈছিল। সংশ্লিষ্ট বিভাগ/পি এছ ইউ-য়ে অৱশ্যে ***সাৰণী 1.3.18*** ত উল্লেখ কৰা অনুসৰি 22 টা পৰামৰ্শ (কাৰ্যসম্পাদন হিচাপ পৰীক্ষা দফা: 10 আৰু অনুপালন হিচাপ পৰীক্ষাৰ দফা: 12) ওপৰত কাৰ্য ব্যৱস্থা গ্ৰহণ নোট (এ টি এন) দাখিল কৰা নাই।

**সাৰণী 1.3.18: চি অ' পি ইউ প্ৰতিবেদনৰ অনুপালন- অমীমাংসিত এ টি এনৰ স্থিতি**

| চি অ' পি ইউৰ বাৰ্ষিক প্ৰতিবেদন | প্ৰতিবেদনৰ মুঠ সংখ্যা | প্ৰতিবেদনত পৰামৰ্শৰ মুঠ সংখ্যা | প্ৰতিবেদনৰ পৰামৰ্শৰ অনুপালন বাকী থকা এ টি এনৰ স্থিতি |
|---|---|---|---|
| 2004-05 | 1 | 9 | 9 |
| 2008-09 | 1 | 3 | 3 |
| 2009-10 | 1 | 3 | 3 |
| 2018-19 | 1 | 7 | 7 |
| মুঠ | **4** | **22** | **22** |

*উৎস: কাৰ্যব্যৱস্থা গ্ৰহণ টোকাৰ পঞ্জীয়ন*

***পৰামৰ্শসমূহ:***

***ৰাজ্য চৰকাৰে হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহলৈ সঁহাৰি জনোৱাৰ ব্যৱস্থাটো সমীক্ষা কৰা আৰু দোষ ত্ৰুটি আঁতৰাই নতুন কৰা উচিত। হিচাপ পৰীক্ষাৰ দফাসমূহ/কাৰ্য সম্পাদন হিচাপ পৰীক্ষাৰ ব্যাখ্যামূলক টোকা সমূহ চি অ' পি ইউৰ পৰামৰ্শসমূহৰ ওপৰত এটিএন সমূহৰ নিৰ্দেশিত সময়সূচী অনুসৰি ব্যৱস্থা লোৱা আৰু হিচাপ পৰীক্ষাত প্ৰমাণিত কৰা ক্ষতি বাকী থকা আগধন/আগধন পৰিশোধ সমূহ ৰাজহুৱা বিত্তৰ ওপৰত দায়বদ্ধ যোগ্য হ'বলৈ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ঘূৰাই লোৱাটোত চৰকাৰখনে নিশ্চিত কৰিব পাৰে।***

# অধ্যায় II
# পি এচ ইউ সমূহৰ কাৰ্যসম্পাদন হিচাপ পৰীক্ষাৰ দফাসমূহ

# অধ্যায়-II:
# পি এছ ইউ সম্পৰ্কীয় কাৰ্যসম্পাদন হিচাপ পৰীক্ষা

## শাখা 4: শক্তি খণ্ডৰ পি এছ ইউ সম্পৰ্কীয় কাৰ্যসম্পাদন হিচাপ পৰীক্ষা

## অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ দ্বাৰা দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই)/সৌভাগ্য আঁচনি ৰূপায়ণৰ ওপৰত কাৰ্যসম্পাদন হিচাপ পৰীক্ষা

### মূখ্যাংশসমূহ

কোম্পানীয়ে ফিডাৰ পৃথকীকৰণৰ কাম গ্ৰহণ কৰা নাছিল যাৰ ফলত কৃষি আৰু অনা-কৃষি গ্ৰাহকৰ মাজত শক্তিৰ সৰ্বোত্তম ৰোষ্টাৰিং ৰ উদ্দেশ্য প্ৰাপ্ত নহ'ল। কোম্পানীয়ে আঁচনিখনৰ অধীনত প্ৰকল্প ৰূপায়ণৰ বাবে যোগ্য প্ৰকল্প ক্ষেত্ৰসমূহক প্ৰাথমিকতা প্ৰদৰ্শন কৰিবলৈ কোনো তথ্যপ্ৰমাণ ৰখা নাছিল।

***(দফা 2.13.1 আৰু 2.13.3)***

আঁচনিখনৰ ৰূপায়ণত আঁচনিৰ নিৰ্দেশনাসমূহ পালন নকৰাৰ কেইবাটাও উদাহৰণ আছিল। চুক্তি ব্যৱস্থাপনাত, কামসমূহৰ সম্পাদন আৰু নিৰীক্ষণত অদক্ষতাৰ উদাহৰণ আছিল। প্ৰকল্প ৰূপায়ণৰ কামবোৰ লেহেমীয়াভাৱে সম্পাদন কৰা, দুৰ্বল নিৰীক্ষণ, চুক্তিত কৰা প্ৰতিশ্ৰুতি পূৰণ নকৰা, চুক্তি প্ৰদানত বিলম্ব, কামৰ অনিয়মীয়তা, নিম্ন মানদণ্ডৰ সামগ্ৰী ক্ৰয় আদিৰ সৈতে পকল্প ৰূপায়ণ আৱদ্ধিত হৈ পৰিছিল।

***(দফা 2.13.2, 2.14.1, 2.14.2, 2.15.1, আৰু 2.17.2)***

মানদণ্ড নিশ্চিত কৰাৰ বাবে নিৰীক্ষণ প্ৰণালী আছিল যদিও কামৰ অগ্ৰগতিৰ সৈতে তাল মিলাব নোৱাৰাৰ ফলস্বৰূপে, গুৰুত্বপূৰ্ণ আৰু উচিত নিৰীক্ষণত পলম হৈছিল যাৰ ফলত নিৰীক্ষণ প্ৰক্ৰিয়াটো বৃহৎ পৰিমাণে অকাৰ্যকৰী হৈ পৰিছিল। লগতে, প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাত পলম হোৱা সমস্যাসমূহ সমাধান কৰিবলৈ এছ এল এছ চিৰ ফালৰ পৰা নিৰীক্ষণৰ অভাৱ আছিল।

***(দফা 2.16.1 আৰু 2.18.1)***

যদিওবা সন্ধানহীন হিতাধিকাৰী আছিল তথাপিও জৰীপত আঁচনিবোৰৰ বিভিন্ন লাভালাভৰ কথা গম পোৱা গৈছিল (যেনে মাহিলী ব্যয়ৰ হ্ৰাস, অধ্যয়নৰ সময় বৃদ্ধি, বৈদ্যুতিক গেজেটৰ বৰ্ধিত ব্যৱহাৰ, নিৰাপত্তা আৰু সুৰক্ষা বৃদ্ধি ইত্যাদি) যিবোৰ হিতাধিকাৰীসকলে আঁচনিবোৰ ৰূপায়ণৰ ফলত লাভ কৰিছিল।

***(দফা 2.19.1 ৰ পৰা 2.19.9)***

## 2.1 সূচনা

অপৰ্যাপ্ত আৰু অনিৰ্ভৰযোগ্য শক্তি যোগানৰ সমস্যাটো সমাধান কৰা আৰু গ্ৰাম্য অঞ্চলসমূহত শক্তি বিতৰণ নেটৱৰ্কটো সবল কৰিবৰ বাবে আৰু গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে ভাৰত চৰকাৰে (ডিচেম্বৰ 2014) দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই) আঁচনিৰ সূচনা কৰিছিল। গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে নিৰ্ধাৰিত পূৰ্বৰ ৰাজীৱ গান্ধী গ্ৰামীণ বৈদ্যুতিকৰণ যোজনা (আৰ জি জি ভি ৱাই) আঁচনিখন ডি ডি ইউ জি জে ৱাই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছিল আৰু সেই অনুসৰি আৰ জি জি ভি ৱাই আঁচনিৰ অধীনত গ্ৰহণ কৰা আৰু অসম্পূৰ্ণ হৈ থকা সকলো গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে নতুন আঁচনি (ডি ডি ইউ জি জে ৱাই) ত পৰিকল্পনা কৰা হৈছিল। পৰৱৰ্তী সময়ত, ভাৰত চৰকাৰে (অক্টোবৰ 2017) ভাৰতৰ গ্ৰাম্য আৰু নগৰ অঞ্চলৰ সকলো পৰিয়ালক ‘অন্তিম মাইল সংযোগ’[76] আৰু বিদ্যুৎ সংযোগ প্ৰদান কৰি দেশত সাৰ্বজনীন ঘৰুৱা বৈদ্যুতিকৰণ প্ৰাপ্ত কৰাৰ বাবে প্ৰধানমন্ত্ৰী সহজ বিজুলি হৰ ঘৰ যোজনা (সৌভাগ্য) আৰম্ভ কৰে।

অসমত, দুয়োখন আঁচনি ‘অসম শক্তি বিতৰণ কোম্পানী লিমিটেড’ৰ (কোম্পানী) দ্বাৰা ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয় (এম অ’ পি, জি অ’ আই) আৰু অসম চৰকাৰৰ পৰা প্ৰাপ্ত বিত্তীয় সহায়ত ৰূপায়ণ কৰা হৈছিল। অসমত আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ গ্ৰাম্য বৈদ্যুতিকৰণ নিগম লিমিটেড[77] (আৰ ই চি), অসম চৰকাৰ আৰু কোম্পানীৰ মাজত ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হৈছিল (24 জুন 2016 আৰু 24 আগষ্ট 2018)। দুয়োখন আঁচনিৰ (ডি ডি ইউ জি জে ৱাই আৰু সৌভাগ্য) প্ৰস্তুতি, অনুমোদন আৰু ৰূপায়ণত বিভিন্ন কৰ্তৃপক্ষৰ ভূমিকা ***পৰিশিষ্ট*** 5 ত দেখুওৱা হৈছে। দুয়োখন আঁচনিৰ অধীনত গাওঁ আৰু ঘৰুৱা বৈদ্যুতিকৰণ সম্পৰ্কে বিস্তৃত বিৱৰণ ***সাৰণী 2.1*** ত দিয়া হৈছে।

**সাৰণী 2.1: অসমত বৈদ্যুতিকৰণৰ স্থিতি**

| আঁচনি | গাওঁসমূহৰ বৈদ্যুতিকৰণ | | | ঘৰুৱা বৈদ্যুতিকৰণ | | |
|---|---|---|---|---|---|---|
| | মুঠ (আঁচনি আৰম্ভ হোৱাৰ আগতে) | অনুমোদিত | 31.03.2021 ত সম্পূৰ্ণ হোৱা | মুঠ (আঁচনি আৰম্ভ হোৱাৰ আগতে) | অনুমোদিত | 31.03.2021 ত সম্পূৰ্ণ হোৱা |
| ডি ডি ইউ জি জে ৱাই | 26,395* | 19,055** | 15,894 | নাই | 7,46,250 | 7,71,088 |
| সৌভাগ্য | - | - | - | 24,10,348 | 19,36,555 | 13,99,688[78] |

***2,339 অ-বৈদ্যুতিক্ৰিত (ইউ ই) আৰু 24,056 আংশিকভাৱে বৈদ্যুতিক্ৰিত (পি ই) গাওঁ; ** 2,339 ইউ ই আৰু 16,716 পি ই গাওঁ***

## 2.2 সাংগঠনিক গাঠনি

কোম্পানীৰ পৰিচালনা অসম চৰকাৰৰ দ্বাৰা নিযুক্ত অধ্যক্ষ, পৰিচালনা সঞ্চালক (এম ডি) আৰু সঞ্চালকসকলক মণ্ডলীৰ হাতত ন্যস্ত থাকে। মুখ্য কাৰ্যালয় আৰু ক্ষেত্ৰ কাৰ্যালয়ত মুখ্য মহাপ্ৰৱন্ধক, উপ মহাপ্ৰৱন্ধক আৰু সহকাৰী মহাপ্ৰৱন্ধকৰ সহায়ত এম ডি য়ে কোম্পানীটোৰ দৈনন্দিন কাৰ্যকলাপ সম্পন্ন কৰে।

[76] ‘অন্তিম মাইল সংযোগে’ মূল আধাৰ নেটৱৰ্ক আৰু অন্তিম ব্যৱহাৰকাৰী সকলৰ মাজৰ সংযোগক বুজায়।

[77] ঘৰুৱা বৈদ্যুতিকৰণৰ বাবে অনুমোদিত পুঁজি অতিৰিক্ত আন্তঃগাঁথনি সৃষ্টিৰ বাবে পুনৰ আৱন্টন কৰা হৈছিল কাৰণে কোম্পানীটোৱে 5,36,867 টা পৰিয়ালক বৈদ্যুতিকৰণ কৰিব নোৱাৰিলে।

[78] ঘৰুৱা বৈদ্যুতিকৰণৰ বাবে অনুমোদিত পুঁজি অতিৰিক্ত আন্তঃগাঁথনি সৃষ্টিৰ বাবে পুনৰ আৱন্টন কৰা হৈছিল কাৰণে কোম্পানীটোৱে 5,36,867 টা পৰিয়ালক বৈদ্যুতিকৰণ কৰিব নোৱাৰিলে।

## 2.3 হিচাপ পৰীক্ষাৰ লক্ষ্য

কাৰ্য সম্পাদন হিচাপ পৰীক্ষাটো এইটো নিশ্চিত কৰিবলৈ কৰা হৈছিল যে:

- কোম্পানীয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁচনিটো কাৰ্যকৰীভাৱে ৰূপায়ণ কৰাৰ বাবে সঠিক পৰিকল্পনা বিকশিত কৰিছিল নে নাই;
- আঁচনিৰ পুঁজিসমূহৰ বিত্তীয় ঔচিত্য নিশ্চিত কৰিবলৈ দক্ষতাৰে আৰু কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰা হৈছিল নে নাই;
- অৰ্থনীতি, দক্ষতা আৰু কাৰ্যকৰীতাৰ বিস্তৃত উদ্দেশ্য প্ৰাপ্ত কৰাৰ বাবে আঁচনিখনৰ ৰূপায়ণ কৰা হৈছিল নে নাই; আৰু
- আঁচনিখন সময়মতে ৰূপায়ণ আৰু আঁচনিৰ উদ্দেশ্য প্ৰাপ্তি নিশ্চিত কৰাৰ বাবে সঠিক আৰু পৰ্যাপ্ত নিৰীক্ষণ প্ৰণালী প্ৰস্তুত কৰা হৈছিল নে নাই।

## 2.4 হিচাপ পৰীক্ষাৰ চৰ্ত

কাৰ্য সম্পাদন হিচাপ পৰীক্ষাৰ বাবে হিচাপ পৰীক্ষাৰ প্ৰধান উৎসসমূহ আছিল:

- ✓ গ্ৰাম্য বৈদ্যুতিকৰণ নীতি 2006,
- ✓ মন্ত্ৰালয়ৰ দ্বাৰা জাৰী কৰা আঁচনিৰ নিৰ্দেশনা আৰু গুণগত মানদণ্ড নিয়ন্ত্ৰণ আৰু সামগ্ৰী আৰু সেৱা ক্ৰয় আদিৰ সন্দৰ্ভত আৰ ই চি চিৰ দ্বাৰা জাৰী কৰা অতিৰিক্ত নিৰ্দেশনা ,
- ✓ দ্বিপাক্ষীক/ত্ৰিপাক্ষিক/চতুৰ্পাক্ষীক চুক্তি বিভাজন আৰ ই চি, ৰাজ্য চৰকাৰ, ৰাজ্যিক শক্তি উপযোগিতা আৰু চি পি এছ ইউৰ মাজত চুক্তি,
- ✓ তদাৰকী সমিতিৰ বৈঠকৰ কাৰ্য বিৱৰণী;
- ✓ ব্যৱহাৰ প্ৰমাণপত্ৰৰ সৈতে শক্তি মন্ত্ৰালয়ৰ এম অ' পি ৰ মূলধনী ৰাজসাহাৰ্য্য;
- ✓ আঁচনিখনৰ সন্দৰ্ভত এম অ' পি আৰু আৰ ই চি ৰ দ্বাৰা জাৰী কৰা নিৰ্দেশনা/জাননী/আদেশ;
- ✓ আৰ ই চি ত ভেটিং/ পৰীক্ষণ মন্তব্যৰ সৈতে অনুমোদিত ডি পি আৰ;
- ✓ প্ৰযোজ্য সাধাৰণ বিত্তীয় নিয়মাৱলী ইত্যাদি আৰু
- ✓ ঠিকা ভিত্তিক চুক্তিসমূহ।

## 2.5 হিচাপ পৰীক্ষাৰ পদ্ধতি

কোম্পানী মেনেজমেন্ট আৰু অসম চৰকাৰৰ বিষয়াসকলৰ সৈতে অনুষ্ঠিত প্ৰাৰম্ভিক বৈঠকৰে (22 অক্টোবৰ 2020) হিচাপ পৰীক্ষা আৰম্ভ কৰা হৈছিল য'ত হিচাপ পৰীক্ষাৰ পদ্ধতি, পৰিসৰ, উদ্দেশ্য আৰু হিচাপ পৰীক্ষাৰ চৰ্ত আদি বৰ্ণনা কৰা হৈছিল।

আঁচনিসমূহৰ কাৰ্যকৰীকৰণৰ মিতব্যয়িতা, দক্ষতা আৰু কাৰ্যকাৰীতা মূল্যাংকন কৰিবলৈ, গ্ৰহণ কৰা হিচাপ পৰীক্ষা পদ্ধতিত হিচাপ পৰীক্ষাৰ চৰ্তৰ সন্দৰ্ভত তথ্য/ৰেকৰ্ডৰ পৰীক্ষা আৰু বিশ্লেষণ, মেনেজমেন্টৰ সৈতে আলোচনা, হিচাপ পৰীক্ষাৰ জাৰী কৰা প্ৰশ্নাৱলী আৰু প্ৰতিবেদন চূড়ান্ত কৰাৰ আগতে মেনেজমেন্টৰ সঁহাৰি প্ৰাপ্ত কৰা অন্তৰ্ভুক্ত আছিল।

লগতে, আঁচনিবোৰৰ লাভালাভৰ বিষয়ে অভিপ্ৰেত হিতাধিকাৰী সকলৰ ধাৰণা বিশ্লেষণ কৰিবলৈ, হিচাপ পৰীক্ষাই এক সংগঠিত প্ৰশ্নাৱলীৰ সহায়ত নিৰ্বাচিত গাওঁবোৰৰ সন্দৰ্ভত হিতাধিকাৰী জৰীপো চলাইছিল।

প্ৰতিবেদনখন চূড়ান্ত কৰাৰ সময়ত, কোম্পানীৰ আনুষ্ঠানিক উত্তৰ (12 জানুৱাৰী 2021) আৰু সামৰণি বৈঠকত (5 জানুৱাৰী 2022) কোম্পানীৰ প্ৰতিনিধিসকলে প্ৰকাশ কৰা মতামতবোৰ সঠিকভাৱে বিবেচনা কৰা হৈছে।

## 2.6 হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু নমুনাকৰণ

বৰ্তমানৰ হিচাপ পৰীক্ষাত এপ্ৰিল 2014 ৰ পৰা মাৰ্চ 2020 লৈকে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ দ্বাৰা ডি ডি ইউ জি জে ৱাই আৰু সৌভাগ্য আঁচনিৰ ৰূপায়ণ সামৰি লোৱা হৈছে।

অসমত, 31 ডিচেম্বৰ 2014 তাৰিখলৈকে ৰাজ্যখনৰ 27 খন জিলা (প্ৰকল্প)ত বিস্তৃত 2,339 খন বিদ্যুতবিহীন (ইউ ই) আৰু 24,056 খন আংশিকভাৱে বৈদ্যুতিকৃত (পি ই) গাওঁৰ ভিতৰত (ডি ডি ইউ জি জে ৱাই আঁচনি আৰম্ভ হোৱাৰ আগতে) 2,339 ইউ আৰু 16,716 খন পি ই গাওঁৰ লগতে 7,46,250 টা পৰিয়ালক ডি ডি ইউ জি জে ৱাই আঁচনিৰ অধীনত বৈদ্যুতিকৰণৰ বাবে অনুমোদন জনোৱা হৈছিল (আৰ জি জি ভি ৱাই XII আৰু ডি ডি জি সহ)। সৌভাগ্য আঁচনিৰ ক্ষেত্ৰত 24,10,348 পৰিয়ালৰ ভিতৰত (অক্টোবৰ 2017 ত আঁচনি খন  আৰম্ভ কৰাৰ আগতে বৈদ্যুতিকৰণ কৰা হোৱা নাছিল), ভাৰত চৰকাৰে 19,36,555 টা পৰিয়ালৰ বৈদ্যুতিকৰণৰ অনুমোদন জনাইছিল।

বৰ্তমানৰ হিচাপ পৰীক্ষাৰ উদ্দেশ্যে, দুটা আঁচনিৰ অধীনত আৰৱা 25 শতাংশ প্ৰকল্প (অৰ্থাৎ 7 টা প্ৰকল্প[79]) বিতং পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। প্ৰকল্পৰ নমুনাত যিবোৰ প্ৰকল্পৰ ব্যয় উচ্চ আছিল সেইবোৰক উচ্চ বিপদাশংকা স্তৰত (প্ৰকল্পৰ 5 শতাংশৰ ভিতৰত সীমিত), আৰু বাকী প্ৰকল্পবোৰক আন স্তৰত ৰখা হৈছে। আইডিয়া ছফ্‌টৱেৰ ব্যৱহাৰ কৰি সলনি নকৰাকৈ সৰল যাদৃচ্ছিক নমুনা (এছ আৰ এছ ডব্লিউ অ' আৰ) পদ্ধতি ব্যৱহাৰ কৰি 'উচ্চ বিপদাশংকা' স্তৰৰ অধীনত 100 শতাংশ প্ৰকল্প হিচাপ পৰীক্ষাৰ বাবে লোৱা হৈছিল যদিও 20 শতাংশ নমুনা আন স্তৰৰ বাবে বাছনি কৰা হৈছিল।

প্ৰতিটো চিনাক্ত কৰা প্ৰকল্পত, এছ আৰ এছ ডব্লিউ অ' আৰ ব্যৱহাৰ কৰি খণ্ড আৰু গাওঁসমূহ বাছনি কৰা হৈছিল। লগতে, প্ৰতিটো নমুনাকৃত প্ৰকল্পত য'ত খণ্ডৰ সংখ্যা নটা বা ততোধিক আছিল তাত তিনিটা খণ্ড বাছনি কৰা হৈছিল আনহাতে আন প্ৰকল্পত দুটা খণ্ড বাছনি কৰা হৈছিল।

লগতে, প্ৰতিটো বাছনি কৰা খণ্ডত তলৰ 20 শতাংশ গাওঁ যাৰ গড় ঘৰুৱা বিদ্যুত ব্যৱহাৰ 'শূণ্য' বা 'নিম্ন' আছিল সেইবোৰক উচ্চ বিপদাশংকা হিচাপে গণ্য কৰা হৈছিল (2019-20 বৰ্ষৰ বাবে গাওঁ-অনুসৰি গড় ঘৰুৱা বিদ্যুত ব্যৱহাৰৰ তথ্যৰ ওপৰত আধাৰিত কৰি) আৰু হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল আনহাতে বাকী গাওঁসমূহৰ 10 শতাংশ এছ আৰ এছ ডব্লিউ অ' আৰ ব্যৱহাৰ কৰি বাছনি কৰা হৈছিল। প্ৰতিটো নিৰ্বাচিত খণ্ডৰ পৰা সৰ্বাধিক দহ খন আৰু নিম্নতম দুখন গাওঁ[80] বাছনি কৰা হৈছিল।

প্ৰতিটো বাছনি কৰা খণ্ডৰ পৰা দহজন হিতাধিকাৰীক সামৰি নিম্নতম পাঁচখন গাওঁ হিতাধিকাৰী জৰীপৰ বাবে বাছনি কৰা হৈছিল।

[79] কামৰূপ (মেট্ৰ') ওদালগুৰি, গোৱালপাৰা, ধুবুৰী, ডিমা হাচাও, ধেমাজি আৰু কাৰ্বি আংলং জিলা।

[80] সেই খণ্ডবোৰৰ বাহিৰে য'ত এখন গাওঁ বাছনিৰ বাবে উপলব্ধ আছিল।

## 2.7 আঁচনিসমূহৰ উদ্দেশ্য

আঁচনিসমূহৰ মুখ্য উদ্দেশ্যসমূহ ***সাৰণী 2.2*** ত দিয়া হৈছে

**সাৰণী 2.2**

| ডি ডি ইউ জি জে ৱাই | সৌভাগ্য |
|---|---|
| গ্ৰাম্য অঞ্চলত কৃষি আৰু অনা-কৃষি গ্ৰাহকসকলক যোগানৰ ন্যায়সংগত ৰোষ্টাৰিংৰ কাৰণে সহকৃষি আৰু অনা-কৃষি ফিডাৰৰ পৃথকীকৰণ | গ্ৰাম্য অঞ্চলত বৈদ্যুতিকৰণ নোহোৱা পৰিয়াল আৰু নগৰ অঞ্চলত অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালসমূহক অন্তিম মাইল সংযোগ আৰু বিদ্যুৎ সংযোগ প্ৰদান কৰা। |
| গ্ৰাম্য এলেকাসমূহত উপ-সৰবৰাহ আৰু বিতৰণ (এছ টি এণ্ড ডি) আন্ত:গাঁথনি শক্তিশালী আৰু উন্নীত কৰা, যাৰ ভিতৰত আছে বিতৰণ ট্ৰেন্সফৰ্মাৰ, ফিডাৰ আৰু ঘৰুৱা মিটাৰিং। | দূৰৱৰ্তী আৰু অগম্য গাওঁ/বাসস্থান, য'ত গ্ৰিড সম্প্ৰসাৰণ সম্ভৱ বা ব্যয় সাপেক্ষ নহয়, তেনে ঠাইৰ অবৈদ্যুতিকৃত পৰিয়ালসমূহক সৌৰ ফটোভল্টেক (এছ পি ভি) আধাৰিত ষ্টেণ্ডএলোন চিষ্টেম প্ৰদান কৰা। |
| মাইক্ৰ'-গ্ৰিড আৰু অফ গ্ৰিড ডিষ্ট্ৰিবিউচন নেটৱৰ্কৰ ব্যৱস্থা | |

## 2.8 পুঁজি যোগানৰ ধৰণ

দুয়োখন আঁচনিৰ পুঁজি যোগানৰ প্ৰণালী ***সাৰণী 2.3*** ত দেখুওৱা হৈছে।

**সাৰণী 2.3**

| অভিকৰণ | পুঁজিৰ প্ৰকৃতি | পুঁজিৰ পৰিমাণ (প্ৰকল্প ব্যয়ৰ শতাংশ) |
|---|---|---|
| ভাৰত চৰকাৰ | অনুদান | 85 শতাংশ |
| অসম চৰকাৰ | নিজা পুঁজি | 5 শতাংশ |
| গ্ৰাম্য বৈদ্যুতিকৰণ নিগম লিমিটেড | ঋণ | 10 শতাংশ |

## 2.9 আঁচনিসমূহৰ ভৌতিক প্ৰগতি

আগতে উল্লেখ কৰা অনুসৰি, ডিচেম্বৰ 2014 ত 2,339 খন ইউ ই গাওঁ আৰু 24,056 খন পি ই গাওঁ আছিল (ডি ডি ইউ জি জে ৱাই আঁচনি আৰম্ভ হোৱাৰ আগতে), আনহাতে 10 অক্টোবৰ 2017 তাৰিখত ৰাজ্যখনত বৈদ্যুতিকৰণ নোহোৱা পৰিয়ালৰ সংখ্যা আছিল 24,10,348 টা (সৌভাগ্য আঁচনি আৰম্ভ কৰাৰ আগতে)। আঁচনিসমূহৰ অধীনত 31 মাৰ্চ 2021 তাৰিখ পৰ্যন্ত অনুমোদিত আৰু সম্পূৰ্ণ কৰা কামৰ স্থিতি ***সাৰণী 2.4*** ত দিয়া হৈছে।

**সাৰণী 2.4**

| বিৱৰণসমূহ | ডি ডি ইউ জি জে ৱাই (আৰ জি জি ভি ৱাই-XII পৰিকল্পনা আৰু ডি ডি জি অন্তৰ্ভুক্ত) | | সৌভাগ্য | |
|---|---|---|---|---|
| | অনুমোদিত | সম্পূৰ্ণ হোৱা (31 মাৰ্চ 2021 তাৰিখ পৰ্যন্ত) | অনুমোদিত | সম্পূৰ্ণ হোৱা (31 মাৰ্চ 2021 তাৰিখ পৰ্যন্ত) |
| ইউ ই গাওঁ (সংখ্যা) | 2,339 | 996[81] | - | - |
| আংশিক বৈদ্যুতিকৰণত গাওঁ (সংখ্যা) | 16,716 | 14,898 | - | - |
| ডি টি আৰসমূহ স্থাপন (সংখ্যা) | 21,598 | 20,591 | 8,336 | 10,824 |
| নতুন আৰু বৰ্ধিত 33/11 কে ভি উপ-কেন্দ্ৰ (সংখ্যা) | 114 | 111 | - | - |

[81] অনুমোদিত 2,339 খন ইউ ই গাওঁৰ ভিতৰত, এ পি ডি চি এল-এ 996 খন ইউ ই গাওঁক বিদ্যুৎ প্ৰদান কৰিছিল আৰু বাকী 1,343 খন গাওঁত আঁচনিখনৰ কাম সম্পাদন কৰোঁতে আংশিকভাৱে বৈদ্যুতিকৰণ কৰা দেখা গৈছিল।

| বিৱৰণসমূহ | ডি ডি ইউ জি জে ৱাই (আৰ জি জি ভি ৱাই-XII পৰিকল্পনা আৰু ডি ডি জি অন্তৰ্ভুক্ত) | | সৌভাগ্য | |
|---|---|---|---|---|
| | অনুমোদিত | সম্পূৰ্ণ হোৱা (31 মাৰ্চ 2021 তাৰিখ পৰ্যন্ত) | অনুমোদিত | সম্পূৰ্ণ হোৱা (31 মাৰ্চ 2021 তাৰিখ পৰ্যন্ত) |
| 33 কে ভি লাইন (চি কে এম) | 879.5 | 589.04 | - | - |
| 11 কে ভি লাইন (চি কে এম) | 14,361.67 | 14,650.68 | 5,926.02 | 5,580.53 |
| এল টি লাইন (চি কে এম) | 20,181.22 | 24,988.76 | 16,230.36 | 20,349.09 |
| ঘৰুৱা সংযোগ (সংখ্যা) | 7,46,250 | 7,71,088 | 19,36,555 | 13,99,688 |

ওপৰোক্ত সাৰণীৰ পৰা দেখা যায় যে আঁচনিৰ অধীনত (ডি ডি ইউ জি জে ৱাই, আৰ জি জি ভি ৱাই -XII পৰিকল্পনা আৰু ডি ডি জি) অনুমোদিত 2,339 খন ইউ ই গাওঁৰ বিপৰীতে, কোম্পানীটোৱে 996 খন ইউ ই গাওঁ (আৰ জি জি ভি ৱাই- XII পৰিকল্পনাৰ অধীনত 281 খন গাওঁ, ডি ডি ইউ জি জে ৱাইৰ অধীনত 302 খন গাওঁ আৰু ডি ডি ডি জি-অফ-গ্ৰিড আঁচনিৰ অধীনত 413 খন গাওঁ) বৈদ্যুতিকৃত কৰিছিল। আঁচনিখনৰ অধীনত অনুমোদিত বাকী 1,343 ইউ ই গাওঁসমূহ আঁচনিৰ কাম সম্পাদন কৰাৰ সময়ত পি ই গাওঁ বুলি পোৱা গৈছিল। লগতে, দেখা যায় যে ডি টি আৰ স্থাপনৰ ক্ষেত্ৰত আৰু 33/11 কে ভি উপ-কেন্দ্ৰ আৰু 33 কে ভি লাইনস্থাপন, নিৰ্মাণ/বৃদ্ধিৰ ক্ষেত্ৰত, কাৰ্যকৰী মাপকাঠিবোৰ অনুমোদিত মাপকাঠিতকৈ কম আছিল। একেদৰে, 11 কে ভি লাইন, এল টি লাইন আৰু ঘৰুৱা সংযোগৰ ক্ষেত্ৰত, কাৰ্যকৰী মাপকাঠিবোৰে অনুমোদিত মাপকাঠি অতিক্ৰম কৰিছে। ওপৰোক্ত তথ্যবোৰে সূচায় যে কোম্পানীৰ দ্বাৰা ডি পি আৰ সমূহত কৰা আকলনবোৰ বাস্তৱিক ক্ষেত্ৰৰ প্ৰয়োজনীয়তাৰ ওপৰত আধাৰিত নাছিল।

লগতে, সৌভাগ্য আঁচনিৰ অ্ধীনত অনুমোদিত মুঠ 19,36,555 টা পৰিয়ালৰ ভিতৰত, কোম্পানীটোৱে 31 মাৰ্চ 2021 লৈকে 13,99,688 টা পৰিয়ালক (72 শতাংশ) বিদ্যুতিকৃত কৰিব পাৰিছিল। মুখ্যতঃ অনুমোদিত পৰিমাণতকৈ (1,493.57 কেটি টকা) অধিক ব্যয় (1,811.17 কোটি টকা) আন্তঃগাঁথনি সৃষ্টি কৰাৰ বাবে ব্যয় কৰাৰ বাবে 5,36,867 টা পৰিয়ালক আঁচনিৰ আওতাত আনিব পৰা হোৱা নাছিল। বিদ্যুত বিহীন পৰিয়ালবোৰৰ পুনৰ-জৰীপ প্ৰতিবেদনৰ ওপৰত আধাৰিত কৰি এই হ্ৰাস পূৰণ কৰিবলৈ, কোম্পানীটোৱে (মে আৰু জুন 2021) আৰ ই চিক 4,83,361 টা পৰিয়ালৰ বৈদ্যুতিকৰণৰ বাবে অতিৰিক্ত 1,815.36 কোটি টকা অনুমোদনৰ বাবে অনুৰোধ কৰিছিল (অতিৰিক্ত আন্তঃগাঁথনি সৃষ্টি সহ)। অৱশ্যে, ভাৰত চৰকাৰে (জুলাই 2021) 4,80,249 টা বিদ্যুৎবিহীন পৰিয়ালৰ বৈদ্যুতিকৰণৰ বাবে 1,718.18 কোটি টকাৰ অনুমোদন জনাইছিল। কোম্পানীটোৱে কামবোৰ সম্পাদন কৰাৰ বাবে নিবিদা আমন্ত্ৰণ কৰিছিল (ছেপ্টেম্বৰ 2021), যাৰ বিপৰীতে ই 3,81,507 টা পৰিয়ালক বিদ্যুত প্ৰদান কৰিছিল (ফেব্ৰুৱাৰী 2022 লৈকে)।

## 2.10 আঁচনিৰ বিত্তীয় প্ৰগতি

আঁচনিবোৰৰ অধীনত প্ৰকল্পবোৰ ৰূপায়ণ কৰিবলৈ কোম্পানীয়ে ফেব্ৰুৱাৰী 2022 তাৰিখলৈকে অনুমোদিত কৰা পৰিমাণ, প্ৰাপ্ত পৰিমাণ আৰু পৰিশোধ কৰা পৰিমাণৰ বিৱৰণ ***পৰিশিষ্ট 6*** ত দেখুওৱা হৈছে।

ভাৰত চৰকাৰে ডি ডি ইউ জি জে ৱাইৰ অধীনত 3,156.34 কোটি টকা অনুমোদন জনাইছিল (আৰ জি জি ভি ৱাই-দ্বাদশ পৰিকল্পনা আৰু ডি ডি জি সহ)। পুঁজি যোগানৰ আৰ্হি অনুসৰি, কোম্পানীটোৱে ভাৰত চৰকাৰৰ পৰা অনুদান হিচাপে 2,682.89 কোটি (85 শতাংশ) টকা, আৰ ই চিৰ পৰা ঋণ হিচাপে 315.63 কোটি টকা (10 শতাংশ) আৰু বাকী থকা 157.82 কোটি টকা অসম চৰকাৰৰ পৰা অনুদান হিচাপে পাব

লাগিছিল। ইয়াৰ বিপৰীতে, কোম্পানীটোৱে অনুদান হিচাপে মুঠ 2,930.69 কোটি টকা (ভাৰত চৰকাৰৰ পৰা অনুদান হিচাপে 2,402.18 কোটি টকা, আৰ ই চিৰ পৰা ঋণ হিচাপে 267.49 কোটি টকা আৰু অসম চৰকাৰৰ পৰা অনুদান হিচাপে 261.02 কোটি টকা (ৰাজ্যিক কৰ সহ)) লাভ কৰিছিল। আৰ ই চি-ৰ পৰা পোৱা অনুদান/ঋণ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰা হৈছিল, যদিও কোম্পানীয়ে এতিয়াও অসম চৰকাৰৰ পৰা অনুদান হিচাপে পোৱা 169.09 কোটি টকা ব্যৱহাৰ কৰিবলৈ বাকী আছে।

সৌভাগ্য আঁচনিৰ অধীনত, আৰ ই চিয়ে (নৱেম্বৰ 2021) 2,476.07 কোটি টকাৰ[82] মুঠ ব্যয়ৰ অনুমোদন জনাইছিল। মুঠ ব্যয়ৰ বিপৰীতে কোম্পানীটোৱে ভাৰত চৰকাৰৰ পৰা ৰাজসাহায্য/অনুদান হিচাপে 1,876.08 কোটি টকা আৰ ই চিৰ পৰা ঋণ হিচাপে 225.72 কোটি টকা আৰু অসম চৰকাৰৰ পৰা অৱদান হিচাপে 196.23 কোটি টকা লাভ কৰিছিল। কোম্পানীটোৱে এতিয়াও আৰ ই চিৰ পৰা 61.20 কোটি টকা আৰু অসম চৰকাৰৰ পৰা 96.33 কোটি টকা অনুদান/ৰাজসাহায্য লাভ কৰিবলৈ বাকী আছে। আৰ ই চি-ৰ দ্বাৰা 61.20 কোটি টকা মুকলি নকৰাৰ মুখ্য কাৰণ আছিল আঁচনিখনৰ পৰিপ্ৰস্তাৱ দাখিল কৰাত পলম হোৱা। মুঠ প্ৰাপ্ত পুঁজিৰ বিপৰীতে, কোম্পানীটোৱে আঁচনিৰ কামৰ বিপৰীতে পৰিশোধৰ বাবে 2,282.43 কোটি টকা ব্যয় কৰিছিল। ফেব্ৰুৱাৰী 2022 লৈকে, কোম্পানীৰ ওচৰত 15.60 কোটি টকা অব্যয়িত আঁচনি পুঁজি আছিল।

## 2.11 কামসমূহৰ অনুমোদন, আৱন্টন আৰু পূৰ্ণতাৰ বিৰৰণ

প্ৰকল্প অনুসৰি অনুমোদন, এনআইটি, আৱন্টন, ডি ডি ইউ জি জে ৱাই আৰু সৌভাগ্যৰ অধীনত হোৱা ব্যয়ৰ বিৰৰণ ক্ৰমান্বয়ে ***পৰিশিষ্ট 7*** আৰু ***পৰিশিষ্ট 8*** ত দেখুওৱা হৈছে। অনুমোদন, আৱন্টন আৰু কামসমূহৰ সম্পূৰ্ণ কৰাৰ সংক্ষিপ্ত বিৰৰণ ***সাৰণী 2.5*** ত দেখুওৱা হৈছে।

**সাৰণী2.5**

| আঁচনিৰ নাম | জিলাৰ সংখ্যা | অনুমোদনৰ ম্যাদ | অনুমোদিত ব্যয় (কোটি টকাত) | এন আই টি/কামৰ আৱন্টনৰ ম্যাদ | পেকেজৰ সংখ্যা | আৱন্টিত ব্যয় (কোটি টকাত) | মুকলি কৰা পৰিমাণ (কোটি টকাত) | সম্পূৰ্ণ হোৱাৰ ম্যাদ |
|---|---|---|---|---|---|---|---|---|
| ডি ডি ইউ জি জে ৱাই | 27 | ডিচেম্বৰ 2013 ৰ পৰা ছেপ্টেম্বৰ 2018 লৈ | 3,156.34 | জুলাই 2014 ৰ পৰা অক্টোবৰ 2019 লৈ | 324 | 3041.32 | 2761.59 | জানুৱাৰী 2017 ৰ পৰা ডিচেম্বৰ 2021 লৈ |
| সৌভাগ্য | 27 | জুলাই 2018 পৰা অক্টোবৰ 2019 লৈ | 2,598.56[83] | মাৰ্চ 2018 ৰ পৰা অক্টোবৰ 2020 লৈ | 153 | 2,476.07 | 2,282.43 | জানুৱাৰী 2019 ৰ পৰা মাৰ্চ 2021 লৈ |

ডি ডি ইউ জি জে ৱাই আঁচনিৰ ক্ষেত্ৰত গোটেই 324 টা পেকেজ নিবিদাৰ জৰিয়তে প্ৰদান কৰা হৈছিল। অৱশ্যে, সৌভাগ্য আঁচনিত, 56 টা পেকেজ নতুন নিবিদাৰ জৰিয়তে প্ৰদান কৰা হৈছিল, আনহাতে বৰ্তমানৰ ডি ডি ইউ জি জে ৱাই ঠিকাদাৰসকলক 52 টা পেকেজ প্ৰদান কৰা হৈছিল আৰু সৌভাগ্যৰ ঠিকাদাৰসকলক 45 টা পেকেজ প্ৰদান কৰা হৈছিল, যাক ইতিমধ্যে 56 টা প্ৰকল্পৰ বিপৰীতে বাছনি কৰা হৈছিল। তালিকাভুক্ত ঠিকাদাৰৰ জৰিয়তে কামবোৰ সম্পাদন কৰাৰ বাবে কোম্পানীৰ দ্বাৰা ক্ষেত্ৰ কাৰ্যালয় পৰ্যায়ত এল অ' এ

[82] আৰ ই চিৰ দ্বাৰা অনুমোদিত 2,598.56 কোটি টকাৰ বিপৰীতে।

[83] সৌভাগ্য আঁচনিৰ অধীনত প্ৰকল্পৰ ব্যয় সামগ্ৰিকভাৱে অসম ৰাজ্যৰ বাবে অনুমোদিত হৈছিল, জিলা অনুসৰি নহয়।

জাৰী কৰা হৈছিল। সেয়েহে, আৱন্টনৰ তাৰিখ, সম্পূৰ্ণ হোৱাৰ তাৰিখ, ঠিকাদাৰ সকলৰ নাম আদিৰ দৰে বিৱৰণ মুখ্য কাৰ্যালয়ত উপলব্ধ নাছিল।

## 2.12 আঁচনিৰ ফলাফল

আঁচনিসমূহ ৰূপায়ণ কৰাৰ আগতে, অসমত 26,395 খন গাওঁ আছিল, যাৰ ভিতৰত 2,339 খন গাওঁ অবিদ্যুতকৃত (ইউ ই) আছিল আৰু বাকী 24,056 খন গাওঁ আংশিকভাৱে বৈদ্যুতিকৃত (পি ই) আছিল। আঁচনিসমূহৰ অধীনত, 2,339 খন ইউ ই আৰু 16,716 খন পি ই গাওঁক বৈদ্যুতিকৰণৰ বাবে অনুমোদন জনোৱা হৈছিল। আঁচনিসমূহৰ ৰূপায়ণৰ ফলত, মাৰ্চ 2021 লৈকে 996 খন ইউ ই গাওঁ[84] (42.58 শতাংশ) আৰু 14,898 খন পি ই গাওঁত (89.12 শতাংশ) বৈদ্যুতিকৰণৰ কাম সম্পন্ন কৰা হৈছিল।

ঘৰুৱা বৈদ্যুতিকৰণৰ ক্ষেত্ৰত, অক্টোবৰ 2017 তাৰিখলৈকে অসমত মুঠ 51,88,986 টা গ্ৰাম্য পৰিয়াল আছিল, যাৰ ভিতৰত 27,78,638 টা গ্ৰাম্য পৰিয়ালক (53.55 শতাংশ) বিদ্যুৎ সংযোগ দিয়া হৈছিল আৰু বাকী থকা 24,10,348 টা পৰিয়াল (46.45 শতাংশ) বিদ্যুৎবিহীন আছিল। আঁচনিসমূহৰ ৰূপায়ণৰ ফলত, 2022 চনৰ মাৰ্চ মাহলৈকে ৰাজ্যখনত ঘৰুৱা বৈদ্যুতিকৰণৰ সংখ্যা 45,59,833 টা পৰিয়াললৈ (87.88 শতাংশ) বৃদ্ধি পাইছিল। লগতে, হিতাধিকাৰী জৰীপৰ সময়ত, হিতাধিকাৰীসকলে আঁচনিৰ ফলাফল আৰু পৰিয়ালৰ বৈদ্যুতিকৰণৰ পৰা প্ৰাপ্ত লাভালাভৰ প্ৰতি ইতিবাচক সঁহাৰি জনাইছিল। হিচাপ পৰীক্ষাৰ দ্বাৰা কৰা হিতাধিকাৰী জৰীপৰ পৰা ওলোৱা অন্যান্য ফলাফলবোৰ ***দফা 2.19*** ত আলোচনা কৰা হৈছে।

## হিচাপ পৰীক্ষাৰ ফলাফল- ডি ডি ইউ জি জে ৱাই

হিচাপ পৰীক্ষাত বিশ্লেষণ কৰা অনুসৰি আঁচনিখনৰ অধীনত প্ৰদৰ্শনৰ বিষয়ে তলত আলোচনা কৰা হৈছে:

## 2.13 পৰিকল্পনাৰ ওপৰত পৰ্যৱেক্ষণ

### 2.13.1 প্ৰয়োজনীয় মূল্যায়ন নথি প্ৰস্তুত নকৰা

পৰিকল্পনা আৰু প্ৰকল্প প্ৰস্তুতিকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে ডি ডি ইউ জি জে ৱাই আঁচনিৰ নিৰ্দেশনাৱলীত নিৰ্ধাৰণ কৰা হৈছে যে কোম্পানীয়ে কাম আৰু ব্যয়ৰ আকলনৰ প্ৰস্তাৱিত পৰিসৰ যুক্তিসংগত কৰাৰ বাবে সকলো প্ৰাসঙ্গিক তথ্য থকা প্ৰয়োজনীয় মূল্যাংকন নথিপত্ৰ (এন এ ডি) প্ৰস্তুত কৰিব লাগে আৰু সেইবোৰ আৰ ই চিৰ ওচৰত দাখিল কৰিব লাগে। আৰ ই চিৰ দ্বাৰা এন এ ডি-ৰ পৰীক্ষা আৰু বৈধতাৰ সত্যাপিত কৰাৰ পিছত, কোম্পানীয়ে বিতং ক্ষেত্ৰ জৰীপ আৰু হাৰৰ শেহতীয়া অনুমোদিত অনুসূচীৰ ওপৰত আধাৰিত কৰি জিলা চক্ৰ অঞ্চল অনুসৰি বিতং প্ৰকল্প প্ৰতিবেদন (ডি পি আৰ) প্ৰস্তুত কৰিব। কোম্পানীৰ দ্বাৰা প্ৰস্তুত আৰ ই চি-ৰ দ্বাৰা সত্যাপিত এন এ ডি ৰ এনে কোনো বিৱৰণ হিচাপ পৰীক্ষাৰ বাবে উপলব্ধ কৰোৱা হোৱা নাছিল। আঁচনিৰ অধীনত সাফল্যতাৰ মানদণ্ড নিৰ্ধাৰণ কৰিবলৈ কোম্পানীটোৱে বি পি এল পৰিয়াল, কৃষি জাত আৰু অনা-কৃষি গ্ৰাহকৰ সংখ্যা, পৃথকীকৰণৰ প্ৰয়োজন হোৱা উমৈহতীয়া পৰিবাহী ব্যৱস্থা, এ টি চি লোকচানৰ তথ্য, লোড শ্বেডিং ইত্যাদিৰ কোনো তথ্য উপলব্ধ কৰোৱা নাছিল। কোম্পানীটোৱে অৱশ্যে, পৰামৰ্শদাতা সকলৰ নিযুক্তিৰ জৰিয়তে ৰাজ্যখনৰ গোটেই 27 খন জিলাৰ বাবে 6,435 কোটি টকাৰ (মূল

[84] 2,339 খন গাওঁৰ ভিতৰত, 1,343 খন গাওঁ মৃত্যুদণ্ডৰ সময়ত আংশিকভাৱে বৈদ্যুতিকৰণ হোৱা দেখা গৈছিল।

ডি পি আৰ) প্ৰস্তাৱিত ব্যয় আকলনৰ সৈতে ডি পি আৰ প্ৰস্তুত কৰিছিল[85] আৰু অনুমোদনৰ বাবে আৰ ই চিৰ ওচৰত (এপ্ৰিল 2015 আৰু জানুৱাৰী 2016) দাখিল কৰিছিল। শক্তি মন্ত্ৰালয়ৰ (এম অ' পি) নিৰীক্ষণ সমিতিয়ে (এম চি) (আগষ্ট 2015 আৰু এপ্ৰিল 2016) ডি পি আৰ সমূহক অনুমোদন জনাইছিল আৰু ৰাজ্যখনক প্ৰস্তাৱিত ব্যয়ৰ (6,435 কোটি টকাৰ) বিপৰীতে 1,274 কোটি টকাৰ অনুমোদন জনাইছিল। সেই অনুসৰি কোম্পানীটোৱে 27 খন জিলাৰ বাবে 1,274 কোটি টকাৰ অনুমোদিত পৰিমাণৰ ভিতৰত আঁচনিখন ৰূপায়ণ কৰিবৰ বাবে সংশোধিত ডি পি আৰ প্ৰস্তুত কৰিছিল। অৱশ্যে, আঁচনিখনৰ অধীনত প্ৰকল্প ৰূপায়ণৰ বাবে কোম্পানীৰ দ্বাৰা যোগ্য প্ৰকল্প ক্ষেত্ৰবোৰক প্ৰাথমিকতা প্ৰদৰ্শন কৰাৰ কোনো তথ্যপমাণ পোৱা নগ'ল।

### 2.13.2 ডি পি আৰ প্ৰস্তুত কৰা পৰামৰ্শদাতাৰ বাবে অযথা লাভালাভ

কোম্পানীটোৱে 12 খন জিলা (59 খন এচ এ জি ৱাই[86] গাওঁসহ) আৰু 15 খন জিলাৰ (58 খন এচ এ জি ৱাই গাওঁসহ) জৰীপ আৰু ডি পি আৰ প্ৰস্তুতিৰ কাম অনুমোদিত ডি পি আৰ ব্যয়ৰ 0.85 শতাংশ হাৰত ক্ৰমান্বয়ে ডব্লিউ এ পি চি অ' এচ আৰু আৰ ই চি পি ডি চি এলক[87] প্ৰদান কৰিছিল (মে - জুন 2015) । ডি পি আৰ প্ৰস্তুত কৰাৰ বাবে কামৰ পৰিসৰৰ ভিতৰত আছিল গাওঁ/ বাসস্থান, আন্তঃগাৰ্থনি (এইচ টি লাইন, এল টি লাইন আৰু ডি টি আৰ), ডি টি আৰ/ পৰিবাহী ব্যৱস্থাৰ মিটাৰিং, জি আই এছ/জি পি এছ মেপিং আদিৰ জৰীপ। এইটো লক্ষ্য কৰা হৈছিল যে ডব্লিউ এ পি চি অ' এচ আৰু আৰ ই চি পি ডি চি এল-এ গ্ৰাম্য অঞ্চলত 117 খন এচ এ জি ৱাই গাওঁ আৰু ডি টি আৰ/পৰিবাহী ব্যৱস্থাৰ মিটাৰিংৰ কোনো ক্ষেত্ৰ জৰীপ কৰা নাছিল। পৰামৰ্শদাতা সকল (আৰ ই চি পি ডি চি এল) 58 খন এচ এ জি ৱাই গাওঁ আৰু ডি টি আৰ/পৰিবাহী ব্যৱস্থাৰ মিটাৰিংৰ জৰীপ কৰাত ব্যৰ্থ হোৱা স্বত্তেও কোম্পেনীটোৱে এচ এ জি ৱাই আৰু গাওঁৰ ডি টি আৰ/পৰিবাহী ব্যৱস্থাৰ মিটাৰিংৰ জৰীপৰ কামৰ প্ৰাৰম্ভিক দাবীৰ বিপৰীতে জানুৱাৰী 2022 লৈকে আৰ ই চি পি ডি চি এলক 0.23 কোটি টকা পৰিশোধ কৰিছিল।

সামৰণি বৈঠকত এম ডি-য়ে ( জানুৱাৰী 2022) উল্লেখ কৰিছিল যে কোম্পানীটোৱে প্ৰকল্পটো ৰূপায়ণৰ সুবিধাৰ বাবে আৰ ই চি পি ডি চি এলক প্ৰকল্প ব্যৱস্থাপনাৰ সংস্থাৰ কাম প্ৰদান কৰিছিল কিয়নো ই আৰ ই চিৰ (নোডেল এজেঞ্চী) সহায়ক আছিল। এম ডি য়ে আৰু কৈছিল যে এছ এ জি ৱাই আৰু মিটাৰিং সম্পৰ্কীয় জৰীপৰ কামৰ পৰিশোধ প্ৰথমতে স্থগিত ৰাখিছিল কিন্তু পৰৱৰ্তী সময়ত আৰ ই চি পি ডি চি এলৰ অনুৰোধত পৰিশোধ মুকলি কৰি দিয়া হৈছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো কোম্পানীয়ে এচ এ জি ৱাই গাওঁ আৰু মিটাৰিংৰ জৰীপৰ কামৰ বাবে ডব্লিউ এ পি চি অ' এচক কোনো আদায় মুকলি কৰা নাছিল কিয়নো ডব্লিউ এ পি চি অ' এচে কোনো ক্ষেত্ৰ জৰীপ কৰা নাছিল। হয়াৰ বিপৰীতে কিন্তু, কোম্পানীয়ে ইয়াৰ বিত্তীয় স্বাৰ্থ উপেক্ষা কৰি আৰ ই চি পি ডি চি এলক পৰিশোধ মুকলি কৰিছিল যদিও আৰ ই চি পি ডি চি এল এও কোনো ক্ষেত্ৰ জৰীপ কৰা নাছিল।

---

85 ডি পি আৰ প্ৰস্তুত কৰাৰ তাৰিখ ৰেকৰ্ডত পোৱা নগ'ল বা কোম্পানীয়ে প্ৰদান কৰা নাছিল।

86 সংসদ আদৰ্শ গ্ৰাম যোজনা (এছ এ জি ৱাই) হৈছে ভাৰত চৰকাৰৰ (গ্ৰামোন্নয়ন মন্ত্ৰালয়) ৰ দ্বাৰা আৰম্ভ কৰা এক গ্ৰামোন্নয়ন কাৰ্যসূচী (2014) যি গাওঁবোৰৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এছ এ জি ৱাই-ৰ অধীনত, প্ৰতিজন সংসদ সদস্যই এখন গ্ৰাম পঞ্চায়ত গ্ৰহণ কৰে আৰু আন্তঃগাঁথনিৰ সমতুল্য সামাজিক বিকাশৰ বাবে গুৰুত্ব প্ৰদান কৰি ইয়াৰ সামগ্ৰিক প্ৰগতিৰ নিৰ্দেশনা দিয়ে।

87 আৰ ই চি পাৱাৰ ডিষ্ট্ৰিবিউচন কোম্পানী লিমিটেড (আৰ ই চি পি ডি চি এল), আৰ ই চি লিমিটেডৰ সম্পূৰ্ণ মালিকানাধীন সহায়ক (ডি ডি ইউ জি জে ৱাই আঁচনি ৰূপায়ণৰ বাবে নোডাল এজেন্সি)।

### 2.13.3 পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণৰ কাম গ্ৰহণ নকৰা

ডি ডি ইউ জি জে ৱাই আঁচনিয়ে কৃষি আৰু অনা-কৃষি পৰিবাহী ব্যৱস্থা পৃথক কৰাৰ পৰিকল্পনা কৰিছে যাতে অনা-কৃষি উপভোক্তাসকলক বৰ্ধিত বিজুলী যোগান আৰু কৃষিজাত গ্ৰাহক সকলক নিশ্চিত বিজুলী যোগান ধৰাটো সম্ভৱ হয়। মূল ডি পি আৰবোৰত কোম্পানীটোৱে অসমৰ 9 খন জিলাৰ 92 টা পৰিবাহী ব্যৱস্থাৰ ক্ষেত্ৰত পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণৰ কামৰ বিপৰীতে 94 কোটি টকা অনুমোদনৰ প্ৰস্তাৱ দিছিল। এইটো লক্ষ্য কৰা হৈছিল যে এম চি, শক্তি মন্ত্ৰালয়ে অসমত পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণৰ কামৰ বাবে কোনো পুঁজি মঞ্জুৰ কৰা নাছিল আৰু কোম্পানীও ইয়াৰ বাবে অসম চৰকাৰৰ কাষ চপা নাছিল। সেয়েহে, কৃষিজাত পৰিবাহী ব্যৱস্থাসমূহৰ পৃথকীকৰণ নকৰাৰ বাবে কৃষি আৰু অনা-কৃষি গ্ৰাহকৰ মাজত শক্তিৰ সৰ্ব্বোত্তম ৰোষ্টাৰিংৰ উদ্দেশ্য প্ৰাপ্ত কৰিব পৰা নগ'ল।

উত্তৰত কোম্পানীটোৱে (জানুৱাৰী 2022) কৈছিল যে অসম এখন কৃষিজাত ৰাজ্য হোৱাৰ বাবে নগৰ পৰিবাহী ব্যৱস্থাৰ বাহিৰে বেছিভাগ পৰিবাহী ব্যৱস্থাই ৰাজ্যখনৰ কৃষি ক্ষেত্ৰবোৰক শক্তি প্ৰদান কৰে।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো যি পৰিবাহী ব্যৱস্থাই কৃষি ক্ষেত্ৰবোৰক পৰিবাহী শক্তি প্ৰদান কৰে সেই একেই ব্যৱস্থাই ঘৰুৱা, বাণিজ্যিক, ঔদ্যোগিক গ্ৰাহকৰ প্ৰয়োজনীয়তাও পূৰণ কৰে যিবোৰ অকৃষিজাত প্ৰকৃতিৰ। সেয়েহে, পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণে কৃষি আৰু অনা-কৃষি গ্ৰাহকসকলৰ মাজত তেওঁলোকৰ প্ৰকৃত প্ৰয়োজনীয়তা আৰু বিদ্যুতৰ উপলব্ধতাৰ ওপৰত আধাৰিত কৰি বিদ্যুৎ যোগানৰ ন্যায়সংগত ৰোষ্টাৰিংত সহায় কৰিব পাৰিলেহেঁতেন।

## 2.14 কামৰ আৱণ্টনৰ ওপৰত পৰ্যবেক্ষণ

### 2.14.1 প্ৰকল্প ব্যৱস্থাপনা সংস্থাক (পি এম এ) অপ্ৰাপ্য লাভালাভ

অসমত ডি ডি ইউ জি জে ৱাইৰ অধীনৰ 11 খন জিলাৰ বাবে ভাৰত চৰকাৰে প্ৰথম পৰ্যায়ত 316.28 কোটি টকাৰ (পি এম এ মাচুল বাদ দি) অনুমোদন জনাইছিল (আগষ্ট 2015)। সেই অনুসৰি কোম্পানীয়ে 10 খন ফাৰ্মৰ পৰা (নৱেম্বৰ 2015) আগ্ৰহৰ অভিব্যক্তিৰ (ই অ' আই) আহ্বান জনাইছিল। প্ৰস্তাৱিত সৰ্বনিম্ন হাৰ যি প্ৰকল্প ব্যয়ৰ 0.29 শতাংশ আছিল তাৰ ওপৰত আধাৰ কৰি কোম্পানীয়ে প্ৰথম পৰ্যায়ত 11 খন জিলাৰ বাবে ডব্লিউ এ পি চি অ' এচ লিমিটেডক পি এম এ হিচাপে নিযুক্ত কৰিছিল।

27 খন জিলাৰ প্ৰকল্পৰ কাম (দ্বিতীয় পৰ্যায়) আগবঢ়াই নিয়াৰ বাবে ভাৰত চৰকাৰে পুনৰ (এপ্ৰিল 2016) 951.48 কোটি টকাৰ[88] (পি এম এ মাচুল বাদ দি) অনুমোদন জনাইছিল। কোম্পানীৰ অনুৰোধত (মে 2016) ডব্লিউ এ পি চি অ' এচ (মে 2016) সেই 11 খন জিলাত দ্বিতীয় পৰ্যায়ৰ বাবে পি এম এ হিচাপে কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল য'ত ই একে হাৰ আৰু চৰ্তাৱলী আৰু নিয়মাৱলীত প্ৰথম পৰ্যয়ৰ অধীনত পি এম এ হিচাপে কাম কৰি আছিল।

ইয়াৰ পিছত কোম্পানীটোৱে বাকী থকা 16 খন জিলাৰ বাবে পি এম এ হিচাপে নিযুক্তিৰ বাবে 10 খন ফাৰ্মৰ পৰা (জুলাই 2016) ই অ' আইৰ আহ্বান জনাইছিল। অৱশ্যে পৰৱৰ্তী সময়ত কোনো নথিভুক্ত যুক্তি অবিহনে (আগষ্ট 2016) ই অ' আই বাতিল কৰা হৈছিল আৰু কোম্পানীয়ে ডব্লিউ এ পি চি অ' এচক

---

[88] 623.46 কোটি টকা (প্ৰথম পৰ্যায়ৰ অধীনত অন্তৰ্ভুক্ত 11 খন জিলাৰ বাবে অতিৰিক্ত অনুমোদন) লগতে 328.02 কোটি টকা (বাকী 16 খন জিলাৰ বাবে অনুমোদন।

কামটো প্ৰদান কৰাৰ পৰিৱৰ্তে আৰ ই চি পি ডি চি এলক (নৱেম্বৰ 2016) দ্বিতীয় পৰ্যায়ত গোটেই 27 খন জিলাত পি এম এৰ কাম কৰাৰ বাবে প্ৰস্তাৱ দাখিল কৰাৰ বাবে অনুৰোধ কৰিছিল। আগবঢ়োৱা হাৰৰ ওপৰত আধাৰিত কৰি কোম্পানীয়ে গোটেই 27 খন জিলাত পি এম এৰ কাম কৰাৰ বাবে 951.48 কোটি টকা প্ৰকল্প ব্যয়ৰ 1 শতাংশত আৰ ই চি পি ডি চি এলক (ডিচেম্বৰ 2016) এল অ' এ জাৰী কৰিছিল।

যদিও ডব্লিউ এ পি চি অ' এচে দ্বিতীয় পৰ্যায়ৰ 11 খন জিলাত প্ৰকল্প ব্যয়ৰ 0.29 শতাংশৰ হাৰত কামটো কৰিবলৈ ইচ্ছুক আছিল সেয়েহে, উচ্চ হাৰত আৰ ই চি পি ডি চি এলক কামটো প্ৰদান কৰাৰ কোম্পানীৰ অবিবেচক / স্বেচ্ছাচাৰী সিদ্ধান্তৰ বাবে কোম্পানীটোৱে 4.43 কোটি টকাৰ[89] পৰিহাৰ যোগ্য ব্যয় বহণ কৰিব লগা হৈছিল।

উত্তৰত কোম্পানীয়ে (জানুৱাৰী 2022) কৈছিল যে ই বি অ' ডি-ৰ অনুমোদন অনুসৰি প্ৰকল্প ব্যয়ৰ এক শতাংশত আৰ ই চি পি ডি চি এলক পি এম ৰে কাম আৱন্টন কৰা হৈছিল আৰু আৰ ই চিয়েও পিছৰ পৰ্যায়ত প্ৰকল্প ব্যয়ৰ এক শতাংশলৈ পি এম এ মাচুল বৃদ্ধি কৰিছিল।

উত্তৰটোত যৌক্তিকতাৰ অভাৱ আছিল কিয়নো কোম্পানীটোৱে ইয়াৰ বিত্তীয় স্বাৰ্থ সুৰক্ষিত কৰাত ব্যৰ্থ হৈছিল আৰু কম হাৰত ডব্লিউ এ পি চি অ' এচৰ জৰিয়তে কামবোৰ সম্পাদন কৰাৰ পৰিৱৰ্তে অধিক হাৰত আৰ ই চি পি ডি চি এলক পি এম এৰ কাম প্ৰদান কৰি চৰকাৰী কোষাগাৰৰ ওপৰত অতিৰিক্ত বোজা পৰিহাৰ কৰাত ব্যৰ্থ হৈছিল। লগতে, প্ৰকল্প ব্যয়ৰ এক শতাংশলৈ পি এম এ মাচুল বৃদ্ধি হোৱা স্বত্তেও অতিৰিক্ত ব্যয় পৰিহাৰ কৰিব পৰা গ'লহেঁতেন।

### 2.14.2 একে ধৰণৰ সামগ্ৰীৰ বাবে ভিন্ন হাৰৰ অনুমতি দি ঠিকাদাৰক অপ্ৰাপ্য লাভালাভ প্ৰদান কৰা

চুক্তি-পূৰ্ব অখণ্ডতা চুক্তি[90] অনুসৰি, *নিবিদাদাতাই প্ৰতিশ্ৰুতি দিয়ে যে ই আন কোনো মন্ত্ৰালয় বা ভাৰত চৰকাৰৰ বিভাগ বা পি এছ ইউৰ সন্দৰ্ভত বৰ্তমানৰ নিবিদাত আগবঢ়োৱা মূল্যতকৈ কম মূল্যত একে ধৰণৰ সামগ্ৰী/প্ৰণালী বা উপ-প্ৰণালী যোগান ধৰা নাই/ নধৰে। যদি যিকোনো পৰ্যায়ত দেখা যায় যে নিবিদাদাতাই আন যিকোনো মন্ত্ৰালয় / ভাৰত চৰকাৰৰ বিভাগ বা পি এছ ইউক কম মূল্যত একে ধৰণৰ সামগ্ৰী / প্ৰণালী বা উপ-প্ৰণালী যোগান ধৰিছিল, তেনেহ'লে অতিবাহিত সময়ৰ বাবে উপযুক্ত ভাট্টাৰ সৈতে সেই মূল্য বৰ্তমানৰ ক্ষেত্ৰত প্ৰযোজ্য হব আৰু ব্যয়ৰ পাৰ্থক্য নিবিদাদাতাই ক্ৰেতাক ঘূৰাই দিব লাগিব, যদিহে চুক্তি ইতিমধ্যে সম্পূৰ্ণ হৈছে।*

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে 8 জন ঠিকাদাৰে তেওঁলোকক প্ৰদান কৰা 30 টা পেকেজত একে ধৰণৰ সামগ্ৰীৰ (যেনে মেৰু, কণ্ডাক্টৰ, ডিটিআৰ ইত্যাদি) বিভিন্ন হাৰ উদ্ধৃত কৰিছিল। কোম্পানীয়ে কিন্তু, নিবিদাসমহ মূল্যায়ন কৰোতে ওপৰোক্ত ধাৰাটো বলবৎ কৰাৰ ক্ষেত্ৰত দক্ষতা প্ৰয়োগ কৰা নাছিল। ইয়াৰ ফলত অতিৰিক্ত 10.48 কোটি টকা ব্যয় হৈছিল যাক ঠিকাদাৰসকলে ঘূৰাই দিয়া নাছিল আৰু কোম্পানীয়েও দাবী কৰা নাছিল।

সামৰণি বৈঠকত, এম ডি-য়ে (জানুৱাৰী 2022) উল্লেখ কৰিছিল যে কোম্পানীয়ে ঠিকাদাৰসকলে একে ধৰণৰ সামগ্ৰীৰ বাবে উদ্ধৃত কৰা হাৰবোৰ এটা পেকেজৰ ভিতৰত তুলনা কৰিছিল, কিন্তু বেলেগ

[89] 623.46 কোটি টকা x (1.00-0.29) শতাংশ = 4.43 কোটি টকা।

[90] মানক নিবিদা দস্তাবেজৰ খণ্ড II, শাখা II, অনুচ্ছেদ 7.1

পেকেজবোৰত তুলনা কৰা নাছিল। ইয়াৰ উপৰিও ভিন্ন ঠাইত বিতৰণ কৰাৰ বাবে একে সামগ্ৰীৰো ভিন্ন হাৰ হ'ব পাৰে।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো মানক নিবিদা দস্তাৱেজে পেকেজৰ ভিতৰত একে ধৰণৰ সামগ্ৰীৰ মূল্যৰ তুলনা সীমিত নকৰে। লগতে, কামৰ বাহিৰৰ খৰচৰ হাৰৰ পাৰ্থক্যৰ প্ৰশ্ন উত্থাপিত নহয় কিয়নো ঠিকাদাৰসকল পৃথকে পৰিবহন ব্যয় আৰু বীমা মাচুলৰ দাবীদাৰ আছিল।

## 2.15 কাৰ্যৰ সম্পাদন সম্পৰ্কীয় পৰ্যবেক্ষণ

চুক্তি ৰূপায়ণত হিচাপ পৰীক্ষাই তলত উল্লেখ কৰা ধৰণৰ অনিয়মসমূহ লক্ষ্য কৰিছিল:

### 2.15.1 নিম্ন মানদণ্ডৰ বিতৰণ ট্ৰেন্সফৰ্মাৰৰ ক্ৰয়

আৰ ই চি-ৰ দ্বাৰা প্ৰচাৰিত(জুন 2015) মানক নিবিদা দস্তাবেজ (এচ বি ডি)[91] অনুসৰি, প্ৰতিটো বিতৰণ ট্ৰেন্সফৰ্মাৰত (ডি টি আৰ) নিম্নতম 4-ষ্টাৰ লেবেল থাকিব লাগিব যি আই এছ 1180 (ভাগ-1):2014-ত নিৰ্ধাৰিত কৰা অনুসৰি ডি টি আৰৰ কে ভি এ ৰেটিংত শক্তি দক্ষতাৰ স্তৰ-2 আৰু ততোধিক চৰ্ত পূৰণ কৰে। অৱশ্যে, আৰ ই চি-ৰ দ্বাৰা জাৰী কৰা এছ বি ডিৰ খণ্ড -II শাখা -III মূল্য অনুসূচীত ডি টি আৰৰ সৈতে 3-ষ্টাৰ শব্দটো অজানিতে উল্লেখ কৰা হৈছিল। ইয়াৰ পিছত আৰ ই চিয়ে (মাৰ্চ 2017) এক স্পষ্টীকৰণ জাৰী কৰিছিল যে ডি টি আৰবোৰ আই এছ 1180 (ভাগ-1):2014 (আগৰ 4-ষ্টাৰ ৰেটিংৰ সমান) নিৰ্ধাৰিত অনুসৰি শক্তি দক্ষতা স্তৰ-2 আৰু ততোধিক হ'ব লাগিব।

উল্লেখ কৰিব লাগিব যে 3-ষ্টাৰ ৰেটেড ডি টি আৰৰ (25 কে ভি এ আৰু 63 কে ভি এ দুয়োটা) শক্তিৰ লোকচান 4-ষ্টাৰ ৰেটেড ডি টি আৰৰ তুলনাত প্ৰায় 10 শতাংশ[92] অধিক আছিল। এই কথা বিবেচনা কৰি, কোম্পানীয়ে ডি ডি ইউ জি জে ৱাইৰ অধীনত ক্ৰয় কৰিবলগা ডি টি আৰৰ কাৰিকৰী নিৰ্দিষ্টকৰণ সম্পৰ্কে আৰ ই চিৰ পৰা স্পষ্টীকৰণ বিচাৰিব লাগিছিল। কোম্পানীটোৱে অৱশ্যে এই সন্দৰ্ভত আৰ ই চিৰ পৰা কোনো স্পষ্টীকৰণ বিচৰা নাছিল আৰু 22 টা পেকেজৰ অধীনত কাম সম্পাদনৰ বাবে নিবিদা আমন্ত্ৰণ কৰাৰ সময়ত ডি টি আৰৰ কাৰিকৰী নিৰ্দিষ্টকৰণ ইয়াৰ নিজা এছ বি ডিৰ খণ্ড-1-ত 3-ষ্টাৰ হিচাপে উল্লেখ কৰিছিল। ইয়াৰ ফলস্বৰূপে, কোম্পানীটোৱে 3-ষ্টাৰ ৰেটিং শক্তি দক্ষতাৰ 2,328 টা ডি টি আৰ (25 কোটি টকা মূল্যৰ) ক্ৰয় কৰি লৈছিল।

সামৰণি বৈঠকত, এম ডি-য়ে (জানুৱাৰী 2022) উল্লেখ কৰিছিল যে কোম্পানীয়ে এছ বি ডি-ত অসঙ্গতিৰ বাবে নিবিদা দিয়াৰ সময়ত ডি টি আৰৰ কাৰিকৰী নিৰ্দিষ্টকৰণ 3-ষ্টাৰ হিচাপে সংশোধন কৰিছিল। লগতে, কোম্পানীয়ে 3-ষ্টাৰ ৰেটেড ডি টি আৰ ক্ৰয় কৰিছিল আৰু নিবিদাৰ চৰ্ত অনুসৰি কেৱল 3-ষ্টাৰ ডি টি আৰৰ বিপৰীতেহে পৰিশোধ কৰিছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো দক্ষতা প্ৰয়োগ কৰাত ব্যৰ্থ হৈছিল কিয়নো কোম্পানীয়ে অধিক শক্তি লোকচানৰ ডি টি আৰ ক্ৰয় কৰিছিল, যি আঁচনিৰ কামৰ অধীনত শক্তি দক্ষ সঁজুলি স্থাপনৰ মনোভাৱৰ বিপৰীতে আছিল।

---

[91] খণ্ড-1 শাখা VII ৰ অনুচ্ছেদ E (6)

[92] 25 কে ভি এ ডি টি আৰৰ বাবেঃ 100 শতাংশ লোডত শক্তিৰ ক্ষতিঃ {695 ৱাট (3 ষ্টাৰ) বিয়োগ 635 ৱাট (4 ষ্টাৰ)} অৰ্থাৎ 9.45 শতাংশ। 63 কে ভি এ ডি টি আৰৰ বাবেঃ 100 শতাংশ লোডত শক্তিৰ লোকচানঃ {1250 ৱাট (3 ষ্টাৰ) বিয়োগ 1140 ৱাট (4 ষ্টাৰ)} অৰ্থাৎ 9.65 শতাংশ।

## 2.15.2 বিকেন্দ্ৰীকৃত বিতৰিত উৎপাদন (ডি ডি জি): সৌৰ ষ্টেণ্ডএলোন প্ৰণালী

এম অ' পি ৰ নিৰীক্ষণ সমিতিয়ে সৌৰষ্টেণ্ডএলোন প্ৰণালী স্থাপনৰ জৰিয়তে 50,000 টকা প্ৰতি (এইচ এইচ) পৰিয়ালৰ হিচাপত 7,174 টা পৰিয়ালক সামৰি 305 খন বিদ্যুতবিহীন গাওঁৰ (ইউ ই ভি) বৈদ্যুতিকৰণৰ বাবে 35.87 কোটি টকাৰ অনুমোদন জনাইছিল। এই সন্দৰ্ভত কোম্পানীটোৱে (25 জানুৱাৰী 2016) ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিস্থান, মাদ্ৰাজৰ (আই আই টি এম) পৰা প্ৰতিটো ষ্টেণ্ডএলোন প্ৰণালীত 46,300 টকাৰ (ৰাজ্যিক কৰ বাদ দি) হাৰত কোম্পানীৰ হৈ প্ৰকল্প ৰূপায়ণ অভিকৰণ (পি আই এ) হিচাপে কামটো সম্পাদন কৰাৰ ইচ্ছা প্ৰকাশ কৰি এটা প্ৰস্তাৱ লাভ কৰিছিল। ৰাজস্থান আৰু বিহাৰত আই আই টি এমৰ দ্বাৰা সম্পাদন কৰা কামৰ সফলতাৰ কথা উল্লেখ কৰি আৰ ই চিৰ অধ্যক্ষ তথা পৰিচালনা সঞ্চালকে কোম্পানীৰ অধক্ষ্যক (3 ফেব্ৰুৱাৰী 2016) আই আই টি এমৰ জৰিয়তে অফ-গ্ৰিড ষ্টেণ্ডএলোন গ্ৰাম্য বৈদ্যুতিকৰণৰ কামবোৰ পি আই এ হিচাপে কাৰ্যকৰী কৰাৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনাইছিল। আই আই টি এম-ক নিযুক্ত কৰাৰ প্ৰস্তাৱটো কোম্পানাৰ বি অ' ডি-ৰ দ্বাৰা (19 জুন 2016) অনুমোদিত হৈছিল। সেই অনুসৰি কোম্পানীটোৱে আই আই টি এমৰ সৈতে এক দ্বিপাক্ষিক চুক্তি (22 জুলাই 2016) কৰিছিল আৰু কমিছনিং কৰাৰ পিছত পাঁচ বছৰৰ বাবে ষ্টেণ্ডএলোন প্ৰণালীৰ পৰিচালনা আৰু তত্বাৱধানকে ধৰি 7,174 টা এইচ এইচ এছক সামৰি গোটেই 305 অবৈদ্যুতিকৃত গাওঁক বৈদ্যুতিকৰণৰ বাবে 33.22 কোটি টকাৰ[93] বাবদ আই আই টি এমক কামটো প্ৰদান কৰিছিল (3 আগষ্ট 2016)। পিছলৈ, প্ৰকৃত বাস্তৱিক প্ৰয়োজনীয়তাৰ ওপৰত আধাৰিত কৰি, কোম্পানীয়ে 7,174 টা এইচ এইচ (305 খন গাওঁ) ৰ পৰা 26,822 টা এইচ এইচলৈ (367 খন গাওঁ) কামৰ পৰিসৰ বৃদ্ধি কৰে (মাৰ্চ - ডিচেম্বৰ 2017 )আৰু ইয়াৰ ভিতৰত 24,098 টা এইচ এইচৰ[94] (348 খন গাওঁ) বৈদ্যুতিকৰণৰ আৰ ই চিয়ে অনুমোদন প্ৰদান কৰে ( এপ্ৰিল 2017 ৰ পৰা ছেপ্টেম্বৰ 2017)। কাম সম্পাদনৰ সন্দৰ্ভত, আই আই টি এম-এ 26,822 টা এইচ এইচ[95] ত (348 খন গাওঁ) (মাৰ্চ 2017 ৰ পৰা ডিচেম্বৰ 2020 লৈকে) ষ্টেণ্ডএলোন প্ৰণালী স্থাপন কৰাৰ দাবী কৰিছিল (আগষ্ট 2021)। ইয়াৰ বিপৰীতে, কোম্পানীটোৱে ছেপ্টেম্বৰ 2016 ৰ পৰা ফেব্ৰুৱাৰী 2019 লৈকে আই আই টি এমলৈ 111.77 কোটি টকা[96] (অৰ্থাৎ 124.19 কোটি টকাৰ 90 শতাংশ) মুকলাই দিছিল।

ওপৰোক্তৰ সন্দৰ্ভত, হিচাপ পৰীক্ষাই নিম্নলিখিত অনিয়মবোৰ লক্ষ্য কৰিছিল:

### *A. নিবিদা আহ্বান নকৰাকৈ কামৰ আবণ্টন*

ষ্টেণ্ডএলোন প্ৰণালী ব্যৱহাৰ কৰি 305 খন অবৈদ্যুতিকৃত গাওঁৰ বৈদ্যুতিকৰণৰ বাবে আৰ ই চিয়ে জাৰী কৰা (জানুৱাৰী 2016) অনুমোদন পত্ৰ (ধাৰা -4) অনুসৰি, কোম্পানীটোৱে ভাৰত চৰকাৰৰ[97] শক্তি মন্ত্ৰালয়ে জাৰী কৰা নিৰ্দেশনা আৰু যিকোনো সংশোধনী অনুসৰি অনুমোদিত প্ৰকল্পটো কাৰ্যকৰী কৰিব লাগিছিল। ওপৰোক্ত নিৰ্দেশনাৱলীৰ ধাৰা 13.6 অনুসৰি কোম্পানীয়ে নিৰ্মাণ, পৰিচালনা, ৰক্ষণাবেক্ষণ আৰু স্থানান্তৰৰ (বি অ' এম টি) আধাৰত মুকলি নিবিদা আহ্বান আৰু কাম আৱন্টন কৰাটো বাঞ্ছনীয়। লগতে, অসম

[93] ৰাজ্যিক কৰ বাদ দি প্ৰতি এইচ এইচ-ত 46,300 টকা হাৰত

[94] বাকী 2724 খন এইচ এইচ (19 খন গাওঁ) ৰ বাবে অনুমোদন যদিও জানুৱাৰী 2018-ত প্ৰদান কৰা হৈছিল, পৰৱৰ্তী সময়ত কোনো কাৰণ নিদিয়াকৈ ছেপ্টেম্বৰ 2018-ত আৰ ই চিয়ে সেইটো প্ৰত্যহাৰ কৰিছিল

[95] আৰ ই চিৰ দ্বাৰা অনুমোদিত 304 খন গাওঁত 22,466 এইচ এইচ + আৰ ই চিৰ দ্বাৰা অনুমোদিত নথকা 44 খন গাওঁত 4,356 এইচ এইচ

[96] 0.45 কোটি টকাৰ প্ৰৱেশ কৰ বাদ দি

[97] 12.01.2009 তাৰিখৰ অৰ্ডাৰ নং 44/1/2007- R E

চৰকাৰে[98] সকলো প্ৰশাসনিক বিভাগ আৰু তেওঁলোকৰ অধীনস্থ কাৰ্যালয়/ সংস্থাসমূহক 1.00 কোটি টকা বা তাতকৈ অধিক মূল্যৰ সকলো নিবিদাৰ বাবে 1 আগষ্ট 2015 তাৰিখৰ পৰা কাৰ্যকৰী ভাৱে ই-ক্ৰয়ৰ[99] আশ্ৰয় লবলৈ নিৰ্দেশ দিছিল। কোম্পানীটোৱে কিন্তু ষ্টেণ্ডএলোন সৌৰ প্ৰকল্প ৰূপায়ণৰ বাবে কোনো নিবিদা আহ্বান কৰা নাছিল আৰু আৰ ই চিৰ অনুৰোধত আই আই টি এমক 33.22 কোটি টকাৰ চুক্তি পদান কৰিছিল যাক পৰৱৰ্তী সময়ত 7,174 টা এইচ এইচৰ পৰা 26,822 টা এইচ এইচলৈ কামৰ পৰিসৰ বৃদ্ধি কৰি 124.19 কোটি টকালৈ (প্ৰায় 3.73 গুণ) বৃদ্ধি কৰা হৈছিল। এনে কৰি কোম্পানীয়ে কেৱল নিৰ্দেশনাৱলীত নিৰ্ধাৰিত চৰ্তাৱলী উলংঘা কৰাই নহয়, লগতে প্ৰতিযোগিতামূলক নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে কম মূল্য অন্বেষণ কৰাৰ সুযোগৰ পৰাও বঞ্চিত হয়।

উত্তৰত, কোম্পানীয়ে কৈছিল যে (জানুৱাৰী 2022) আৰ ই চিৰ অনুৰোধত কামটো আই আই টি এম-ক প্ৰদান কৰা হৈছিল। লগতে, কোম্পানীয়ে দ্বিপাক্ষিক চুক্তিৰ জৰিয়তে আই আই টি এম-ক নিবিদা প্ৰক্ৰিয়াৰ দায়িত্ব অৰ্পণ কৰিছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয়, কিয়নো আৰ ই চি-য়ে কোম্পানীৰ পক্ষত আঁচনিৰ পুঁজি অনুমোদিত নিবিদা ভিত্তিত কাম প্ৰদান কৰাৰ চৰ্ত দিছিল আৰু সেয়েহে, আই আই টি এম-ক নিবিদা প্ৰক্ৰিয়াৰ দায়িত্ব অৰ্পণ কৰাটো অনুমোদনৰ চৰ্তাৱলী উলংঘা কৰা হৈছিল। যিহেতু আই আই টি এম-এ ব্যক্তিগত পক্ষক (মেচাৰ্ছ চিগনি এনাৰ্জি প্ৰাইভেট লিমিটেড) প্ৰকল্পৰ সম্পাদন আৰু মুখ্য প্ৰকল্প সঁজুলি (যেনে সৌৰ পেনেল, বেটাৰী, চাৰ্জ নিয়ন্ত্ৰক আদি) যোগানৰ কাম আউটচৰ্চ কৰিছিল, সেয়ে প্ৰতিযোগিতামূলক নিবিদাৰ অনুপস্থিতিৰ বাবে উচ্চ মূল্যৰ লাভালাভ ব্যক্তিগত পক্ষক প্ৰদান কৰাৰ সম্পূৰ্ণ সম্ভাৱনা আছে।

### *B. ত্ৰুটিপূৰ্ণ কাৰ্যচুক্তিৰ বাবে কামৰ প্ৰকৃত কাৰ্যকৰীকৰণৰ ওপৰত নিশ্চয়তাৰ অভাৱ*

চুক্তিৰ ধাৰা-1/ এল অ' এ-ৰ ধাৰা-7 অনুসৰি কোম্পানীয়ে নিম্নলিখিত ধৰণে আই আই টি এম-ক পৰিশোধ মুকলি কৰিব লাগিছিল:

- প্ৰকল্প ব্যয়ৰ 30 শতাংশ প্ৰথম কিস্তি হিচাপে চুক্তি স্বাক্ষৰ কৰাৰ সময়ত;
- প্ৰকল্প ব্যয়ৰ 30 শতাংশ দ্বিতীয় কিস্তি হিচাপে আই আই টি এম ৰ দ্বাৰা ঠিকাদাৰ সকলক ক্ৰয় অৰ্ডৰ দাখিল কৰাৰ সময়ত আৰু প্ৰথম কিস্তিৰ 80 শতাংশ পৰিমাণ ব্যৱহাৰ হোৱাৰ পাছত;
- ঠিকাদাৰ সকলে আই আই টি এম-ত অৰ্ডাৰ মূল্যৰ 20 শতাংশৰ সমান 5 বছৰলৈকে বেংকগেৰাণ্টি জমা দিয়াৰ পিছত আৰু প্ৰথম আৰু দ্বিতীয় কিস্তিৰ 80 শতাংশ পৰিমাণ ব্যৱহাৰ হোৱাৰ পিছত প্ৰকল্প ব্যয়ৰ 30 শতাংশৰ তৃতীয় কিস্তি হিচাপে;
- প্ৰথম, দ্বিতীয় আৰু তৃতীয় কিস্তিৰ 100 শতাংশ পৰিমাণ বৰহাৰৰ পিছত প্ৰকল্প ব্যয়ৰ 10 শতাংশ চতুৰ্থ আৰু অন্তিম কিস্তি হিচাপে ।

ওপৰত এইটো দেখা গৈছে যে, কোম্পানীয়ে কেৱল ক্ৰয় / যোগান অৰ্ডাৰ, পুঁজি ব্যৱহাৰৰ প্ৰমাণপত্ৰ, বেংক গেৰাণ্টি আদিৰ ওপৰত আধাৰিত কৰিয়েই আই আই টি এম-ক পৰিশোধৰ প্ৰতিশ্ৰুতি দিছিল (জুলাই

[98] ইয়াৰ কাৰ্যালয়ৰ স্মাৰক পত্ৰ নং ফেব্ৰুৱাৰী (eGU) 03/2015/61 তাৰিখ 5 আগষ্ট 2015
[99] ৰাজ্যিক এন আই চি ই- ক্ৰয় পৰ্টেলৰ জৰিয়তে অৰ্থাৎ www.assamtenders.gov.in

2016)। অন্যান্য ডি ডি জি প্ৰকল্পৰ[100] সন্দৰ্ভত নিৰ্ধাৰিত কৰা অনুসৰি আই আই টি এমৰ দ্বাৰা উত্থাপিত দাবীৰ গ্ৰহণযোগ্যতাৰ বাবে কোম্পানীৰ কোনো কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ দ্বাৰা যথাযথভাৱে প্ৰমাণিত সামগ্ৰী প্ৰাপ্তিৰ চালান / সামগ্ৰী পৰিদৰ্শন আৰু ক্লিয়াৰেন্স প্ৰমাণপত্ৰ (এম আই চি চি) / সামগ্ৰী ব্যৱহাৰৰ প্ৰমাণপত্ৰ (এম ইউ চি)/ কায়িক কাৰ্য সম্পাদনৰ বিৱৰণ (পি ডব্লিউ ডি এছ) দাখিল কৰাৰ বাবে চুক্তি/ এল অ' এ-ত কোনো ধাৰা নাছিল। ফলস্বৰূপে, কোম্পানীয়ে প্ৰকল্প সামগ্ৰীৰ প্ৰকৃত বিতৰণ আৰু স্থাপনৰ সঠিক প্ৰমাণীকৰণ অবিহনে আই আই টি এম-ক পৰিশোধ মুকলি কৰিছিল।

দ্বিতীয়তে, চুক্তিৰ ধাৰা 4.3 অনুসৰি, আই আই টি এম-এ প্ৰকৃত আলোকচিত্ৰৰ জৰিয়তে গাইগুটীয়া স্থাপনৰ বিৱৰণ প্ৰদান কৰিব লাগিছিল। আই আই টি এমে প্ৰতিটো পৰিয়ালৰ পৰা স্থানীয় ভাষাত স্বাক্ষৰিত প্ৰমাণপত্ৰ দাখিল কৰিব লাগিছিল য'ত প্ৰণালীটো স্থাপন আৰু আৰম্ভ কৰা হৈছিল। লগতে, আই আই টি এম-এ গাওঁখনৰ অৱস্থান নিৰ্ণয় কৰিবলৈ প্ৰতিখন গাওঁত এক পইন্ট জি পি এছ ডাটা প্ৰদান কৰিব লাগিছিল।

কোম্পানীয়ে অৱশ্যে, ওপৰোক্ত তথ্য/নথিপত্ৰ দাখিল কৰাত কোনো ত্ৰুটী হলে আই আই টি এম-ৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱাৰ বাবে চুক্তি/ এল অ' এ-ত কোনো দণ্ডমূলক ব্যৱস্থা অন্তৰ্ভুক্ত কৰা নাছিল। ফলস্বৰূপে, কোম্পানীয়ে আই আই টি এম-ৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে যদিও তেওঁলোকে (আই আই টি এম) গাওঁ বোৰত প্ৰকৃততে ষ্টেণ্ডএলোন প্ৰণালী স্থাপনৰ প্ৰমাণ হিচাপে কোম্পানীক এই ডাটা / নথিপত্ৰবোৰ দাখিল / প্ৰদান কৰাত ব্যৰ্থ হৈছিল।

### *C. আই আই টি এম ৰ দ্বাৰা 7.55 কোটি টকাৰ প্ৰণালী স্থাপন নকৰা*

দাবী অনুসৰি, আই আই টি এম-এ মাৰ্চ 2017 ৰ পৰা ডিচেম্বৰ 2020 লৈকে 348 খন গাওঁত 26,822 টা ষ্টেণ্ডএলোন প্ৰণালী স্থাপন কৰিছিল। 348 খন গাওঁৰ ভিতৰত 346 খন গাওঁ[101] পৰিদৰ্শন কৰাৰ পিছত, আৰ ই চি গুণমান নিৰীক্ষণ সংস্থাই[102] (আৰ কিউ এম) জানিব পাৰিছিল যে আই আই টি এমে দাবী কৰাৰ বিপৰীতে প্ৰকৃততে 26,631 টা এইচ এইচৰ[103] (346 খন গাওঁত) 25,026 টা এইচ এইচতহে (346 খন গাওঁত) ষ্টেণ্ডএলোন প্ৰণালী স্থাপন কৰিছিল। কোম্পানীয়ে কিন্তু এল অ' এ / চুক্তিত কোনো চুক্তি প্ৰদৰ্শন গেৰাণ্টি (চি পি জি) ধাৰা নথকাৰ বাবে 1,605 টা প্ৰণালী[104] ইনষ্টল কৰিবলৈ আই আই টি এমক বাধ্য কৰাব নোৱাৰিলে। আই আই টি এম-ৰ দ্বাৰা 1,605 টা প্ৰণালী স্থাপন নকৰা স্বত্ত্বেও, কোম্পানীটোৱে আৰ ই চি-ৰ ওচৰত কামৰ পৰিসমাপ্তি প্ৰস্তাৱ দাখিল কৰাৰ সময়ত (মাৰ্চ 2022) সমগ্ৰ 26,822 ষ্টেণ্ডএলোন চিষ্টেম স্থাপনৰ ছল (স্থাপন নকৰা 1,605 প্ৰণালীসহ) বিপৰীতে আই আই টি এম ৰ 126.10 কোটি টকা[105] পৰিমাণৰ দাবী স্বীকাৰ কৰিছিল আৰু 1,605 টা প্ৰণালীৰ বাবদ যিকেইটা প্ৰকৃততে স্থাপন কৰা হোৱা নাছিল, 7.55 কোটি টকা[106] পৰিশোধ কৰিবলৈ মান্তি হৈছিল।

---

[100] মেচাৰ্ছ নৰ্থ ইষ্ট এজেঞ্চী, মেচাৰ্ছ এন কে পাৱাৰ এণ্ড ইনফ্ৰাস্ট্ৰাক্চাৰ প্ৰাইভেট লিমিটেড, মেচাৰ্ছ পূৰ্বাঞ্চল এন্টাৰপ্ৰাইজ, মেচাৰ্ছ শক্তি ট্ৰেন্স ইনফ্ৰা আৰু মেচাৰ্ছ টি এণ্ড টি প্ৰজেক্টস লিমিটেডক (জুন আৰু জুলাই 2016) প্ৰদান কৰা 5 টা মাইক্ৰ'/ মিনিগ্ৰিড প্ৰকল্প

[101] পুনিহোৱাৰ FV (CC 2,99,695) যি অচিনাক্ত আছিল আৰু অঙ্গৰা- (CC 2,89,300) গাওঁবাসীয়ে পৰীক্ষা কৰিবলৈ অনুমতি দিয়া নাছিল, সেয়া বাদ দি ।

[102] টি ইউ ভি এচ ইউ ডি দক্ষিণ এছিয়া প্ৰাইভেট লিমিটেড

[103] 22,067 (শাৰিৰীকভাৱে প্ৰমাণিত)+ 224 (পৰিদৰ্শনৰ অনুমতি নোপোৱা)+2,715 (প্ৰব্ৰজন কৰা)+ 20 হিতাধিকাৰীৰ দ্বাৰা বিক্ৰী কৰা) = 25,026 ষ্টেণ্ডএলোন প্ৰণালী

[104] 26,631-25,026

[105] প্ৰতিটো প্ৰণালীত 47,012 টকা হাৰত 26,822 টা প্ৰণালী (আই আই টি এমৰ দ্বাৰা দাখিল কৰা প্ৰকৃত ব্যয়ৰ ওপৰত আধাৰিত কৰি)

[106] প্ৰতিটো প্ৰণালীত 47,012 টকা হাৰত 1,605 টা প্ৰণালী

উত্তৰত, কোম্পানীয়ে (জানুৱাৰী 2022) কৈছিল যে আই আই টি এমে প্ৰকৃত স্থাপনৰ প্ৰমাণ হিচাপে গোটেই 26,822 টা প্ৰণালীৰ বাবে সংশ্লিষ্ট এ জি এম (আৰ ই) ৰ দ্বাৰা প্ৰমাণিত হিতাধিকাৰীৰ তালিকা (চিষ্টেম ক্ৰমিক নম্বৰ আৰু স্থাপনৰ মাহ উল্লেখ কৰি) দাখিল কৰিছিল। কোম্পানীটোৱে লগতে কয় যে দুখন গাওঁৰ নমুনা পৰিদৰ্শনৰ পিছত দেখা গৈছিল যে আই আই টি এমে সকলো প্ৰণালী স্থাপন কৰিছিল, কিন্তু কিছুমান হিতাধিকাৰী বানপানী, খহনীয়াৰ বাবে মূল স্থানৰ পৰা স্থানান্তৰিত হৈছিল। সেয়েহে, কামৰ পৰিসমাপ্তিৰ বাবে আই আই টি এমৰ দ্বাৰা মুঠ 26,822 প্ৰণালী স্থাপন কৰা বুলি বিবেচনা কৰা হৈছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো আই আই টি এমে প্ৰকৃত আলোকচিত্ৰৰ জৰিয়তে গাইগুটীয়া প্ৰণালী স্থাপনৰ বিৱৰণ প্ৰদান কৰাত ব্যৰ্থ হৈছিল আৰু লগতে প্ৰতিটো এইচ এইচৰ প্ৰমাণপত্ৰ প্ৰদান কৰাত ব্যৰ্থ হৈছিল য'ত চুক্তিত নিৰ্ধাৰিত অনুসৰি প্ৰণালীটো স্থাপন কৰা হৈছিল। লগতে, আৰ কিউ এমে তেওঁলোকৰ প্ৰতিবেদনত পৃথকে প্ৰব্ৰজন / স্থানান্তৰিত হিতাধিকাৰীৰ সংখ্যা প্ৰতিবেদন কৰিছিল, যাক স্থাপন নকৰা প্ৰণালীৰ সংখ্যা নিৰ্ধাৰণ কৰোতে বিবেচনা কৰা হৈছিল। সেয়েহে, হিতাধিকাৰীৰ স্থানান্তৰ সম্পৰ্কে কোম্পানীৰ দাবী বৈধ নাছিল। হিতাধিকাৰীৰ স্বীকৃতি আৰু আৰ কিউ এম প্ৰতিবেদনৰ অনুপালনৰ অনুপস্থিতিত, কোম্পানীয়ে 26,822 টা প্ৰকৃত স্থাপন হিচাপে বিবেচনা কৰাৰ সিদ্ধান্ত অযুক্তিকৰ আছিল।

### *D. প্ৰকল্পটোৰ ৰক্ষণাবেক্ষণ নকৰা*

এল অ' এ-ৰ ধাৰা 14-ৰ সৈতে ধাৰা 2.1.14 অনুসৰি, আই আই টিএম-এ অন্তিম প্ৰণালীতো স্থাপন কৰাৰ পৰা 5 বছৰৰ বাবে প্ৰণালীটোৰ ৰক্ষণাবেক্ষণ কৰিব লাগিছিল আৰু 5 বছৰৰ পিছত ভাল অৱস্থাত প্ৰণালীতো অসম চৰকাৰক হস্তান্তৰ কৰিব লাগিছিল। হিতাধিকাৰীসকলে যদি বিদ্যুৎ নোপোৱাৰ কোনো অভিযোগ উঠাই তেন্তে আই আই টি এম-এ তৎক্ষণাৎ অভিযোগটোৰ তদাৰক কৰিব লাগে। গাওঁবোৰ পৰিদৰ্শন কৰাৰ সময়ত, আৰ কিউ এমে দেখিছিল যে গাওঁবোৰত ৰক্ষণাবেক্ষণ এক গুৰুত্বপূৰ্ণ সমস্যা। আৰ কিউ এম প্ৰতিবেদন অনুসৰি 346 খন গাওঁত স্থাপন কৰা বুলি দাবী কৰা মুঠ 26,631 টা প্ৰণালীৰ ভিতৰত 18.36 কোটি টকা মূল্যৰ 3,966 টা প্ৰণালীয়ে বেটাৰী/চাৰ্জ নিয়ন্ত্ৰক/সৌৰ পেনেল আদিৰ ত্ৰুটিৰ বাবে কাম কৰা নাছিল যাৰ ফলত বিদ্যুৎ যোগান ব্যাহত হৈছিল। ফলস্বৰূপে, চিষ্টেমৰ প্ৰণালীৰ বিফলতাৰ বাবে 3,966 জন হিতাধিকাৰীয়ে বিদ্যুৎ লাভ কৰা নাছিল।

লগতে, আই আই টি এম-ৰ দ্বাৰা স্থাপন কৰা প্ৰণালীত 'সৌৰ চাৰ্জ নিয়ন্ত্ৰক' অন্তৰ্ভুক্ত আছিল। 'চাৰ্জ নিয়ন্ত্ৰক'ৰ উদ্দেশ্য আছিল সৌৰ পেনেলৰ পৰা বেটাৰীলৈ বিকিৰণ হোৱা বিদ্যুৎ আৰু ভল্টেজৰ স্তৰ নিৰীক্ষণ কৰা। বেটাৰীটো সম্পূৰ্ণ চাৰ্জ হোৱাৰ পিছত, ই আৰু অন্তৰ্গামী শক্তি জমা কৰিব নোৱাৰে। এনে পৰিস্থিতিত, সম্পূৰ্ণ চাৰ্জ হোৱাৰ পিছত বেটাৰীত আৰু কোনো বিদ্যুৎ প্ৰবাহিত নোহোৱাটো গুৰুত্বপূৰ্ণ কিয়নো ই বেটাৰীটো নিষ্কাশন কৰিব পাৰে আৰু সমগ্ৰ সৌৰ পেনেল প্ৰণালীটো ক্ষতিগ্ৰস্ত কৰিব পাৰে। বেটাৰী এটা নিৰ্দিষ্ট ভল্টেজত উপনীত হোৱাৰ লগে লগে 'সৌৰ চাৰ্জ নিয়ন্ত্ৰকে' বৰ্তমানৰ প্ৰবাহত বাধা দিয়ে, এনেদৰে অত্যাধিক চাৰ্জ কৰা প্ৰতিহত কৰে। এইটোও মন কৰিবলগীয়া যে বেটাৰীটোৱে ৰাতিও সৌৰ পেনেললৈ অলপ পৰিমাণৰ বিদ্যুৎ পৰিচালনা কৰিব পাৰে।

আৰ কিউ এম সংস্থাই জনাইছিল যে 25,026 টা প্ৰণালীৰ ভিতৰত 6,106 টা প্ৰণালী 'চাৰ্জ নিয়ন্ত্ৰক'ৰ ত্ৰুটীৰ বাবে পোনপটীয়াকৈ বাই-পাছ অৱস্থাত চলি আছিল। কিন্তু, প্ৰণালীবোৰৰ যত্ন ল'বলৈ আই আই টি এম ৰ ফালৰ পৰা কোনো টেকনিচিয়ান উপলব্ধ নাছিল। লগতে, প্ৰণালীবোৰত কোনো গ্ৰাহক সেৱা নম্বৰ উল্লেখ

কৰা হোৱা নাছিল আৰু হিতাধিকাৰীসকলে ইয়াৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিবলৈ টোল-ফ্ৰী নম্বৰৰ বিষয়ে অৱগত নাছিল। যিহেতু আই আই টি এম-এ ‘চাৰ্জ নিয়ন্ত্ৰক’ৰ ত্ৰুটীবোৰ সংশোধন কৰা নাছিল সেয়েহে 28.27 কোটি টকা[107] মূল্যৰ 6,106 টা প্ৰণালী বেয়া হোৱাৰ সম্ভাৱনাও যথেষ্ট বেছি আছিল। ডি ডি জি নিৰ্দেশনাৱলীৰ অধীনত নিৰ্ধাৰণ কৰা অনুসৰি আই আই টি এম-ৰ পৰা কোনো প্ৰকল্প অপাৰেচন গেৰান্টিৰ (পি অ' জি) অনুপস্থিতিত, কোম্পানীয়ে প্ৰণালীবোৰৰ কাৰ্যকৰী তত্বাৱধান প্ৰয়োগ কৰিব নোৱাৰিলে। সেয়েহে, কোম্পানীটো কোম্পানীৰ লগতে বৃহৎ পৰিমাণৰ হিতাধিকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাত ব্যৰ্থ হৈছিল।

উত্তৰত, কোম্পানীয়ে (জানুৱাৰী 2022) কৈছিল যে বিষয়টো আই আই টি এমৰ ওচৰত বহুৱাৰ উত্থাপন কৰা হৈছিল, অৱশ্যে আৰ কিউ এম পৰিদৰ্শনৰ বিৰুদ্ধে অনুপালন প্ৰতিবেদন এতিয়াও আই আই টি এমৰ দ্বাৰা দাখিল কৰা হোৱা নাছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয়, কিয়নো কোম্পানীয়ে হতিমধ্যে আই আই টি এম ক প্ৰণালীৰ ৰক্ষণাবেক্ষণ অবিহনে তত্বৰধান মাচুলৰ 90 শতাংশ পৰিশোধ মুকলি কৰি দিছিল।

## 2.16 আঁচনিখনৰ নিৰীক্ষণৰ ওপৰত পৰ্যবেক্ষণ

### 2.16.1 ৰাজ্যিক পৰ্যায়ৰ স্থায়ী সমিতিৰ অংশীদাৰীত্ব নোলোৱা

ডি ডি ইউ জি জে ৱাই আঁচনিৰ নিৰ্দেশনাৱলী অনুসৰি, ৰাজ্যিক পৰ্যায়ৰ স্থায়ী সমিতিয়ে প্ৰকল্পটোৰ (এছ এল এছ চি) অধীনত অন্তৰ্ভুক্ত কায়িক কামবোৰ পৰীক্ষা কৰাৰ পিছত নিৰীক্ষণ সমিতিক ৰাজ্যখনৰ ডি পি আৰ সমূহ অনুমোদনৰ বাবে দিব লাগিছিল। এনে কৰোতে, এছ এল এছ চি-য়ে নিশ্চিত কৰিব লাগিছিল যে কোনো আঁচনিৰ সৈতে কামৰ কোনো নকল/অভাৰলেপিং নহয়। লগতে, এছ এল এছ চি-য়ে প্ৰগতি, মানদণ্ড নিয়ন্ত্ৰণ নিৰীক্ষণ আৰু প্ৰকল্প ৰূপায়ণ সম্পৰ্কীয় সমস্যাবোৰ সমাধান কৰিব লাগিছিল, যেনে উপ কেন্দ্ৰসমূহৰ বাবে ভূমি আৱন্টন, পথৰ অধিকাৰ, বন, ৰে'লৰে ক্লিয়াৰেন্স ইত্যাদি। হিচাপ পৰীক্ষাত দেখা গৈছিল যে কোম্পানীয়ে অনুমোদনৰ বাবে আৰ ই চিৰ ওচৰত ডি পি আৰ দাখিল কৰাৰ বাবে এছ এল এছ চিৰ পৰামৰ্শ প্ৰাপ্ত কৰা নাছিল। লগতে, এইটোও লক্ষ্য কৰা হৈছিল যে ফেব্ৰুৱাৰী 2014 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈকে এছ এল এছ চিৰ কোনো বৈঠক অনুষ্ঠিত হোৱা নাছিল। যদিও কামবোৰ সম্পাদন কৰাৰ ক্ষেত্ৰত উপকেন্দ্ৰৰ বাবে ভূমি আৱন্টন, পথৰ অধিকাৰ, ৰে'লৰে ক্লিয়াৰেন্স আদিৰ সমস্যা আছিল, কোম্পানীয়ে এনে সমস্যাৰ সমাধানৰ বাবে এছ এল এছ চিৰ পৰা প্ৰয়োজনীয় নিৰ্দেশনা প্ৰাপ্ত কৰিব পৰা নাছিল। ফলস্বৰূপে গোটেই 27 টা প্ৰকল্প সম্পূৰ্ণ হোৱাত 26 ৰ পৰা 38 মাহলৈকে বিলম্ব হৈছিল।

উত্তৰত, কোম্পানীয়ে (জানুৱাৰী 2022) এই কথা স্বীকাৰ কৰিছিল আৰু কৈছিল যে সকলো প্ৰকল্পৰ পৰিসমাপ্তিৰ প্ৰতিবেদন অসম চৰকাৰক দাখিল কৰাৰ পিছত এছ এল এছ চি য়ে সকলো প্ৰকল্পক অনুমোদন জনাইছিল।

## হিচাপ পৰীক্ষাৰ ফলাফল-সৌভাগ্য আঁচনি

হিচাপ পৰীক্ষাত বিশ্লেষণ কৰা অনুসৰি আঁচনি খনৰ অধীনত প্ৰদৰ্শনৰ বিষয়ে তলত আলোচনা কৰা হৈছে:

[107] 6,106 x 46,300 টকা = 28,27,07,800 কোটি টকা

## 2.17 কামৰ আৱন্টনৰ ওপৰত পৰ্যবেক্ষণ

হিচাপ পৰীক্ষাত আঁচনিখনৰ অধীনত নিবিদা আৰু আৱন্টন সম্পৰ্কে নিম্নলিখিত বিষয়বোৰ লক্ষ্য কৰা হৈছিল:

### 2.17.1 আঁচনিৰ নিৰ্দেশনা উলংঘা কৰি আৰ ই চি পি ডি চি এল-ৰ নিযুক্ত

আৰ ই চি পি ডি চি এল[108] য়ে (জুন 2018) আঁচনিৰ কামবোৰ সম্পাদন কৰাৰ বাবে কোম্পানীক মুখ্য সামগ্ৰী (যেনে কণ্ডাক্টৰ, ডি টি আৰ আৰু শক্তি মিটাৰ) ক্ৰয় আৰু যোগানৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁলোকৰ আগ্ৰহৰ অভিব্যক্তি (ই অ' আই) অনুসৰি, বিতং পৰিমাণৰ বিলৰ (বি অ' কিউ) সৈতে নিশ্চিতকৰণ প্ৰাপ্ত কৰাৰ পিছত আৰ ই চি পি ডি চি এল-য়ে প্ৰকৃতি আৰু কামৰ পৰিমাণৰ ওপৰত আধাৰিত কৰি ইয়াৰ অফাৰ মূল্য দাখিল কৰিব আৰু তাৰ পিছত কোম্পানীৰ সৈতে এক আনুষ্ঠানিক চুক্তি কৰিব।

কোম্পানীয়ে পৰৱৰ্তী সময়ত, কোম্পানীৰ পাঁচটা কেন্দ্ৰীয় ভাণ্ডাৰত বিতৰণ কৰিবলগা পৰিমাণ আৰু কাৰিকৰী নিৰ্দিষ্টকৰণৰ সৈতে বিতং সামগ্ৰীৰ প্ৰয়োজনীয়তা আৰ ই চি পি ডি চি এললৈ প্ৰেৰণ কৰিছিল (জুলাই 2018)। তাৰ পিছত, আৰ ই চি পি ডি চি এল-য়ে (আগষ্ট 2018) কোম্পানীটোক অৱগত কৰিছিল যে, সামগ্ৰী যোগানৰ বাবে নিবিদাকৰ্তা সকলৰ কাৰিকৰী মূল্যাংকনৰ পিছত কেৱল এজন নিবিদাদাতা (মেচাৰ্ছ লুমিনো ইণ্ডাষ্ট্ৰিজ লিমিটেড, কলকাতা) যোগ্য বুলি পোৱা গৈছিল। কলকাতাৰ মেচাৰ্ছ লুমিনো ইণ্ডাষ্ট্ৰিজ লিমিটেডে উদ্ধৃত কৰা মুঠ মূল্য আছিল 115.03 কোটি টকা যি 81.44 কোটি টকাৰ আনুমানিক ব্যয়তকৈ 41.25 শতাংশ অধিক আছিল। উচ্চ উদ্ধৃত মূল্যৰ বাবে, আৰ ই চি পি ডি চি এল-ৰ মেচাৰ্ছ লুমিনো ইণ্ডাষ্ট্ৰিজ লিমিটেড, কলকাতাৰ সৈতে বুজাবুজি হৈছিল আৰু তাৰ পিছত ই 94.94 কোটি টকাৰ মূল্য আগবঢ়াইছিল যি আনুমানিক ব্যয়তকৈ 16.50 শতাংশ অধিক আছিল।

কোম্পানীৰ এম ডিৰ সৈতে বিষয়টোৰ আলোচনাৰ (আগষ্ট 2018) পিছত, আৰ ই চি পি ডি চি এল-য়ে মেচাৰ্ছ লুমিনো ইণ্ডাষ্ট্ৰিজ লিমিটেড, কলকাতাক 94.94 কোটি টকাৰ অৰ্ডাৰ দিছিল (20 আগষ্ট 2018)। কোম্পানীৰ প্ৰয়োজনীয়তা অনুসৰি মুখ্য সামগ্ৰী যোগান ধৰাৰ সুবিধাৰ বাবে আৰ ই চি লিমিটেড, কোম্পানী আৰু আৰ ই চি পি ডি চি এলৰ মাজত এক ত্ৰিপাক্ষিক চুক্তিও সম্পাদন কৰা হৈছিল (24 আগষ্ট 2018)।

এই সন্দৰ্ভত হিচাপ পৰীক্ষাই নিম্নলিখিতবোৰ লক্ষ্য কৰিছে:

- আঁচনিৰ নিৰ্দেশনা অনুসৰি, ৰাজ্য বা ডিচকম বা শক্তি বিভাগ আৰু ঠিকাদাৰ বা যোগানকৰ্তাৰ মাজত সকলো চুক্তি কৰিব লাগে, কিন্তু কোনো ক্ষেত্ৰতে, ভাৰত চৰকাৰ বা আৰ ই চি এনে চুক্তিৰ পক্ষ হ'ব নালাগিব। ওপৰোক্ত নিৰ্দেশনা উলংঘন কৰি, অৱশ্যে আৰ ই চি লিমিটেড, কোম্পানী আৰু আৰ ই চি পি ডি চি এলৰ মাজত ত্ৰিপাক্ষিক চুক্তি (24 আগষ্ট 2018) সম্পাদন কৰা হৈছিল। আৰ ই চি পি ডি চি এলৰ মুখ্য ভূমিকা আছিল কোম্পানীক বিতৰণ নেটৱৰ্ক আন্তঃগাঁথনিৰ বাবে মুখ্য সামগ্ৰী যোগান ধৰাত সহায় কৰা। আৰ ই চিৰ ভূমিকা আছিল কোম্পানীৰ হৈ সামগ্ৰী সংগ্ৰহৰ বাবে পুঁজি পোনপটীয়াকৈ আৰ ই চি পি ডি চি এললৈ মুকলি কৰা। তাৰ পিছত, কোম্পানীয়ে 94.94 কোটি টকা মূল্যৰ মুখ্য সামগ্ৰী যোগানৰ বাবে আৰ ই চি পি ডি চি এলক (আগষ্ট 2018) কাৰ্য নিৰ্দেশ জাৰি কৰিছিল আৰু লগতে আৰ ই চি পি ডি চি এলক চুক্তি ব্যৱস্থাপনা সেৱাৰ বাবে 2.24 কোটি টকা পৰিশোধ কৰিছিল। এই সন্দৰ্ভত দেখা গৈছিল যে কোম্পানীয়ে ইয়াৰ নিজৰ অনুমোদিত ঠিকাদাৰ

[108] আৰ ই চি পাৱাৰ ডেভেলপমেন্ট এণ্ড কন্সালটেন্সি লিমিটেড

সকলৰ পৰা মুখ্য সামগ্ৰী ক্ৰয়ৰ বাবে নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰাপ্ত কৰা হাৰ (আগষ্ট 2018) আৰ ই চি পি ডি চি এল-য়ে আগবঢ়োৱা হাৰতকৈ যথেষ্ট কম আছিল। এই সত্যটোৰ বিষয়ে অৱগত হোৱা স্বত্তেও, কোম্পানীয়ে আৰ ই চি পি ডি চি এল-ৰ পৰা অধিক হাৰত সামগ্ৰী ক্ৰয় কৰাৰ সিদ্ধান্ত লৈছিল।

- আৰ ই চি পি ডি চি এল-ৰ দ্বাৰা যোগান ধৰা মুখ্য সামগ্ৰীৰ হাৰ বিশ্লেষণ কৰাৰ পিছত ***সাৰণী 2.6*** ত দেখুওৱাৰ দৰে কোম্পানীৰ ক্ৰয় হাৰৰ তুলনাত কোম্পানীয়ে 1000 টা ডি টি আৰ (25 কে ভি এ: 500 টা আৰু 63 কে ভি এ: 500 টা) আৰু 75,000 টা শক্তি মিটাৰ অত্যাধিক উচ্চ হাৰত (25 কে ভি এ ডি টি আৰৰ বাবে 333.82 শতাংশ, 63 কে ভি এ ডি টি আৰৰ বাবে 331.91 শতাংশ আৰু শক্তি মিটাৰৰ বাবে 18 শতাংশ) ক্ৰয় কৰিছিল।

**সাৰণী 2.6**

| ক্ৰ. নং. | বিৱৰণ | ক্ৰয়ৰ হাৰ (টকাত) প্ৰতি একক | | পাৰ্থক্য প্ৰতি একক (শতাংশত) | আৰ ই চি পি ডি চি এলৰ পৰা সংগ্ৰহ কৰা পৰিমাণ (সংখ্যাত) | পৰিহাৰ যোগ্য ব্যয় (কোটি টকাত) |
|---|---|---|---|---|---|---|
| | | কোম্পানী | আৰ ই চি পি ডি চি এল | | | |
| **i** | **ii** | **iii** | **iv** | **v = iv - iii** | **vi** | **vii = v x vi** |
| 1 | 25 কে ভি এ ডি টি আৰ | 60,180 | 2,61,075 | 2,00,895 (333.82) | 500 | 10.04 |
| 2 | 63 কে ভি এ ডি টি আৰ | 1,07,451 | 4,64,094 | 3,56,643 (331.91) | 500 | 17.83 |
| 3 | শক্তি মিটাৰ | 1,050 | 1,239 | 189 (18.00) | 75,000 | 1.42 |
| মুঠ | | | | | | **29.29** |

চি ভি চি য়ে জাৰি কৰা নিৰ্দেশনাৱলী অনুসৰি প্ৰস্তাৱ গ্ৰহণ কৰাৰ আগতে, আনুমানিক হাৰ আৰু প্ৰচলিত বজাৰৰ হাৰৰ ওপৰত আধাৰিত কৰি উদ্ধৃত হাৰৰ যুক্তিযোগ্যতা স্থাপন কৰিব লাগে। কোম্পানীটোৱে অৱশ্যে, এনে উচ্চ হাৰৰ (333.82 শতাংশলৈকে) যৌক্তিকতাৰ বাবে আহ্বান নকৰাকৈ বা পুনৰ নিবিদাৰ দৰে আন যিকোনো বিকল্প ব্যৱহাৰ কৰাৰ পৰামৰ্শ নিদিয়াকৈ, আৰ ই চি পি ডি চি এলৰ প্ৰস্তাৱিত হাৰ গ্ৰহণ কৰিছিল। সেয়েহে, কোম্পানীটোৱে আঁচনিৰ নিৰ্দেশনা, এছ বি ডি-ৰ চৰ্তাৱলী আৰু লগতে চি ভি চি-ৰ দ্বাৰা জাৰি কৰা নিৰ্দেশনা উলংঘন কৰি আৰ ই চি পি ডি চি এল-ৰ জৰিয়তে মুখ্য সামগ্ৰী ক্ৰয়ৰ বাবে 29.29 কোটি টকা পৰিহাৰযোগ্য ব্যয় বহন কৰিছিল। লগতে, প্ৰকল্প সামগ্ৰীৰ যোগান সহজ কৰাৰ বাবে আৰ ই চিৰ অনুৰোধত আৰ ই চি পি ডি চি এলক নিযুক্ত কৰাটো স্বাৰ্থৰ সংঘাতৰ সমান কিয়নো আঁচনি ৰূপায়ণৰ বাবে আৰ ই চি হৈছে আৰ ই চি পি ডি চি এলৰ হোল্ডিং কোম্পেনী আৰু নোডেল এজেঞ্চী আৰু আঁচনিৰ কামৰ কাৰণে আৰ ই চি পি ডি চি এলৰ নাম ছিপাৰিছ কৰাৰ সময়ত তেওঁলোকৰ নিৰ্ণয়টো অনুচিত প্ৰকাৰে প্ৰভাৱিত কৰিব পাৰে।

উত্তৰত, কোম্পানীয়ে (জানুৱাৰী 2022) কৈছিল যে কামৰ তাৎক্ষণিক প্ৰয়োজনীয়তাৰ বাবে কোম্পানীয়ে কিছুমান তালিকাভুক্ত ঠিকাদাৰক বিভাগীয়ভাৱে মুখ্য সামগ্ৰী যোগান ধৰি আঁচনিখনৰ অধীনত কামবোৰ সম্পাদন কৰাৰ বাবে নিযুক্ত কৰিছিল। লগতে, কামৰ তাৎক্ষণিক প্ৰয়োজনীয়তাৰ বাবে আৰু সেই সময়ত সামগ্ৰীৰ বৃহৎ চাহিদাৰ বাবে, আৰ ই চি-ৰ এটা সহায়ক কোম্পানী আৰ ই চি পি ডি চি এল ক উপযুক্ত প্ৰশাসনিক আনুষ্ঠানিকতাৰ পিছত মুখ্য সামগ্ৰীৰ যোগানৰ দায়িত্ব দিয়া হৈছিল। সামগ্ৰী যোগানৰ বাবে ঠিকাদাৰ সকলক নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে আৰ ই চি পি ডি চি এলৰ দ্বাৰা বাছনি কৰা হৈছিল। কোম্পানীটোৱে কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত উচ্চ হাৰৰ বিষয়টোও উত্থাপন কৰিছিল। উত্তৰটো গ্ৰহণযোগ্য

নাছিল কিয়নো দেখা গৈছিল যে, কোম্পানীয়ে কামৰ তাৎক্ষণিকতা বিবেচনা কৰি ইয়াৰ অনুমোদিত ঠিকাদাৰ সকলৰ পৰা তালিকাভুক্ত ঠিকাদাৰসকলক যোগান ধৰাৰ বাবে কিছুমান মুখ্য সামগ্ৰী সংগ্ৰহ কৰিছিল। সেয়েহে, মুখ্য সামগ্ৰী ক্ৰয়ৰ সুবিধাৰ বাবে আৰ ই চি পি ডি চি এল-ৰ নিয়োজন যুক্তিসঙ্গত নাছিল। লগতে, আৰ ই চি পি ডি চি এল-ৰ দ্বাৰা উচ্চ হাৰ ৰখা স্বত্বেও, কোম্পানীয়ে চৰকাৰৰ বিত্তীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে সামগ্ৰীৰ বিভাগীয় ক্ৰয়ৰ আশ্ৰয় লোৱা নাছিল।

***পৰামৰ্শসমূহ:***

***এইটো নিশ্চিত কৰিব লাগিব যে:***

- ***প্ৰকল্প ৰূপায়ণৰ কাৰ্য আদেশসমূহ আঁচনিৰ নিৰ্দেশনাৱলী অনুসাৰে আৱণ্টন কৰে; আৰু***
- ***নিৰপেক্ষ আৰু মুকলি প্ৰতিযোগিতা সুৰক্ষিত কৰিব লাগে আৰু চৰকাৰে পৃষ্ঠপোষকতা কৰা আঁচনি ৰূপায়ণৰ কোনো পৰ্যায়ত 'স্বাৰ্থৰ সংঘাত' দুৰ কৰিবলে ব্যৱস্থা ল'ব লাগে***

## 2.17.2 বিভিন্ন হাৰত একে ধৰণৰ সামগ্ৰী ক্ৰয় কৰাৰ ফলত ঠিকাদাৰসকলক অযথা লাভালাভ

মানক নিবিদা দস্তাবেজ (এছ বি ডি)/পূৰ্ব-চুক্তি অখণ্ডতা চুক্তিৰ দ্বিতীয় ভাগ, খণ্ড II, ধাৰা 7.1 অনুসৰি, নিবিদাদাতাই প্ৰতিশ্ৰুতি দিয়ে যে ই একে ধৰণৰ সামগ্ৰী/প্ৰণালী বা উপ-প্ৰণালী ভাৰত চৰকাৰৰ আন কোনো মন্ত্ৰালয় বা বিভাগ বা পি এছ ইউৰ ক্ষেত্ৰত বৰ্তমানৰ নিবিদাত আগবঢ়োৱা মূল্যতকৈ কম মূল্যত যোগান ধৰা নাছিল বা নাই। যদি যিকোনো পৰ্যায়ত দেখা যায় যে নিবিদাদাতাই ভাৰত চৰকাৰৰ আন যিকোনো মন্ত্ৰালয়/বিভাগ বা পি এছ ইউক কম মূল্যত একে ধৰণৰ সামগ্ৰী/প্ৰণালী বা উপ-প্ৰণালী যোগান ধৰিছিল, তেনেহ'লে অতিবাহিত সময়ৰ বাবে উপযুক্ত ভাট্টাৰ সৈতে সেই মূল্য বৰ্তমানৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব আৰু ব্যয়ৰ পাৰ্থক্য নিবিদাদাতাই ক্ৰেতাক ঘূৰাই দিব, যদি চুক্তি ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত, হিচাপ পৰীক্ষকে নিম্নলিখিতবোৰ লক্ষ্য কৰিছিল:

- অন-গ্ৰিড বৈদ্যুতিকৰণৰ কামৰ সন্দৰ্ভত, 9 জন ঠিকাদাৰে তেওঁলোকক প্ৰদান কৰা 36 টা পেকেজত একে ধৰণৰ সামগ্ৰীৰ (যেনে মেৰু, কণ্ডাক্টৰ, ডি ডি আৰ ইত্যাদি) বিভিন্ন হাৰ উদ্ধৃত কৰিছিল। কোম্পানীয়ে অৱশ্যে, এছ বি ডি-ত নিৰ্ধাৰিত চৰ্ত উলংঘা কৰি ঠিকাদাৰসকলক বিভিন্ন হাৰত একে ধৰণৰ সামগ্ৰী যোগান ধৰাৰ অনুমতি দিছিল। ফলস্বৰূপে, কোম্পানীয়ে 9 জন ঠিকাদাৰক 50.31 কোটি টকাৰ অযথা লাভালাভ প্ৰদান কৰিছিল। লগতে, ঠিকাদাৰসকলে পাৰ্থক্যৰ পৰিমাণটো ঘূৰাই দিয়া নাছিল আৰু কোম্পানীয়েও দাবী কৰা নাছিল।
- অফ-গ্ৰিড বৈদ্যুতিকৰণৰ কামৰ সন্দৰ্ভত, এজন ঠিকাদাৰে তেওঁলোকক প্ৰদান কৰা দুটা পেকেজত একে ধৰণৰ ষ্টেণ্ডএলোন চ'লাৰ পি ভি গৃহ পোহৰ প্ৰণালীৰ[109] যোগানৰ বাবে বিভিন্ন হাৰ উদ্ধৃত কৰিছিল। কোম্পানীয়ে অৱশ্যে, এছ বি ডি-ত নিৰ্ধাৰিত চৰ্ত উলংঘা কৰি ঠিকাদাৰক বিভিন্ন হাৰত একে ধৰণৰ প্ৰণালী যোগান ধৰাৰ অনুমতি দিছিল। ফলস্বৰূপে, কোম্পানীয়ে ঠিকাদাৰক 1.65 কোটি টকাৰ[110] অযথা লাভালাভ প্ৰদান কৰিছিল। লগতে, কোম্পানীয়ে নিবিদা চৰ্তাৱলী উলংঘা কৰি ঠিকাদাৰৰ পৰা পাৰ্থক্যৰ পৰিমাণটো পুনৰুদ্ধাৰ কৰাৰ বাবে কোনো পদক্ষেপ লোৱা নাছিল।

---

109 সৌৰ পি ভি মডিউল, বেটাৰী, চাৰ্জ নিয়ন্ত্ৰক, চিলিং ফেন, এল ই ডি লেম্প আদি অন্তৰ্ভুক্ত থাকে

110 (44,085 টকা -39,375 টকা) x 3,511চিষ্টেম =1,65,36,810 টকা

সামৰণি বৈঠকত এম ডি-য়ে (জানুৱাৰী 2022) উল্লেখ কৰিছিল যে কোম্পানীয়ে ঠিকাদাৰসকলে উদ্ধৃত কৰা একে ধৰণৰ সামগ্ৰীৰ হাৰবোৰ এটা পেকেজৰ ভিতৰত তুলনা কৰিছিল, কিন্তু ভিন্ন পেকেজবোৰত কৰা নাছিল। লগতে, বিভিন্ন স্থানত একেধৰণৰ সামগ্ৰী বিতৰণ কৰাৰ বাবে একে ধৰণৰ সামগ্ৰীৰ হাৰত পাৰ্থক্য থাকিব পাৰে।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো মানক নিবিদা দস্তাবেজে সংশ্লিষ্ট পেকেজৰ ভিতৰত একে ধৰণৰ সামগ্ৰীৰ মূল্যৰ তুলনা সীমিত নকৰে। লগতে, কামৰ বাহিৰৰ ব্যয়ৰ হাৰৰ পাৰ্থক্যৰ প্ৰশ্ন উত্থাপিত নহয় কিয়নো ঠিকাদাৰসকল পৃথকে ভাড়া আৰু বীমা মাচুলৰ দাবীদাৰ আছিল।

## 2.18 আঁচনিখনৰ নিৰীক্ষণৰ ওপৰত পৰ্যবেক্ষণ

### *2.18.1 ৰাজ্যিক পৰ্যায়ৰ স্থায়ী সমিতিৰ অন্তৰ্ভুক্তি নোহোৱা*

আঁচনিৰ নিৰ্দেশনা অনুসৰি, এছ এল এছ চি-য়ে প্ৰকল্পটোৰ অধীনত অন্তৰ্ভুক্ত কায়িক কামবোৰ পৰীক্ষা কৰাৰ পিছত নিৰীক্ষণ সমিতিৰ অনুমোদনৰ বাবে ৰাজ্যখনৰ ডি পি আৰ-ক পৰামৰ্শ দিব। এছ এল এছ চি-য়ে নিশ্চিত কৰিব লাগে যে কোনো আঁচনিৰ সৈতে কামৰ কোনো নকল/অভাৰলেপিং নহয়। ই লগতে প্ৰগতি নিৰীক্ষণ কৰিব লাগে, মানদণ্ড নিশ্চিত কৰিব লাগে, আৰু প্ৰকল্প ৰূপায়ণ সম্পৰ্কীয় সমস্যাবোৰ সমাধান কৰিব লাগে যেনে উপ কেন্দ্ৰসমূহৰ বাবে ভূমি আৱন্টন, পথৰ অধিকাৰ, বনৰক্ষা, ৰে'লৱে ক্লিয়াৰেন্স, সুৰক্ষা ক্লিয়াৰেন্স ইত্যাদি।

হিচাপ পৰীক্ষাত দেখা গৈছে যে কোম্পানীয়ে অনুমোদনৰ বাবে আৰ ই চিৰ ওচৰত ডি পি আৰ দাখিল কৰাৰ বাবে এছ এল এছ চিৰ পৰামৰ্শ প্ৰাপ্ত কৰা নাছিল। লগতে, লক্ষ্য কৰা হৈছিল যে ফেব্ৰুৱাৰী 2014 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈকে এছ এল এছ চিৰ কোনো বৈঠক অনুষ্ঠিত হোৱা নাছিল। যদিও উপ-কেন্দ্ৰৰ বাবে ভূমি আৱন্টন, পথৰ অধিকাৰ, কামবোৰ সম্পাদন কৰাৰ ক্ষেত্ৰত ৰে'লৱে ক্লিয়াৰেন্স আদি সমস্যা আছিল, কোম্পানীয়ে এনে সমস্যা সমাধানৰ বাবে এছ এল এছ চিৰ পৰা প্ৰয়োজনীয় নিৰ্দেশনা প্ৰাপ্ত কৰিব নোৱাৰিলে। এইটোৱে প্ৰকল্পসমূহ সম্পূৰ্ণ হোৱাত 27 মাহ পলম হোৱাত অৰিহণা যোগাইছিল।

উত্তৰত, কোম্পানীয়ে (জানুৱাৰী 2022) কৈছিল যে আৰ ই চি/ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰাৰ আগতে ডি পি আৰ সমূহ এছ এল এছ চিৰ দ্বাৰা অনুমোদিত হৈছিল।

উত্তৰটো শুদ্ধ নহয় কিয়নো কোম্পানীয়ে (মাৰ্চ 2018) এছ এল এছ চিৰ অনুমোদনৰ বাবে ডি পি আৰ আৰ ই চিলৈ প্ৰেৰণ কৰিছিল। লগতে, ফেব্ৰুৱাৰী 2014 ৰ পৰা ছেপ্টেম্বৰ 2020 লৈকে এছ এল এছ চি ৰ কোনো বৈঠক হোৱা নাছিল।

## হিচাপ পৰীক্ষাৰ ফলাফল - হিতাধিকাৰী জৰীপ

হিচাৰ পৰীক্ষাত কৰা হিতাধিকাৰী জৰীপৰ ফলাফল তলত আলোচনা কৰা হৈছে:

## 2.19 হিতাধিকাৰী জৰীপৰ ওপৰত পৰ্যবেক্ষণ

পি এ নিৰ্দেশনা অনুসৰি, হিতাধিকাৰী জৰীপ কৰাৰ বাবে 209 খন গাওঁ[111] বাছনি কৰা হৈছিল। ইয়াৰ ভিতৰত, 1,579 জন হিতাধিকাৰীক সামৰি 185 খন গাওঁত[112] (176 খন অন-গ্ৰিড আৰু 9 খন অফ-গ্ৰিড)

[111] আৰ জি জি ভি ৱাই -XII / ডি ডি ইউ জি জে ৱাই/ সৌভাগ্যৰ অধীনৰ 188 খন গাওঁ আৰু ডি ডি জিৰ অধীনত 21 খন গাওঁ

হিচাপ পৰীক্ষাই (আগষ্ট-অক্টোবৰ 2021) জৰীপ চলাইছিল। বাকী 24 খন গাওঁত[113] হিতাধিকাৰী জৰীপ কৰিব পৰা নগ'ল কিয়নো এই গাওঁসমূহ বানপানী, ভূমিস্খলন, দুৰ্বল পথৰ পৰিস্থিতি আদিৰ বাবে দুৰ্গম আৰু বিচ্ছিন্ন হৈ আছিল।

আঁচনিখনৰ অধীনত লাভান্বিত হোৱা হিতাধিকাৰীসকলৰ আলোকচিত্ৰ সমূহ ***চিত্ৰ তালিকা 2.2*** ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা *2.2***

| | | |
|---|---|---|
|  |  |  |
| ধেমাজি | কামৰূপ (মেট্ৰ') | কাৰ্বি আংলং |

### 2.19.1 এল ই ডি লেম্পৰ ব্যৱস্থা নকৰা

সৌভাগ্য নিৰ্দেশনাৰ দফা 2.4 অনুসৰি, বিদ্যুৎ সংযোগত চাৰ্ভিচ লাইন কেবল, শক্তিমিটাৰ, একক পইন্ট ৱায়াৰিং, এল ই ডি লেম্প, মেৰু স্থাপন আদিৰ ব্যৱস্থা অন্তৰ্ভুক্ত থাকে।

অসমত জৰীপ কৰা 1,579 টা পৰিয়ালৰ ভিতৰত 127 টা ক্ষেত্ৰত (8 শতাংশ) আঁচনিখনৰ ব্যৱস্থা অনুসৰি এল ই ডি লেম্প প্ৰদান কৰা হোৱা নাছিল। অৱশ্যে, সকলো পৰিয়ালতে শক্তি মিটাৰ স্থাপন কৰা দেখা গৈছিল।

### 2.19.2 মূল্য পৰিশোধ কৰা দৰিদ্ৰ পৰিয়াললৈ বিদ্যুৎ সংযোগ মুকলি

সৌভাগ্য নিৰ্দেশনা অনুসৰি সামাজিক-অৰ্থনৈতিক জাতি লোকপিয়ল (এছ ই চি চি) তথ্যৰ অধীনত আৰৰা বি পি এল হিতাধিকাৰীসকলক বিনামূলীয়া বিদ্যুৎ সংযোগ প্ৰদান কৰিব লাগে।

অসমত জৰীপ কৰা 1,579 জন হিতাধিকাৰীৰ ভিতৰত 116 জন (7 শতাংশ), হিতাধিকাৰীসকলৰ পৰা 100 টকাৰ পৰা 2,500 টকা লৈকে পৰিশোধ আদায় কৰাৰ পিছত সংযোগসমূহ প্ৰদান কৰা হৈছিল। ই ৰাজ্যখনৰ দৰিদ্ৰ/বি পি এল জনসংখ্যাক বিনামূলীয়া বিদ্যুৎ প্ৰদান কৰাৰ আঁচনিৰ উদ্দেশ্যক প্ৰতিহত কৰে।

### 2.19.3 শক্তি অবিহনে শক্তি মিটাৰসমূহ স্থাপন কৰা হৈছে।

কোম্পানীটোৱে ডিমা হাচাও জিলাৰ অন্তৰ্গত দুখন গাঁওত (যেনে টংগিক্ৰো আৰু দিয়াং গুৰ্খালী) 57 টা বি পি এল সংযোগ মুকলি কৰিছিল (মে 2018)। 57 জন হিতাধিকাৰীৰ ভিতৰত 20 জনৰ জৰীপৰ সময়ত

[112] 16 খন সলনি কৰা গাওঁ (10 খন অন-গ্ৰিড আৰু 6 খন অফ-গ্ৰিড) অন্তৰ্ভুক্ত কৰি য'ত মুল গাওঁবোৰ ক্ষয় হৈছে / যাবলৈ অসম্ভৱ /কোনো কাম কৰা হোৱা নাছিল

[113] 12 খন অন-গ্ৰিড আৰু 12 খন অফ-গ্ৰিড গাওঁ

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে শক্তি প্ৰদান নকৰাকৈ আৰু এল টি লাইনৰ সৈতে সংযোজিত সেৱা অবিহনে এই হিতাধিকাৰীসকলক কেৱল মিটাৰ প্ৰদান কৰা হৈছিল, সেয়েহে, এই 20 টা পৰিয়ালে বিদ্যুৎ সংযোগৰ লাভালাভ প্ৰাপ্ত কৰা নাছিল।

### 2.19.4 ডিজেল জেনছেট, ডিজেল পাম্প আদিৰ কম ব্যৱহাৰৰ বাবে মাহিলী ব্যয়ৰ ওপৰত ইয়াৰ প্ৰভাৱ

আঁচনিখন কাৰ্যকৰী কৰাৰ প্ৰভাৱ হিচাপে, হিচাপ পৰীক্ষাই জৰীপ কৰা 1,579 জন হিতাধিকাৰীৰ ভিতৰত 1,515 জনে (96 শতাংশ) তুলনামূলকভাৱে কম বিদ্যুৎ মাচুলৰ বাবে জেনছেট, ডিজেল পাম্প পৰিচালনাৰ বাবে তেওঁলোকৰ মাহিলী ব্যয় হ্ৰাস হোৱাটো নিশ্চিত কৰিছে।

### 2.19.5 ঘৰত উপভোক্তা সামগ্ৰী যেনে ইষ্ত্ৰী, টিভি, ফ্ৰিজ আদিৰ ব্যৱহাৰ

জৰীপ কৰা 1,579 জন হিতাধিকাৰীৰ ভিতৰত 1,218 জন (77 শতাংশ) হিতাধিকাৰীয়ে কৈছিল যে তেওঁলোকে টিভি, ফ্ৰিজ, ফেন আদিৰ দৰে অতিৰিক্ত গেজেটসমূহ ব্যৱহাৰ কৰি আছে।

### 2.19.6 ঘৰত বিদ্যুৎ সংযোগৰ আগতে আৰু বিদ্যুত সংযোগৰ পিছত অধ্যয়নৰ সময় বৃদ্ধি / হ্ৰাস

1,145 জন (73 শতাংশ) হিতাধিকাৰীয়ে কৈছিল যে বিদ্যুৎ প্ৰাপ্ত কৰাৰ পিছত, সন্ধিয়া / নিশা বিদ্যুৎ যোগান উপলব্ধ হোৱাৰ বাবে অধ্যয়নৰ সময় বৃদ্ধি পাইছে।

### 2.19.7 গাওঁসমূহত বৈদ্যুতিকৰণৰ বাবে নিশাৰ ভাগত যাতায়াত আৰু সুৰক্ষা বৃদ্ধি

মুঠ 1,496 জন (95 শতাংশ) হিতাধিকাৰীয়ে কৈছিল যে বিদ্যুতৰ উপলব্ধতাই পশুধন, ঘৰুৱা সামগ্ৰী চুৰি হোৱাৰ সম্ভাৱনা হ্ৰাস কৰিছে আৰু এনেদৰে নিশা নিৰাপত্তা বৃদ্ধি কৰিছে ইত্যাদি। অৱশ্যে, বাকী 73 জন হিতাধিকাৰীয়ে নিৰাপত্তা বৃদ্ধি সম্পৰ্কে একো সঁহাৰি দিয়া নাছিল।

### 2.19.8 যোগানঘন্টা আৰু ভল্টেজ তাৰতম্যতাৰ বৃদ্ধি / হ্ৰাস

642 জন (40.65 শতাংশ) হিতাধিকাৰীয়ে জনাইছিল যে বিদ্যুৎ যোগান অনিয়মীয়া আৰু প্ৰতিদিনে 12 ঘন্টাতকৈ কম। লগতে, 761 জন হিতাধিকাৰীয়ে (48.20 শতাংশ) কৈছিল যে বিদ্যুৎ যোগান 12 ঘন্টাতকৈ অধিক সময়ৰ বাবে উপলব্ধ আছিল। অৱশ্যে, বাকী 176 জন হিতাধিকাৰীয়ে (11.15 শতাংশ) বিষয়টোত কোনো সঁহাৰি দিয়া নাছিল।

### 2.19.9 অচিনাক্ত হিতাধিকাৰী

ডিফুৰ এ জি এম (আৰ ই) ৰ দ্বাৰা প্ৰদান কৰা হিতাধিকাৰী তালিকা অনসৰি কাৰ্বি আংলং জিলাৰ অন্তৰ্গত লুম্বাজং খণ্ডৰ অন্তৰ্গত বাৰ্চিং টিমুং গাওঁত ডি ডি ইউ জি জে ৱাই আঁচনিৰ অধীনত ঘৰুৱা বৈদ্যুতিকৰণ প্ৰাপ্ত কৰা 386 জন হিতাধিকাৰী আছিল। বাৰ্চিং টিমুং আৰু চ'ট ৰেচো আকাম গাওঁত ক্ষেত্ৰ ভ্ৰমণৰ সময়ত, হিচাপ পৰীক্ষকৰ দলে হিতাধিকাৰীসকলক বিচাৰি উলিয়াব নোৱাৰিলে। হিচাপ পৰীক্ষকৰ দলটোৱে সংশ্লিষ্ট গাওঁসমূহৰ গাওঁবুঢ়া (গাওঁৰ মুৰব্বী) সকলকো সাক্ষাৎ কৰিছিল আৰু গাওঁবুঢ়াই প্ৰমাণিত কৰিছিল যে তালিকাভুক্ত হিতাধিকাৰীসকল ওপৰোক্ত গাওঁবোৰৰ বাসিন্দা নহয়। গাওঁবুঢ়াই লগতে এইটো কৈছিল যে বাৰ্চিং টিমুং গাওঁত 60 টা পৰিয়াল আৰু চ'ট ৰেচো আকাম গাওঁত 30 টা পৰিয়াল আছিল যাৰ ভিতৰত ক্ৰমান্বয়ে 50 আৰু 25 টা পৰিয়ালত ইতিমধ্যে বিদ্যুৎ সংযোগ কৰা হৈছিল। লগতে, ডিফুৰ এ জি এমে

(আৰ ই) প্ৰদান কৰা তালিকা অনুসৰি, ডি ডি ইউ জি জে ৱাইৰ অধীনত তিনিখন গাওঁ, ক্ৰমে টুপুৰা, হিডিবংলং আৰু টেপ্ৰং ৰংপিৰ 19 জন হিতাধিকাৰীক সামৰিলোৱা হৈছিল। অৱশ্যে, হিচাপ পৰীক্ষক দলে এইগাওঁবোৰত ক্ষেত্ৰ ভ্ৰমণৰ সময়ত তেনে কোনো হিতাধিকাৰী বিচাৰি পোৱা নাছিল। সংশ্লিষ্ট গাওঁসমূহৰ গাওঁবুঢ়ায়ে প্ৰমাণিত কৰিছিল যে তালিকাত তালিকাভুক্ত হিতাধিকাৰীসকল সেই গাওঁবোৰৰ বাসিন্দা নহয়।

## উপসংহাৰ

আঁচনিসমূহ ৰূপায়ণ কৰাৰ আগতে, অসমত 26,395 খন গাওঁ আছিল, যাৰ ভিতৰত 2,339 খন গাওঁ বিদ্যুতবিহীন (ইউ ই) আছিল আৰু বাকী 24,056 খন গাওঁ আংশিকভাৱে বৈদ্যুতিকৃত (পি ই) আছিল। আঁচনিসমূহ ৰূপায়ণৰ ফলত, মাৰ্চ 2021 লৈকে 996 খন ইউ ই গাওঁ[114] (42.58 শতাংশ) আৰু 14,898 খন পি ই গাওঁত (89.12 শতাংশ) বৈদ্যুতিকৰণৰ কাম সম্পন্ন কৰা হৈছিল। ঘৰৰ বৈদ্যুতিকৰণৰ সন্দৰ্ভত, 2017 চনৰ অক্টোবৰত অসমত 51,88,986 টা গ্ৰাম্য পৰিয়াল আছিল, যাৰ ভিতৰত 27,78,638 টা গ্ৰাম্য পৰিয়ালত (53.55 শতাংশ) বিদ্যুৎ সংযোগ কৰা হৈছিল আৰু বাকী 24,10,348 টা পৰিয়ালত (46.45 শতাংশ) বিদ্যুৎ বিহীন আছিল। আঁচনিসমূহৰ ৰূপায়ণৰ ফলাফলে 2022 চনৰ মাৰ্চ লৈকে ৰাজ্যখনত ঘৰুৱা বৈদ্যুতিকৰণৰ সংখ্যা 45,58,833 (87.86 শতাংশ) লৈ যথেষ্ট বৃদ্ধি কৰিছিল।

কোম্পানীয়ে পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণৰ কাম গ্ৰহণ কৰা নাছিল যাৰ ফলত কৃষি আৰু অনা-কৃষি গ্ৰাহকৰ মাজত শক্তিৰ সৰ্বোত্তম ৰোষ্টাৰিংৰ উদ্দেশ্য প্ৰাপ্ত নহ'ল। কোম্পানীয়ে আঁচনিখনৰ অধীনত প্ৰকল্প ৰূপায়ণৰ বাবে যোগ্য প্ৰকল্প ক্ষেত্ৰসমূহক প্ৰাথমিকতা প্ৰদৰ্শন কৰিবলৈ ৰেকৰ্ডত কোনো তথ্যপ্ৰমাণ ৰখা নাছিল। আঁচনিখনৰ নিৰ্দেশনা, নিবিদা চৰ্তাৱলী পালন নকৰাৰ কেইবাটাও উদাহৰণৰ সৈতে আঁচনিখনৰ ৰূপায়ণো আৰম্ভ কৰা হৈছিল। ঠিকা ব্যৱস্থাপনা আৰু কামবোৰ সম্পাদনত অদক্ষতাৰ উদাহৰণ আছিল যাৰ ফলত ঠিকাদাৰসকলৰ অযথা লাভালাভ, নিৰ্দিষ্টমানৰ তলৰ সামগ্ৰী ক্ৰয় কৰা, মুকলি নিবিদা অবিহনে কামৰ আৰন্তন চুক্তি কৰা প্ৰতিশ্ৰুতি পূৰণ নকৰা ইত্যাদি হৈছিল।

মানদণ্ড নিশ্চিত কৰাৰ বাবে নিৰীক্ষণ প্ৰণালী আছিল যদিও কামৰ অগ্ৰগতিৰ সৈতে তাল মিলাব নোৱাৰাৰ ফলস্বৰূপে, গুৰুত্বপূৰ্ণ আৰু উপযুক্ত পৰীক্ষা কৰাত পলম হৈছিল যাৰ ফলত নিৰীক্ষণ প্ৰক্ৰিয়াটো মুখ্যতঃ অকাৰ্যকৰী হৈ পৰিছিল। লগতে, প্ৰকল্পবোৰ সম্পূৰ্ণ কৰাত পলম হোৱা সমস্যাবোৰ সমাধান কৰিবলৈ এছ এল এছ চি-ৰ ফালৰ পৰা নিৰীক্ষণৰ অভাৱ আছিল।

সন্ধানহীন হিতাধিকাৰী আছিল যদিও, জৰীপে অৱশ্যে আঁচনিসমূহৰ বিভিন্ন লাভালাভ প্ৰকাশ কৰিছিল (অৰ্থাৎ মাহিলী ব্যয় হ্ৰাস কৰা, অধ্যয়নৰ সময় বৃদ্ধি, বৈদ্যুতিক গেজেটৰ বৰ্ধিত ব্যৱহাৰ, সুৰক্ষা আৰু নিৰাপত্তা বৃদ্ধি ইত্যাদি) যিবোৰ হিতাধিকাৰীসকলে আঁচনিবোৰ ৰূপায়ণৰ ফলত লাভ কৰিছিল।

## পৰামৰ্শসমূহ

***চৰকাৰ / কোম্পানীয়ে বিবেচনা কৰিব পাৰে:***

- ***কৃষি আৰু অনা-কৃষি পৰিবাহী ব্যৱস্থাৰ মাজত বিদ্যুৎ যোগানৰ সৰ্বোত্তম ৰোষ্টাৰিংৰ বাবে পৰিবাহী ব্যৱস্থাৰ পৃথকীকৰণৰ কাম কৰাৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা প্ৰস্তুত কৰা;***

[114] কাৰ্যকৰী কৰাৰ সময়ত 2,339 খন ইউ ই গাওঁৰ ভিতৰত 1,343 খন গাওঁ আংশিক ভাৱে বৈদ্যুতিকৃত হোৱা দেখা গৈছিল

- *কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, বা নিজা সম্পদৰ দ্বাৰা পুঁজি যোগান ধৰা সকলো প্ৰকল্পতে যাতে ক্ৰয় সম্পৰ্কীয় নিৰ্দেশনাৱলী আৰু নিৰ্দেশনাসমূহ নিষ্ঠাৰে অনুসৰণ কৰা হয়;*
- *আঁচনিসমূহৰ পৰা সৰ্বাধিক লাভালাভ প্ৰাপ্ত কৰাৰ বাবে নিৰ্ধাৰিত বিৰৰণ অনুসৰি যাতে কাম সম্পাদন কঠোৰভাৱে কৰা হয়;*
- *নতুন প্ৰকল্প ৰূপায়ণৰ আগতে এক স্বতন্ত্ৰ জৰীপ কৰা হয় যাতে অভিপ্ৰেত গাওঁ আৰু আকলন সঠিকভাৱে চিনাক্ত কৰা হয় আৰু নিশ্চিত কৰা হয় আৰু আঁচনিখনৰ লাভালাভ লক্ষ্য কৰা হিতাধিকাৰীসকলে লাভ কৰে;*
- *সময়মতে মান সম্পন্ন কাৰ্য সম্পাদন কৰাটো সুনিশ্চিত কৰিবলৈ শীৰ্ষ পৰ্যায়ত নিৰীক্ষণ প্ৰণালী শক্তিশালী কৰা।*

# অধ্যায় III

# পি এচ ইউ সমূহৰ সন্মতিসূচক হিচাপ পৰীক্ষাৰ দফা সমূহ

# অধ্যায়-III:
# পি এছ ইউ সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহ

## ধাৰা 5: শক্তি খণ্ডৰ পি এছ ইউ সম্পৰ্কীয় হিচাপ পৰীক্ষাৰ দফাসমূহ

শক্তি খণ্ডৰ পি এছ ইউসমূহৰ হিচাপ পৰীক্ষাৰ সময়ত উদ্ভৱ হোৱা গুৰুত্বপূৰ্ণ হিচাপ পৰীক্ষাৰ ফলাফলবোৰ এই শাখাত অন্তৰ্ভুক্ত কৰা হৈছে।

**অসম শক্তি বিতৰণ কোম্পানী লিমিটেড**

### *3.5.1 অপ্ৰাপ্য লাভালাভ*

***কোম্পানীটোৱে বিতৰণ নকৰা সামগ্ৰীৰ বিপৰীতে পৰিশোধ (0.60 কোটি টকা) কৰি আৰু কাম সম্পূৰ্ণ কৰাত পলম হোৱা স্বত্তেও এল ডিৰ পৰিমাণ (1.27 কোটি টকা) মুকলি কৰি ঠিকাদাৰক 1.87 কোটি টকাৰ অপ্ৰাপ্য লাভালাভ প্ৰদান কৰিছিল ।***

অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে আৰ-এ পি ডি আৰ পি আঁচনিৰ অধীনত 12.86 কোটি টকাৰ চুক্তি মূল্যত (তেজপুৰ প্ৰকল্প এলেকাৰ বাবে 6.07 কোটি টকা সহ) তেজপুৰ বৈদ্যুতিক সংমণ্ডলৰ অধীনৰ ক্ষেত্ৰসমূহৰ উপ-পৰিবহন আৰু প্ৰকল্প বিতৰণৰ কাম শক্তিশালী আৰু উন্নীতকৰণ কৰাৰ বাবে এন কে পাৱাৰ ইনফ্ৰাষ্ট্ৰাক্‌চাৰক[115] (ঠিকাদাৰ) এখন আৰম্ভন পত্ৰ (এল অ' এ) জাৰী কৰিছিল (এপ্ৰিল 2013) । কামটো ছেপ্টেম্বৰ 2014-ৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগিছিল (পৰৱৰ্তী সময়ত 30 জুন 2016 লৈকে সম্প্ৰসাৰিত কৰা হৈছিল)। কোম্পানীটোৱে কামটো 20 জুন 2016 ত সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰিছিল।

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে:

তেজপুৰ প্ৰকল্প ক্ষেত্ৰত কামৰ ভিতৰত আছিল ক্ৰমান্বয়ে 1.06 কোটি টকা[116] আৰু 0.19 কোটি টকাৰ[117] মূল্যত 10 এম ভি এ পাৱাৰ ট্ৰেন্সফৰ্মাৰিত স্বয়ংক্ৰিয় শক্তি কাৰক নিয়ন্ত্ৰকৰ (এ পি এফ চি) যোগান ধৰা আৰু স্থাপন কৰা আৰু লগতে ৰে'লৱে ট্ৰেক ক্ৰছিংত হউ জি কেবল নিৰ্মাণ আৰু সামগ্ৰীৰ যোগান ধৰা। কোম্পানীটোৱে ঠিকাদাৰক 5.64 কোটি টকা পৰিশোধ (ডিচেম্বৰ 2015) কৰিছিল, য'ত এ পি এফ চি আৰু ৰেল ক্ৰছিং সম্পৰ্কীয় সামগ্ৰী যোগানৰ বিপৰীতে 1.25 কোটি টকা অন্তৰ্ভুক্ত আছিল।

অৱশ্যে দেখা গৈছিল যে যদিও কোম্পানীটোৱে কামটো 20 জুন 2016 তাৰিখে সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰিছিল, কোম্পানীৰ আৰ-এ পি ডি আৰ পিৰ নোডেল বিষয়াই (ছেপ্টেম্বৰ 2017) ঠিকাদাৰক 31 ডিচেম্বৰ 2017-ৰ ভিতৰত এ পি এফ চি আৰু ৰে'লৱে ট্ৰেক ক্ৰছিংৰ নিৰ্মাণ আৰু কমিছনিংৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছিল। তেজপুৰ বৈদ্যুতিক বিভাগৰ সহকাৰী মহাপ্ৰবন্ধকে (জানুৱাৰী 2020) টি ই চিৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে আৰ-এ পি ডি আৰ পিৰ নোডেল বিষয়াক এটা প্ৰতিলিপি প্ৰদান কৰি কৈছিল যে ঠিকাদাৰে

[115] আগতে মেচাৰ্ছ শক্তি আৰু ইনফ্ৰাষ্ট্ৰাক্‌চাৰ হিচাপে জনাজাত আছিল

[116] 1,01,67,904.76 টকা + 5,08,395.24 টকা (5 শতাংশ কৰ্ম চুক্তি কৰ x 1,01,67,904.76 টকা)

[117] 17,71,314.30 টকা + 88,565.72 টকা (5 শতাংশ কৰ্ম চুক্তি কৰ x 17,71,314.30 টকা)

1.06 কোটি টকা অৰ্ডাৰ কৰা (পৰিশোধ কৰা) মূল্যৰ বিপৰীতে 0.65 কোটি টকা মূল্যৰ সামগ্ৰী এ পি এফ চিক প্ৰদান কৰিছিল। এ জি এমে আৰু জনাইছিলযে ঠিকাদাৰে যোগান ধৰা 0.19 কোটি টকা মূল্যৰ ৰে'লৰে ক্ৰছিং সম্পৰ্কীয় সামগ্ৰীৰ বিপৰীতে যোগান ধৰা কোনো সামগ্ৰীৰ তথ্য বিচাৰি পোৱা নগ'ল।

সেইদৰে, কোম্পানীয়ে ঠিকাদাৰক অনিয়মীয়াভাৱে 0.60 কোটি টকা পৰিশোধ কৰিছিল যাৰ বিপৰীতে কোম্পানীয়ে কোনো সামগ্ৰী প্ৰাপ্ত কৰা নাছিল (ছেপ্টেম্বৰ 2021 লৈকে)।

(ii) প্ৰকল্পটো জুন 2016-ত সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰা কোম্পানীৰ সিদ্ধান্ত সঠিক নাছিল, যিটো কোম্পানীয়ে (ছেপ্টেম্বৰ 2016) মানি লৈছিল আৰু কোম্পানীৰ আভ্যন্তৰীণ যোগাযোগৰ পৰাও সেয়া নিশ্চিত হৈছিল। তদুপৰি, এইটো দেখা গৈছিল যে কোম্পানীটোৱে টি ই চিৰ দ্বাৰা প্ৰকল্পটো জুন 2017 ত সম্পূৰ্ণ হোৱাৰ আধাৰত পৰিশোধিত ক্ষতি (এল ডি) হিচাপে 1.27 কোটি টকা পৰিমাণ কৰ্তন কৰিছিল (মাৰ্চ 2018) । অৱশ্যে, পৰিশোধিত ক্ষতি (এল ডি ) এই ভিত্তিত ঠিকাদাৰক মুকলি কৰা হৈছিল (নৱেম্বৰ 2018) যে প্ৰকল্পটো নিৰ্ধাৰিত ম্যাদৰ ভিতৰত সম্পূৰ্ণ হৈছিল অৰ্থাৎ জুন 2016 ত, টি ই চিয়ে উল্লেখ কৰাৰ দৰে জুন 2017 ত নহয়। অৱশ্যে, সত্যটো আছিল যে প্ৰকল্পটো 2021 চনৰ ছেপ্টেম্বৰ মাহতো সম্পূৰ্ণ হোৱা নাছিল। যিহেতু অসম্পূৰ্ণ কাম আছিল, সেয়েহে ভুলকৈ সম্পূৰ্ণতা তাৰিখ (জুন 2016) উল্লেখ কৰি ঠিকাদাৰক 1.27 কোটি টকা পৰিমাণৰ পৰিশোধিত ক্ষতিপূৰণ মুকলি কৰাটোও অনিয়মীয়া আছিল।

সেয়েহে, কোম্পানীয়ে সামগ্ৰীবোৰ প্ৰাপ্ত নকৰাকৈ 0.60 কোটি টকা[118] পৰিশোধ কৰি ঠিকাদাৰক অযথা লাভালাভ প্ৰদান কৰিছিল। লগতে, কোম্পানীয়ে এটা নিৰ্মাণৰত প্ৰকল্প সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰাৰ সিদ্ধান্ত (জুন 2016) আৰু ঠিকাদাৰক 1.27 কোটি টকাৰ এল ডি পৰিমাণ মুকলি কৰাৰ সিদ্ধান্ত অনিয়মীয়া আছিল আৰু ইয়াত যৌক্তিকতাৰ অভাৱ আছিল।

চৰকাৰ/ কোম্পানীয়ে তেওঁলোকৰ উত্তৰত (ডিচেম্বৰ 2021) স্বীকাৰ কৰিছিল যে এ পি এফ চি আৰু ৰে'লৰে ক্ৰছিং সম্পৰ্কীয় সামগ্ৰী যোগানৰ কোনো তথ্য বিচাৰি পোৱা নাই আৰু এ পি এফ চি আৰু ৰে'লৰে ক্ৰছিং স্থাপনৰ কাম এতিয়াও বাকী আছে। কোম্পানীটোৱে আৰু কৈছিল যে ই এল ডি পুনৰুদ্ধাৰ সম্পৰ্কে ঠিকাদাৰৰ ওচৰত বিষয়টো অৱগত কৰিছে, আনহাতে, চৰকাৰে কোম্পানীক বিসংগতিবোৰৰ অনুসন্ধানৰ বাবে এখন সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিছে।

***পৰামৰ্শ: কোম্পানীয়ে কামটো সম্পূৰ্ণ কৰিবলৈ আৰু ত্ৰুটিৰ দায়িত্ব নিৰ্ধাৰণ কৰিবলৈ ঠিকাদাৰৰ বিৰুদ্ধে প্ৰয়োজনীয়পদক্ষেপ ল'ব পাৰে আৰু এনে অনিয়মৰ পুনৰাবৃত্তি পৰিহাৰ কৰিবলৈ নিৰ্দেশনা অনুসৰি আঁচনি ৰূপায়ণৰ কাৰ্যকৰী নিৰীক্ষণ নিশ্চিত কৰিব পাৰে।***

[118] সামগ্ৰীৰ যোগান: 1.25 কোটি টকা - 0.65 কোটি টকা = 0.60 কোটি টকা

## অসম বিদ্যুৎ সংবহন নিগম লিমিটেড

### *3.5.2 ৰাহি হোৱা পুঁজিৰ বিনিয়োগ নীতিৰ অভাৱ*

***নিৰ্ধাৰিত বিনিয়োগ নীতিৰ অনুপস্থিতিত, কোম্পানীয়ে বেংকে আগবঢ়োৱা বিভিন্ন সুতৰ হাৰ বিশ্লেষণ নকৰাকৈ এছ টি ডি আৰ সমূহত ইয়াৰ অতিৰিক্ত পুঁজি বিনিয়োগ কৰিছিল আৰু ইয়াৰ ফলত 0.48 কোটি টকাৰ সম্ভাব্য অতিৰিক্ত ৰাজহ হেৰুৱাইছিল ।***

এক বিচক্ষণ বিত্তীয় ব্যৱস্থাপনা প্ৰণালীৰ অংশ হিচাপে, ইয়াৰ অতিৰিক্ত পুঁজি পৰিচালনা কৰাৰ বাবে যিকোনো সংগঠনত এক সুনিৰ্মিত বিনিয়োগ নীতি থকাটো অত্যাৱশ্যকীয়। অৱশ্যে, অসম চৰকাৰৰ ৰাজ্যিক পি এছ ইউৰ দ্বাৰা অতিৰিক্ত পুঁজি বিনিয়োগৰ ক্ষেত্ৰত কোনো নীতি নাছিল। এইটো ভাৰত চৰকাৰৰ পৰা বিপৰীত, য'ত ৰাজহুৱা উদ্যোগ বিভাগে (ডি পি ই) কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ (চি পি এছ ই) দ্বাৰা অতিৰিক্ত পুঁজি বিনিয়োগৰ ওপৰত সময়ে সময়ে বিতং নিৰ্দেশনা জাৰী কৰে।

ডি পি ই ৰ নিৰ্দেশনা অনুসৰি (মে 2017) অতিৰিক্ত পুঁজিৰ বিনিয়োগৰ সিদ্ধান্ত চি পি এছ ই-ৰ পৰিচালক মণ্ডলীয়ে লয়। অৱশ্যে, এক নিৰ্দিষ্ট সীমাৰ বিনিয়োগসমূহ যাৰ ম্যাদপুৰ্তি একবছৰৰ ভিতৰত তেনে হ্ৰস্বম্যাদী অতিৰিক্ত পুঁজি বিনিয়োগ কৰাৰ সিদ্ধান্তবোৰ এক নিৰ্ধাৰিত পৰিচালক গোটক ন্যস্ত কৰিব পাৰি, য'ত অৱশ্যেই অধ্যক্ষ তথা পৰিচালনা সঞ্চালক আৰু সঞ্চালক (বিত্ত)/আভ্যন্তৰীণভাৱে বিত্ত বিভাগৰ মুৰব্বী অন্তৰ্ভুক্ত থাকিব লাগে। য'ত এনে প্ৰতিনিধি দলৰ ব্যৱস্থা কৰা হয়, তেনে ক্ষেত্ৰত ইয়াৰ পৰৱৰ্তী বৈঠকত ব'ৰ্ডক স্বয়ংক্ৰিয় আভ্যন্তৰীণ প্ৰতিবেদন দিয়াৰ এক সঠিক প্ৰণালী থাকিব লাগে।

চি পি এছ ইৰ বিনিয়োগ নীতিত সাধাৰণতে (i) দায়বদ্ধতা আৰু কৰ্তৃত্ব (ii) বেংকৰ সুত কাৰ্ডৰ হাৰ প্ৰাপ্ত কৰাৰ চৰ্ত (iii) অতিৰিক্ত পুঁজি নিৰ্ধাৰণ আৰু বিনিয়োগৰ তাৰিখ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া (iv) বিনিয়োগ কোষৰ কাৰ্য (v) বিনিয়োগ প্ৰস্তাৱৰ পৰামৰ্শ দিয়াৰ প্ৰক্ৰিয়া (vi) পৰিশোধ মুকলি কৰাৰ বাবে অনুমোদন আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

হিচাপ পৰীক্ষাত লক্ষ্য কৰিছিল যে অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ (কোম্পানী) বিনিয়োগৰ বিষয়ে সিদ্ধান্ত লোৱাৰ বাবে কোনো বিনিয়োগ নীতি বা কোনো নিৰ্ধাৰিত সমিতি নাছিল। পৰিচালনা সঞ্চালকৰ অনুমোদনত কোম্পানীৰ বিত্ত আৰু একাউন্ট শাখাৰ বিষয়াসকলে হ্ৰস্বম্যাদী জমাৰ (এছ টি ডি) ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিছিল। এছ টি ডিত বিনিয়োগৰ পৰিমাণ 2017-18 বৰ্ষত 415.56 কোটি টকা আছিল যি 2020-21 বৰ্ষত 898.23 কোটি টকালৈ বৃদ্ধি পাইছিল। বিনিয়োগৰ ওপৰত সিদ্ধান্ত লোৱাত ত্ৰুটি হোৱাৰ বাবে 2017-20 বৰ্ষত সুতৰ উপাৰ্জন হেৰুওৱাৰ এক ডদাহৰণ তলত উল্লেখ কৰা হৈছে:

ভাৰতীয় ষ্টেট বেংকত কোম্পানীটোৰ দ্বাৰা কৰা বিনিয়োগ যিটো 31 মাৰ্চ 2018 ত সৰ্বপ্ৰথম বাৰৰ বাবে বিনিয়োগ কৰা হৈছিল, তাৰ সাৰাংশ ***সাৰণী 3.4.1*** ত দিয়াৰ দৰে।

**সাৰণী 3.4.1: কোম্পানীৰ দ্বাৰা কৰা বিনিয়োগৰ বিৱৰণ**

| বিৱৰণ | 2017-18 | সূতৰ হাৰ | 2018-19 | সূতৰ হাৰ | 2019-20 | সূতৰ হাৰ |
|---|---|---|---|---|---|---|
| 10 কোটি টকাৰ একমুঠ বিনিয়োগ (03 এপ্ৰিল 2021 তাৰিখে বন্ধ হৈছে) | 10,00,00,000 | 7.00 | 10,64,65,285 | 6.70 | 11,30,48,249 | 3.70 |
| পৰিমাণটো 46 টা এছ টি ডিলৈ বিভক্ত কৰি বিনিয়োগ | 40,50,20,000 | 6.40 | 42,89,07,494 | 6.80 | 45,58,25,123 | 5.70 |

এছ টি ডি-ত পুঁজি বিনিয়োগৰ প্ৰণালীত অভাৱৰ বাবে এছ বি আই-ৰ সৈতে এছ টি ডি কৰাৰ কাৰণে তলত উল্লেখ কৰা ধৰণৰ আসোঁৱাহসমূহ লক্ষ্য কৰা গৈছিল, যাৰ ফলত বুজন পৰিমাণৰ সূতৰ উপাৰ্জন হেৰুৱাইছিল:

(i) কোম্পানীটোৱে এছ টি ডি ত 10 কোটি টকা বিনিয়োগ (31 মাৰ্চ 2018) কৰিছিল আৰু এছ বি আই-য়ে 7 শতাংশ সূত বহন কৰিছিল, আনহাতে ই এছ বি আই-ত 6.40 শতাংশ সূতৰ সৈতে আন 40.50 কোটি টকা[119] বিনিয়োগ কৰিছিল, যাক 1 কোটিৰ তলৰ 46 টা এছ টি ডি-ত বিভক্ত কৰা হৈছিল, যাৰ এক বছৰৰ ম্যাদপুৰ্তিৰ ম্যাদ আছিল (31 মাৰ্চ 2019)। যদি কোম্পানীয়ে গোটেই পৰিমাণটো একমুঠ পৰিমাণত বিনিয়োগ কৰিলে হেতেন ই 7 শতাংশ সূতৰ হাৰ অৰ্জন কৰিব পাৰিলেহেঁতেন। ফলস্বৰূপে, কোম্পানীটোৱে 2017-18 বৰ্ষত 1 কোটি টকাৰ তলৰ 46 টা এছ টি ডিত 0.24 কোটি টকাৰ অতিৰিক্ত সূত উপাৰ্জন কৰাৰ সুযোগ হেৰুৱাইছিল।

(ii) পৰৱৰ্তী সময়ত, ম্যাদপুৰ্তিৰ পিছত ওপৰোক্ত বিনিয়োগবোৰ এক বছৰৰ বাবে (31 মাৰ্চ 2019) পুনৰ বিনিয়োগ কৰা হৈছিল (31 মাৰ্চ 2020) কিন্তু সেই সময়ৰ পৰা সূতৰ হাৰ সলনি হৈছিল, 2 কোটি টকাৰ ওপৰৰ বিনিয়োগত সূতৰ হাৰ 7 শতাংশৰ পৰা 6.70 শতাংশলৈ হ্ৰাস হৈছিল, নিম্ন মূল্যৰ বিনিয়োগত সূতৰ হাৰ 6.40 ৰ পৰা 6.80 শতাংশলৈ বৃদ্ধি হৈছিল যাৰ পৰিপ্ৰেক্ষিতত লাভদায়ক হৈ পৰিছিল। এই প্ৰৱণতা 2019-20 বৰ্ষতো অব্যাহত আছিল, যেতিয়া সূতৰ হাৰৰ ব্যৱধান আৰু বৃদ্ধি পাইছিল আৰু 2 কোটি টকাৰ ওপৰৰ বিনিয়োগে 3.70 শতাংশৰ নিম্ন হাৰ বহন কৰাৰ বিপৰীতে, 2 কোটি টকাৰ তলৰ বিনিয়োগৰ ক্ষেত্ৰত 5.70 শতাংশ হাৰ বহন কৰিছিল। সেয়েহে, 2018-19 আৰু 2019-20 বৰ্ষত, কোম্পানীটোৱে অধিক সূত অৰ্জন কৰিব পাৰিলেহেঁতেন যদি ই নৱীকৰণৰ সময়ত ইয়াৰ উচ্চ মূল্যৰ এছ টি ডিক 2 কোটি টকাতকৈ কম মূল্যৰ এছ টি ডিত বিভক্ত কৰিলেহেঁতেন। ফলস্বৰূপে, কোম্পানীটোৱে পুনৰ 2018-20 বৰ্ষত 0.24 কোটি টকাৰ[120] অতিৰিক্ত সূত উপাৰ্জন কৰাৰ সুযোগ হেৰুৱাইছিল।

সেয়েহে, এছ বি আই-য়ে আগবঢ়োৱা সূতৰ হাৰ বিশ্লেষণ নকৰাকৈ এছ টি ডি আৰ-ত অতিৰিক্ত পুঁজি বিনিয়োগ কৰাৰ বাবে কোম্পানীটোৱে 2017-20 বৰ্ষত 0.48 কোটি টকাৰ সম্ভাব্য অতিৰিক্ত ৰাজহ হেৰুৱাইছিল।

চৰকাৰ/কোম্পানীয়ে (ডিচেম্বৰ 2021) কৈছিল যে পুঁজিবোৰ 2018-19 বৰ্ষত বৃহৎ পৰিমাণৰ জমা হাৰৰ পৰিৱৰ্তে অস্থায়ীভাৱে খুচুৰা জমা হাৰত ৰখা হৈছিল কিয়নো তেঁওলোকে প্ৰয়োজন অনুসৰি চলিত প্ৰকল্পৰ

---

[119] 90,00,000 টকা x 44 + 70,00,000 টকা x 1 + 20,20,000 টকা x 1= 40,50,20,000 টকা

[120] 10,64,65,285 টকা x 0.10 শতাংশ + 11,30,48,249 টকা x 2 শতাংশ = 0.24 কোটি টকা

বাবে বিভিন্ন ঠিকাদাৰ আৰু অন্যান্য দায়বদ্ধতাক নিয়মীয়াকৈ পৰিশোধ কৰিব লাগিছিল আৰু অপৰিপক্ক জৰিমনা হ্ৰাস কৰাৰ বাবে পৰিমাণটো কম মূল্যত ৰখা হৈছিল। কোম্পানীটোৱে আৰু কৈছিল যে জমা হোৱা সূতৰ সৈতে 10 কোটি টকাৰ নৱীকৰণ সম্পৰ্কে ইয়াৰ কোনো পূৰ্ব-পৰিকল্পনা নাছিল আৰু 2019-20 বৰ্ষত বেংকৰ ফালৰ পৰা স্বয়ংক্ৰিয়ভাবে এছ টি ডি আৰ নৱীকৰণ কৰা হৈছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো 2017-18 বৰ্ষত বিনিয়োগ কৰা 10 কোটি টকাৰ পৰিমাণ 03 এপ্ৰিল 2021 তাৰিখেহে নগদ কৰা হৈছিল আৰু 2017-18 বৰ্ষত বিনিয়োগ কৰা 40.50 কোটি টকাৰ সম্পূৰ্ণ পৰিমাণ এছ টি ডি আৰত জমা হৈ আছিল। সেয়েহে বিভিন্ন ঠিকাদাৰ আৰু অন্যান্য দায়বদ্ধতাবোৰক নিয়মীয়াকৈ পৰিশোধ সম্পৰ্কীয় বিবাদ বৈধ নহয়। লগতে, 2019-20 বৰ্ষত বিনিয়োগৰ বাবে পূৰ্ব-পৰিকল্পনাৰ অনুপস্থিতিৰ বিষয়ে কোম্পানীৰ গ্ৰহণযোগ্যতাই কেৱল সৰ্বাধিক লাভ ৰখাৰ বাবে বিনিয়োগ নীতিৰ অভাৱৰ ওপৰত হে আলোকপাত কৰে।

***পৰামৰ্শ: কোম্পানীৰ হাতত থকা বৃহৎ পৰিমাণৰ অতিৰিক্ত পুঁজিৰ কথা বিবেচনা কৰি, কোম্পানীয়ে নিশ্চিত কৰিব লাগে যে অতিৰিক্ত পুঁজিৰ বিনিয়োগৰ ওপৰত সৰ্বাধিক লাভ ৰখাৰ বাবে এক সুনিৰ্ধাৰিত বিনিয়োগ নীতি আৰু বিনিয়োগৰ ওপৰত সিদ্ধান্ত লোৱাৰ বাবে এখন সমিতি স্থাপন কৰা হয়।***

## ধাৰা 6: পি এছ ইউ সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ অনুচ্ছেদ (শক্তি খণ্ডৰ বাহিৰে)

পি এছ ইউ-ৰ হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা গুৰুত্বপূৰ্ণ হিচাপ পৰীক্ষাৰ ফলাফলবোৰ (শক্তি খণ্ডৰ বাহিৰে) এই শাখাত অন্তৰ্ভুক্ত কৰা হৈছে।

### অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড

### *3.6.1 অপ্ৰাপ্য লাভালাভ*

***ই অ' ডি বি প্ৰকল্পৰ নিবিদা প্ৰক্ৰিয়াত আৰু চুক্তি ব্যৱস্থাপনাত ত্ৰুটিৰ বাবে ঠিকাদাৰে 2 কোটি টকাৰ মূল কাৰ্য আদেশৰ বিপৰীতে 43.73 কোটি টকাৰ চালান দাখিল কৰিব পাৰিছিল আৰু কামৰ হাৰ আৰু দাবীৰ যুক্তিসঙ্গতাত প্ৰশ্ন উঠা স্বত্বেও 18.51 কোটি টকা ইতিমধ্যে পৰিশোধ কৰা হৈছে।***

ভাৰত চৰকাৰৰ (জি অ' আই) দ্বাৰা প্ৰচাৰিত কাৰ্য পৰিকল্পনা অনুসৰি অসম চৰকাৰৰ মুখ্য সচিবে (4 এপ্ৰিল 2015) এখন বৈঠকত ইজ অফ ডুয়িং বিজনেছ (ই অ' ডি বি) আৰম্ভ কৰাৰ বিষয়ে আলোচনা কৰে আৰু সিদ্ধান্ত লয় যে ই-গভৰ্ণেন্স পৰ্টেলৰ সৈতে একক উইণ্ডো প্ৰণালী প্ৰৱৰ্তন কৰা উচিত। আই এণ্ড চি ডিৰ আয়ুক্ত নোডেল বিষয়া হিচাপে থাকিব আৰু উদ্যোগ আৰু বাণিজ্য বিভাগ (আই এণ্ড চি ডি) নোডেল বিভাগ হ'ব। তথ্য প্ৰযুক্তি বিভাগ, অসম চৰকাৰে (আই টি বিভাগ) আই এণ্ড চি ডিক ই-গভৰ্ণেন্সৰ বাবে এটা প্ৰস্তাৱ প্ৰস্তুত কৰাত সহায় কৰিব, আৰু ইয়াৰ পৰিৱৰ্তে আই এণ্ড চিডিয়ে ই-গভৰ্ণেন্স প্ৰকল্পৰ বাবে ভাৰত চৰকাৰৰ ঔদ্যোগিক নীতি আৰু প্ৰচাৰ বিভাগৰ লগত পুঁজিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'ব।

উক্ত সভাৰ দিনাই (4 এপ্ৰিল 2015) আই এণ্ড চি ডিৰ আয়ুক্তই অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেডৰ (কোম্পানী) এম ডি হিচাপে তেওঁৰ ক্ষমতাত বিভিন্ন কাৰ্যক্ষমতা আৰু বিভাগক সামৰি 20 টা মডিউল অন্তৰ্ভুক্ত কৰি ই অ' ডি বিৰ বাবে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ বাবে একক উইণ্ডো ক্লিয়াৰেন্স চিষ্টেম ৱেব পৰ্টেলৰ ডিজাইন, বিকাশ আৰু হোষ্টিংৰ বাবে এজন ঠিকাদাৰ বাছনি কৰিবলৈ কোম্পানীৰ জৰিয়তে আগ্ৰহৰ অভিব্যক্তি (ই অ' আই) আৰম্ভ কৰিছিল।

ইয়াৰ বিপৰীতে, কোম্পানীয়ে (এপ্ৰিল 2015) তিনিখন নিবিদা লাভ কৰিছিল। মেচাৰ্ছ অৱন্তিকা ইনোভেচনছ প্ৰাইভেট লিমিটেডৰ (ঠিকাদাৰ) নিবিদা গ্ৰহণ কৰা হৈছিল আৰু প্ৰাৰম্ভিক নিবিদা প্ৰাপ্ত কৰাৰ দহ মাহৰ পিছত ফেব্ৰুৱাৰী 2016ত 2 কোটি টকাত[121] কামটো প্ৰদান কৰা হৈছিল। ঠিকাদাৰৰ নিবিদা অনুসৰি, 20 টা মডিউলত কামৰ বাবে 3,220 টকাকৈ প্ৰতিদিনে 5,939 টা শ্ৰম-দিন অন্তৰ্ভুক্ত কৰি 42 টা প্ৰপত্ৰ বিকাশ কৰাৰ প্ৰয়োজন আছিল।

ঠিকাদাৰ ই 2021 চনৰ এপ্ৰিলত কামটো সম্পূৰ্ণ কৰিছিল। 2 কোটি টকাৰ মূল কাৰ্য আদেশৰ বিপৰীতে, ঠিকাদাৰে 3 মাৰ্চ 2016 ৰ পৰা 9 এপ্ৰিল 2021ৰ ভিতৰত চাৰিটা বেট্‌চত 14 খন বিল দাখিল কৰিছিল, যাৰ পৰিমাণ আছিল 43.73 কোটি টকা, যাৰ বিপৰীতে কোম্পানীয়ে ***সাৰণী 3.5.1*** ত দেখুওৱাৰ দৰে 18.51 কোটি টকা পৰিশোধ কৰিছিল।

[121] বাৰ্ষিক তত্বাৱধান চুক্তি ব্যয় (0.12 কোটি টকা) আৰু অন্যান্য আনুষঙ্গিক ব্যয় (0.03 কোটি টকা ) বাদ দি

**সাৰণী 3.5.1: কোম্পানীয়ে পৰিশোধ কৰা বিলৰ বিৱৰণ**

*(3 আৰু 4 নং স্তম্ভৰ সংখ্যা কোটি টকাত)*

| বেট্‌চ | চালানৰ তাৰিখ | চালানৰ পৰিমাণ | পৰিশোধ কৰা পৰিমাণ | পৰিশোধৰ তাৰিখ |
|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 |
| বেট্‌চ - 1 (2 খন চালান) | 03.03.2016 | 2.14 | 2.00 | 31.03.2016 |
| বেট্‌চ - 2 (4 খন চালান) | 20.02.2017 | 10.35 | 2.46 | 05.04.2017 |
| বেট্‌চ - 3 (6 খন চালান) | 10.08.2017 | 24.91 | 7.72 | 16.11.2018 |
| বেট্‌চ - 4 (2 খন চালান) | 09.04.2021 | 6.33 | 6.33 | 13.04.2021 |
| **মুঠ (14 খন চালান)** | | **43.73** | **18.51** | |

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে:

1. আই এণ্ড চি ডিৰ আয়ুক্তক ই অ' ডি বি ই-গভৰ্ণেন্স প্ৰকল্পৰ নোডেল বিষয়া হিচাপে মনোনীত কৰা হৈছিল। অৱশ্যে, অসম চৰকাৰৰ (জি অ'এ) মুখ্য সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত (4 এপ্ৰিল 2015) সিদ্ধান্ত লোৱাৰ দৰে কোম্পানীৰ এম ডি হিচাপে তেওঁৰ ক্ষমতাত তথ্য প্ৰযুক্তি বিভাগৰ সহায়ত ই-গভৰ্ণেন্স প্ৰকল্পটো তৈয়াৰ কৰাৰ কোনো বিতং প্ৰস্তাৱ প্ৰস্তুত নকৰাকৈ কামটো নিবিদা কৰা হৈছিল।

2. কোম্পানীৰ এম ডি-ৰ দ্বাৰা জাৰী কৰা ই অ' আই য়ে (এপ্ৰিল 2015) আৰু নিম্নতম প্ৰকল্পৰ বিৱৰণ (2 পৃষ্ঠাত) প্ৰদান কৰিছিল আৰু নিবিদাকাৰী সকলক প্ৰকল্পটো সামৰি 20 টা মডিউলৰ বাবে উদ্ধৃতি দিবলৈ কৈছিল। নিবিদাকাৰী সকলে অমানত বা পাৰদৰ্শিতা প্ৰত্যাভূতি দাখিল কৰাৰ কোনো প্ৰয়োজন নাছিল বা ই অ' আই-ত পৰিশোধৰ চৰ্তাৱলী আৰু নিয়মাৱলী নিৰ্ধাৰণ কৰা হোৱা নাছিল। ই অ' আই-য়ে কোনো প্ৰপত্ৰ বা টেমপ্লেট প্ৰদান কৰা নাছিল য'ত নিবিদা দাখিল কৰিব লাগিছিল। অৱশ্যে, তিনিওজন নিবিদাকাৰীয়ে চূড়ান্ত নিবিদা পৰিমাণত উপনীত হ'বলৈ শ্ৰম-দিনৰ হাৰৰ সৈতে প্ৰয়োজনীয় শ্ৰম-দিন আৰু প্ৰতিটো মডিউলত বিকশিত কৰিব লগা প্ৰপত্ৰৰ সংখ্যা, এইবোৰ একে ধৰণে উদ্ধৃত কৰিছিল।

3. যিটো প্ৰপত্ৰত নিবিদা প্ৰাপ্ত কৰা হৈছিল কোম্পানীয়ে  নিম্নতম নিবিদাদাতা, মেচাৰ্ছ অৱন্তিকা ইনাভেচনচ প্ৰাইভেট লিমিটেডক (ঠিকাদাৰ) প্ৰপত্ৰৰ সংখ্যা, শ্ৰম-দিন আৰু প্ৰতি শ্ৰম-দিনৰ হাৰ নিৰ্দিষ্ট কৰি কাৰ্য আদেশ জাৰী (ফেব্ৰুৱাৰী 2016) কৰিছিল। লগতে, কাৰ্য আদেশত এটা ধাৰা অন্তৰ্ভুক্ত আছিল যে বাছনিকৃত ফাৰ্মে কৰা অতিৰিক্ত কামৰ বিষয়ে অৱগত কৰিব লাগিব আৰু সেইটো আবেদন বিকাশৰ অনুমোদিত হাৰ অনুসৰি পৰিশোধ কৰা হ'ব। সেয়েহে, যদিও কামটো স্বভাৱত 20 টা মডিউল সামৰি এটা একক উইণ্ডো ৱেব পৰ্টেলৰ ডিজাইন, বিকাশ আৰু হোষ্টিংৰ বাবে একমুঠ/স্থিৰ মূল্যৰ চুক্তি আছিল, ওপৰোক্ত ধাৰাটো অন্তৰ্ভুক্ত কৰি আৰু শ্ৰম-দিনৰ হাৰ নিৰ্দিষ্ট কৰি, প্ৰকল্পটোৰ অধীনত বিভিন্ন মডিউলৰ বিকাশৰ বাবে হাৰ-চুক্তিৰ প্ৰকৃতিত ইয়াক এক চুক্তি হিচাপে গণ্য কৰাৰ সম্ভাৱনা মুকলি কৰিছিল।

4. অভিপ্ৰায়ী নিবিদাকাৰীসকলক তেওঁলোকৰ উদ্ধৃতি দাখিল কৰিবলৈ মাত্ৰ 15 দিনৰ (20 এপ্ৰিল 2015 লৈকে) সময় দিয়া হৈছিল (4 এপ্ৰিল 2015) আনহাতে চি ভি চি নিৰ্দেশনাৱলীয়ে ব্যাপক, নিৰপেক্ষ আৰু পৰ্যাপ্ত প্ৰতিযোগিতা ৰখাৰ লক্ষ্যৰে চাৰিৰ পৰা ছয় সপ্তাহৰ সময় নিৰ্ধাৰণ কৰে। পৰৱৰ্তী সময়ত এজন বাহ্যিক বিশেষজ্ঞৰ[122] দ্বাৰা এইটো লক্ষ্য কৰা হৈছিল (মে 2018) যে নিবিদাটোত গুৱাহাটীৰ কোনো আগশাৰীৰ ছফ্‌টৱেৰ বিকাশ প্ৰতিষ্ঠানৰ অংশগ্ৰহণ দেখা পোৱা নাছিল। এইটো এই কথাৰ পৰাও

[122] ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান (আই আই আই টি), গুৱাহাটীৰ সঞ্চালক

স্পষ্ট হৈছিল যে তিনিজন নিবিদাকাৰীৰ মাজৰ দুজনৰ অতীতত একে ধৰণৰ প্ৰকল্প হাতত লোৱাৰ প্ৰয়োজনীয় কামৰ অভিজ্ঞতা নাছিল আৰু নিবিদা মূল্যাংকন সমিতিয়ে তেওঁলোকক অযোগ্য বুলি গণ্য কৰিছিল।

5. উপলব্ধ তথ্যপাতিবোৰে সূচায় যে ইতিমধ্যে উক্ত ঠিকাদাৰক কামটো প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল (4 এপিল 2015) যিটো প্ৰমাণিত হৈছে কাৰণ আই এণ্ড চি ডিয়ে কোম্পানীৰ দ্বাৰা আমন্ত্ৰণ জনোৱাৰ দিনাই ই অ' ডি বি-ৰ নীতি কাৰ্যকৰী কৰাৰ বাবে মাষ্টাৰ ৱেবছাইট প্ৰস্তুত কৰাৰ দায়িত্ব ঠিকাদাৰক অৰ্পণ কৰিছিল (4 এপ্ৰিল 2015)। প্ৰাপ্ত নিবিদাৰ অ-প্ৰতিযোগিতামূলক প্ৰকৃতি আৰু বিভিন্ন ঠিকাদাৰৰ নিবিদাৰ সাদৃশ্যই নিবিদা প্ৰক্ৰিয়াৰ পৱিত্ৰতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰে।

6. এপ্ৰিল 2015ত 20 টা মডিউল সামৰি 13 টা বিভাগৰ বাবে নিৰ্ধাৰিত পৰিসৰৰ সৈতে ই অ' আই জাৰী কৰা হৈছিল। যদিও তাৰ অলপ পিছতে, জুন 2015-ত, কোম্পানীয়ে ই অ' ডি বি ৰ বাবে 23 টা বিভাগ অন্তৰ্ভুক্ত কৰাৰ কথা ভাৰত চৰকাৰে (জি অ' আই) উল্লেখ কৰা সংশোধিত প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰিছিল, তথাপিও কোম্পানীয়ে 2016 চনৰ ফেব্ৰুৱাৰীত 2 কোটি টকাৰ নিবিদা কৰা পৰিমাণৰ মূল পৰিসৰৰ বিপৰীতে কাৰ্য নিৰ্দেশ জাৰী কৰিছিল। পৰৱৰ্তী সময়ত, নিবিদা দাখিলৰ সময়ত উল্লেখ কৰা শ্ৰম-দিনৰ হাৰত পূৰ্বৰ চুক্তিৰ সম্প্ৰসাৰণ হিচাপে গণ্য কৰি এই অতিৰিক্ত কামটো ঠিকাদাৰে কৰিছিল। মুকলি নিবিদাৰ জৰিয়তে বা বিশেষজ্ঞৰ দ্বাৰা মূল্যাংকন কৰাৰ পিছত পূৰ্ব-মীমাংসা কৰা হাৰৰ জৰিয়তে ন্যায্য মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ অধীন নোহোৱাকৈ অতিৰিক্ত কামৰ পৰিসৰ বিকাশৰ বাবে কোম্পেনীৰ ওপৰত ঠিকাদাৰৰ দ্বাৰা অযথা বিত্তীয় দাবীৰ সন্মুখীন হোৱাৰ সম্ভাৱনা সৃষ্টি কৰে।

7. অৱশেষত, ঠিকাদাৰে (মাৰ্চ 2016 ৰ পৰা এপ্ৰিল 2021) 43.73 কোটি টকা পৰিমাণৰ প্ৰকল্পটোৰ বাবে সৰ্বাধিক 14 খন চালান দাখিল কৰিছিল, এই উপাদানবোৰৰ বিকাশৰ বাবে ঠিকাদাৰে প্ৰয়োজনীয় বা ব্যৱহাৰ কৰা প্ৰকৃত শ্ৰম-দিন মূল্যায়ন কৰাৰ বাবে কোনো প্ৰণালী উপলব্ধ নাছিল। উদাহৰণ স্বৰূপে, প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ বাবে 12.40 লাখ টকা অন্তৰ্ভুক্ত থকা 13 টা বিভাগক সামৰি 20 টা মডিউলৰ বাবে আৰম্ভণিতে উদ্ধৃত 2 কোটি টকা পৰিমাণৰ বিপৰীতে ঠিকাদাৰে প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ বাবে 2.35 কোটি টকাকৈ পৰৱৰ্তী তিনিটা গোটত চালান দাখিল কৰিছিল। একেদৰে, প্ৰাৰম্ভিকভাৱে উদ্ধৃত পৰিমাণ 12.75 লাখ টকাৰ বিপৰীতে নগৰ আৰু গ্ৰাম্য পৰিকল্পনা সঞ্চালকালয়ৰ বাবে ঠিকাদাৰ ই 1.91 কোটি টকাৰ চালান দাখিল কৰিছিল। এই অদ্ভুত চালান দাখিলকৰণৰ আন এটা উদাহৰণ হৈছে বেক এণ্ড ডিপাৰ্টমেন্টেল এণ্ড প্ৰচেছ মেনেজমেন্টৰ বাবে ঠিকাদাৰে প্ৰথমতে উদ্ধৃত পৰিমাণ মুঠ 44.05 লাখ টকাৰ বিপৰীতে 5.46 কোটি টকাৰ চালান দাখিল কৰা। সেয়েহে, কোম্পানীয়ে মূল আদেশটোক যিকোনো আকাংক্ষিত পৰিমাণ আদায় কৰাৰ অনুমতি দিয়া মূল্য সংযোজিত চুক্তি হিচাপে গণ্য কৰাৰ কোনো যৌক্তিকতা নাছিল, তাৰ পৰিৱৰ্তে, ইয়াৰ বাবে এক ন্যায্য আৰু প্ৰতিযোগিতামূলক মূল্য প্ৰাপ্ত কৰাৰ বাবে অতিৰিক্ত কামৰ পুনৰ নিবিদা ল'ব লাগিছিল।

8. যদিও কোম্পানীটোৱে অসম চৰকাৰৰ হৈ কামটো সম্পাদন কৰি আছিল, প্ৰাৰম্ভিক 2 কোটি টকাৰ পৰা সংশোধিত 30.52 কোটিলৈ বৰ্ধিত বিত্তীয় ব্যয়ৰ বাবে অসম চৰকাৰৰ অনুমোদন ছেপ্টেম্বৰ 2016 ত হে বিচৰা হৈছিল, যেতিয়া ইয়াৰ বাবে বেছিভাগ প্ৰতিশ্ৰুতি ইতিমধ্যে ঠিকাদাৰৰ দ্বাৰা বিকাশৰ জৰিয়তে বহন কৰা হৈছিল। অসম চৰকাৰৰ হৈ কৰা কোম্পানীৰ কামৰ ওপৰত অপৰ্যাপ্ত স্বতন্ত্ৰ পৰ্যবেক্ষণ আছিল।

9. দীঘলীয়া সময়ৰ বাবে, আই এণ্ড চি ডিৰে আয়ুক্তই অসম চৰকাৰৰ হৈ এই প্ৰকল্পটোৰ বাবে পুঁজি মঞ্জুৰ কৰিছিল আৰু তেওঁৰেই কোম্পানীৰ এম ডিও আছিল যি কামটো সম্পাদন কৰিছিল আৰু ঠিকাদাৰক পৰিশোধ মুকলি কৰাৰ বাবে অনুমোদন জনাইছিল। এপ্ৰিল 2015 ৰ পৰা এপ্ৰিল 2021 লৈ এই ছয় বছৰীয়া সময়ত ই অ' আই জাৰী কৰা আৰু প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ মাজত একেজন ব্যক্তিয়ে চাৰিবাৰ[123] কোম্পানীৰ এম ডি আৰু আই এণ্ড চি ডিৰ আয়ুক্ত, এই দুয়োটাৰ দায়িত্ব প্ৰায় আঢ়ৈ বছৰ ধৰি ৰাখিছিল। এনে দ্বৈত আৰু বিভাজিত দায়বদ্ধতাৰ বাবে প্ৰকল্পটোৰ ওপৰত কোম্পানীৰ মালিকীস্বত্ব সম্পৰ্কে বিভ্ৰান্তি আছিল যাৰ কাৰণে মাৰ্চ 2018 ত কোম্পানীৰ নতুন এম ডিয়ে ই অ' ডি বি কামৰ বাবে ঠিকাদাৰে দাখিল কৰা বৃহৎ বিলৰ প্ৰতিবাদ কৰি অসম চৰকাৰলৈ লিখিকৈছিল যে যদিও তেওঁ ইতিমধ্যে এম ডি হিচাপে পাঁচ মাহ অতিবাহিত কৰিছে কিন্তু প্ৰকল্পটোৰ সৈতে সম্পৰ্কিত বিষয়বোৰৰ বিষয়ে তেওঁ এতিয়াও অজ্ঞাত। যেতিয়া তেওঁ কোম্পানীৰ পৰিচালক মণ্ডলীৰ (বোৰ্ড) সৈতে এই বিষয়টো (এপ্ৰিল 2018) উত্থাপন কৰিছিল, বোৰ্ডে ঠিকাদাৰই সৃষ্টি কৰা বিত্তীয় দায়বদ্ধতা স্বীকাৰ কৰিছিল, আৰু সিদ্ধান্ত লৈছিল যে ঠিকাদাৰে আৰু কোনো উন্নয়নমূলক কাম কৰিব নাপায়।

10. পৰৱৰ্তী মডিউলবোৰৰ বিকাশৰ বাবে শ্ৰম-দিন/পৰিমাণৰ হিচাপত কোম্পানীক ঠিকাদাৰে প্ৰদান কৰা কোনো আকলনৰ কোনো তথ্য নাছিল, বা এনে বিকাশৰ বাবে কোম্পানীয়ে ঠিকাদাৰৰ ওপৰত কোনো আনুষ্ঠানিক কাৰ্য আদেশ দিয়া নাছিল। ঠিকাদাৰে কামটোৰ বাবে আগতীয়া আকলন বা আনুষ্ঠানিক অনুমোদন প্ৰদান নকৰাকৈ মডিউলৰ বিকাশ কৰি, আৰু তাৰ পিছত তিনিটা পৰৱৰ্তী গোটত চালান উপস্থাপন কৰি এই অস্পষ্টতাৰ সুবিধা লৈছিল। কোম্পানী আৰু ঠিকাদাৰৰ মাজত কোনো আনুষ্ঠানিক আদেশ বা চুক্তিৰ অভাৱ থকা স্বত্তেও, কোম্পানীয়ে এই চালানবোৰৰ বৈধতাৰ বিৰোধ কৰা নাছিল, আৰু ইয়াক সম্পূৰ্ণৰূপে প্ৰত্যাখান কৰাৰ পৰিৱৰ্তে, বিভাগীয়ভাৱে গঠিত সমিতিৰ জৰিয়তে মূল্যাংকনৰ দ্বাৰা এই হাৰবোৰ প্ৰশমিত কৰিবলৈ চেষ্টা কৰিছিল। দ্বিতীয় বেট্‌চ আৰু তৃতীয় বেট্‌চত দাখিল কৰা চালানৰ বাবে একেখন সমিতিয়ে[124] দুটা পৃথক সময়ত (ফেব্ৰুৱাৰী 2017 আৰু নৱেম্বৰ 2017) এইটো কৰিছিল। অৱশ্যে, ইতিমধ্যে কৰা কামৰ বাবে হাৰ নিৰ্ধাৰণ কৰাৰ এই পদ্ধতিৰ সীমিত আইনী বৈধতা আছে কিয়নো ইয়াক কোম্পানীৰ মাজত কোনো ঠিকা/চুক্তি প্ৰদান কৰা হোৱা নাছিল, আৰু সমিতিয়ে পৰামৰ্শ দিয়া সংশোধিত হাৰবোৰত ঠিকাদাৰে আনুষ্ঠানিকভাৱে তেওঁৰ গ্ৰহণযোগ্যতা প্ৰদান কৰা নাছিল।

11. যদিও সমিতিয়ে পৰামৰ্শ দিছিল যে শ্ৰম দিনৰ হাৰ 3,220 টকাৰ ৰ পৰা প্ৰতি 1,500 টকালৈ হ্ৰাস কৰাৰ লগতে দাখিল কৰা বিলবোৰত আন কিছুমান কৰ্তন[125] কৰিব লাগিব, কেৱল দ্বিতীয় আৰু তৃতীয় বেট্‌চৰ চালানৰ ক্ষেত্ৰতহে কোম্পানীয়ে এই পদ্ধতি অনুসৰণ কৰিছিল। মন কৰিবলগীয়া যে চতুৰ্থ গোটৰ বেট্‌চত চালানবোৰ প্ৰতি শ্ৰম দিনত 3,220 টকা মূল নিৰ্ধাৰিত হাৰ অনুসৰি 6.33 কোটি টকা সম্পূৰ্ণ পৰিশোধ কৰা হৈছিল।

---

[123] শ্ৰী স্বপ্নীল বৰুৱা 17.11.2014 ৰ পৰা 23.02.2016 (এক বছৰ চাৰি মাহ); শ্ৰী কে কে দ্বিৱেদী 07.04.2018 ৰ পৰা 23.09.2018 (পাঁচ মাহ ষোল্ল দিন); শ্ৰী পুৰু গুপ্তা 19.01.2019 ৰ পৰা 03.04.2019 (আঢ়ৈ মাহ); আৰু শ্ৰী ঐনাম সৰণ কুমাৰ সিং 20.11.2020 ৰ পৰা 30.01.2021 (আঢ়ৈ মাহ)

[124] সমিতিখনত ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰৰ সঞ্চালক, উদ্যোগ আৰু বাণিজ্য বিভাগৰ অতিৰিক্ত সঞ্চালক, বিত্তীয় উপদেষ্টা, উদ্যোগ আৰু বাণিজ্য বিভাগ, অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেডৰ মহাপ্ৰবন্ধক অন্তৰ্ভুক্ত আছিল

[125] সমিতিয়ে শ্ৰম-দিনৰ হাৰ 1500 টকালৈ হ্ৰাস কৰাৰ উপৰিও তলত উল্লেখ কৰা ধৰণৰ অতিৰিক্ত হ্ৰাস কৰাৰ পৰামৰ্শ দিছিল: দ্বিতীয় বেট্‌চ: 50 শতাংশ শ্ৰম-দিনৰ কাৰণে অন্তৰ্বৰ্তীকালীন পৰিশোধ মুকলি: তৃতীয় বেট্‌চ: চালান কৰা পৰিমাণৰ এক তৃতীয়াংশ শ্ৰম-দিন কৰ্তন কৰি পৰিশোধ মুকলি কৰা

সেয়েহে, ওপৰোক্ত সমূহৰ সন্দৰ্ভত সামৰণিত এইটো ক'ব পাৰি যে:

i. নিবিদা আৰু চুক্তি ব্যৱস্থাপনাত ক্ৰটিৰ জৰিয়তে, কোম্পানীৰ লগতে মূল বিভাগ অৰ্থাৎ আই এণ্ড চি ডিয়ে ই অ' ডি বি প্ৰকল্পৰ বিকাশ পৰিচালনাত বিত্তীয় বিচক্ষণতাৰ অভাৱ দেখুৱাইছিল, যাৰ ফলত প্ৰকল্পটোৰ ব্যয় প্ৰাৰম্ভিক 2 কোটিৰ পৰা 43.73 কোটি টকালৈ[126] বৃদ্ধি হৈছিল, যাৰ ভিতৰত চূড়ান্ত পৰিশোধ[127] হোৱাৰ কোনো নিশ্চয়তা অবিহনে 18.51 কোটি টকা ইতিমধ্যে পৰিশোধ কৰা হৈছিল যাৰ কাৰণে অসম চৰকাৰৰ বহু কোটি পৰিমাণৰ লোকচান হৈছিল। অব্যৱস্থাৰ কাৰণ জ্ঞান বা সামৰ্থ্যৰ অভাৱৰ সলনি ঠিকাদাৰৰ পক্ষ লোৱাৰ অভিপ্ৰায়ৰ পৰিচায়ক।

ii. যদিও ছফ্‌টৱেৰ বিকাশ কোম্পানীৰ মূল কাৰ্যকলাপ নাছিল আৰু অসম চৰকাৰৰ আন এটা পি এছ ইউ অৰ্থাৎ অসম ইলেক্ট্ৰনিক্স ডেভেলপমেন্ট নিগম লিমিটেড (এ ই ডি চি এল)ক বিশেষভাৱে তথ্য প্ৰযুক্তি আন্ত:গাঁথনি, ছফ্‌টৱেৰ সেৱাৰ বিকাশৰ দায়িত্ব দিয়া হৈছিল আৰু লগতে অসম চৰকাৰৰ ৰাষ্ট্ৰীয় ই-গভৰ্ণেন্স প্ৰকল্পটো তেওঁলোকৰ হাতত লৈছিল, কামটো কোম্পানীৰ জৰিয়তে সম্পাদন কৰা হৈছিল। একে সময়তে, কোম্পানীৰ লগতে, মূল বিভাগ অৰ্থাৎ আই এণ্ড চি ডিয়ে প্ৰকল্পটোৰ পৰিচালনাত এক ভূমিকা পালন কৰি আহিছে যাৰ ফলত কোনো স্পষ্ট প্ৰকল্পৰ গৰাকী নোহোৱাকৈ দুয়োৰে মাজত দায়িত্ব ভাগ-বতৰা কৰা হৈছিল, যাৰ ফলত সিদ্ধান্তবোৰৰ বাবে পোনপটীয়া দায়বদ্ধতা পৰিহাৰ কৰি ঠিকাদাৰক লাভান্বিত হোৱাৰ সুবিধা দিছিল।

চৰকাৰ/কোম্পানীয়ে ইয়াৰ উত্তৰত কৈছিল যে প্ৰকল্পৰ ব্যয় বৃদ্ধি মুখ্যত: নিৰন্তৰ বিকশিত সংস্কাৰ কাৰ্য পৰিকল্পনাৰ বাবে হৈছিল আৰু ই অ' ডি বি প্ৰকল্পটো সম্পূৰ্ণৰূপে তথ্য প্ৰযুক্তিৰ প্ৰকৃতিৰ নাছিল কিয়নো ইয়াত সংস্কাৰৰ ধাৰা, প্ৰযোজ্য আইন, নিয়ম, অধিসূচনা, কাৰ্যালয়ৰ আদেশ আৰু পৰৱৰ্তী সময়ত ডিজিটেল পৰিৱেশত সংস্কাৰ সমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পৰামৰ্শমূলক প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ পৰিমাণ জড়িত আছিল।

উত্তৰটো অৱশ্যে উপযুক্ত প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ কাম সম্পাদন আৰু কামৰ পৰিমাণ নিৰ্ণয় নকৰাকৈ কেৱল ঠিকাদাৰে দাখিল কৰা বিলৰ ওপৰত আধাৰিত কৰি ঠিকাদাৰক বৃহৎ পৰিমাণৰ ধন মুকলি কৰাৰ সন্দৰ্ভত ওপৰত উল্লেখ কৰা ক্ৰটিবোৰৰ ওপৰত নীৰৱ। লগতে, সংশোধিত কামৰ আদেশ জাৰী কৰা হোৱা নাছিল যদিও কোম্পানীয়ে কামৰ পৰিসৰ বৃদ্ধিৰ বিষয়ে অৱগত আছিল, কিয়নো কামটো স্বভাৱত একমুঠ/স্থিৰ মূল্যৰ চুক্তি আছিল কিন্তু ঠিকাদাৰৰ দাবী স্বীকাৰ কৰি ইয়াৰ কোনো যুক্তিসংগত ন্যায্যতা অবিহনে কামটো হাৰ-চুক্তিলৈ ৰূপান্তৰ কৰিছিল। স্বতন্ত্ৰ পৰিচালক মণ্ডলী আৰু পেছাদাৰীভাৱে পৰিচালিত সংগঠন থকা পি এছ ইউ হোৱাৰ বাবে, কোম্পানী মেনেজমেন্টে পৰিশোধ মুকলি কৰাৰ আগতে একে ধৰণৰ প্ৰকল্প ৰূপায়ণৰ সময়ত অনুসৰণ কৰা নিৰ্ধাৰিত প্ৰক্ৰিয়াবোৰ অনুসৰণ কৰাৰ বাবে যথাযথ পৰিশ্ৰম কৰিব লাগিছিল।

[126] যিহেতু কামবোৰৰ জোখ অবিহনে পৰিশোধ মুকলি কৰা হৈছিল আৰু কোম্পানীয়ে কামৰ মুঠ মূল্য গণনা কৰা নাছিল, হিচাপ পৰীক্ষাত ঠিকাদাৰে দাখিল কৰা বিলৰ ওপৰত আধাৰিত কৰি মূল্য নিৰ্ধাৰণ কৰিছিল

[127] যিহেতু কোম্পানীৰ দ্বাৰা কামৰ মুঠ মূল্য গণনা কৰা হোৱা নাছিল আৰু কৰা কামৰ পৰিমাণ দেখুওৱা কোনো নথিপত্ৰৰ অনুপস্থিতিত 18.51 কোটি টকাৰ সম্পূৰ্ণ পৰিশোধ সন্দেহজনক

***পৰামৰ্শ:*** *অসম চৰকাৰৰে ই অ' ডি বি একক উইণ্ডো ক্লিয়াৰেন্স প্ৰণালী প্ৰকল্পৰ এনে দুৰ্বল ব্যৱস্থাপনাৰ বাবে দায়বদ্ধতা নিৰ্ধাৰণ কৰাৰ বিষয়ে বিবেচনা কৰিব পাৰে, যি প্ৰায় ইচ্ছাকৃত প্ৰকৃতিৰ যেন লাগে, আৰু ৰাজহুৱা কোষাগাৰৰ মূল্যত ঠিকাদাৰক লাভান্বিত কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে।*

গোপীনাথ নাৰায়ণ

**গুৱাহাটী:** **(কে. এচ. গোপীনাথ নাৰায়ণ)**
**তাৰিখ: 26 জুলাই 2022** **প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা), অসম**

**প্ৰতিস্বাক্ষৰিত**

**নতুন দিল্লী:** **(গিৰীশ চন্দ্ৰ মুৰ্মূ)**
**তাৰিখ: 29 জুলাই 2022** **ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক**

# পৰিশিষ্ট

## পৰিশিষ্ট-1

**ৰাজ্য চৰকাৰে পি এছ ইউত কৰা বিনিয়োগৰ বিবৃতি যাৰ হিচাপ 30 ছেপ্টেম্বৰ 2020 তাৰিখে বকেয়া আছে**

***(দ্ৰষ্টব্য: দফা 1.3.5 আৰু 1.3.8)***

***(স্তম্ভ 4 আৰু স্তম্ভ 6ৰ পৰা 8ৰ সংখ্যাসমূহ কোটি টকাত)***

| ক্ৰ. নং. | ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ নাম | কোন বছৰলৈকে হিচাপ চূড়ান্ত কৰা হৈছে | পৰিশোধ কৰা মূলধন | চূড়ান্ত হবলৈ বাকী থকা হিচাপৰ ম্যাদ | যি বছৰৰ বাবে হিচাপবোৰ বকেয়া আছে সেই বছৰবোৰত ৰাজ্য চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগসমূহ | | |
|---|---|---|---|---|---|---|---|
| | | | | | ইকুইটি | ঋণ | অনুদান |
| **1** | **2** | **3** | **4** | **5** | **6** | **7** | **8** |
| A | **শক্তি খণ্ড** | | | | | | |
| 1 | অসম শক্তি বিতৰণ কোম্পানী লিমিটেড | 2018-19 | 162.77 | 1 | 283.13 | 221.36 | 1,947.38 |
| | **মুঠ** (A) | | **162.77** | | **283.13** | **221.36** | **1,947.38** |
| **B** | **কাৰ্যকৰী পি এচ ইউ (শক্তি খণ্ডৰ বাহিৰে)** | | | | | | |
| 1 | অসম পশুধন আৰু কুকুৰা নিগম লিমিটেড | 2017-18 | 2.19 | 2 | 0.00 | 0.00 | 8.35 |
| 2 | অসম চাহ নিগম লিমিটেড | 2013-14 | 27.54 | 6 | 0.00 | 261.73 | 25.00 |
| 3 | অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেড | 2013-14 | 5.00 | 27[1] | 0.00 | 7.65 | 2.99 |
| 4 | অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড | 2018-19 | 2.95 | 1 | 0.00 | 0.00 | 10.22 |
| 5 | অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন নিগম লিমিটেড | 2015-16 | 3.40 | 4 | 0.40 | 0.00 | 31.48 |
| 6 | অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগম লিমিটেড | 1997-98 | 0.01 | 22 | 2.40 | 0.00 | 0.00 |
| 7 | অসম ৰাজ্যিক অনুসূচীত জাতিৰ উন্নয়ন নিগম লিমিটেড | 2009-10 | 9.85 | 10 | 0.25 | 0.00 | 58.13 |
| 8 | অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড | 2013-14 | 0.10 | 6 | 0.00 | 0.00 | 1.25 |
| 9 | অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড | 1998-99 | 2.00 | 21 | 0.00 | 29.25 | 1.64 |
| 10 | অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড | 2014-15 | 6.67 | 5 | 0.00 | 0.00 | 0.49 |
| 11 | অশোক কাগজ কল (অসম) লিমিটেড | 2015-16 | 0.01 | 4 | 0.00 | 2.25 | 0.00 |
| 12 | অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড | 2009-10 | 4.56 | 10 | 0.00 | 1.45 | 0.06 |
| 13 | অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড | 2016-17 | 0.39 | 3 | 0.00 | 0.00 | 150.38 |
| **মুঠ (B)** | | | **64.67** | | **3.05** | **302.33** | **289.99** |
| **মুঠ (A + B)** | | | **227.44** | | **286.18** | **523.69** | **2,237.37** |

---

[1] অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেডে 1990-91 লৈ ইয়াৰ হিচাপ চূড়ান্ত কৰিছিল। তাৰ পিছত কোম্পানীয়ে দুবছৰৰ হিচাপ (2012-13 আৰু 2013-14) এই প্ৰতিশ্ৰুতিৰ সৈতে দাখিল কৰিছিল যে হিচাপৰ বকেয়া পৰিমাণ পাঁচ বছৰৰ ভিতৰত চূড়ান্ত কৰা হ'ব

| ক্ৰ. নং. | ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ নাম | কোন বছৰলৈকে হিচাপ চূড়ান্ত কৰা হৈছে | পৰিশোধ কৰা মূলধন | চূড়ান্ত হবলৈ বাকী থকা হিচাপৰ ম্যাদ | যি বছৰৰ বাবে হিচাপবোৰ বকেয়া আছে সেই বছৰবোৰত ৰাজ্য চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগসমূহ | | |
|---|---|---|---|---|---|---|---|
| | | | | | ইকুইটি | ঋণ | অনুদান |
| **1** | **2** | **3** | **4** | **5** | **6** | **7** | **8** |
| **C** | **বিধিবদ্ধ নিগম** | | | | | | |
| 1 | অসম ৰাজ্যিক পৰিবহন নিগম | 2016-17 | 167.73 | 3 | 0.00 | 0.00 | 149.36 |
| 2 | অসম বিত্তীয় নিগম | 2018-19 | 3.24 | 1 | 0.00 | 4.00 | 0.00 |
| **মুঠ (C)** | | | **170.97** | | **0.00** | **0.00** | **149.36** |
| **মুঠ (A + B + C)** | | | **398.41** | | **286.18** | **527.69** | **2,386.73** |
| **D** | **অ-শক্তি খণ্ডৰ পি এছ ইউ (কাম নকৰা)** | | | | | | |
| 1 | অসম কৃষি-উদ্যোগ উন্নয়ন নিগম লিমিটেড | 2009-10 | 2.20 | 10 | 1.10 | 0.00 | 0.00 |
| 2 | অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম লিমিটেড | 2011-12 | 17.35 | 8 | 0.00 | 0.00 | 7.15 |
| 3 | ঔদ্যোগিক কাকত (অসম) লিমিটেড | 2000-01 | 0.40 | 19 | 0.00 | 0.00 | 7.28 |
| **মুঠ (D)** | | | **19.95** | | **1.10** | **0.00** | **14.43** |
| **মুঠ (A + B+C+D)** | | | **418.36** | | **287.28** | **527.69** | **2,401.16** |

## পৰিশিষ্ট-2

### 31 মাৰ্চ 2020 তাৰিখে ৰাজ্যিক পি এছ ইউ-ত মুঠ বিনিয়োগৰ (ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণ) স্থিতিৰ বিবৃতি

*(দ্ৰষ্টব্য: দফা 1.2.3 আৰু 1.3.2)*

*(স্তম্ভ (5(a)ৰ পৰা 6 (d) আৰু 7 ৰ সংখ্যা কোটিত)*

| ক্ৰ. নং. | খণ্ড/ পি এচ ইউৰ নাম | বিভাগৰ নাম | অন্তৰ্ভুক্তিৰ মাহ আৰু বছৰ | 2019-2020 বৰ্ষৰ শেষত ইকুইটি[2] | | | | 2019-20 বৰ্ষৰ শেষত বকেয়া দীৰ্ঘম্যাদী ঋণ | | | | 31 মাৰ্চ 2020 তাৰিখে মুঠ বিনিয়োগ (ইকুইটি আৰু ঋণ) | মানৱ-শক্তি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | 7 | 8 |
| 1 | 2 | 3 | 4 | 5 (a) | 5 (b) | 5 (c) | 5 (d) | 6 (a) | 6 (b) | 6 (c) | 6 (d) | | |
| **A. শক্তি খণ্ডৰ পি এচ ইউ** | | | | | | | | | | | | | |
| 1 | অসম শক্তি উৎপাদন নিগম লিমিটেড | শক্তি | 23-10-2003 | 455.86 | 0.00 | 0.00 | 455.86 | 636.59 | 0.00 | 364.92 | 1,001.51 | 1,457.37 | 977 |
| 2 | অসম বিদ্যুৎ সংবহন নিগম লিমিটেড | শক্তি | 23-10-2003 | 99.93 | 0.00 | 0.00 | 99.93 | 535.34 | 0.00 | 95.68 | 631.02 | 730.95 | 1,947 |
| 3 | অসম শক্তি বিতৰণ কোম্পানী লিমিটেড | শক্তি | 23-10-2003 | 534.58 | 0.00 | 0.00 | 534.58 | 914.45 | 0.00 | 628.77 | 1,543.22 | 2,077.80 | 9,791 |
| **মুঠ (A)** | | | | **1,090.37** | **0.00** | **0.00** | **1,090.37** | **2,086.38** | **0.00** | **1,089.37** | **3,175.75** | **4,266.12** | **12,715** |
| **B. অ-শক্তি খণ্ডৰ পি এছ ইউ (কাৰ্যকৰী)** | | | | | | | | | | | | | |
| **কৃষি আৰু সহযোগী** | | | | | | | | | | | | | |
| 4 | অসম বীজ নিগম লিমিটেড | কৃষি | 27-01-1967 | 1.46 | 0.00 | 0.00 | 1.46 | 3.89 | 0.00 | 0.00 | 3.89 | 5.35 | 193 |
| 5 | অসম মীন উন্নয়ন নিগম লিমিটেড | মীন | 01-03-1977 | 0.49 | 0.00 | 0.00 | 0.49 | 0.00 | 0.00 | 0.00 | 0.00 | 0.49 | 58 |
| 6 | অসম পশুধন আৰু কুকুৰা নিগম লিমিটেড | পশুধন | 02-06-1984 | 0.07 | 2.12 | 0.00 | 2.19 | 0.00 | 0.00 | 0.00 | 0.00 | 2.19 | 25 |
| 7 | অসম চাহ নিগম লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 02-04-1972 | 29.54 | 0.00 | 0.00 | 29.54 | 440.22 | 0.00 | 0.00 | 440.22 | 469.76 | 16,894 |
| 8 | অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেড | মাটি সংৰক্ষণ | 11-01-1974 | 5.00 | 0.00 | 0.00 | 5.00 | 8.99 | 0.00 | 0.00 | 8.99 | 13.99 | 61 |
| 9 | অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড | খাদ্য অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা | 23-09-2014 | 12.19 | 0.00 | 0.00 | 12.19 | 0.00 | 0.00 | 0.00 | 0.00 | 12.19 | 15 |

| ক্ৰ. নং. | খণ্ড/ পি এচ ইউৰ নাম | বিভাগৰ নাম | অন্তৰ্ভুক্তিৰ মাহ আৰু বছৰ | 2019-2020 বৰ্ষৰ শেষত ইকুইটি[2] | | | | 2019-20 বৰ্ষৰ শেষত বকেয়া দীৰ্ঘম্যাদী ঋণ | | | | 31 মাৰ্চ 2020 তাৰিখে মুঠ বিনিয়োগ (ইকুইটি আৰু ঋণ) | মানৱ-শক্তি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | 7 | 8 |
| 1 | 2 | 3 | 4 | 5 (a) | 5 (b) | 5 (c) | 5 (d) | 6 (a) | 6 (b) | 6 (c) | 6 (d) | | |
| **খণ্ড অনুসৰি মুঠ** | | | | **48.75** | **2.12** | **0.00** | **50.87** | **453.10** | **0.00** | **0.00** | **453.10** | **503.97** | **17,246** |
| **বিত্ত** | | | | | | | | | | | | | |
| 10 | অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড | সমভূমি জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ | 29-03-1975 | 2.20 | 0.75 | 0.00 | 2.95 | 0.00 | 0.00 | 14.61 | 14.61 | 17.56 | 119 |
| 11 | অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন নিগম লিমিটেড | সমভূমি জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ | 08-06-1975 | 3.40 | 0.00 | 0.00 | 3.40 | 0.00 | 0.00 | 0.00 | 0.00 | 3.40 | 60 |
| 12 | অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগম লিমিটেড | সংখ্যালঘু সকলৰ কল্যাণ | 27-02-1997 | 2.41 | 0.00 | 0.00 | 2.41 | 0.00 | 0.00 | 8.37 | 8.37 | 10.78 | - |
| 13 | অসম ৰাজ্যিক অনুসূচীত জাতিৰ উন্নয়ন নিগম লিমিটেড | সমভূমি জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ | 18-01-1975 | 5.59 | 4.51 | 0.00 | 10.10 | 0.00 | 0.00 | 0.00 | 0.00 | 10.10 | 77 |
| 14 | অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড | সাংস্কৃতিক পৰিক্ৰমা | 09-04-1974 | 0.10 | 0.00 | 0.00 | 0.10 | 0.04 | 0.00 | 0.00 | 0.04 | 0.14 | 16 |
| **খণ্ড অনুসৰি মুঠ** | | | | **13.70** | **5.26** | **0.00** | **18.96** | **0.04** | **0.00** | **22.98** | **23.02** | **41.98** | **272** |
| **আন্তঃগাঁথনি** | | | | | | | | | | | | | |
| 15 | অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড | পাহাৰ অঞ্চল | 30-03-1964 | 2.00 | 0.00 | 0.00 | 2.00 | 39.62 | 0.00 | 0.00 | 39.62 | 41.62 | 120 |
| 16 | অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 21-04-1965 | 139.21 | 0.00 | 0.00 | 139.21 | 86.35 | 0.00 | 0.00 | 86.35 | 225.56 | 124 |
| 17 | অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 27-03-1962 | 6.67 | 0.00 | 0.00 | 6.67 | 5.19 | 0.00 | 0.00 | 5.19 | 11.86 | 121 |

| ক্ৰ. নং. | খণ্ড/ পি এচ ইউৰ নাম | বিভাগৰ নাম | অন্তৰ্ভুক্তিৰ মাহ আৰু বছৰ | 2019-2020 বৰ্ষৰ শেষত ইকুইটি[2] | | | | 2019-20 বৰ্ষৰ শেষত বকেয়া দীৰ্ঘম্যাদী ঋণ | | | | 31 মাৰ্চ 2020 তাৰিখে মুঠ বিনিয়োগ (ইকুইটি আৰু ঋণ) | মানৱ-শক্তি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | 7 | 8 |
| 1 | 2 | 3 | 4 | 5 (a) | 5 (b) | 5 (c) | 5 (d) | 6 (a) | 6 (b) | 6 (c) | 6 (d) | | |
| 18 | অসম ইলেক্ট্ৰনিক্স উন্নয়ন নিগম লিমিটেড | তথ্য প্ৰযুক্তি | 04-04-1984 | 9.46 | 0.00 | 0.00 | 9.46 | 0.55 | 0.00 | 0.00 | 0.55 | 10.01 | 245 |
| 19 | অসম খনিজ উন্নয়ন নিগম লিমিটেড | খনি আৰু খনিজ | 19-05-1983 | 4.89 | 0.00 | 0.00 | 4.89 | 0.00 | 0.00 | 0.00 | 0.00 | 4.89 | 79 |
| 20 | অসম আৰক্ষী গৃহনিৰ্মান নিগম লিমিটেড | গৃহ | 11-05-1980 | 0.04 | 0.00 | 0.00 | 0.04 | 0.00 | 0.00 | 0.00 | 0.00 | 0.04 | 136 |
| 21 | অসম বাণিজ্য উন্নয়ন সংস্থা | উদ্যোগ আৰু বাণিজ্য | 17-02-2010 | 10.00 | 0.00 | 0.00 | 10.00 | 0.00 | 0.00 | 0.00 | 0.00 | 10.00 | 2 |
| **খণ্ড অনুসৰি মুঠ** | | | | **172.27** | **0.00** | **0.00** | **172.27** | **131.71** | **0.00** | **0.00** | **131.71** | **303.98** | **827** |
| **নিৰ্মাণ** | | | | | | | | | | | | | |
| 22 | অসম পেট্ৰ'কেমিকেলচ লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 22-04-1971 | 177.00 | 0.00 | 320.17 | 497.17 | 0.00 | 0.00 | 408.40 | 408.40 | 905.57 | 331 |
| 23 | অশোক কাগজ কল (অসম) লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 06-07-1991 | 0.01 | 0.00 | 0.00 | 0.01 | 0.52 | 0.00 | 0.00 | 0.52 | 0.53 | 7 |
| 24 | অসম হাইড্ৰ'কাৰ্বন আৰু শক্তি কোম্পানী লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 02-05-2006 | 21.00 | 0.00 | 0.00 | 21.00 | 0.00 | 0.00 | 0.00 | 0.00 | 21 | 8 |
| 25 | এমট্ৰন ইনফৰ্মেটিক্স (ইণ্ডিয়া) লিমিটেড | তথ্য প্ৰযুক্তি | 27-03-2002 | 0.00 | 0.00 | 0.01 | 0.01 | 0.00 | 0.00 | 1.20 | 1.20 | 1.21 | 4 |
| 26 | অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 30-03-1988 | 0.00 | 0.00 | 4.93 | 4.93 | 9.11 | 0.00 | 0.35 | 9.46 | 14.39 | 22 |
| **খণ্ড অনুসৰি মুঠ** | | | | **198.01** | **0.00** | **325.11** | **523.12** | **9.63** | **0.00** | **409.95** | **419.58** | **942.70** | **372** |
| **সেৱাসমূহ** | | | | | | | | | | | | | |
| 27 | অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড | পৰ্যটন | 06-06-1988 | 0.39 | 0.00 | 0.00 | 0.39 | 0.00 | 0.00 | 0.00 | 0.00 | 0.39 | 145 |
| **খণ্ড অনুসৰি মুঠ** | | | | **0.39** | **0.00** | **0.00** | **0.39** | **0.00** | **0.00** | **0.00** | **0.00** | **0.39** | **145** |

| ক্ৰ. নং. | খণ্ড/ পি এচ ইউৰ নাম | বিভাগৰ নাম | অন্তৰ্ভুক্তিৰ মাহ আৰু বছৰ | 2019-2020 বৰ্ষৰ শেষত ইকুইটি[2] | | | | 2019-20 বৰ্ষৰ শেষত বকেয়া দীৰ্ঘম্যাদী ঋণ | | | | 31 মাৰ্চ 2020 তাৰিখে মুঠ বিনিয়োগ (ইকুইটি আৰু ঋণ) | মানৱ-শক্তি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | 7 | 8 |
| 1 | 2 | 3 | 4 | 5 (a) | 5 (b) | 5 (c) | 5 (d) | 6 (a) | 6 (b) | 6 (c) | 6 (d) | | |
| **বিবিধ** | | | | | | | | | | | | | |
| 28 | অসম চৰকাৰ বিপণন সমবায় লিমিটেড | হস্ততাঁত বস্ত্ৰ আৰু চেৰিকালচাৰ | 16-12-1959 | 2.16 | 1.34 | 0.00 | 3.50 | 0.00 | 0.00 | 0.00 | 0.00 | 3.50 | 42 |
| 29 | অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড | শিক্ষা | 03-03-1972 | 1.00 | 0.00 | 0.00 | 1.00 | 0.00 | 0.00 | 0.00 | 0.00 | 1.00 | 68 |
| 30 | অসম গেছ কোম্পানী লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 31-03-1962 | 16.91 | 0.00 | 0.00 | 16.91 | 0.00 | 0.00 | 0.00 | 0.00 | 16.91 | 384 |
| 31 | ডি এন পি লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 15-06-2007 | 0.00 | 0.00 | 167.25 | 167.25 | 0.00 | 0.00 | 0.00 | 0.00 | 167.25 | 29 |
| 32 | পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 19-11-2019 | 0.00 | 0.00 | 100.00 | 100.00 | 0.00 | 0.00 | 0.00 | 0.00 | 100.00 | - |
| **খণ্ড অনুসৰি মুঠ** | | | | **20.07** | **1.34** | **267.25** | **288.66** | **0.00** | **0.00** | **0.00** | **0.00** | **288.66** | **523** |
| **মুঠ (B)** | | | | **453.19** | **8.72** | **592.36** | **1,054.27** | **594.48** | **0.00** | **432.93** | **1,027.41** | **2,081.68** | **19,385** |
| **মুঠ (A+B)** | | | | **1,543.56** | **8.72** | **592.36** | **2,144.64** | **2,680.86** | **0.00** | **1,522.30** | **4,203.16** | **6,347.80** | **32,100** |
| **C. বিধিবদ্ধ নিগমসমূহ** | | | | | | | | | | | | | |
| **বিত্ত** | | | | | | | | | | | | | |
| 1 | অসম বিত্তীয় নিগম | বিত্ত | 04-01-1954 | 26.85 | 0.00 | 5.55 | 32.40 | 54.00 | 0.00 | 0.00 | 54.00 | 86.40 | 104 |
| **খণ্ড অনুসৰি মুঠ** | | | | **26.85** | **0.00** | **5.55** | **32.40** | **54.00** | **0.00** | **0.00** | **54.00** | **86.40** | **104** |
| **সেৱা** | | | | | | | | | | | | | |
| 2 | অসম ৰাজ্যিক পৰিবহন নিগম | পৰিবহন | 03-01-1970 | 157.47 | 10.26 | 0.00 | 167.73 | 0.00 | 0.00 | 21.49 | 21.49 | 189.22 | 3,446 |
| 3 | অসম ৰাজ্যিক পণ্যাগাৰ নিগম | সমবায় | 08-01-1958 | 8.00 | 5.47 | 0.00 | 13.47 | 4.25 | 0.00 | 0.00 | 4.25 | 17.72 | 301 |
| **খণ্ড অনুসৰি মুঠ** | | | | **165.47** | **15.73** | **0.00** | **181.20** | **4.25** | **0.00** | **21.49** | **25.74** | **206.94** | **3,747** |
| **মুঠ (C)** | | | | **192.32** | **15.73** | **5.55** | **213.60** | **58.25** | **0.00** | **21.49** | **79.74** | **293.34** | **3,851** |
| **সৰ্বমুঠ (A + B + C)** | | | | **1,735.88** | **24.45** | **597.91** | **2,358.24** | **2,739.11** | **0.00** | **1,543.79** | **4,282.90** | **6,641.14** | **35,951** |

| ক্র. নং. | খণ্ড/ পি এচ ইউৰ নাম | বিভাগৰ নাম | অন্তৰ্ভুক্তিৰ মাহ আৰু বছৰ | 2019-2020 বৰ্ষৰ শেষত ইকুইটি[2] | | | | 2019-20 বৰ্ষৰ শেষত বকেয়া দীৰ্ঘম্যাদী ঋণ | | | | 31 মাৰ্চ 2020 তাৰিখে মুঠ বিনিয়োগ (ইকুইটি আৰু ঋণ) | মানৱ-শক্তি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | 7 | 8 |
| 1 | 2 | 3 | 4 | 5 (a) | 5 (b) | 5 (c) | 5 (d) | 6 (a) | 6 (b) | 6 (c) | 6 (d) | | |
| **D. অ-কাৰ্যকৰীপি এচ ইউ** | | | | | | | | | | | | | |
| **কৃষি আৰু সহযোগী** | | | | | | | | | | | | | |
| 1 | অসম কৃষি-উদ্যোগ উন্নয়ন নিগম লিমিটেড | কৃষি | 27-01-1975 | 2.20 | 0.00 | 0.00 | 2.20 | 6.76 | 0.00 | 0.50 | 7.26 | 9.46 | 1 |
| 2 | অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম লিমিটেড | জলসিঞ্চন | 15-10-1980 | 17.35 | 0.00 | 0.00 | 17.35 | 0.00 | 0.00 | 0.00 | 0.00 | 17.35 | - |
| **খণ্ড অনুসৰি মুঠ** | | | | **19.55** | **0.00** | **0.00** | **19.55** | **6.76** | **0.00** | **0.50** | **7.26** | **26.81** | **1** |
| **আন্তঃগাঁথনি** | | | | | | | | | | | | | |
| 3 | অসম পাৱাৰ লুম উন্নয়ন নিগম লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 03-05-1990 | 3.54 | 0.00 | 1.00 | 4.54 | 0.00 | 0.00 | 0.08 | 0.08 | 4.62 | - |
| 4 | অসম চৰকাৰ নিৰ্মাণ নিগম লিমিটেড | পি ডব্লিউ ডি (আৰ এণ্ড বি) | 24-03-1964 | 2.00 | 0.00 | 0.00 | 2.00 | 0.00 | 0.00 | 0.00 | 0.00 | 2.00 | - |
| **খণ্ড অনুসৰি মুঠ** | | | | **5.54** | **0.00** | **1.00** | **6.54** | **0.00** | **0.00** | **0.08** | **0.08** | **6.62** | **-** |
| **নিৰ্মাণ** | | | | | | | | | | | | | |
| 5 | অসম কণ্ডাক্টৰ এণ্ড টিউবচ লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 22-06-1964 | 1.54 | 0.00 | 0.00 | 1.54 | 29.60 | 0.00 | 0.00 | 29.60 | 31.14 | - |
| 6 | অসম ৰাজ্যিক বস্ত্ৰ নিগম লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 26-02-1980 | 15.76 | 0.00 | 0.00 | 15.76 | 6.07 | 0.00 | 0.00 | 6.07 | 21.83 | 7 |
| 7 | প্ৰাগজ্যোতিষ সাৰ আৰু ৰাসায়নিক লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 27-02-2004 | 0.00 | 0.00 | 2.33 | 2.33 | 0.00 | 0.00 | 0.00 | 0.00 | 2.33 | 1 |
| 8 | অসম টেনাৰিজ লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 28-09-1961 | 0.01 | 0.00 | 0.01 | 0.02 | 0.00 | 0.00 | 0.00 | 0.00 | 0.02 | - |
| 9 | ঔদ্যোগিক কাকত (অসম) লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 09-06-1974 | 0.00 | 0.00 | 0.40 | 0.40 | 0.00 | 0.00 | 0.00 | 0.00 | 0.40 | 3 |

| ক্ৰ. নং. | খণ্ড/ পি এচ ইউৰ নাম | বিভাগৰ নাম | অন্তৰ্ভুক্তিৰ মাহ আৰু বছৰ | 2019-2020 বৰ্ষৰ শেষত ইকুইটি[2] | | | | 2019-20 বৰ্ষৰ শেষত বকেয়া দীৰ্ঘম্যাদী ঋণ | | | | 31 মাৰ্চ 2020 তাৰিখে মুঠ বিনিয়োগ (ইকুইটি আৰু ঋণ) | মানৱ-শক্তি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | জি অ' এ | জি অ' আই | অন্যান্য | মুঠ | 7 | 8 |
| 1 | 2 | 3 | 4 | 5 (a) | 5 (b) | 5 (c) | 5 (d) | 6 (a) | 6 (b) | 6 (c) | 6 (d) | | |
| 10 | অসম স্পান চিল্ক মিল লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 31-03-1960 | 1.70 | 0.00 | 0.00 | 1.70 | 3.79 | 0.00 | 0.00 | 3.79 | 5.49 | - |
| 11 | অসম পলিটেক্স লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 29-05-1982 | 0.00 | 0.00 | 5.26 | 5.26 | 0.00 | 0.00 | 0.00 | 0.00 | 5.26 | - |
| 12 | অসম সিনটেক্স লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 04-01-1985 | 0.00 | 0.00 | 5.12 | 5.12 | 0.00 | 0.00 | 0.00 | 0.00 | 5.12 | 2 |
| 13 | অসম ৰাজ্যিক বয়ন আৰু নিৰ্মাণ কোম্পানী লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 29-11-1988 | 0.00 | 0.00 | 8.20 | 8.20 | 0.00 | 0.00 | 0.00 | 0.00 | 8.20 | 2 |
| 14 | অসম আৰু মেঘালয় খনিজ উন্নয়ন নিগম লিমিটেড | খনি আৰু খনিজ | 08-10-1964 | 0.20 | 0.00 | 0.03 | 0.23 | 0.00 | 0.00 | 0.00 | 0.00 | 0.23 | - |
| 15 | কাছাৰ চেনী কল লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 30-03-1972 | 0.00 | 0.00 | 3.38 | 3.38 | 0.00 | 0.00 | 0.70 | 0.70 | 4.08 | - |
| 16 | ফাৰ্টিচেম লিমিটেড | উদ্যোগ আৰু বাণিজ্য | 29-03-1974 | 0.00 | 0.00 | 0.43 | 0.43 | 0.00 | 0.00 | 0.00 | 0.00 | 0.43 | 2 |
| **খণ্ড অনুসৰি মুঠ** | | | | **19.21** | **0.00** | **25.16** | **44.37** | **39.46** | **0.00** | **0.70** | **40.16** | **84.53** | **17** |
| **মুঠ (D)** | | | | **44.30** | **0.00** | **26.16** | **70.46** | **46.22** | **0.00** | **1.28** | **47.50** | **117.96** | **18** |
| **সৰ্বমুঠ (A+B+C +D )** | | | | **1,780.18** | **24.45** | **624.07** | **2,428.70** | **2,785.33** | **0.00** | **1,545.07** | **4,330.40** | **6,759.10** | **35,969** |

2 0.32 কোটি টকা ইকুইটিৰ ভিতৰত আছে শেয়াৰ এপ্লিকেচন ধন- অসম শক্তি কোম্পানী বিতৰণ লিমিটেড: 88.68 কোটি টকা, অসম চাহ নিগম লিমিটেড : 2 কোটি টকা, অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগম লিমিটেড: 2.40 কোটি টকা, অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড: 7.58 কোটি টকা আৰু অসম ৰাজ্যিক টেক্সটাইল নিগম লিমিটেড : 0.32 কোটি টকা

## পৰিশিষ্ট-3

### 30 ছেপ্টেম্বৰ 2020 তাৰিখলৈকে চৰকাৰী কোম্পানী আৰু বিধিবদ্ধ নিগমবোৰৰ শেহতীয়া বিত্তীয় বিৱৰণ/ হিচাপ অনুসৰি বিত্তীয় স্থিতি আৰু কাৰ্যকৰী ফলাফলৰ সংক্ষিপ্ত বিত্তীয় স্থিতি

***(দ্ৰষ্টব্য: দফা 1.2.8, 1.2.12 আৰু 1.3.14)***

*(স্তম্ভ 5 ৰ পৰা 13 ৰ সংখ্যা কোটিত টকাত)*

| ক্ৰ. নং. | খণ্ড/ পি এছ ইউৰ নাম | হিচাপৰ ম্যাদ | কোন বছৰত চূড়ান্ত কৰা হৈছে | সুত আৰু কৰৰ আগতে মুঠ লাভ/ লোকচান (-) | মুঠ লাভ (+)/ লোকচান (-) | টাৰ্ণ- অভাৰ | পৰিশোধ কৰা মূলধন | সঞ্চিত লোকচান (-) | মুক্ত সংৰক্ষণ আৰু ৰাহি[3] | বকেয়া থকা দীৰ্ঘম্যাদী ঋণ[4] | মুঠ মূল্য[5] | নিয়োজিত মূলধন[6] |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 | 13 |
| **A. শক্তি খণ্ডৰ পি এচ ইউ** | | | | | | | | | | | | |
| 1 | অসম শক্তি উৎপাদন নিগম লিমিটেড | 2019-20 | 2020-21 | 68.67 | 4.28 | 503.98 | 455.86 | -107.59 | 0.00 | 1,001.51 | 348.27 | 1,349.78 |
| 2 | অসম বিদ্যুৎ সংবহন নিগম লিমিটেড | 2019-20 | 2020-21 | -144.93 | -181.60 | 272.60 | 99.93 | -395.98 | 0.00 | 631.02 | -296.05 | 334.97 |
| 3 | অসম শক্তি বিতৰণ কোম্পানী লিমিটেড | 2018-19 | 2019-20 | 179.77 | 21.01 | 5,223.97 | 162.77 | -2,956.01 | 18.54 | 2,409.37 | -2,774.70 | -365.33 |
| **মুঠ A (খণ্ড অনুসৰি)** | | | | **103.51** | **-156.31** | **6,000.55** | **718.56** | **-3,459.58** | **18.54** | **4,041.90** | **-2,722.48** | **1,319.42** |
| **B. অ-শক্তি খণ্ডৰ পি এছ ইউ(কাম কৰা)** | | | | | | | | | | | | |
| **কৃষি আৰু সহযোগী** | | | | | | | | | | | | |
| 4 | অসম বীজ নিগম লিমিটেড | 2013-14 | 2016-17 | -3.64 | -3.64 | 22.00 | 1.46 | -13.17 | 0.00 | 7.19 | -11.71 | -4.52 |
| 5 | অসম মীন উন্নয়ন নিগম লিমিটেড | 2016-17 | 2019-20 | 5.07 | 5.07 | 8.37 | 0.49 | 0.00 | 18.58 | 0.00 | 19.07 | 19.07 |
| 6 | অসম পশুধন আৰু কুকুৰা নিগম লিমিটেড | 2017-18 | 2020-21 | -0.36 | -0.36 | 0.28 | 2.19 | -1.13 | 0.00 | 0.00 | 1.06 | 1.06 |
| 7 | অসম চাহ নিগম লিমিটেড | 2013-14 | 2020-21 | -14.90 | -17.98 | 46.55 | 27.54 | -323.75 | 0.00 | 174.08 | -296.21 | -122.13 |
| 8 | অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেড[7] | 2013-14 | 2016-17 | -0.16 | -0.16 | 1.99 | 5.00 | -13.71 | 0.00 | 9.69 | -8.71 | 0.98 |
| 9 | অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড | 2016-17 | 2020-21 | -0.31 | -0.31 | 0.00 | 12.19 | -1.04 | 0.00 | 0.00 | 11.15 | 11.15 |
| **খণ্ড অনুসৰি মুঠ** | | | | **-14.30** | **-17.38** | **79.19** | **48.87** | **-352.80** | **18.58** | **190.96** | **-285.35** | **-94.39** |

| ক্ৰ. নং. | খণ্ড/ পি এছ ইউৰ নাম | হিচাপৰ ম্যাদ | কোন বছৰত চূড়ান্ত কৰা হৈছে | সুত আৰু কৰৰ আগতে মুঠ লাভ/ লোকচান (-) | মুঠ লাভ (+)/ লোকচান (-) | টাৰ্ণ- অভাৰ | পৰিশোধ কৰা মূলধন | সঞ্চিত লোকচান (-) | মুক্ত সংৰক্ষণ আৰু ৰাহি[3] | বকেয়া থকা দীৰ্ঘম্যাদী ঋণ[4] | মুঠ মূল্য[5] | নিয়োজিত মূলধন[6] |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 | 13 |
| বিত্ত | | | | | | | | | | | | |
